জ্যোতিপ্ৰসাদ জন্ম-শতবৰ্ষৰ শ্ৰদ্ধাৰ্ঘ্য

লক্ষ্মীনাথ, জ্যোতিপ্ৰসাদ আৰু 'জয়মতী'

লক্ষ্মীনাথ, জ্যোতিপ্ৰসাদ আৰু 'জয়মতী'

সংকলন/সম্পাদনা

ত্ৰিনেশ বৰুৱা

ৰূপম বৰুৱা

নিৰুপমা প্ৰকাশন

গৌৰীপুৰ / গুৱাহাটী

Lakshminath, Jyotiprasad aru 'Joymoti'. A commemorative volume with appreciation of works of Lakshminath Bezbaruah and Jyotiprasad Agarwala, including 'Joymoti Kunwari,' an Assamese classic, published by *Nirupama Prakashan* on the occasion of Jyotiprasad Birth Centenary.
17 June, 2003. Price Rs 85.00 only

প্ৰকাশক :
নিৰুপমা প্ৰকাশন
গৌৰীপুৰ / গুৱাহাটী
ফোন - ২৫২৯১৯৮, ২৩০৩০৭৫, ২৩০৫০০০ (গুৱাহাটী)
২৮১৪৮৪, ২৮১৩২৯ (গৌৰীপুৰ)

প্ৰথম প্ৰকাশ - ১৭ জুন, ২০০৩

প্ৰচ্ছদ পৰিকল্পনা : ৰূপম বৰুৱা

মুদ্ৰণ :
চিত্ৰবন প্ৰিণ্টাৰ্চ
২৬৩, ৰাধাগোবিন্দ বৰুৱা পথ
গুৱাহাটী-৭৮১ ০০৩

মূল্য : ৮৫.০০ টকা

পূজনীয় পিতৃদেৱ ৺নীৰদ চন্দ্ৰ বৰুৱা

আৰু

পূজনীয়া মাতৃদেৱী ৺নিৰুপমা বৰুৱাৰ স্মৃতিত

সবিনয় নিবেদন

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা— আধুনিক তথা সৰ্বকালৰ শ্ৰেষ্ঠ দুগৰাকী অসমীয়াই নিজ নিজ ক্ষেত্ৰত দুটা যুগৰ প্ৰতিনিধিত্ব কৰি গৈছে। বহুমুখী প্ৰতিভাৰ এই দুই ব্যক্তিত্বৰ আত্মিক সংযোগ ঘটিছে বুৰঞ্জী-প্ৰসিদ্ধ চৰিত্ৰ সতী জয়মতী আৰু তেওঁৰ আত্মত্যাগৰ কৰুণ কাহিনীৰ মাজেদি। প্ৰথম গৰাকী জয়মতীৰ বাস্তৱ-কাহিনীৰ ভিত্তিত ৰচিত নাটক 'জয়মতী কুঁৱৰী'ৰ স্ৰষ্টা, আনগৰাকী সেই নাটকৰ আধাৰত নিৰ্মিত প্ৰথম অসমীয়া চলচ্চিত্ৰৰ গৌৰৱ কঢ়িয়াই অনা 'জয়মতী'ৰ অসামান্য প্ৰয়োগ-শিল্পী।

জ্যোতিপ্ৰসাদ শতবৰ্ষৰ শ্ৰদ্ধাৰ্ঘ্যৰূপে নিবেদন কৰা পুথিখনিত নাতিদীৰ্ঘ দুটি প্ৰবন্ধৰে যুগনায়ক দুই মনীষাৰ বিষয়ে কিঞ্চিৎ আলোচনা আগবঢ়োৱাৰ লগতে দুষ্প্ৰাপ্য-প্ৰায় 'জয়মতী কুঁৱৰী' নাটকৰ পুনৰ প্ৰকাশৰ প্ৰয়স কৰিবলৈ পাই আমি নিজকে ধন্য মানিছো। ওপৰিঞ্চত পঢ়ুৱৈ সমাজৰ সুবিধাৰ্থে জ্যোতিপ্ৰসাদৰ দুটিমান ৰচনা আৰু আনুষঙ্গিক তথ্য-পাতিও সন্নিবিষ্ট কৰা হ'ল। ৰাইজৰ সমাদৰ পালেই আমাৰ প্ৰচেষ্টা ফলৱতী হোৱা বুলি ধৰি ল'ম।

আমি কৃতজ্ঞতা জ্ঞাপন কৰিছো সেইসকল ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানলৈ যিসকলৰ প্ৰত্যক্ষ বা পৰোক্ষ সহায় অবিহনে আমাৰ এই পুথি প্ৰকাশ সম্ভৱ নহ'লহেঁতেন।

আমাৰ আন্তৰিক প্ৰচেষ্টা সত্ত্বেও অ'ত ত'ত ছপা-ভুল দুই এটা, তথ্যপাতিৰ ক্ষেত্ৰত আসোঁৱাহ নাইবা অইন কিবা ত্ৰুটি-বিচ্যুতি ৰৈ যোৱাটো নুই কৰিব নোৱাৰি। সহৃদয় পঢ়ুৱৈসমাজে আমাৰ এই অনিচ্ছাকৃত ভুল-ভ্ৰান্তি নিজগুণে মাৰ্জনা কৰি সেই বিলাকলৈ আঙুলিয়াই দি আগলৈ শুধৰোৱাৰ সুযোগ দিলে কৃতাৰ্থ হ'ম।

সদৌ শেষত দুয়োগৰাকী মনীষীলৈ আমাৰ সশ্ৰদ্ধ প্ৰণিপাতেৰে—

বিনীত

প্ৰকাশক

সূচী

- শ্ৰদ্ধাৰ্ঘ্য

  লক্ষ্মীনাথৰ নাট্যপ্ৰতিভা ঃ 'জয়মতীকুঁৱৰী ১৩

  'জয়মতী'ৰ স্ৰষ্টা জ্যোতিপ্ৰসাদ ২১

- লক্ষ্মীনাথ বেজবৰুৱাৰ জয়মতী কুঁৱৰী

  জয়মতীকুঁৱৰী (নাটক) ৩৩

- ওপৰঞ্চি

  বেজবৰুৱা প্ৰতিভা ১০৭

  অসমৰ ফিল্ম শিল্প গঢ়াত অসমীয়া দৰ্শকৰ দায়িত্ব ১২০

  'জয়মতী'ৰ চিত্ৰনাট্যৰ একাংশ ১২৬

  লক্ষ্মীনাথৰ ৰচনাৰাজি ১২৮

  জ্যোতি প্ৰসাদৰ ৰচনা-ৰাজি ১৩০

শ্রদ্ধার্ঘ্য

লক্ষ্মীনাথৰ নাট্যপ্ৰতিভা ঃ 'জয়মতী কুঁৱৰী'

লক্ষ্মীনাথ বেজবৰুৱাৰ চিন্তা, কৰ্ম আৰু ৰচনাৰ ক্ষেত্ৰ আছিল বিশাল। জ্যোতিপ্ৰসাদৰ ভাষাত 'আজীৱন ছেদভেদ নোহোৱাকৈ অসমীয়া ভাষাৰ সেৱা কৰোঁতা, মৰ্ম্মে-মৰ্ম্মে অসমীয়া ভাষাৰ অভাৱ-অনাটন অনুভৱ কৰোঁতা, অসমীয়া ভাষাৰ মহাদুৰ্দ্দিনৰ দিনা, ভাষাৰ বিপদ ভালকৈ বুজি বাহিৰা আক্ৰমণৰ পৰা নিশকতীয়া ভাষাটিক আৱৰি ধৰি তাৰ হকে অবিশ্ৰান্তভাৱে, অনৰ্গল যুঁজি ভাষাক ৰক্ষা কৰি তাক টনকিয়াল কৰোঁতা, অসমীয়া পদ্য-সাহিত্যত ভাবৰ নিজৰা বোৱাওঁতা, অসমীয়া ভাষাৰ গদ্য-ৰচনাৰ ভেটি সুদৃঢ় কৰি অসমীয়া গদ্য-সাহিত্যৰ গঢ় লগাওঁতা, অসমীয়া শব্দাৱলীৰে একেৰাহে শক্তিশালীকৈ, কুমলীয়াকৈ সুমধুৰকৈ, পতিয়ন নিওৱাকৈ ভাষাৰ সৃষ্টি কৰোঁতা, অসমীয়াৰ নিভাঁজ গীত-মাতৰ আদৰ্শ দিওঁতা, অসমীয়া নাট্য-মঞ্চত নিভাঁজ অসমীয়া নাট লিখাৰ চানেকি দাঙি ধৰোতা, অসমীয়া নাটকীয় চৰিত্ৰইদি নিখুঁতভাৱে অসমীয়া চৰিত্ৰ প্ৰকাশ কৰোঁতা, অসমীয়া সাহিত্যত আপুৰুগীয়া, অনুপম, কবিতাময়ী সুখৰ সামাজিক জগতৰ সাহিত্যৰ আন কোনো অনুপম সৌন্দৰ্য্য সৃষ্টিৰ সতে ফেৰ মাৰিব পৰা ডালিমী চৰিত্ৰ আকোঁতা, নাটকীয় কাৰিকৰি, সূক্ষ্মতা, বিচক্ষণতা আৰু সুনিপুণতাৰে প্ৰয়োগ কৰোঁতা, অসমীয়া নাট্য-সাহিত্যৰ ভেটি বান্ধোতা, অসমীয়া সাহিত্যৰ প্ৰত্যেক খোঁটালিতে প্ৰতিভাৰ বন্তি জ্বলাওঁতা, অসমীয়াক জাতীয়তাৰে অনুপ্ৰাণিত কৰোঁতা, অসমীয়া সাহিত্যৰ প্ৰধান ওজা, শক্তিমন্ত যুঁজাৰু অসমীয়া সাহিত্যৰ মেধাস্বৰূপ, এটি যুগৰ বতৰা কওঁতা লক্ষ্মীনাথ বেজবৰুৱাৰ কথা কৈও অন্ত পাবলৈ নাই, লিখি শেষ কৰিবলৈকো ভাগৰ লাগে।'

পণ্ডিত প্ৰবৰ ড°বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে তেওঁৰ "লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্ৰতিভা" গ্ৰন্থৰ আমুখত লিখিছে ঃ লক্ষ্মীনাথ আছিল কবি-সাহিত্যিক আৰু সাহিত্যৰথী। সাহিত্যৰ ৰথ চক্ৰ তেওঁ দ্ৰুতগতিৰে চলাব খুজিছিল আৰু চলাইছিল। পাৰিভাষিক অৰ্থত তেওঁ অতিৰথী বা মহাৰথী। কিন্তু কেৱল সাহিত্যিক বা সাহিত্যৰথী বুলি ক'লে অসম্পূৰ্ণতাৰ দোষত এনে উক্তি দূষিত হ'ব। লক্ষ্মীনাথ নিজে সাহিত্যৰথী বা ৰসৰাজ যিয়েই নহওক, মনস্বিতা আৰু মনীষাৰে অসমৰ এটা যুগৰ ৰূপ নিৰ্ণয় কৰি সেই যুগৰ নায়কৰূপে পাদশতিকা জুৰি বিৰাজ কৰিছিল। এই কাৰণেই নাটক, উপন্যাস, কবিতা, চুটিগল্প আদি অসমীয়া সাহিত্যৰ বিবিধ ক্ষেত্ৰত কোনোজন সাহিত্যিকে লক্ষ্মীনাথক

অতিক্ৰম কৰি গ'লেও, লক্ষ্মীনাথৰে সৈতে তেনে সাহিত্যিকৰ তুলনা নহয় —কিয়নো এই তুলনা কেৱল নাটক, উপন্যাস আদি সাহিত্যকৃতিতে সীমাবদ্ধ নহয় —সমগ্ৰ অসমীয়া জাতিৰ মানসিক আলোড়ন আৰু নৱজাগৰণৰ ক্ষেত্ৰলৈকে ই সম্প্ৰসাৰিত।'

এনে এক মহীৰুহ-সদৃশ বিৰাট ব্যক্তিত্বৰ বিশাল আৰু ব্যাপক সাহিত্যকৃতিৰ বিভিন্ন শাখা-প্ৰশাখাৰ মাজত বিচৰণ কৰাৰ পৰা ক্ষান্ত থাকি আমি আমাৰ নাতিদীৰ্ঘ প্ৰবন্ধত প্ৰতিপাদ্য বিষয়—লক্ষ্মীনাথৰ নাট্যপ্ৰতিভা আৰু তেওঁৰ সৃষ্টি 'জয়মতী কুঁৱৰী' নাটৰ আলোচনাহে আগবঢ়ালো।

লক্ষ্মীনাথে নাটক লিখাৰ প্ৰেৰণা পাইছিল ছাত্ৰজীৱনত 'চেক্‌স্‌পিয়েৰ'ৰ নাটক পঢ়ি। এই সম্পৰ্কে তেওঁ লিখিছে ঃ "চেক্‌স্‌পিয়েৰৰ 'হেমলেট', 'কিং জন', 'হেনৰী' আৰু 'মিড্‌চামাৰ নাইটচ্‌ ড্ৰিম্‌' কলেজত মোৰ পাঠ্য আছিল । ভাবিলোঁ ময়ো তেনে অপূৰ্ব্ব নাট খনচেৰেক অসমীয়াত ৰচনা কৰি অসমীয়া সাহিত্য ভঁৰালত যুগমীয়া কীৰ্তি থৈ যাম। ইয়াকে ভাবি প্ৰথমে 'হেমলেট'ৰ আহিঁত 'হেমচন্দ্ৰ' নাম দি নাট লিখিবলৈ মনস্থ কৰি ভাৱৰীয়া-ভাৱৰীয়ানীৰ নামবোৰ থিৰ কৰি প্ৰথম অঙ্কৰ দুটা কি তিনিটা দৰ্শন লেখি পেলালোঁ। আকৌ ভাৱ-সাগৰত আন ঢৌ উঠিল, হেমচন্দ্ৰক সেইখিনিতে 'দম' লবলৈ এৰি থৈ 'মিডচামাৰ নাইটত্‌ ড্ৰিম'ৰ নিচিনা আন এখন নাট ৰচনাত হস্তক্ষেপ কৰিলো।"

'চেক্‌স্‌পিয়েৰ'ৰ পৰা পোৱা এই প্ৰেৰণাই পৰবৰ্তীকালত পৰিণত বয়সত ৰচনা কৰা তেওঁৰ নাটকত প্ৰভাৱ পেলোৱাৰ কথা লক্ষ্মীনাথে নিজেই স্বীকাৰ কৰিছে। "চক্ৰধ্বজ সিংহ" নাটকত 'চেক্‌স্‌পিয়েৰ'ৰ চতুৰ্থ হেন্‌ৰী আৰু পঞ্চম হেন্‌ৰী নাটকৰ চৰিত্ৰ-বিশেষৰ অনুকৰণত প্ৰিয়ৰাম-গজপুৰীয়া আদিৰ চৰিত্ৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰা বুলি নাট্যকাৰে কৈছে ঃ "মহাকবি চেক্সপিয়েৰৰ প্ৰিন্স হেন্‌ৰি (Hal), ফলষ্টাফ (Falstaff) আৰু তেওঁলোকৰ লগৰীয়াসকলৰ চৰিত্ৰৰ চানেকিৰ কিছুদুৰ অনুসৰণ কৰি এই নাটৰ প্ৰিয়ৰাম আৰু গজপুৰীয়া প্ৰভৃতিৰ চৰিত্ৰ গঠন কৰা হৈছে।"

এই 'অনুকৰণ' ব্যৰ্থ অনুকৰণ নহৈ নিভাঁজ যেন হৈছে। কিয়নো সিহঁতক সংস্থাপিত কৰা হৈছে ঐতিহাসিক পৰিবেশত।

বঙালী নাট্যকাৰসকলৰ দ্বাৰাও তেওঁ প্ৰভাৱিত নোহোৱাকৈ থকা নাই। লক্ষ্মীনাথৰ নাট্যপ্ৰতিভা প্ৰসংগত ড° বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে কৈছেঃ বেজবৰুৱাৰ তিনিওখন বুৰঞ্জীমূলক নাটতে বঙালী নাট্যকাৰ ক্ষীৰোদ প্ৰসাদ, দ্বিজেন্দ্ৰলাল আদিৰ নাটকৰ ক্ষীণ প্ৰভাৱ দেখা যায়। বেজবৰুৱাই যি সময়ত (১৯১৫ খ্ৰীঃ) নাট ৰচনা কৰিছিল সেই সময়ত বঙ্গদেশত ঐতিহাসিক নাটকৰ পয়োভৰ আছিল। সেইবিলাক নাটকৰ অধ্যয়ন আৰু তাৰ অভিনয়ে

বেজবৰুৱাৰ মনত দকৈ ৰেখাপাত কৰিছিল। অসম বুৰঞ্জীৰ আখ্যান লৈ নাট ৰচনা কৰাৰ সময়ত অজ্ঞাতসাৰেই সেই নাটকৰ চৰিত্ৰৰ আচৰণ আৰু সংলাপে এই নাট কেইখনত ঠাই পোৱাত একো অস্বাভাৱিকতা নাই। এনে প্ৰভাৱ সত্ত্বেও অসমীয়া গীত-মাতৰ যোগেদি, তাঁতশালত তাঁত বোৱা আদি নিভাঁজ অসমীয়া সমাজ এখনৰ প্ৰতিচ্ছবি এই নাটকেইখনত ফুটাই তুলিব পৰাটো লক্ষ্মীনাথৰ কৃতিত্বৰ পৰিচায়ক।

বুৰঞ্জীমূলক নাটকৰ স্বৰূপৰ বিষয়ে লক্ষ্মীনাথে পাতনিত লিখিছে ঃ

"নাট কাব্যহে, বুৰঞ্জী নহয়। কাৰণ বহুতে এইটো নুবুজে। সমাজনীতি বা ৰাজনীতিৰ সৈতেও নাটকৰ সম্বন্ধ নাই। যি সময়ৰ ঘটনা লৈ নাট ৰচিত, সেই সময়ৰ কথা আৰু ব্যক্তিগত চৰিত্ৰহে নাটৰ বিষয়। চিৰকলীয়া সত্য আৰু সকলো দেশৰ সকলো মানুহৰ সাধাৰণ সম্পত্তি, মহৎ প্ৰবৃত্তিবোৰ উদ্‌গোৱাটোহে নাটৰ কাৰ্য্য।

জয়মতী নাটতো বুৰঞ্জীৰে মিহলি নোহোৱা ধাৰা বিচাৰিলে পোৱা নাযায়। কল্পনাৰাজ্যৰ মায়া কুঁৱৰীসকলৰ খেলেৰে সৈতে বুৰঞ্জীৰ ঘটনা ইয়াত সানমিহলি।"

ঐতিহাসিক নাটক 'জয়মতী কুঁৱৰী' ৰচনা কৰাৰ বেলিকা নাট্যকাৰ বেজবৰুৱাৰ মনোযোগ আকৰ্ষন কৰিছিল তিনিটা কথাই ঃ (ক) আদৰ্শ (খ) উদ্দেশ্য আৰু (গ) নাটকৰ স্বৰূপ। সেয়েহে এই নাট ৰচনাত মহৎ প্ৰবৃত্তিবোৰ' উদ্‌গোৱাৰ প্ৰচেষ্টা আছিল প্ৰত্যক্ষভাৱে। আৰু সেইকাৰণেই গদাপাণিৰ দেশপ্ৰেম আৰু বীৰত্বতকৈ জয়মতীৰ আদৰ্শনিষ্ঠা আৰু পতি-প্ৰেম, ভগৱদ-ভক্তি আদি গুণৰাজিক নাটখনত সবাতোকৈ ওপৰত স্থান দিয়া হৈছে।

পাঁচোটা অঙ্ক আৰু আঠাইশটা দৰ্শনৰ উপৰি 'সমাপতি' বুলি শেষত যোগ দিয়া এটা দৰ্শনৰে সম্পূৰ্ণ কৰা 'জয়মতী কুঁৱৰী' নাটৰ কাহিনী নতুনকৈ কোৱাৰ সকাম নাই যদিও সংক্ষিপ্ত কথা-বস্তু এনে ধৰনৰ ঃ

'শৰাইঘাটৰ যুদ্ধ জয়ৰ পিছত বাহিৰৰ পৰা শত্ৰুৰ ভয় নোহোৱা কাৰণেই বুঢ়াগোহাঁই, বৰগোহাঁই আদি ৰাজমন্ত্ৰীসকল ৰজা ভঙা-পতা কামত লাগে। বিষয়াসকলৰ চক্ৰান্তত কেবাজনো ৰজাই অকালতে প্ৰাণহেৰুওৱাৰ পিছত চামুগুৰীয়া ফৈদৰ চুলিকফা কম বয়সতে ৰাজপাটত উঠি 'ল'ৰা ৰজা' নামে প্ৰখ্যাত হৈ পৰে। ল'ৰা ৰজাই নিজৰ ৰাজপাট নিগাজী কৰাৰ প্ৰচেষ্টাত ৰাজপাটত বহাৰ যোগ্য কোঁৱৰসকলৰ নিৰ্য্যাতন হৈছিল। কোনোৱে প্ৰাণ হেৰুৱাইছিল , কোনোৱে চকু-কাণ হেৰুৱাই ঘৃণীয়া হৈ ৰাজপাটৰ অযোগ্য হৈছিল। এই নিৰ্য্যাতনৰ হাত সাৰিবলৈ জয়মতীৰ স্বামী তুঙ্খুঙীয়া ফৈদৰ গদাপাণি ঘৰ-দুৱাৰ এৰি পলাই যায় আৰু পলায়মান স্বামীৰ বাতৰি উলিয়াবলৈ বুলি ৰাজ-আজ্ঞাত জয়মতীক চাউদাঙে ধৰি আনি শাস্তি বিধান কৰে।

জয়মতী কুঁৱৰী নাটকৰ আখ্যান ল'ৰা ৰজাৰ চৰিয়াই গদাপাণিক ধৰিবলৈ কৰা চেষ্টা আৰু গদাপাণিৰ পলায়নত আৰম্ভ হৈ ৰাজকীয় নিৰ্য্যাতনৰ ফলত জয়মতীৰ তনুত্যাগত শেষ হৈছে।

জয়মতী কুঁৱৰীৰ নাটকীয় ঘটনাৰ ক্ষেত্ৰ ঃ জেৰেঙা পথাৰৰে সৈতে ৰংপুৰ নগৰ আৰু নগাপাহাৰৰ টাবলুং,

ঘটনাৰ ব্যাপ্তি ঃ প্ৰায় দুমাহ।

বিশেষজ্ঞসকলৰ মতে ঘটনা-বিন্যাসৰ ফালৰ পৰা ই একক আৰু অবিমিশ্ৰ সেয়ে নাটকীয় স্থান, কাল আৰু ঘটনাৰ ঐক্য সম্পূৰ্ণৰূপে বিৰাজমান।

তৰবৰীয়ে পিথু চাংমাইক কোৱা 'তই জানো শুনা নাই, ল'ৰা ৰজাই ৰাজবংশী কোঁৱৰবোৰ এফালৰ পৰা ধৰাই ঘূনীয়া কৰি আৰু মাৰি খাম্ভাং কৰিব লাগিছে? এইবাৰ তুংখুঙীয়া ফৈদৰ আমাৰ কোঁৱৰকো ধৰাই নি তেনে কৰিবলৈ ৰজা আৰু বুঢ়াগোহাঁয়ে পাং পাতিছে বুলি আইচু দেউতাই শুনি, কোঁৱৰৰ কুশলৰ নিমিত্তে এই সবাহ পাতিছে' সংলাপৰ জৰিয়তে নাটকীয় ঘটনাৰ উপস্থাপন কৰা হৈছে সংস্কৃত নাটকৰ প্ৰস্তাবনাৰ ৰীতিত। এইদৰে দৰ্শক শ্ৰোতাক জনাই দিয়া হ'ল গদাপাণিৰ আসন্ন বিপদৰ কথা।

'জয়মতী কুঁৱৰী' নাটকত জয়মতীৰ চৰিত্ৰ চিত্ৰণত নাট্যকাৰ বেজবৰুৱাই অসামান্য দক্ষতা দেখুৱাইছে। এহাতে নাৰীসুলভ কমনীয়তা আৰু মাধুৰ্য্য, আনহাতে একাগ্ৰতা আৰু দৃঢ়তা। জয়মতীৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ এই দুয়োটা দিশেই তেওঁৰ কথা-বতৰা, আচৰণ আৰু কাৰ্য্যকলাপৰ যোগেদি উজ্জ্বলভাৱে প্ৰতিভাত হৈছে। স্বামীৰ আসন্ন বিপদৰ কথা জনাৰ পিছতো জয়মতী অবিচলিত; কিয়নো বিপদৰ আশংকা প্ৰকাশ কৰিলে কিজানিবা গদাপণিয়ে মনোবল হেৰুৱায়! স্বামীৰ মংগল কামনা কৰিয়েই বাহিৰত তেওঁ বিপদ-আপদৰ প্ৰতি সম্পূৰ্ণ উদাসীনতাৰ ভাব দেখুৱাব লগা হয়।

সমালোচকৰ মতে এইদৰে উদাসীন হৈ দেখুৱাব পৰাৰ কাৰণ দুটা—মনৰ অনন্য সাধাৰণ দৃঢ়তা আৰু স্বামীৰ প্ৰতি একান্ত অনুৰাগ; দুয়োটাৰে মূলীভূত উৎস হ'ল ঈশ্বৰত অটল বিশ্বাস। পতিপ্ৰেম ভগৱদভক্তিলৈ ৰূপান্তৰ হোৱা বা ভগবদ্‌ভক্তি পতিপ্ৰেম ৰূপে প্ৰকাশ হোৱাৰ এক অপূৰ্ব নিদৰ্শন জয়মতী চৰিত্ৰ। সেইদেখি যিমানেই চাউদাঙে শাস্তিৰ মাত্ৰা বঢ়াই নিছে, সিমানেই জয়মতীৰ সুখ-দুখৰ চেতনা নোহোৱা হৈছে। কাৰো প্ৰতি আক্ষেপ, ক্ৰোধ বা আক্ৰোশ নকৰাকৈ যেন এক নিৰ্দিষ্ট ব্ৰত উদ্‌যাপনৰ বাবে তেওঁ সংকল্প কৰি দিন গণি আছে।

আৰম্ভণিতে তৰবৰী-পিথুৰ সংলাপৰ মাজত কথাই কথাই ৰং-ধেমালি কৰি থকা জয়মতীৰ সদা-সন্তোষৰ ভাৱত নিৰ্লিপ্ততাৰ আভাস পোৱা যায়। এই সম্পৰ্কে ডঃ শাস্ত্ৰীয়ে

কৰা মন্তব্য প্ৰণিধানযোগ্য ঃ "জয়মতী চৰিত্ৰৰ আগডোখৰত দ্বিজেন্দ্ৰলাল ৰায়ৰ সাজাহান নাটকৰ পিয়াৰাৰ অলপ ছাঁ পৰাটো দেখা যায়" বুলি পাতনিত কোৱা কথাষাৰে ঐতিহাসিক চৰিত্ৰৰ ঘৰুৱা জীৱনত প্ৰকাশ হোৱা ৰূপৰ আভাস দিছে। বিপদে চুলিত ধৰি টানি থকা অৱস্থাতো মধুৰ পৰিৱেশ সৃষ্টি কৰিব পৰা অসাধাৰণ ক্ষমতাৰে ই প্ৰকাশ।

লক্ষ্মীনাথৰ অসাধাৰণ কল্পনাশক্তিৰ এক মনোমুগ্ধকৰ প্ৰকাশ ঘটিছে তেওঁৰ অনবদ্য চৰিত্ৰ সৃষ্টি ডালিমীৰ মাজেদি। ডালিমী আন দহজনী নাগিনী ছোৱালীৰ নিচিনা নহয়। তাই এক ব্যতিক্ৰমী চৰিত্ৰ। তাই একক—অনন্যা। এঘাৰ বছৰীয়া ডালিমীয়ে তাইৰ সকলো চপলতা আৰু মাধুৰ্য্যেৰে প্ৰকৃতিৰ সতে একাত্মবোধ কৰিব পাৰে বুলিয়েই গদাপাণিক ক'ব পাৰে —'চোৱাঁচোন এই পৰ্বতটো কেনে শুৱনি। ইমান বিলাক ফুল, ইমানবোৰ জন্তু, এনে সুন্দৰ জুৰি তোমাৰ ভৈয়ামত নাই। ইয়াৰ সকলোৱে দুখ পতিয়ায়। চোৱাঁ, মই হাঁহিলে পৰ্ব্বতেও হাঁহে। ফুল, পখিলা, চৰাই, গছ সকলোবোৰে মোৰে সৈতে সুখ-দুখৰ কথা পাতে, সকলোবোৰৰে জীৱ আছে, মৰম চেনেহ আছে। নহয়নে বাৰু? তুমি ইয়াত আৰু দিনচেৰেক থাকিলে তোমাৰে সৈতেও সিহঁতে মোৰ দৰে কথা-বাৰ্তা ক'ব; এতিয়া তুমি অচিনাকি হৈ আছা দেখি তোমাৰ মাত সিহঁতে ভালকৈ নুবুজে, সিহঁতৰ মাতো তুমি ভালকৈ নুবুজা।'

প্ৰকৃতি-কন্যা ডালিমী সংসাৰৰ আন সকলো বন্ধনৰ পৰা মুক্ত হোৱা বাবেই নিজকে মিলাই দিব পাৰে। আনহাতে ৰাজনৈতিক ষড়যন্ত্ৰৰ ফলত পলুৱাই ফুৰা, সদা-সতৰ্ক আৰু আতংকগ্ৰস্ত গদাপাণিয়ে পাৰিবাৰিক বন্ধন আৰু কৰ্তব্যৰ আহ্বানত বিব্ৰতবোধ কৰা বাবেই নিজকে ঠিক সেইদৰে মিলাই দিব পৰা নাই।

'ডালিমীৰ চৰিত্ৰ-চিত্ৰণত আৰু মনমা গাম আৰু গামনীৰ কাৰ্যকলাপ বৰ্ণনাত খেনোৱে নাট্যকাৰৰ নগা জীৱনৰ বাস্তৱ জ্ঞানৰ অভাৱ দেখিছে' বুলি উল্লেখ কৰি ড° বিশ্বনাৰায়ন শাস্ত্ৰীয়ে তেওঁৰ "লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্ৰতিভা" গ্ৰন্থত এই অভিযোগ এনেদৰে খণ্ডণ কৰিছেঃ

'নগা জীৱন কি আৰু তাৰ অভিজ্ঞতা কি? এটা জাতিৰ বা এক নৰ-গোষ্ঠীৰ সামগ্ৰিক জীৱনৰ স্বৰূপ কি? ব্যক্তিৰ দৈনন্দিন জীৱনৰ কাৰ্যসমূহ, আহাৰ সংগ্ৰহৰ প্ৰচেষ্টা কেতিয়াও জাতীয় জীৱন নহয়। শ শ বছৰ জুৰি চলি অহা জীৱনযাত্ৰা আৰু সংসাৰৰ বিষয়ে এক ধাৰণা সামূহিকভাৱে সেই নৰ-গোষ্ঠীৰ মনত বিৰাজমান, সেই ধাৰণাই সমাজক কেনেকৈ পৰিচালিত কৰে, ব্যক্তিৰ ভাব-চিন্তাক কেনেকৈ ৰূপ দিয়ে —সেই কথাহে যিকোনো গোষ্ঠীজীৱনৰ আহৰণীয় আৰু গ্ৰহণীয় বস্তু।

'অতিথি-পৰায়ণতা, মানুহৰ সততাৰ ওপৰত আস্থা, অযথা সন্দেহৰ অভাৱ,

মৰ্মান্তিক শোকৰ কৰুণ মুহূৰ্তত সংযম আৰু প্ৰচলিত বিশ্বাসক আশ্ৰয় কৰি সান্ত্বনা লাভ আদি বৈশিষ্ট্য সূচক ভাবধাৰাৰ প্ৰকাশ গাম আৰু গামনীৰ চৰিত্ৰত প্ৰকাশ হৈছে। ডালিমীক আকাশৰ বা পানীৰ ডেও বুলি সান্ত্বনা লভাৰ যুক্তি আৰু প্ৰয়াসে নগা জীৱনৰ মনোৰাজ্যৰ এটা ফাল প্ৰকাশ কৰিছে। ইয়াতকৈ প্ৰতিনিধিমূলক চৰিত্ৰ-চিত্ৰণ প্ৰায়ে দেখা নাযায়। ই নগা মনৰ অকৃত্ৰিম চিত্ৰণ। নাট্যকাৰে কেইফাঁকিমান কথাৰে দুটা বা এটা দৃশ্যত এক বিশিষ্ট মানৱ-গোষ্ঠীৰ জাতীয় বৈশিষ্ট্য ফুটাই তুলিব লগা হৈছে। এনে অৱস্থাত কোনো আত্মসচেতন নাট্যকাৰেই জাতীয় জীৱনৰ অখণ্ড বৈশিষ্ট্য দৈনন্দিন জীৱনযাত্ৰাৰ খণ্ড দৃশ্যৰ যোগেদি প্ৰকাশ কৰাৰ চেষ্টা নকৰে। সেইকাৰণে মনমা গামে যাঠি লৈ ন নচা বা বৰা-পহু চিকাৰ নকৰা দেখি, নাইবা লাওপানী নোখোৱা দেখি হতাশ হোৱাত মানসিক দৈন্যই আত্মপ্ৰকাশ নকৰাকৈ থকা নাই।'

গদাপাণি নাট্যকাৰ বেজবৰুৱাৰ সুনিপুণ হাতৰ স্পৰ্শৰে অংকন কৰা এটি স্মৰণীয় চৰিত্ৰ। শাৰীৰিক শক্তি আৰু বীৰত্বৰ ফালৰ পৰা তেওঁ যিদৰে অতুলনীয় মানসিকভাৱেও তেওঁ ঠিক সেই দৰেই অত্যন্ত অনুভূতিপ্ৰৱণ। এই অনুভূতিপ্ৰৱণ মনৰ সুন্দৰ প্ৰকাশ ঘটিছে লৰা ৰজাৰ চোৰাংচোৱাৰ হাতৰ পৰা ৰক্ষা পৰাৰ উপায় সম্পৰ্কে জয়মতীৰ সৈতে আলোচনাৰ সময়ত। গদাপাণিয়ে এই কথা ভালদৰেই উপলব্ধি কৰিছিল যে তেওঁৰ অৱৰ্তমানত জয়মতীয়ে ভয়ংকৰ বিপদৰ সন্মুখীন হ'ব লগীয়া হ'ব। কিন্তু ৰাজৰোষৰ হাত সাৰিবলৈ জয়মতীৰ নেৰানেপেৰা অনুৰোধতেই তেওঁ নগাপাহাৰৰ ফালে পলাই যাব লগা হ'ল।

কিন্তু নগাপাহাৰত ডালিমীৰ সাহচৰ্য্যত অনাবিল আনন্দ আৰু অনিৰ্বচনীয় 'সুখৰ সমাজিকত মগন' হৈয়ো ভাবাবেগৰ সংঘাত আৰু আদৰ্শ আৰু কৰ্তব্যৰ দ্বন্দ্বত দোদুল্যমান গদাপাণিয়ে নিৰন্তৰ মানসিক অশান্তিত ভুগিবলগীয়া হয়ঃ 'উস্ মই যাওঁ, দেখা দি, ধৰা দি মোৰ জয়াক শাস্তিৰ পৰা সৰুৱাওঁগৈ।' 'মোৰ জয়মতীয়ে মোৰ নিমিত্তে গাৰ তেজ টোপাটোপে দিব লাগিছে, আৰু মই সুখৰ সমাজিকত মগন......... ছিঃ গদাপাণি! তোৰ ইমান অধঃপতন।'

কৰ্তব্যপৰায়ণ গদাপাণিৰ বাবে 'কৰ্তব্য অতি কঠোৰ হ'লেও কৰ্তব্য।' সেয়ে ডালিমীৰ মৰম-চেনেহৰ আকৰ্ষণে তেওঁক সৰহদিন বান্ধি ৰাখিব নোৱাৰে। জয়মতীৰ প্ৰতি কৰ্তব্য কৰিবলৈ নগাপাহাৰ এৰি ৰংপুৰ নগৰলৈ গুচি আহে। কিন্তু জয়মতীৰ আদৰ্শ আৰু নিষ্ঠাই তেওঁক দেশৰ প্ৰতি কৰ্তব্যৰ কথা মনত পেলাই দিয়ে। চকুৰ আগত জয়মতীৰ নিৰ্য্যাতন দেখিও কৰ্তব্যৰ আহ্বানে তেওঁক আত্মৰক্ষা কৰিবলৈ বাধ্য কৰোৱায়। কৰ্তব্যৰ আহ্বানত হলেও আপাতদৃষ্টিত গদাপাণিৰ এনে কাৰ্য্যত কাপৰুষতা, হৃদয়হীনতা আৰু

স্বাৰ্থপৰতাৰ প্ৰকাশ পোৱা যেন লাগে। কিন্তু পৰিস্থিতি আৰু পৰিণতিৰ কথা চালিজাৰি চাই গদাপাণিৰ কাৰ্য্যৰ যুক্তিযুক্ততা নুই কৰিব নোৱাৰি। কিয়নো বাহুবলী গদাপাণি শাৰীৰিক শক্তিত অতুলনীয় হলেও প্ৰবল ৰাজশক্তিৰ বিৰুদ্ধে অকলে যুঁজ কৰাটো তেওঁৰ পক্ষে সম্ভৱ নহয়। গতিকে প্ৰত্যাহ্বান কৰাটো ধৃষ্টতা মাথোন হলহেঁতেন। ইফালে চাউদাংহঁতে জয়মতীক শাস্তি দি থকা অৱস্থাত যদি তেওঁ আত্মসমৰ্পনো কৰে তেতিয়াহ'লেও তাৰ দ্বাৰা জয়মতীৰ মুক্তিলাভ সম্ভৱ নহ'লহেঁতেন। গদাপাণিৰ মুখেদি নাট্যকাৰ বেজবৰুৱাই সেই কথা প্ৰকাশ কৰিছেঃ

'নিশ্চয় জয়াৰ কথা ঠিক—মই মৰিলে সকলো যায়। তেনেহলে আসাম দেশৰ আৰু সহজে উদ্ধাৰ নহ'ল; দুখুনী আসাম আইৰ চকুলো মচ নেখালে; নৰপশু ৰজা আৰু মন্ত্ৰীদলক সমুচিত দণ্ড দিয়া আৰু নহ'ল। এই নিমিত্তে মই মৰিব নোৱাৰোঁ। মই কাপুৰুষ নে? নিশ্চয় নহয়।'

'জয়মতী কুঁৱৰী' নাটখনিত জয়মতীৰ নিৰ্য্যাতনৰ দৰে ৰাজনৈতিক ঘটনা এটাৰ প্ৰতিক্ৰিয়াক সামাজিক স্তৰতো ব্যাপক কৰি তোলাৰ এক প্ৰশংসনীয় প্ৰচেষ্টা চলাইছে নাট্যকাৰ বেজবৰুৱাই। এই অমানবীয় ঘটনাই কিদৰে সকলোকে উদ্বিগ্ন আৰু অসন্তুষ্ট কৰি তুলিছে তাৰেই এক স্বাভাৱিক আৰু অকৃত্ৰিম চিত্ৰ নাট্যকাৰে দাঙি ধৰিছে বাটৰুৱাৰ কথোপকথনৰ মাজেদি। অকল বাটৰুৱাই নহয়, একে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ৰজাঘৰৰ ৰাজমাৱে আৰু বুঢ়াগোঁহাইৰ ভাৰ্য্যাই নিৰ্য্যাতিন বন্ধ কৰিবলৈ জনোৱা আবেদনৰ যোগেদি। আনকি গুৰুঘৰৰ পৰাও আবেদন আহিছে জয়মতীক শাস্তি দিয়াৰ পৰা বিৰত হ'বলৈ।

ল'ৰাৰজা চুলিকফা আৰু বুঢ়াগোহাঁই প্ৰমুখ্যে ষড়যন্ত্ৰী ৰাজমন্ত্ৰীবৰ্গৰ চৰিত্ৰ-চিত্ৰণ যথাযথভাৱেই কৰা হৈছে। তৰৱৰী, পিথু চাংমাই, সেউতী, খুহুটীয়া শৰ্ম্মা আদি অপেক্ষাকৃত গৌণ চৰিত্ৰসমূহো নাট্যকাৰে তেওঁলোকৰ প্ৰতি কৰা সুবিচাৰৰ ফলত নিজা নিজা বৈশিষ্ট্যৰে সমুজ্জ্বল হৈ উঠিছে। নাট্যকাৰ হিচাপে বেজবৰুৱাৰ কৃতিত্ব এইখিনিতে।

জ্যোতি প্ৰসাদে বেজবৰুৱাক জাতীয় নাট্যকাৰ বুলি অভিহিত কৰি কৈছে যে 'তেওঁৰ নাটক পঢ়োঁতাৰ কাৰণে এইটো ফটফটীয়া হৈ ওলাই আছে। কাৰণ তেওঁৰ নাটকত কল্পনা আৰু ভাবৰ কুঁৱৰীবোৰক নচুৱাবলৈ যিখিনি বাজনা মাৰিছে সেইখিনি বাজনাই বোলে জাতীয়তাৰ বাণীহে ফুটাইছে আৰু যি ৰাগৰে বিধে বিধে সুৰ ৰচি সিহঁতক গোৱাইছে সেই ৰাগৰ basic notes খিনিয়ে জাতীয় ভাবৰ atmosphere সৃষ্টি কৰিছে আৰু তাৰে dominant অনুভব কৰিব পৰাকৈয়ে জাতীয়তাৰ স্বৰত বন্ধা। তেওঁ নাটকৰ মাজেদি জাতীয়তাৰ প্ৰচাৰ কৰিছে বুলিলেও বৰ ভুল কোৱা নহব। কেতিয়াবা

পোনপটীয়াভাৱে, কেতিয়াবা আওপকীয়াকৈ, কেতিয়াবা লুকুৱাই, কেতিয়াবা দেখুৱাই, কেতিয়াবা কাণে কাণে ফুচ্‌ফুচাই, কেতিয়াবা ওখ মাচিয়াৰ পৰা চিঞৰি বক্তৃতা দি তেওঁ নাটকৰ মাজেদি জাতীয়তাৰ বাণীয়েই প্ৰচাৰ কৰি গৈছে। বেজবৰুৱা আমাৰ জাতীয় নাট্যকাৰ কাৰণ তেওঁৰ হাততেই আমাৰ অসমীয়া জাতীয় চৰিত্ৰ ফুটি উঠিছে। বিশ্ব-সাহিত্যৰ পুথিৰ পাতত লয়লাসে নাচিব পৰা ডালিমী মানসী কন্যাৰ সৃষ্টি হৈছে। যিজনৰ নাটকত অসমীয়া জাতিৰ জাতীয় জীৱনৰ আগবাৰীৰ পৰা অন্তেষপুৰীয়া ৰবঘৰৰ ভিতৰৰ চোৰচাওৰ ছায়াছবিত প্ৰতিফলিত হৈছে, যাৰ নাটকৰ মাজেদি আমি অসমীয়া মানুহৰ আচল authentic (বিশ্বাসযোগ্য) বেজীৰ জলাকো মনিব পৰা মনস্তাত্ত্বিক বিশ্লেষণ পাই অসমীয়াৰ স্বৰূপ চিনিব পাৰি, অসমীয়াই নিজে নিজক ফটফটীয়াকৈ বেজবৰুৱাক প্ৰথম শ্ৰেণীৰ পাঠকৰূপী ডাঠ দাপোণত দেখিবলৈ সমৰ্থ হৈ নিজকে জানিব বুজিবলৈ সমৰ্থ হৈছোঁ, যিজনাৰ নাটকত গোটেই অসমীয়াৰ জাতীয় জীৱনৰ ছবিৰ দুয়ো পিঠি প্ৰতিফলিত হৈ দৰ্শনে-শ্ৰৱণেদি অসমীয়াৰ প্ৰাণৰ প্ৰাণত সম্যকভাৱে জাতীয় ভাবৰ উন্মেষ কৰিব পাৰিছে সেইজন অৱশ্যেই আমাৰ জাতীয় নাট্যকাৰ। তেওঁৰ নাটক অসমীয়া নাট-লিখোঁতাৰ চানেকিৰ থল।

'নাটকৰ সোৱাদ লগা সাধু বাছি উলিৱাত, নাটকীয় অভিনৱ চৰিত্ৰ-সৃষ্টি কৰাত আৰু চৰিত্ৰ আঁকাত, নাটকীয় বচনৰ ৰচনা-চাতুৰ্য্যত, নাটকীয় ঘটনাৱলী সজোৱাত, নাটকীয় চৰিত্ৰ আঁকি মৌলিকতা দেখুৱাত আৰু এনেবোৰ চৰিত্ৰ বিচিত্ৰকৈ সুচিত্ৰিত কৰিব পৰাত, যাবতীয় নাটকীয় কাৰিকৰি মৌলিকতাৰে বিচক্ষণতাৰে খটুৱাই নাটকৰ শাৰীৰ নামে-গাঁৱে অসমীয়া নাটক গীতে-মাতে মিঠাকৈ দিব পৰাত সুদক্ষ প্ৰথম শ্ৰেণীৰ নাট-লিখোঁতা বেজবৰুৱাক অসম দেশৰ জাতীয় নাট্যকাৰৰ মুকুট আমি পিন্ধাৰ পাৰোঁ।' (ওপৰঞ্চিত পুনৰমুদ্ৰিত জ্যোতিপ্ৰসাদৰ 'বেজবৰুৱা প্ৰতিভা' দ্ৰষ্টব্য)

'জয়মতী'ৰ স্ৰষ্টা জ্যোতি প্ৰসাদ

অসমীয়া চলচ্চিত্ৰৰ পিতৃপুৰুষ, 'জয়মতী' ৰ স্ৰষ্টা ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাই চলচ্চিত্ৰ নিমাৰ্ণৰ প্ৰথম প্ৰেৰণা লাভ কৰে ১৯২২ চনত ক'লকাতাত 'আঁধাৰে অলো' নামৰ নিৰ্বাক বাংলা ছবি এখন চাই। এই সম্পৰ্কে প্ৰথমখন অসমীয়া চলচ্চিত্ৰৰ প্ৰথমজন নায়ক জ্যোতিপ্ৰসাদৰ অন্তৰংগ বন্ধু 'গদাপাণি' ফুনু (পৰশুৰাম) বৰুৱাই 'জয়মতী' কথাছবি নিৰ্মাণ প্ৰসংগত এক স্মৃতিচাৰণত লিখিছেঃ

'১৯২১ চনৰ শেহ ভাগত জ্যোতিয়ে কলিকতা বিদ্যাপীঠ আৰু মই বেঙ্গল টেক্‌নিকেল ইন্‌ষ্টিটিউটত পঢ়িবলৈ বুলি কলিকতালৈ যাওঁ। ১৯২২ চনত কলিকতাত "আধাৰে আলো" নামৰ বঙালী বায়োস্কোপ এখন চোৱাৰ পিছতেই আমাৰো অসমীয়া বায়োস্কোপ এখন কৰিবলৈ হাবিয়াস জাগে।'

এই 'হাবিয়াস' কিন্তু নিতান্ত চখৰ বশৱৰ্তী হৈ মনোৰঞ্জন- সৰ্বস্ব ছবি কৰাৰ বাবে নহয়—এই 'হাবিয়াস' আছিল আসমীয়া চলচ্চিত্ৰ নিৰ্মাণক জীৱনৰ এক ব্ৰতৰূপে লৈ অসমকো ভাৰতীয় চলচ্চিত্ৰ মানচিত্ৰলৈ অনাৰ। এতিয়া ভাবিলে আচৰিত যেন লাগে যে যি সময়ত অসমীয়া চলচ্চিত্ৰ নিৰ্মাণৰ কথা ক'লে নাইবা কল্পনা কৰিলেও অসমৰ লোকে সেই কথা অলীক কল্পনা বুলি আখ্যা দিছিল সেই 'অন্ধকাৰ যুগ'তে সময়তকৈ আগবঢ়া জ্যোতি প্ৰসাদে এনে 'অবাস্তৱ' কল্পনাকে বাস্তৱায়িত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। চলচ্চিত্ৰবিদ-সাহিত্যিক অপূৰ্ব শৰ্মাৰ ভাষাত 'এইটো উপৰুৱাকৈ চালে পাগলামি আছিল, আজি সি দুঃসাহস, আত্মবিশ্বাস আৰু জাতীয় চেতনাৰ ইতিহাস।'

জ্যোতি প্ৰসাদে ১৯২৬ চনৰ চেপ্টেম্বৰ মাহত ২৩ বছৰ বয়সত উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ বিদেশলৈ যায়। এডিনবৰা বিশ্ববিদ্যালয়ত অধ্যয়নৰত অৱস্থাতে পাশ্চাত্য সংগীতৰ কিছু জ্ঞান আয়ত্ত কৰি লৈ উচ্চ শিক্ষা সম্পূৰ্ণ নকৰাকৈয়ে জ্যোতি প্ৰসাদে তেওঁৰ মনৰ ভিতৰত পুহি ৰখা চলচ্চিত্ৰ নিৰ্মাণৰ অদম্য হেঁপাহ লৈ সেই সম্পৰ্কে প্ৰশিক্ষণ লোৱাৰ উদ্দেশ্যে জাৰ্মানী লৈ যায়। তাত হিমাংশু ৰায়ৰ (পৰৱৰ্তী কালত সুবিখ্যাত প্ৰযোজক সংস্থা ব'ম্বে টকিজৰ প্ৰতিষ্ঠাপক কৰ্ণধাৰ) সহায়ত সেই সময়ৰ জামনীৰ বিখ্যাত UFA ষ্টুডিঅ'ত সাতমাহ হাতে-কামে চলচ্চিত্ৰ নিৰ্মাণৰ বিভিন্ন কলা-কৌশল সম্পৰ্কীয় প্ৰশিক্ষণ লয়। এয়া আছিল জ্যোতিপ্ৰসাদৰ বাবে এক দুৰ্লভ অভিজ্ঞতা।

তাত তেওঁ সুযোগ পালে গ্ৰিফিথ্, চেপলিন, আইজেনষ্টাইন, পুদভকিন, ডভঝেংকো, কাৰ্ল ড্ৰেয়াৰ, ৰেণে ক্লেয়াৰ, মুৰনো আদি বিশ্ব বিখ্যাত আৰু মহান পৰিচালক সকলৰ দ্বাৰা নিৰ্বাক চলচ্চিত্ৰৰ স্বৰ্ণ যুগত নিৰ্মিত ক্লাচিকসমূহ চোৱাৰ। বিদেশৰ এই প্ৰশিক্ষণ আৰু অভিজ্ঞতাই জ্যোতিপ্ৰসাদক চলচ্চিত্ৰৰ সৃষ্টিশীল আৰু নন্দনতাত্বিক দিশ আয়ত্ব কৰাত প্ৰভুত অৰিহণা যোগাইছিল। ক্লাচিক ছবিসমূহ চাই তেওঁ হৃদয়ংগম কৰিছিল যে চলচ্চিত্ৰৰ কলাগত সফলতাৰ মূল লক্ষণ ইয়াৰ দৃশ্যধৰ্মী গুণ অৰ্থাৎ Visual quality আৰু তাৰ বাবে প্ৰয়োজনীয় চিত্ৰভাষাৰ সুপৰিকল্পিত আৰু নিপুণ প্ৰয়োগ। কেমেৰাৰ পৰিবৰ্তনশীল দূৰত্ব আৰু দৃষ্টিকোণ, পেনিং, টিল্‌টিং, ট্ৰাকিং আদি কৌশলৰ শিল্প-সন্মত, ব্যাকৰণ-সমৰ্থিত ব্যবহাৰে ছবি এখনক যেনেকৈ মনোগ্ৰাহী কৰি তোলে, সেইদৰে কাট, ফেড, ডিজল্‌ভ, চুপাৰ-ইম্পোজিশ্যনৰ দৰে সম্পাদনাৰ কৌশলবোৰে ছবিক কৰি তোলে গতিশীল। বিদেশৰ বিখ্যাত ছবিসমূহ চাই জ্যোতিপ্ৰসাদে বুজি পালে চলচ্চিত্ৰধৰ্মী স্বাভাবিক অভিনয় কাক বোলে, মঞ্চাভিনয়ৰ লগত ইয়াৰ পাৰ্থক্য ক'ত আৰু চলচ্চিত্ৰধৰ্মী স্বাভাবিক অভিনয়ৰ লগত সামঞ্জস্য ৰক্ষা কৰি ছবিত কিদৰে মিতব্যয়ী অৰ্থবহ সংলাপ ব্যবহাৰ কৰিব পাৰি।

এইদৰে বিদেশত লব্ধ অভিজ্ঞতাৰে আহৰণ কৰা চলচ্চিত্ৰ নিৰ্মাণৰ জ্ঞানে জ্যোতিপ্ৰসাদক গভীৰভাৱে অনুপ্ৰাণিত কৰিলে। বায়স্কোপ নিৰ্মাণৰ আশা বুকুত বান্ধি ১৯৩০ চনত তেওঁ স্বদেশলৈ প্ৰত্যাবৰ্তন কৰিলে।

অসমলৈ ঘূৰি আহিয়েই জ্যোতিপ্ৰসাদে প্ৰবল উৎসাহ-উদ্দীপনাৰে বায়স্কোপ নিৰ্মাণৰ কথা ভাবিবলৈ ধৰিলে। এই দিশত তেওঁৰ সহযোগী আছিল বন্ধু ফনু বৰুৱা আৰু তেওঁৰ ককায়েক প্ৰফুল্ল বৰুৱা।

বুৰঞ্জীৰ বাস্তৱ জড়িত জয়মতীৰ কাহিনীক পটভূমি হিচাপে লৈ এখন উৎকৃষ্ট চলচ্চিত্ৰ নিৰ্মাণ কৰিব পাৰি বুলি জ্যোতিপ্ৰসাদে জামনীত থাকোঁতেই ভাবি আছিল। সেয়েহে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ "জয়মতী কুঁৱৰী" নাটকৰ আধাৰতেই তেওঁ তেওঁৰ বায়স্কোপ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। কিন্তু নাটকত নথকা লালুকসোলা বৰফুকন আৰু দক্ষিণ পটীয়া গাঁঠি হাজৰিকা নামৰ দুটা বৰ গুৰুত্ব পূৰ্ণ চৰিত্ৰ তেওঁ গ্ৰহণ কৰিলে ডঃ সূৰ্য্যকুমাৰ ভূঞাই উদ্ধাৰ কৰি প্ৰকাশ কৰা "তুংখুঙ্গীয়া বুৰঞ্জী"ৰ পৰা।

'জয়মতী' কথাছবিত এই দুটা চৰিত্ৰ ৰূপায়ণ কৰিছিল যথাক্ৰমে শক্তিশালী মঞ্চাভিনেতা ডাঃ ললিত মোহন চৌধুৰী আৰু নটসূৰ্য্য ফনী শৰ্মাই।

চৰিত্ৰ দুটাৰ অৰ্ন্তভুক্তিৰ যুক্তিযুক্ততা সম্পৰ্কে নটসূৰ্য্যই তেওঁৰ স্মৃতিচাৰণত এইদৰে লিখিছে ঃ

"ককাইদেৱে (জ্যোতিপ্ৰসাদ) কলে, 'তোমাৰ কাৰণে মই এটা ভাও থৈছোঁ। মই আগ্ৰহেৰে নাম শুনিবলৈ মুখলৈ চালোঁ। চৰিত্ৰটোৰ নাম হল গাঠি হাজৰিকা। ....হে ঈশ্বৰ এইটো আকৌ কি চৰিত্ৰ! বেজবৰুৱাৰ জয়মতী নাটকততো এনে চৰিত্ৰৰ নাম শুনা নাই! নিশ্চয় কিবা দূত-প্ৰহৰীৰ, বৰ বেছি সভাসদৰ। মই নিৰাশ হৈ চকী এখনত বহি পৰিলোঁ। ক'ত গদাপাণিৰ ভাও পাওঁ বুলি তপালি আহিছিলোঁ, শেচ-মেচ লগুৱা লিকচৌ! .... জ্যোতি ককাইদেৱে সমুখত থকা স্ক্ৰিপ্টখন (Script) মোকালি কেইটামান পাত লুটিয়াই ক'লে, 'গাঠি হাজৰিকা হ'ল লালুকসোলাৰ সোঁহাত। লালুকৰ সকলো কুপ্ৰবৃত্তিক ৰূপ দিছিল গাঠি হাজৰিকাই। .... সেই কালত ৰাজপাট বহিবৰ যোগ্য কোঁৱৰসকলক ঘৃণীয়া কৰাৰ ভাৰো লালুক সোলাই গাঠি হাজৰিকাকে দিছিল। নানা প্ৰকাৰৰ শাস্তি দি গাঠি হাজৰিকায়েই জয়মতীক জেৰেঙাত মাৰে। কোনো নাট্যকাৰে এই চৰিত্ৰটো নাটকত ৰূপ নিদিলেও এইটো বুৰঞ্জীমূলক চৰিত্ৰ।' ....জ্যোতি ককাইদেউৰ কথাৰ পৰা বুজিলোঁ যে মোৰ ভাওটো জয়মতী কথাছবিত লেখত লবলগীয়া।"

যি কিনওক, চলচ্চিত্ৰ সৃষ্টিৰ প্ৰস্তুতি পৰ্বতে মহাত্মা গান্ধীয়ে আহ্বান কৰা অসহযোগ আন্দোলনত অংশ-গ্ৰহন কৰি বৃটিছ চৰকাৰৰ কোপ দৃষ্টিত পৰি জ্যোতিপ্ৰসাদ আৰু তেওঁৰ দুই সহযোগী ফুনু বৰুৱা আৰু প্ৰফুল্ল বৰুৱাই ১৫ মাহৰ বাবে কাৰাবৰণ কৰে।

জেলত সোমায়ো কিন্তু নিৰুৎসাহ নহৈ দুগুণ উৎসাহেৰে জ্যোতিপ্ৰসাদে তেওঁৰ পৰিকল্পনা মতেই চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰস্তুতি চলাই গ'ল। শ্বিলং জেলৰ ভিতৰতে তেওঁ লিখি পেলালে 'জয়মতী'ৰ চিত্ৰনাট্য। কাৰাগাৰৰ পৰা মুক্তিলাভ কৰিয়েই জ্যোতিপ্ৰসাদে "জয়মতী"ৰ নিৰ্মাণত হাত দিলে। ছবিৰ কামৰ বাবে ষ্টুডিঅ' বিচাৰি কলকতালৈ নগৈ নিজৰে ভোলাগুৰি চাহ বাগিচাত 'চিত্ৰবন' ফিল্ম ষ্টুডিঅ' পাতি অসমীয়া চলচ্চিত্ৰ শিল্প প্ৰতিষ্ঠাৰ মানসেৰে "চিত্ৰলেখা মুভিটোন" স্থাপন কৰিলে। ডঃ হেম বৰাই লিখিছে ঃ "অসমত সেই সময়ত চিনেমাৰ বিশেষ প্ৰভাব নাছিল। সমগ্ৰ অসমত কেইটামান চিনেমা হল নামত আছিল আৰু সেইবোৰত ইংৰাজীৰ লগতে দুই-এখন হিন্দী ফিল্ম দেখুৱা হৈছিল। তেনে এটা পৰিবেশত ষ্টুডিঅ' এটা প্ৰতিষ্ঠা কৰি অসমীয়া ছবি কৰিবলৈ আগবঢ়া কাৰ্য দুঃসাহসেই নহয়, মৰসাহসো। জ্যোতিপ্ৰসাদ দৃঢ় মনৰ মানুহ আছিল। পিতৃ-মাতৃ পৰমানন্দ আগৰৱালা আৰু কিৰণময়ীৰ পৃষ্ঠপোষকতাত তেওঁ শক্তি লাভ কৰিছিল। ইয়াৰ ফলতে সকলো বাধা অতিক্ৰম কৰি তেওঁ প্ৰথমখন অসমীয়া কথাছবিৰ প্ৰয়োজনা পৰিচালনাৰ দায়িত্ব গ্ৰহন কৰি এটি নতুন দিগন্তৰ শুভাৰম্ভ কৰিলে।" উল্লেখযোগ্য যে

জ্যোতিপ্ৰসাদে প্ৰথমতে 'জয়মতী'ক নিৰ্বাক চলচ্চিত্ৰ হিচাপে নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰিছিল যদিও আখৰা কৰি থকা অৱস্থাতে এদিন হঠাতে নিৰ্বাকৰ সলনি সবাক চলচ্চিত্ৰলৈ ৰূপান্তৰিত কৰাৰ সিদ্ধান্ত লয়। সেয়েহে অসমৰ প্ৰথম কথাছবি "জয়মতী" ভাৰতৰ চতুৰ্থ কথাছবি হিচাপে স্বীকৃত।

'জয়মতী' নিৰ্মাণত প্ৰায় ডেৰবছৰ ধৰি জ্যোতিপ্ৰসাদে অভাবনীয় কষ্ট কৰিছিল। বিশেষকৈ তেওঁ সমস্যাত পৰিছিল চিনেমাধৰ্মী অভিনয় কৰিব পৰা অভিনেতা আৰু অভিনেত্ৰী বিচাৰি উলিওৱাৰ ক্ষেত্ৰত। এই সম্পৰ্কে ডঃ হেম বৰাৰ বিবৰণী মতে "তিনিদিনীয়া অসমীয়া" আৰু "বাতৰি" নামৰ কাকতত অভিনেতা-অভিনেত্ৰী বিচাৰি বিজ্ঞাপন দিয়া হ'ল। বহুত আবেদনপত্ৰ জ্যোতিপ্ৰসাদে লাভ কৰিলেও যোগ্য বিবেচনা কৰিব পৰা আবেদনকাৰী অতি কমহে ওলাল। অভিনেত্ৰী নাই বুলিবই পাৰি। বিশেষকৈ জয়মতী, গদাপাণি, ৰাজমাও, ডালিমী চৰিত্ৰ উপযোগী এখনো আবেদনপত্ৰ তেওঁ নাপালে। গদাপণিৰ বাবে ফুনু বৰুৱাক নিৰ্বাচিত কৰিলেও জয়মতীৰ বাবে কোনো এজনী আবেদনকাৰী ছোৱালী জ্যোতিৰ মনোমত নহ'ল। নায়িকা বিচাৰি জ্যোতিপ্ৰসাদ গোলাঘাটত উপস্থিত হৈ বৰদেউতাক চন্দ্ৰকুমাৰ আগৰৱালাৰ শহুৰৰ পৰিয়ালৰ মানুহৰ সৈতে যোগাযোগ কৰিলে। তেওঁৰ সমনীয়া বন্ধু গুনীন বৰুৱা, ডিম্ব বৰগোঁহাই আদিক লগত লৈ কেইজনীমান ছোৱালীক চোৱা-চিতা কৰিলে। জয়মতীৰ বাবে উপযুক্ত ছোৱালী নোলাল। এই যাত্ৰাত তেওঁ মাকণ নামৰ কিশোৰী এজনীক ডালিমীৰ কাৰণে আৱিষ্কাৰ কৰিলে। জয়মতী, ৰাজমাও আদি বিচাৰি দিয়াৰ ভাৰ ললে ডেকা কবি ডিম্ব বৰগোঁহায়ে। তেওঁ চিনি পোৱা কিছুলোকৰ সতৈ কথা পাতি ফটো তুলি জ্যোতিলৈ পঠালে। সেই সময়ত গোলাঘাট নগৰৰ পৰা দহ কিলোমিটাৰমান দূৰৰ বেতিয়নী অঞ্চলৰ সন্দিকৈ নামৰ গাঁৱৰ নীলাম্বৰ সন্দিকৈয়ে মহুৰা মৌজাৰ পানীদিহিঙীয়া গাঁৱত বাস কৰিছিল। ডিম্বৰ আপোন মানুহ নীলাম্বৰৰ বৰছোৱালী আইদেউ জয়মতীৰ বাবে উপযুক্ত হব বুলি ধাৰণা কৰি জ্যোতিলৈ ফটো পঠোৱা হ'ল। আইদেউক জ্যোতিপ্ৰসাদে নিৰ্বাচিত কৰি মাতি পঠালে ....

"জয়মতী" কথাছবিৰ বাবে এইবাৰ অভিনেত্ৰী চুড়ান্ত কৰা হল। তালিকাখন হ'লঃ

১। ৰাজমাওৰ ভূমিকাত ঃ মোহিনী ৰাজকুমাৰী (মহুৰামুখ, গোলাঘাট)।
২। জয়মতীৰ ভূমিকাত ঃ আইদেউ সন্দিকৈ (পানীদিহিঙীয়া, গোলাঘাট)।
৩। তৰবৰীৰ ভূমিকাত ঃ ভনীটি বুঢ়াগোহাঁই (মৰঙি, গোলাঘাট).
৪। ডালিমীৰ ভূমিকাত ঃ মাকণ দত্ত (স্বৰ্গজ্যোতি) (গোলাঘাট নগৰ)।

গোলাঘাটৰ এই চাৰিগৰাকী অভিনেত্ৰীৰ লগতে সহযোগী আৰু দুজনী ছোৱালী তেজপুৰৰ চতিয়াৰ পৰা লোৱা হ'ল। এগৰাকী সেউতীৰ চৰিত্ৰত সুবৰ্ণ হাজৰিকা আৰু জয়মতীৰ বনকৰা ছোৱালীৰ ভূমিকাত দীনেশ্বৰী ৰায়ভূঞা হ'ল আনগৰাকী চতিয়াৰ ছোৱালী।"

জয়মতীৰ চিত্ৰগ্ৰহণ আৰম্ভ হ'ল। অভিনয়ৰ কোনো অভিজ্ঞতাই নথকা অসমীয়া ছোৱালীক চিনেমাত নমাই জ্যোতিয়ে শিকাই বুজাই তেওঁৰ সপোন বাস্তৱত পৰিণত কৰিলে। অপূৰ্ব শমাই কবৰ দৰে 'জয়মতী'ত জ্যোতিপ্ৰসাদৰ ডাঙৰ সফলতা ইয়াৰ চলচ্চিত্ৰধৰ্মী অভিনয়। ই তেওঁৰ বিদেশৰ প্ৰশিক্ষণ আৰু প্ৰকৃত চলচ্চিত্ৰ বোধৰ ফল। ভাৰতত সেই সময়ত নিৰ্মিত সকলোবোৰ চলচ্চিত্ৰতে অভিনয় আছিল মঞ্চধৰ্মী আবেগ-প্ৰধান আৰু সেয়ে কৃত্ৰিম। এনে অভিনয়ত অভ্যস্ত সমালোচসকলে 'জয়মতীৰ ভাৰবীয়া ভাৰবীয়ানীসকলৰ অভিনয় হৃদয়গ্ৰাহী হোৱা নাই' বুলিয়েই মন্তব্য কৰিছিল। কিন্তু জ্যোতিপ্ৰসাদৰ ধাৰণা এই বিষয়ত পৰিষ্কাৰ ঃ মঞ্চাভিনয় হৈছে কৃত্ৰিম আৰু চিত্ৰাভিনয় হৈছে স্বাভাৱিক .... । সেয়ে জয়মতীত তেওঁ ইংৰাজী আৰু ৰুছীয় ফিল্মৰ আৰ্হিৰে আচল ফিল্মীয় অভিনয় আৰু স্বাভাৱিক কথা কোৱাৰ ভংগী ব্যৱহাৰ কৰিছে। চলচ্চিত্ৰধৰ্মী স্বাভাৱিক অভিনয়ৰ লগত সামঞ্জস্য ৰক্ষা কৰাকৈ তেওঁ ব্যৱহাৰ কৰিছিল মিতব্যয়ী, অৰ্থবহ সংলাপ, (উদাহৰণ ঃ চাওদাং বৰুৱাই ৰাজসভাত জয়মতীক দিয়া শাস্তিৰ উল্লেখ কৰোঁতে বুঢ়াগোহাঁঞিৰ প্ৰশ্নঃ 'বান্দৰ কেকোৱা একা ?' অথবা জেৰেঙাত জয়মতীৰ সন্মুখত নিষ্ঠুৰ জীৱন্ত যমদূতৰ দৰে চাওদাং গাঠিৰ তীৰ্যক চাৱনিৰে এষাৰ মাত্ৰ ত্ৰাস-সঞ্চাৰী উক্তি—'মই বাঘৰ আগতেল খোৱা গাঁঠি হাজৰিকা)' কাহিনীৰ বাস্তৱতা আৰু স্বাভাৱিকতাৰ স্বাৰ্থতে তেওঁ চিত্ৰনাট্যত তীব্ৰ নাটকীয়তা অথবা সংলাপত আবেগ আৰু মঞ্চধৰ্মী কৃত্ৰিমতা পৰিহাৰ কৰিছিল। কিন্তু তেওঁৰ দৰ্শক, এনেকি সমালোচকো, এনে অভিনৱত্বৰ বাবে প্ৰস্তুত নাছিল।

'জয়মতী'ৰ অভিনয় প্ৰসংগত চলচ্চিত্ৰবিদ আৰু পৰিচালক পদুম বৰুৱাই লিখিছেঃ 'জয়মতী' ছবিখনৰ অভিনয় আছিল ঘাইকৈ দৃশ্যধৰ্মী। কবি, নাট্যকাৰ আৰু সমালোচক স্বৰ্গীয় অতুল চন্দ্ৰ হাজৰিকাই লিখি থৈ যোৱাৰ দৰে (লালুক সোলা বৰফুকনৰ ভাওত) "ছবিত বিখ্যাত মঞ্চভিনেতা ডাঃ ললিত মোহন চৌধুৰীয়ে গুড়গুড়ী হুপি দোলাত উঠি আহি প্ৰথম দৃষ্টিতে দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰে" ছবিখনৰ আৰম্ভণিৰ সেই দৃশ্যটোত, আৰু আন আন দৃশ্যতো, অভিনেতা চৌধুৰীৰ চকুৰ অভিব্যক্তি দৰাচলতে অতি শক্তিশালী আছিল। ....ৰূপকোঁৱৰে নিজেই লিখি থৈ গৈছেঃ "............. মই জয়মতী ছবিখন আৰু তাৰ অভিনেতাক একেবাৰে বাস্তৱিক (realistic) দৃষ্টিৰে পৰিচালনা কৰিছোঁ,

যিটো সকলো ইংলিছ, আমেৰিকান আৰু ৰুচীয় প্ৰথম শ্ৰেণীৰ ফিল্মৰ লক্ষণ। সেই কাৰণে মোৰ জয়মতীয়ে ৰাজসভাত বক্তৃতা দি আন ঠাইত নানা ভাবপ্ৰৱণ বক্তৃতাৰে গোৰোহনি মৰা নাই।"

শত বাধা-বিঘিনি অতিক্ৰম কৰি জ্যোতিপ্ৰসাদ আগৰৱালা পৰিচালিত 'চিত্ৰলেখা মুভিটোন'ৰ প্ৰথম নিবেদন জয়মতীয়ে ১৯৩৫ চনত মুক্তিলাভ কৰে। বাধা-বিঘিনিৰ ভিতৰত প্ৰধান আছিল ফৈজী চাউণ্ড চিষ্টেমৰ বিশ্বাসঘাতকতা। "জয়মতীৰ" শব্দগ্ৰহণৰ দায়িত্বত আছিল অবিভক্ত ভাৰতৰ লাহোৰৰ চিনেমা ষ্টুডিঅ'ৰ চাউণ্ড ইঞ্জিনীয়াৰ ফৈজী চাহাব। এই ফৈজী চাহাবৰ চাউণ্ড চিষ্টেমৰ অভাৱনীয় বিফলতাৰ ফলত কেনেকৈ জ্যোতিপ্ৰসাদ বাবে সমূহ সংগী আৰু নিজৰ বিবেকৰ ওচৰত জবাবদিহি কৰিবলগা হৈছিল তাৰ এক ৰোমাঞ্চকৰ বিৱৰণী পোৱা যায় অধ্যাপক অতুল চন্দ্ৰ হাজৰিকাৰ 'মঞ্চলেখা'ত ঃ

"ছবিখনৰ শব্দগ্ৰহণ আৰু চিত্ৰগ্ৰহণৰ কাম অসমতে শেষ কৰি জ্যোতিপ্ৰসাদ লাহোৰলৈ গৈছিল বুকুভৰা আশা লৈ —ছবিখনৰ সম্পাদনা আদি কাম সম্পূৰ্ণ কৰিবলৈ। যথাসময়ত লাহোৰৰ ষ্টুডিঅ'ত সম্পাদনাৰ মেজত বহিলগৈ। অলপ সময়ৰ পিছতে পৰীক্ষা কৰি দেখা গ'ল—বিনামেঘে বজ্ৰপাত। ছবিখনৰ আধাতকৈয়ো বেছি অংশৰ ঘৰঘৰণিৰ বাহিৰে আন কোনো শব্দ উঠা নাই। গালো-বালো খোলাকটিৰ তাল হ'ল। জ্যোতিপ্ৰসাদে প্ৰমাদ গণিলে। লাহোৰৰ তথাকথিত 'ফৈজী ছিষ্টেমে' প্ৰথম অসমীয়া বোলছবিৰ মূৰতে ৰাম টাঙোন মাৰিলে। এই প্ৰণালীৰ প্ৰবৰ্তক ইঞ্জিনীয়াৰ ফৈজী চাহাবে কথা বিষম দেখি পলাই ফাট মাৰিলে। জ্যোতিপ্ৰসাদে চকুৰে সৰিয়হ ফুল দেখিলে। তেওঁ মনৰ বেজাৰতে দুদিন দুনিশা নোখোৱা-নোবোৱাকৈ এটা খোটালীত দুৱাৰ বন্ধ কৰি সোমাই আছিল। অৱশেষত বুকুত অসীম ধৈৰ্য্য লৈ তেওঁ ওলাই আহি সম্পাদনাৰ মেজত বহিল।"

"মনতে ভাবিলে কিবা এটা উপায়েৰে অসাধ্য সাধন কৰিবই লাগিব, জয়মতীৰ মুখত মাত উলিয়াই অসমীয়া ৰাইজক শুনাবই লাগিব। ছবিখনৰ এফালৰ পৰা শব্দৰ নিগেটিভবোৰ পৰীক্ষা কৰি তেওঁ অস্পষ্ট সংলাবোৰ টুকি ল'লে। সংলাপবোৰ স্পষ্টতো হোৱাই নাই, আধাখিনি একেবাৰে উঠাই নাই। সুদূৰ লাহোৰত জ্যোতিপ্ৰসাদে এটা ষ্টুডিঅ' ঘৰত সোমাই ডেৰকুৰিমান অভিনেতাৰ বচন 'ডাবিং' কৰিবলৈ সাজু হল অকলে—কিয়নো সেই দুৰ্ণীবটীয়া ৰাজ্যত মাত-কথাৰে সহায় কৰিবলৈ তেওঁ দ্বিতীয়জন অসমীয়া মানুহ পাবলৈ আশা কৰিব নোৱাৰে। তদুপৰি দুনাই ঘৰৰ পৰা ধন পাবলৈ আশা কৰাটোও টান। মৰোঁ জীওঁ সো আধিকৈ তেওঁ এদিনলৈ এটা ষ্টুডিঅ' কেৰেয়াকৈ

লৈ প্ৰায় ডেৰকুৰি ভাৱৰীয়া-ভাৱৰীয়ানীৰ মাত অনুকৰণ কৰি ছহেজাৰ ফুট সংলাপ ৰেকৰ্ডিং কৰি পেলালে। সেইসময়ত আজিকালিৰ ডাবিং কৰা আৰু পুনৰ ৰেকৰ্ডিং কৰা প্ৰণালী প্ৰবৰ্তন হোৱা নাছিল। তেনে পৰিস্থিতিত জ্যোতিপ্ৰসাদে যিখিনি কৰিলে তাক সঁচাকৈয়ে অসাধ্য সাধন কৰা বুলি ক'ব পাৰি। আন কোনো অলপ ধতুৱা শিল্পীৰ তেনে অৱস্থা হোৱা হলে তেওঁ সোপাকে সিন্ধু নৈত জলাঞ্জলি দি হিমালয়ৰ ফালেহে বাট ল'লেহেঁতেন। এনেবোৰ অপ্ৰত্যাশিত কাৰণেই জয়মতীৰ শব্দগ্ৰহণ আৰু চিত্ৰগ্ৰহণৰ যান্ত্ৰিক বিজুতিৰ চিন ছবিখনৰ ঠায়ে ঠায়ে থাকি গ'ল। ই কেৱল জ্যোতিপ্ৰসাদৰেই দুভাৰ্গ্য নহয়, কলামোদী সমগ্ৰ অসমীয়া ৰাইজৰে দুৰ্ভাগ্য বুলি ক'ব পাৰি। শব্দগ্ৰহণ আৰু চিত্ৰগ্ৰহণৰ বাব লোৱা অনা-অসমীয়া কাৰিকৰ বিলাকে চৌ-ঠেঙীয়া নকৰা হ'লে এই প্ৰথম অসমীয়া বোলছবিখন সকলো ফালৰ পৰাই নিখুঁত হ'লহেতেন বুলি আমাৰ বিশ্বাস। সি যি কিনহওক ফটোগ্ৰাফী আৰু শব্দগ্ৰহণত যান্ত্ৰিক আসোঁৱাহ থকা সত্ত্বেও অসমীয়া কথাছবিৰ ক্ষেত্ৰত জয়মতীয়ে কেৱল নতুন পথ প্ৰদৰ্শন কৰিছিল বুলি কলেই যথেষ্ট নহ'ব। বহু বিষয়ত জয়মতী আদৰ্শস্থানীয়ও হৈ আছে।"

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে অসমত মুক্তিলাভৰ পূৰ্বে কলকাতাত অনুষ্ঠিত এক প্ৰদৰ্শনীত ভাৰতীয় চলচ্চিত্ৰৰ অন্যতম বাটকটীয়া প্ৰমথেশচন্দ্ৰ বৰুৱাই 'জয়মতী' চাই উঠি জ্যোতিপ্ৰসাদক সাবট মাৰি ধৰি অভিনন্দন জনোৱাৰ লগতে ছবিখন কৰিবলৈ লোৱাৰ আগতে তেওঁৰ পৰা পৰামৰ্শ পোৱা হলে তাৰ কাৰিকৰী মান অধিক উন্নত হ'লেহেতেঁন বুলি মন্তব্য কৰিছিল। কলকাতাৰ কোনো কোনো বাতৰি কাকতত ছবিখনৰ কলা-গুণ সম্পৰ্কে প্ৰশংসাসূচক মন্তব্যও হেনো প্ৰকাশ পাইছিল। অসম আৰু বংগৰ ভালেসংখ্যক শিল্পী আৰু জ্ঞানী-গুণী-ব্যক্তিৰে পৰিপূৰ্ণ প্ৰেক্ষাগৃহত সেই অনুষ্ঠানত উপস্থিত থকা 'জয়মতী কুঁৱৰী'ৰ স্ৰষ্টা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই ছবিখন চাই "দুই ঘণ্টা আহোম ৰাজ্যত সোমাই থকা যেন লাগিছিল" বুলি কৰা মন্তব্যৰ কথা উল্লেখ কৰি পদুম বৰুৱাই লিখিছেঃ "কথাষাৰ মোৰ বোধেৰে তাৎপৰ্যপূৰ্ণ আছিল, কাৰণ বাস্তৱ ধৰ্মী পৰিবেশ (ৰচনা) বিশ্বৰ সকলো প্ৰথম শ্ৰেণীৰ চলচ্চিত্ৰৰ অন্যতম লক্ষণ আৰু 'জয়মতী' ছবিখন সেইগুণৰ অধিকাৰী আছিল। জ্যোতিপ্ৰসাদৰ বাস্তৱসন্মত পৰিবেশ ৰচনাৰ ইংগিত দি তেওঁ লিখিছেঃ "জ্যোতিপ্ৰসাদে 'জয়মতী'ক বাস্তৱধৰ্মী কৰি তুলিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিল। 'জয়মতী' যিহেতু এখন বুৰঞ্জীমূলক ছবি আৰু তাৰ ঘটনা কাল ১৬-১৭ শতিকাৰ অসম, সেইকালৰ আহোম ৰাজপ্ৰসাদ, ডা-ডাঙৰীয়া আৰু সাধাৰণ মানুহৰ ঘৰ-দুৱাৰ আৰু সেইবোৰৰ লগত সংশ্লিষ্ট ব্যৱহাৰিক বস্তু আদিৰ নিদৰ্শন বিচাৰি নেপাই তেওঁ কেনেকৈ পুৰণি পুথি-পাঁজিৰ অধ্যয়ন, জনা-বুজা মানুহৰ লগত

চলোৱা আলোচনা আৰু নিৰীক্ষণৰ যোগেদি সেই সম্পৰ্কে কিছু জ্ঞান অৰ্জন কৰি আৰু 'সেই বাটে দিয়েই কল্পনাক চলাই' 'জয়মতী'ৰ দৃশ্যসজ্জা ৰচনা কৰিছিল, তাৰ বিৱৰণ তেওঁৰ "অসমৰ ফিল্ম শিল্প গঢ়াত অসমীয়া দৰ্শকৰ দায়িত্ব" নামৰ ৰচনাখনত দি গৈছে। খুঁটি-নাটিৰ ক্ষেত্ৰত নিখুঁত নহ'লেও, সামগ্ৰিকভাৱে 'জয়মতী' ছবিৰ 'ছেটিং' অৰ কাম আকৰ্ষণীয় আছিল। নেচনেল ফিল্ম আৰ্কাইভৰ প্ৰাক্তন সঞ্চালক আৰু চলচ্চিত্ৰবিদ পি.কে. নায়াৰে ১৯৮৫ চনত গুৱাহাটীত ছবিখনৰ সংৰক্ষিত সংখ্যাবোৰ চাই এই লেখকৰ আগত উক্ত কামৰ শলাগ লৈছিল।"

বিভিন্ন কাৰিকৰী কৌশলেৰে চলচ্চিত্ৰ ভাষাৰ কল্পনাযুক্ত, শিল্পসম্মত আৰু সাৰ্থক প্ৰয়োগে কিদৰে 'জয়মতীক' সমৃদ্ধ কৰিছিল সেই কথাৰ সম্ভেদ পোৱা যায় চলচ্চিত্ৰবিদ আৰু সমালোচকসকলে ব্যক্ত কৰা তেওঁলোকৰ সপ্ৰশংস অভিমতৰ পৰা। জয়মতী ৰাজসভালৈ যাবলৈ ওলোৱা দৃশ্যটোৰ কথা উল্লেখ কৰি অপূৰ্ব শৰ্মাই লিখিছে— ৰাজসভালৈ যাবলগীয়া হোৱাৰ আহত-সন্মান চেপি ৰখা সম্ভ্ৰান্ত ঘৰৰ বোৱাৰীৰ গাম্ভীৰ্যৰে জয়মতী আৰু চকুলো টুকি তেওঁক বিদায় দিয়া কেইগৰাকীমান বৃদ্ধাৰ সংলাপহীন সংযত বেদনাৰ এই দৃশ্যটিৰ সংৰচনা চলচ্চিত্ৰ ভাষাৰ এক অপূৰ্ব নিদৰ্শন। ডঃ হীৰেন গোহাঁয়ে এই দৃশ্যৰ আবহত ব্যৱহৃত বিয়ানামৰ বিদায়ী সুৰে দৃশ্যটিক মৰ্মভেদী কৰি তুলিছে বুলি কৈছে। ৰাজসভালৈ জয়মতীক দোলাত নিয়াৰ দৃশ্য, ৰাজসভাত জয়মতীৰ ক্ল'জ-আপ, লিগিৰী সেউতী আৰু দিলিহীয়ান ফুকনৰ অভিসাৰৰ দৃশ্য, মিডশ্বট আৰু ক্ল'জ -আপ শ্বটৰ সামঞ্জস্যপূৰ্ণ ব্যৱহাৰেৰে নগাপাহাৰত ডালিমী আৰু গদাপাণিৰ দৃশ্য, জয়মতীক শাস্তি দিয়া চাওডাঙৰ প্ৰতি গাঁৱৰ বয়োবৃদ্ধ মহিলাসকলৰ স্বাভাৱিক প্ৰতিবাদী প্ৰতিক্ৰিয়া আদিক পদুম বৰুৱাই সাৰ্থক চলচ্চিত্ৰ ধৰ্মী উপস্থাপন বুলি অভিহিত কৰিছে।

জ্যোতিপ্ৰসাদে তেওঁৰ মনত সজীৱ হৈ থকা বিদেশৰ চলচ্চিত্ৰ অভিজ্ঞতাৰ সকলোখিনিয়েই সীমিত সুবিধাৰ মাজতো কেনেদৰে প্ৰয়োগ কৰিছিল আৰু তেওঁৰ সজাগ বাস্তৱ-চিন্তা, স্বভাৱজাত গভীৰ শিল্পবোধ আৰু চলচ্চিত্ৰৰ নান্দনিক ধাৰণা 'জয়মতী'ত কি দৰে প্ৰতিফলিত হৈছে তাৰেই আভাস দিবলৈ গৈ অপূৰ্ব শৰ্মাই তেওঁৰ "চলচ্চিত্ৰ স্ৰষ্টা জ্যোতিপ্ৰসাদ" প্ৰবন্ধত কেইটামান দৃশ্যৰ অৱতাৰণা কৰি লিখিছে — 'সেউতীৰ অভিসাৰৰ দৃশ্যটি চাওকঃ সেউতীৰ গাত পুৰুষৰ ছদ্মবেশ আৰু কেমেৰাই সেউতীক ধৰিছে পুখুৰীৰ পানীত তাইৰ ওলোটা প্ৰতিবিম্বত। পুখুৰীৰ পাৰেদি গৈ থকা সেউতীৰ প্ৰতিবিম্বটো কেমেৰাই 'পেন' কৰি গৈ পুখুৰীৰ মূৰত ৰৈ থকা দিলিহীয়ান ফুকনৰ প্ৰতিবিম্বৰ সৈতে একেলগে ধৰি টিল্ট-আপ কৰে আৰু দুই প্ৰণয়ীক স্বাভাৱিক অৱস্থাত তুলি ধৰে। এটা সাধাৰণ দৃশ্য চলচ্চিত্ৰ-শৈলীৰ বুদ্ধিদীপ্ত প্ৰয়োগৰ ফলত এক

পৈণত আৰু মনোজ্ঞ চিত্ৰায়নলৈ ৰূপান্তৰিত হৈ উঠিছে। সেইদৰে ডালিমী আৰু গদাপাণিৰ নগাপাহাৰত বিদায়ৰ দৃশ্যটোৱে জ্যোতিপ্ৰসাদৰ সৃষ্টিশীল কল্পনা আৰু চলিচ্চত্ৰ ভাষাৰ সংবেদনশীল সংমিশ্ৰণৰ ফলত প্ৰায় ক্লাছিক ট্ৰেজেদিৰ ৰূপ লৈছে। জুৰিৰ পাৰত ডালিমীয়ে গদাপাণিক সোধে "তই মন মাৰি বহি আছ কিয় ?" কাৰণ, তাই গদাপাণিৰ নিজৰ আনখন কুটিল পৃথিৱী আৰু তেওঁৰ জীৱনৰ কঠিন বাস্তৱতাৰ কথা নাজানে। গদাপাণিয়ে তাইক তেওঁৰ ভৈয়ামৰ জীৱনৰ বেদনা আৰু বাধ্যবাধকতাৰ কথা জনাই দিয়ে আৰু বিদায়ৰ বাবে সাজু হয়। দৃশ্যত দেখা যায় ডালিমীয়ে তেওঁক বিদায় দিছে আৰু গদাপাণীয়ে পাহাৰীয়া বাটেৰে ভৈয়ামলৈ খোজ লৈছে। সেই মুহূৰ্ততে চলচ্চিত্ৰৰ ভাষাই প্ৰাণ পাই উঠে, কেমেৰাই গদাপাণিক এৰি বিৰহ-বিধুৰা, ৰিক্তা ডালিমীক তুলি ধৰে। কিয়নো চলচ্চিত্ৰ স্ৰষ্টাৰ বাবে ডালিমী-গদাপাণিৰ এই কৰুণ উপকাহিনীটোত সেই মুহূৰ্তত গদাপাণি চৰিত্ৰই গুৰুত্ব হেৰুৱায়। কেমেৰাই জীৱন্ত কৰি তোলে নিৰুপায়ভাৱে পৰিত্যক্তা সৰল, কুমলীয়া পাহাৰী প্ৰেমিকাজনী। ডালিমী কেমেৰাৰ পৰা ক্ৰমে দূৰলৈ আঁতৰি গৈ থাকে আৰু হাবিৰ মাজত অদৃশ্য হৈ যায়। ই এক হৃদয় ভেদী দৃশ্য। ডালিমী দৃশ্যপটৰ পৰাই নহয়, কাহিনীৰ বুকুৰ পৰা, গদাপাণিৰ জীৱনৰ পৰা, আমাৰ মাজৰ পৰা চিৰকালৰ কাৰণে ব্যৰ্থ অপৰিতৃপ্ত প্ৰেম বুকুত লৈ নীৰবে হেৰাই যায়।

শৰ্মাই নিশ্চয়কৈ কব খোজে যে শব্দগ্ৰহণৰ ব্যৰ্থতা, অতিৰিক্ত শব্দ সংযোজনৰ অভাৱ, অন্তৰ্দৃশ্যৰ আলোক-নিয়ন্ত্ৰণৰ ত্ৰুটি আৰু দুটামান খুটি-নাটিৰ মাৰাত্মক দোষ থকা সত্ত্বেও জ্যোতিপ্ৰসাদৰ সৃষ্টিশীল কল্পনা, চলচ্চিত্ৰ ভাষা আৰু ব্যাকৰণৰ সুসমঞ্জস প্ৰয়োগ, মিতব্যয়ী স্বাভাৱিক সংলাপ আৰু আৱেগৰ সংযত প্ৰকাশেৰে সমৃদ্ধ 'জয়মতী' সমসাময়িক আন ভাৰতীয় ছবিৰ মাজতে এখন লেখৰ ছবি বুলি বিবেচিত হবৰ যোগ্য। তেওঁ অৱশ্যে লগতে এইটোও কৈছে যে এই ত্ৰুটি সমূহৰ উল্লেখ কৰাৰ সময়ত এই কথা মনত ৰখা দৰ্কাৰ যে 'জয়মতী' নিৰ্মাণ হৈছিল ১৯৩৪-৩৫ চনৰ অসমত। ইতিমধ্যে প্ৰায় ১৬ বছৰীয়া নিৰ্বাক যুগ পাৰ হৈ ভাৰতীয় চলচ্চিত্ৰই ১৯৩১ চনত আৰ্দেশীৰ ইৰাণীৰ "আলম আঁৰা" ৰ যোগেদি সবাক চলচ্চিত্ৰৰ যুগত প্ৰৱেশ কৰিছিল। কিন্তু অসমত চলচ্চিত্ৰৰ নিৰ্বাক যুগ নাছিল, 'জয়মতী'য়েই প্ৰথম ছবি। পুণেৰ প্ৰভাত ষ্টুডিঅ' আৰু কলকাতাৰ নিউ থিয়েটাৰ্চৰ দৰে প্ৰতিষ্ঠিত ষ্টুডিঅ'ৰ বিপৰীতে অসমত চলচ্চিত্ৰৰ বাবে আন্তঃগাঁথনি শূণ্য আছিল।........গতিকে, জ্যোতিপ্ৰসাদে 'জয়মতী'ৰ নিৰ্মাণ আৰম্ভ কৰে প্ৰায় শূণ্যৰ পৰা। আৰু সেয়ে প্ৰথম অসমীয়া চলচ্চিত্ৰখনৰ কাৰিকৰী ত্ৰুটি বা অন্যান্য বিসংগতি অপ্ৰত্যাশিত নাছিল। বৰং ক'ব লাগিব, জ্যোতিপ্ৰসাদৰ 'জয়মতী'

নিৰ্মাণ সকলো বিপদ আৰু বিফলতাৰ সম্ভাৱনাক প্ৰত্যাহ্বান হিচাপে লৈ কৰা ডেকা তেজৰ দুঃসাহস আৰু অদমনীয় উদ্যমৰ পৰিণতি।

শৰ্মাৰ মতে এই দুঃসাহাস আৰু উদ্যমৰ উৎস আছিল এক গভীৰ সংস্কৃতি-চেতনা আৰু জাতীয় সংস্কৃতিৰ প্ৰতি তেওঁৰ দায়িত্ববোধ। সুস্থ সৰ্বাত্মক সংস্কৃতি সাধনাৰ মাজেৰে তেওঁ সমাজ আৰু জীৱনৰ উত্তৰণৰ স্বপ্ন দেখিছিল। সেয়ে তেওঁ কেৱল চিনেমা কৰা শিল্পী এজন নাছিল। তেওঁ আছিল এজন স্ৰষ্টা যি অসমীয়া জাতি আৰু সংস্কৃতিৰ বিকাশ আৰু সুৰক্ষাৰ ক্ষেত্ৰত অসমীয়া চলচ্চিত্ৰ শিল্পৰ গুৰুত্ব গভীৰভাৱে উপলব্ধি কৰিছিল। সেই তেতিয়াই তেওঁ সকীয়াই দিছিল যে অসমীয়া ফিল্ম-শিল্প এটা গঢ়ি নুতুলিলে অসমীয়াৰ পৰিত্ৰাণ নাই। কিয়নো তেওঁ বুজি পাইছিল যে সমাজত চলচ্চিত্ৰৰ নিৰংকুশ প্ৰভাৱৰ বাবেই বিদেশী ফিল্মৰ শোষণ আৰু বিদেশী অপ-সংস্কৃতিৰ প্ৰভাৱৰ পৰা অসমীয়াৰ সুকীয়া সভ্যতা, সংস্কৃতি আৰু সামাজিক আদৰ্শ নিৰাপদে ৰাখিব পৰা নাযাব।

লক্ষ্মীনাথ বেজবৰুৱাৰ

জয়মতী কুঁৱৰী

জয়মতী কুঁৱৰী

।। প্ৰথম তাঙৰণ ১৯১৫ চন।।

পাতনি

নাটৰ পাতনি লেখাটো অনাৱশ্যক আৰু দস্তুৰো নহয়। তথাপি একাষাৰ কথা কোৱাৰ সকাম যে নাট্য কাব্যহে, বুৰঞ্জী নহয়; কাৰণ বহুতে এইটো নুবুজে। সমাজনীতি বা ৰাজনীতিৰে সৈতেও নাটৰ সমন্ধ নাই। যি সময়ৰ ঘটনা লৈ নাট ৰচিত সেই সময়ৰ কথা আৰু ব্যক্তিগত চৰিত্ৰহে নাটৰ বিষয়। চিৰকলীয়া সত্য আৰু সকলো দেশৰ সকলো মানুহৰ সাধাৰণ সম্পত্তি মহৎ প্ৰবৃত্তিবোৰ উদগোৱাটোহে নাটৰ কাৰ্য্য।

জয়মতী নাটতো বুৰঞ্জীৰ মিহলি-নোহোৱা ধাৰ বিচাৰিলে পোৱা নেযায়। কল্পনা-ৰাজ্যৰ মায়াকুঁৱৰীসকলৰ খেলেৰে সৈতে বুৰঞ্জীৰ ঘটনা ইয়াত সানমিহলি। সেই বুলি বুৰঞ্জীৰ প্ৰধান সোঁতৰ ধাৰও যে একেবাৰেই ইয়াত ছিগিছে এনেও নহয়।

নাট ৰচনাৰ সম্পৰ্কে এষাৰ কথা কোৱাৰ সকাম আছে। তিনিখন ধেমেলীয়া নাট (প্ৰহসন) বাদ দিলে নাট ৰচনা কৰা, মোৰ এয়ে প্ৰথম প্ৰয়াস। ইয়াৰ গুৰি বাস্তৱিক পক্ষত লেখকৰ দুজন আদৰৰ বন্ধু শ্ৰীযুক্ত দেৱেশ্বৰ চলিহা উকিল আৰু শ্ৰীমান যতীন্দ্ৰনাথ দুৱৰা বি-এ। বন্ধু চলিহাই মোক প্ৰথমতে এই নাট ৰচনা কৰিবলৈ অনুৰোধ কৰে। শ্ৰীমান দুৱৰাই মোৰ হতুৱাই কাৰ্য্য কৰাবলৈ দিনৌ মোক নেৰানেপেৰাকৈ ধৰে। তেওঁ মোক নাটৰ ভিতৰৰ ভাৱৰীয়াসকলৰ চৰিত্ৰগত বিশেষত্বৰ বিষয়েও অনেক সূচাই দিয়ে আৰু সেই সূচনিও ব্যক্তিগত চৰিত্ৰৰ অভিব্যক্তিত বৰ কামত লাগিছে। মই তেওঁলোক দুয়োৰো নথৈ শলাগ লওঁ।

শেহত আৰু একাষাৰ কথা কোৱা আৱশ্যক যে এই নাটৰ জয়মতীৰ চৰিত্ৰৰ আগডোখৰত দ্বিজেন্দ্ৰলাল ৰায়ৰ ছাজাহান নাটকৰ পিয়াৰাৰ অলপ ছাঁ পৰাটো দেখা যায়। আমি ইচ্ছা কৰি যে সেই চৰিত্ৰৰ আৰ্হিত ইয়াক গঢ়িছিলোঁ এনে নহয়। কেই বছৰৰ আগেয়ে এবাৰ ছাজাহানৰ অভিনয় আমি দেখিছিলো। সম্ভৱতঃ মনত তাৰ মাৰ নোযোৱা সাঁচেই ইয়াৰ কাৰণ। যি হওক, গুৰিৰ এইফেৰি বাদ দিলে বাকী জয়মতী চৰিত্ৰ অবিমিশ্ৰ।

বহাগ। ১৮৩৭

লৰেলছ্‌। হাওড়া

গ্ৰন্থকাৰ

<u>ভাৱৰীয়া</u>

চুলিকফা বা ল'ৰা ৰজা	অসমৰ ৰজা
গদাপাণি	তুংখুঙীয়া ফৈদৰ কোঁৱৰ
লাই, লেচাই	গদাপাণিৰ দুটি ল'ৰা
বুঢ়াগোহাঁই	ৰাজমন্ত্ৰী
বৰগোহাঁই	"
বৰপাত্ৰগোহাঁই	"
পিথু চাংমাই	গদাপাণিৰ চাংমাই
খুন্টীয়া শৰ্ম্মা পণ্ডিত	বুঢ়াগোহাঁইৰ উপাসক মানুহ
মানামা বুঢ়া গাম	এজন নগা
কোমল	বুঢ়াগোহাঁইৰ লগুৱা

<u>ভাৱৰীয়ানী</u>

ৰাজমাও	ল'ৰা ৰজাৰ মাক
পাটমাদৈ	ল'ৰা ৰজাৰ ভাৰ্য্যা বৰকুঁৱৰী
জয়মতী	গদাপাণিৰ ভাৰ্য্যা
বুঢ়াগোহাঁয়নী	বুঢ়াগোহাঁইৰ ভাৰ্য্যা
তৰবৰী	জয়মতীৰ লিগিৰী
বন্দুলী	পাটমাদৈৰ লিগিৰী
সেউতী	জয়মতীৰ সখীয়েক
গামনী	মানামা বুঢ়া গামৰ ঘৈণীয়েক
ডালিমী	" " জীয়েক
পোহাৰী ইত্যাদি।	

বন্দীশালৰ বৰুৱা, চাওদাংবৰুৱা, তিনটা বাটৰুৱা, দক্ষিণপটীয়া গোসাইৰ মুক্তিয়াৰ, ভকত, তিনটা চাওদাং, নেনাই চমুৱা, লিটিক চিপাদাৰ, মনাই কাঢ়ী, জলহু ইত্যাদি।

প্ৰথম অঙ্ক

প্ৰথম দৰ্শন

স্থান—গদাপাণিৰ ঘৰ, চাংমাইশাল
কাল—দুপৰীয়া
(পিথু চাংমাই আৰু তৰ্বৰী লিগিৰী।)

তৰ্বৰী। আজিনো কোঁৱৰে তোৰ ওপৰত ইমানকৈ খং কৰিছিল কিয় চাংমাই?

পিথু। কিনো কম তৰ্বৰী! মই কিনো কম? বোলোঁ পেটৰ পোৰণিত।

তৰ্বৰী। কি পেটৰ পোৰণিত?

পিথু। কৰনো আকৰী এইজনী ঐ! পেট নভৰিলে পেটত পোৰণিয়ে নধৰে জানো? পাঁচ কথা উহুৱা আহু চাউলৰ ভাত, গোট ৰঙালাও এটাৰে সৈতে মণ্ডহৰ পিৰা এটাৰ আঞ্জা। হেই হোপাকে অকলৈ বজাইও বোলে তেওঁৰ পেট নভৰিল, মোৰ কুটুমী! আজি জগৰৰ ভিতৰত কৰিছিলো বৰ ডাঙৰ এটাকে। আনেকাদিনাৰ দৰে আইচুদেউতালৈ হুকীয়াকৈ ভাত নাবান্ধি তাৰে পৰাই ভাত এমুঠি নি দিছিলোঁ। তাতেই এনেখন হল বাকলি। মই কাম হস্তা কৰিবলৈ গৈছিলোঁ ঐ তৰ্বৰী! তাৰেই ফল। মই ভাবিছিলো, আইচুদেউতাইনো কিমান ফেৰা ভাত খায়? আজি ইয়াৰে পৰা এচমকা নি দিলে নো কোঁৱৰে কি গম পাব? কিন্তু পালে, তৰ্বৰী! চকুৰ বৰ জোখ, কেনেবাকৈ বুজিলে যে ভাত অলপ কম পৰিল। যি হওক আজি কিন্তু মোক গোখায়েহে ৰাখিলে নাইবা পিথু চাংমাইৰ মূৰটো গাৰিডোখৰৰ ওপৰত থিয় হৈ থাকি তোৰে হৈতে কথা পতা দেখিবলৈ নেপালিহেঁতেন ধুৰুপ। আইচুদেউতাই গতিখন বিখম দেখি জানিবা লৰালৰিকৈ হাতীখুজীয়া বাটিটোত এবাটি কৰাইগুৰি উলিয়াই আনি, ভলুকা বাঁহৰ চুঙাৰ দুচুঙা দৈ গাখীৰ, এভুৰুকা গুৰেৰে হৈতে গিৰিয়কক খাবলৈ দি, মোৰ হকে দুখাৰ কৈহে জগৰটো ভাঙিলে নাইবা তোৰ পিথু চাংমাই আজি গৈছিলেই! শুনিছ নে তৰবৰী! ভালৰ ভিতৰত মই দেখিছোঁ, কোঁৱৰে আইচুদেউতাৰ কথা শুনে নহলে এ আমাৰ মূৰবোৰ গাৰিকেইডোখৰৰ পৰা কেতিয়াবাই উৰি গলহেঁতেন বাকলি।

তৰ্বৰী। সঁচাকৈ আমাৰ আইচুদেউতা আছে দেখিহে এই ঘৰখন তন্তি আছে। লগুৱা-লিগিৰীলৈ তেখেতৰ পেটত যেনে মৰম, তেনে মূৰত সুবুধি, তেনে সদায় মুখত

হাঁহি, তেনে কথাই কথাই ৰং-ধেমালি। আমাৰ আইচুদেউতাৰ সকলোতে সন্তোষ। বুজিছ নে চাংমাই! তেওঁকে বোলে লখিমী তিৰুতা।

পিথু। বুজিছোঁ, হকলো বুজিছোঁ । (অলপ ওচৰ চাপি) কিন্তু পিথু চাংমাইৰ হস্তোখটোনো কেতিয়া হব, মোক কচোন বাকলি! টোপালি বাওঁতে পিথু চাংমাইৰ জনম গোটেইটো গল।

তৰ্বৰী। বাঘে-খোৱা! মই জানো বাকলি?

পিথু। তই বাকলি হবলৈ যাবি কেলৈ মোৰ কুটমী ঐ? হেইখাৰ কথাৰ লাচ্‌হে। তই বাকলি নহব তৰ্বৰী। তই পিথু চাংমাইৰ শাহফেৰিহে। আৰু পিথু চাংমাই বাঘে-খোৱা নহয় বাকলি, চিৰীমতী তৰ্বৰীয়ে খোৱাহে।

তৰ্বৰী। আকৌ সেই কথা? আকৌ সেই কথা! দিনৌ হাঁহ পাৰ কুকুৰা ছাগলী ঘেচ্ ঘেচ কৰে কাটিব লাগিছ, মৰম ধৰম কাক বোলে ভু নেপাব। এনেটো সুপুৰুষত তৰ্বৰী বিয়া সোমাব লাগে! তৰ্বৰীৰ মৰিবলৈ আৰু বাট নাই নহয়? বাঘে খোৱা । তই আগেয়ে যমৰ ঘৰলৈ যা। তাৰ পিছত তোৰে সৈতে তৰ্বৰীৰ বিয়া হব।

চাংমাই। বোলোঁ লগ নাই, কাৰে সৈতে যমৰ ঘৰলৈ যাম বাকলি? মোৰ অকণি তৰ্বৰীও লগত যাবলৈ ওলায় যদি, এতিয়াই—এতিয়াই পিথু চাংমাই যাবলৈ ওলায়। হেঃ হেঃ হেঃ

(সুৰ ধৰি গায়)— (গীত)

লগ নাই, কোনেৰে
গোবিন্দ, গোবিন্দ ঐ!
যাবা মনুৰায়?
গোবিন্দ, গোবিন্দ ঐ!
তৰ্বৰীৰ লগেৰে
যাম ঐ, যাম ঐ, ৰাম গোসাঁই!

তৰ্বৰী। মই তোৰে সৈতে যমৰ ঘৰলৈ যাম কিয়? তই অকলৈ যা।

চাংমাই। অকলৈ গলে, যমৰ দেখত মোৰ বিয়াখন পাতিম কোনজনীৰে?

তৰবৰী। যমৰ ঘৰত কোনোবা শাঁখিনী যখিনী আছে যদি তাইৰে সৈতেই তোৰ চকলংখন পাতগৈ।

চাংমাই । নাই যদি?

তৰ্বৰী। টেটুত খোৰোচা-গাঠি লগাই মৰগৈ। যাওঁ মই। তোৰে সৈতে চুপতি মাৰি থাকিবলৈ অহা নাই। আইচুদেউতাই আজি আবেলিকৈ গোপিনীসবাহ পাতিছে,

তাৰে দিহাপোহা কৰোঁগৈ।

চাংমাই। বোলোঁ দুখীয়াৰ ওপৰত খংখনচোন নেখাবি, ৰচোন বাকলি। বোলোঁ কি হকামতনো আইচুদেউতাই গোপিনী হবাহখন পাতিছে কচোন একা, আমিও শুনো। ৰহচোন বাকলি, ৰহ এখুদমান।

তৰ্বৰী। বাকলি বাকলিকৈ নেথাকিবি আৰু, শুনি আমনি লাগিল। মোৰ বহিবৰ আহৰি নাই। থিয়ে থিয়ে কওঁ শুন—তই জানো শুনা নাই, ল'ৰা ৰজাই ৰাজবংশী কোঁৱৰবোৰ এফালৰ পৰা ধৰাই ঘুণীয়া কৰি আৰু মাৰি খাভাং কৰিব লাগিছে? এইবাৰ তুংখুঙীয়া ফৈদৰ আমাৰ কোঁৱৰকো ধৰাই নি তেনে কৰিবলৈ ৰজা আৰু বুঢ়াগোহাঁয়ে পাং পাতিছে বুলি আইচুদেউতাই শুনি, কোঁৱৰৰ কুশলৰ নিমিত্তে এই সবাহ পতিছে। এইবাৰ কোঁৱৰক ঈশ্বৰে ৰাখিলেহে ৰখা। ঈশ্বৰৰ চৰণত কাকুতি-মিনতি নকৰিলেনো বাৰু উপায় কি, চাংমাই!

চাংমাই। এৰা, তৰ্বৰী এৰা। বোলে ৰাখে হৰি মাৰে কোনে? মাৰে হৰি ৰাখে কোনে?

তৰ্বৰী। সঁচা। (যাবলৈ ধৰে)

চাংমাই। যা কিন্তু ৰূপে সৈতে মোৰ দৰ্কাছিখনলৈ নেপাহৰিবি কিন্তু। মোৰ দৰ্কাছিখন তোৰ ওচৰত থাকিল। চাই যেতিয়া মন যায়, হুকুম দিবি বাকলি।

তৰ্বৰী। কি দৰ্কাছি?

চাংমাই। থিতাতে পাহৰ দেখোন বাকলি? হেই—

তৰ্বৰী। অ' আকৌ সেই কথা? তোৰ আৰু মৰিবৰ ঠাই নাইকিয়া হল হবলা?

চাংমাই। আছে। মোৰ তৰ্বৰীৰ হাতত।

(প্ৰস্থান।)

দ্বিতীয় দৰ্শন

স্থান-গদাপাণিৰ শোবনিঘৰ

কাল—ৰাতি

(গদাপাণি আৰু জয়মতী।)

গদাপাণি। শুনিছা নে জয়া। তোমাক ইমান দিন এটা কথা কোৱা নাছিলোঁ, আজি কওঁ। ল'ৰা ৰজাই হেনো তলে তলে মোক ধৰাই মৰাবলৈ থিৰ কৰি মানুহ পঠিয়াইছে।

জয়মতী। শুনিছো।

গদা। কেতিয়া শুনিলা?

জয়া। এতিয়া।

গদা। ইয়াৰ আগেয়ে জানো শুনা নাছিলা?

জয়া। শুনিছিলো।

গদা। তেন্তে এতিয়া শুনিলো বুলি ক'লাকেলৈ?

জয়া। এতিয়া জানো নুশুনিলো?

গদা। কি কৰোঁ এতিয়া কোৱাচোন?

জয়া। কি কৰিব কওকচোন?

গদা। তুমি কি কৰিবলৈ কোৱা, কোৱাচোন?

জয়া। কি কৰিবলৈ কব লাগে কওকচোন?

গদা। তুমি দেখোন আকৌ মোকহে সোধা?

জয়া। আকৌ কাক সুধিম কওকচোন?

গদা। মই তোমাকহে সুধিছোঁ, তুমি কি বোলা কোৱাঁ?

জয়া। মই আপোনাকহে সুধিছোঁ, কিঁ বুলিব লাগে আপুনি কওকচোন?

গদা। তোমাক পৰামৰ্শ সোধা মিছা।

জয়া। মোক পৰামৰ্শ সোধা মিছা।

গদা। কিয় মিছা?

জয়া। জানো কিয় মিছা, কওকচোন।

গদা। তিৰুতা মানুহেৰে সৈতে গুৰুতৰ কথাৰ পৰামৰ্শ কৰি একো লাভ নাই।

জয়া। একো লাভ নাই।

গদা। কিয় লাভ নাই?

জয়া। হেৰি! কিয় লাভ নাই কওকচোন।

গদা। একো নুবুজে।

জয়া। এইটো আপুনি কেনেকৈ বুজিলে, হেৰি, কওক। মোৰ মূৰকে খায়, কওক।

গদা। শুনা জয়া! তুমি সদায় সকলো কথাকে পাতলাই উৰাই দিয়া। তোমাৰ মুখত সদায় হাঁহি, সদায় ৰং। আৰু হাঁহিবৰ কাল নাই।

জয়া। নাই।

গদা। তেন্তে?

জয়া। তেন্তে মই গীত গাওঁ শুনক।

গদা। শুনিম, গোবাঁ। শুনি লওঁ আৰু কিজানি শুনিবলৈ নেপাবেঁই। তোমাৰ হাঁহি, তোমাৰ মাতেই সকলো বিপদ-আপদত মোক জীয়াই ৰাখিছে।

জয়া। তেনেহলে মোৰ গীত-মাত নুশুনি বাজে কথা কৈ সময় নষ্ট কৰিছিল কিয়? শুনক।

গদা। বিচ্ছেদৰ গীত এটা গোবাঁ।

জয়া। বিচ্ছেদৰ আগতে বিচ্ছেদৰ থাপনা পাতিব লাগিব নে? বাৰু, পতা যাওক—

"উদ্ধব বন্ধু হে মধুপুৰি ৰহল মুৰাৰি কাহে?
নাহেৰি ৰহব অব জীৱন,
বন ভেয়ো ভৱন হামাৰি।।
যাহে বিয়োগ-আগি অঙ্গ একু তাবয়,
তিল এক ৰহয়ে না পাৰি।
সোহি ব্ৰজপুৰ দূৰ গৈয়ো গোবিন্দ,
দিশ দিশ দিবসে আন্ধাৰি"।।
ভয়ো মৰণ ওহি সোহি হৰি চৰণকু
বিছুৰি ৰহয়ে নপাই।
দেখত কালিন্দী গিৰি বৃন্দাবন,
তনু মন দহয়ে সদায়।।"

গদা। কি সুন্দৰ গীত! কি সুন্দৰ স্বৰ! কি সুন্দৰ!

জয়া। সুন্দৰৰ বোজাত যে মই পোত গলোঁ! দেখক, আপুনি যদি এইদৰে মোৰ গীতবোৰ মাটি কৰে তেন্তে ভাল নহব বুলিছোঁ। মই ৰজাঘৰৰ কোটোৱালৰ আগত গোচৰ দিম।

গদা। ল'ৰা ৰজাৰ কোটোৱালৰ আগত নে? তেনেহলে মোক জীয়াই জীয়াই গাঁতত পুতিব।

জয়া। বাৰু, তাত এইখন গোচৰ নচলে যদি, টেটুত খোৰোচা গাঠি লগাই—

গদা। জয়া! বাঢ়ি নাযাবা।

জয়া। নেযাওঁ, যদি আপুনি মোৰ গীতটো শেহলৈকে গাবলৈ দিয়ে। অ' এই ফেৰা কথাৰ কিটিপকে নুবুজিলে। মই গীতটোৰ টেটুতহে খোৰোচা গাঠি লগোৱাৰ কথা কবলৈ গৈছিলোঁ। মতা মানুহৰ বুধিটো ভোতা বুলি মই জানো।

গদা। তোমালোকৰ বুধিটো জোঙা। আমাৰ গা সী বিন্ধি থকাসৰুকা কৰে।

জয়া। বোলোঁ, মোক মোৰ গীতটোৰ শেহৰ কেইফাঁকি গাবলৈ দিব নে নিদিয়ে? নিদিলে সঁচাকৈ কৈছোঁ, চিঞঁৰি দিম। সকলোৰে শেহত ৰোহ পাতিম।

গদা। শেহৰখন গোচৰত নিশ্চয় তোমাৰ জয়। গোৱাঁ, তোমাৰ গীতটো শেষ কৰাঁ।

জয়মতী। (গীত)

"ব্ৰজজন জীৱন বাথৰি নাহি, আৰত
হামাকু কয়লি অনাথা।
গোপিনীক প্ৰেম পৰখি নীৰ ঝৰয়ে,
শঙ্কৰে কহে গুণ গাথা।।"

গদা। এতিয়া হ'ল নে?

জয়া। হ'ল। এতিয়া আহক। কি পৰামৰ্শ কৰিব লাগে লৰালৰিকৈ কৰক।

গদা। লৰালৰিকৈ কিয়?

জয়া। যদি আকৌ মাজতে মোৰ গীত ওলাই পৰে।

গদা। পৰামৰ্শ এইটোকে সুধিব খুজিছোঁ যে এতিয়া মই কি কৰা উচিত?

জয়া। মোৰ আৰু এটা গীত শুনা উচিত।

গদা। আকৌ ধেমালি?

জয়া। জগৎখনেই ধেমালি। কোনোটো বৰ, কোনোটো সৰু। যাওক। বগুহৰ দেও! যদি এই অভাগিনীৰ পৰা কিবা পৰামৰ্শ শুনিব খুজিছে, তেন্তে কওঁ শুনক। মাউৰী জয়াক আপোনাৰ হাতত দেউতাই সঁপি দিবৰ দিনাৰে পৰা জয়াই কাকো নেজানে, জানিবৰ সকামো নাই। জয়াৰ সকলো অভাৱ পূৰ্ণ হল, আপোনাক পাই। জয়াৰ সৰ্ব্বস্ব আপুনিয়েই। আপোনাৰ বিপদৰ কথা মই সকলো শুনিছো, সকলো জানো। দুবাৰ পাষণ্ডইঁতৰ চক্ৰজাল ভেদ কৰি গুপ্ত ঘাতকৰ হাতৰ পৰা নিজৰ বাহুবলেৰে আপুনি উদ্ধাৰ হৈ অহা খবৰো মই জানো, যদিও আপুনি মোক নাই কোৱা। মোৰ অন্তৰৰ চিত্তজুইৰ পোৰণি মই দিনৌ সহিব লাগিছোঁ— অন্তৰ্যামী ঈশ্বৰে সেই কথা জানে। প্ৰিয়তম! আৰু আপুনি পলম কৰা উচিত নহয়। নিষ্ঠুৰ বুঢ়াগোহাঁই, স্বাৰ্থপৰ, দুৰ্ব্বল আৰু বুঢ়াগোহাঁইৰ হাতৰ পুতলা ল'ৰা ৰজাৰ হাতৰ পৰা পলাই আত্মৰক্ষা কৰক। জয়মতীৰ আঁচলৰ গাঠিৰ সোণ আপোনাৰ অপঘাত মৃত্যু তুচ্ছ গুপ্তঘাতকৰ হাতত ঘটিব নোৱাৰে। প্ৰিয়তম! আপোনাৰ চৰণত দাসীৰ এটি প্ৰাৰ্থনা—এটি মাথোন—এই দাসীকো লগত নিয়ক। আপোনাৰ অবিহনে দাসীৰ সুকীয়া জীৱন নাই।

গদাপাণি। সৈন্য-বলেৰে বলী ল'ৰা ৰজাৰ বিপক্ষে থিয় হবৰ ক্ষমতা সম্প্ৰতি গদাপাণিৰ নাই। এই বাবেই পলাই প্ৰাণ ৰক্ষা কৰি ভবিষ্যতৰ নিমিত্তে শক্তি সঞ্চয় কৰাটো অৱশ্যে অনুচিত নহয়। কিন্তু যদি পলোৱাটোৱেই সুযুক্তি হয়, তেন্তে জয়া!

তোমাৰে সৈতে সম্প্ৰতি বিচ্ছেদ অনিবাৰ্য্য। তুমি সৰুৰে পৰা আদৰত উঠিছা, চেনেহত বাঢ়িছা, দুখ-কষ্ট কাক বোলে নেজানা। তুমি কেনেকৈ মোৰে সৈতে শত্ৰুদলৰ খেদা খাই দিনে-ৰাতিয়ে অনিদ্ৰা-অনাহাৰত ফুৰিবা? তাৰ উপৰি, সোণৰ পুতলা দুটি—লাই-লেচাই। সিহঁতক এঠাইত থৈ তুমি মোৰ লগত ওলালেও, শিশু দুটি জীৱন্তে অনাথ হ'ব।

জয়া। প্ৰিয়তম মোৰ! নিজৰ নিমিত্তে এখুদমানো ভাবি, মই আপোনাৰ লগত যাবলৈ প্ৰস্তাৱ কৰা নাই। আপোনাৰ লগত থাকি আপোনাৰ সকলো আপদ-বিপদত সহায়কাৰিণী হব পাৰিম, এই আশাত এনে প্ৰস্তাৱ। প্ৰিয়তম! আপোনাৰ গলগ্ৰহ হবলৈ জয়াৰ ইচ্ছা নাই। আপোনাৰ সুখ আৰু আপোনাৰ মঙ্গলৰ বাহিৰে জয়াৰ নিজৰ সুখৰ কথা জয়াই নেভাবে আপুনি জানে।

গদা। জানো, মই ভালকৈ জানো। তোমাৰ সৈতে বিচ্ছেদৰ কথা ভাবিলে মোৰ থৰযুকতি গুচে। কিন্তু জয়া! মই গোটেইটো অৱস্থা ভালকৈ ভাবি চাইছোঁ। যদি মোৰ যোৱাটোৱেই ঠিক, তেন্তে আন উপায় নাই।

জয়মতী। যাওক, যাওক। মোৰ কথা ভাবিব নেলাগে, লাই-লেচাইৰ কথাও ভাবিব নেলাগে। সিহঁতৰ নিমিত্তেই মই থাকিম। জয়াই ৰঙতো হাঁহিব পাৰে, বিপদকো হাঁহিৰে সামৰি লব পাৰে। এৰা পাৰে। ঈশ্বৰৰ হাতত জয়াই জয়াৰ আঁচলৰ গাঁঠিৰ সোণ এই মুহূৰ্ত্ততে সমৰ্পণ কৰিলে। আপুনি আৰু পলম নকৰিব। যাওক প্ৰিয়তম! যাওক।

(শোৱনিঘৰৰ পিৰালিচুকত অলপ খৰ্ খৰ্ শব্দ গদাপাণিৰ কাণত পৰে। হঠাৎ গদাপাণিয়ে তৰোৱাল হাতত লৈ বেগেৰে ওলাই যায়। জয়মতী অবাক হৈ ৰয়। অলপৰ পিছতে গদাপাণিয়ে এটা মানুহৰ টেটুত ধৰি তাক টানি আনি জয়মতীৰ আগত পেলায়)

জয়মতী। এইটো কোন?

গদা। আৰু কোন হব? বুঢ়াগোহাঁই আৰু ল'ৰা ৰজাৰ বাপেক—আমাৰ ঘৰৰ পিৰালিত বহি থকা চোৰাংচোৱা।

(মানুহটোলৈ চাই তৰোৱাল দাঙি)

তই কোন ক? নহলে তোৰ মুৰ গ'ল।

মানুহটো (কাওবাও কৰি)। কোঁৱৰ! মোক নেকাটিব। মই কোন কওঁ মোৰ দেউতা ঈশ্বৰ! মই টিপামৰ গেন্ধেলা শইকীয়া।

গদা। তই টিপামৰে হব বা ডিপাঙৰে হব, আৰু তোৰ নাম গেন্ধেলাই হওক বা ফেদেলাই হওক, সেইটো মই সোধা নাই। তই ইয়ালৈ কিয় আহিছিলি?

মানুহটো। মই আপোন ইচ্ছাতে অহা নাছিলো। আপুনি মোক ধৰি আনিলে।

গদা। তই মোৰ পিৰালি-চুকত জোপা মাৰি কি কৰিছিল?

মানুহটো। মোৰ গৰু এটা হেৰাইছিল, তাকে বিচাৰি আহিছিলো।

গদা। মোৰ পিৰালিচুকত জোপা মাৰি বহি তই তোৰ গৰু বিচাৰিছিলি, এইবোৰ টেঙৰালি কথা মোৰ আগত কৰলৈ আহিছ? (তৰোৱাল জোকাৰি) তোক কোনে কি কৰিবলৈ পঠিয়াইছিল, বেগতে ক, নহলে এই তোৰ মূৰ গল।

মানুহটো (কঁপি কঁপি)। দেউতা ঈশ্বৰ! মোক নেকাটিব। মই সঁচা কথা কওঁ। বুঢ়াগোহাঁই ডাঙৰীয়াই মোক পঠিয়াইছিল।

গদা। কি কৰিবলৈ পঠিয়াইছিল?

মানুহটো। দেউতা কোঁৱৰৰ আলেখ্‌লেখ্ চাই, তেওঁক বাতৰি দিবলৈ।

গদা (তৰোৱাল জোকাৰি)। ঘিণ-লগা চুৱা-পাতনিৰ জীৱ! তই চোৰাংচোৱা হৈ আহিছ। তোক কাটি দুডোখৰ কৰোঁ। মোৰ বাতৰি যমক দেগৈ।

(জয়মতীয়ে থাপ্ মাৰি গিৰিয়েকৰ হাতৰ তৰোৱালত ধৰে)

জয়া। বঙহৰ দেও! মাখি মাৰি হাত ক'লা নকৰিব, মই কাবৌ কৈ মাতিছোঁ। (মানুহটোলৈ চাই) যা, যা, তই ইয়াৰ পৰা গুচি যা। পোক-লগা প্ৰাণী! গুচি যা, তোৰ লৰা তিৰুতাৰ ওচৰলৈ যা! এইবাৰ ৰক্ষা পালি আৰু ইয়ালৈ নাহিবি। আৰু এনে কাম নকৰিবি।

(গদাপাণিয়ে মানুহটোক এৰি দিয়ে আৰু সি লৰি পলায়।)

গদা। জয়া! মোক আৰু ভাবিবলৈ দিয়াঁ। গোটেইবোৰ কথা আকৌ আগৰ পৰা গুৰিলৈকে ভাবোঁ। কাইলৈ যি হয় এটা কৰা যাব।

তৃতীয় দৰ্শন

স্থান—গদাপাণিৰ ঘৰ, ফুলনিবাৰী

কাল—আবেলি

(জয়মতী আৰু সেউতী এজোপা বকুলৰ তলত)

জয়মতী। সখী! মোৰ মনটো আজি এনে উগুলথুগুল লাগি আছে, কি কম, কি কৰিম ভাবি পোৱা নাই। মই বকুল ফুল গোটাচেৰেককে বোটলোঁ। তুমি এটা গীত গোৱা, শুনি মনটো ভাল লাগক।

সেউতী। মই গীত গাম, যদি তুমি মোক বকুলৰ মালা এধাৰ গুথি দিয়া।

জয়মতী। তুমি মালা কি কৰিবা?

সেউতী। ডিঙিত পিন্ধিম।

জয়মতী। তোমাৰ নে আন কাৰোবাৰ ডিঙিত?

সেউতী। মোৰ ডিঙি দুটা নেকি?

জয়মতী। দেখোঁতে এটা হলেও বাস্তৱিকতে দুটা। অ' মই ভুল কৰিছোঁ—দেখোঁতে দুটা হলেও বাস্তৱিকতে এটা।

সেউতী। এইটো সাঁথৰ ভাঙি নিদিলে বুজা টান।

জয়মতী। ময়েই ভাঙিব লাগিব নে?

সেউতী। এৰা তুমিয়েই।

জয়মতী। তেনেহলে কওঁ শুনা; মোৰ আকৌ ভুল হৈছিল। এইটো সাঁথৰ নহয় মৌকোহহে। ভাঙিলেই তাৰ পৰা মৌ ওলাব।

সেউতী। ভালহে, আমি দুয়ো খাম।

জয়মতী। মোকো সেই মৌৰ ভাগ দিব পাৰিবা নে? ক'ত পাৰিবা হবলা? এই মৌকোহ যে তোমাৰ অকলশৰীয়া বস্তু। আৰু মোক ভাগও নেলাগে দেওহে!

জয়মতী। (গীত)

তোমাৰ মৌকোহ তোমাতেই থাওক,
তুমিতো তাৰ ভাগ নিদিয়াঁ।
তোমাৰ হিয়াত তোমাৰ জোনাই,
তাৰ অমৃত তুমি অকলৈ পিয়াঁ।

সেউতী। সখী! তুমি এনে সুন্দৰকৈ গীত গোৱা, অথচ মোকহে গাবলৈ কৈছিলা।

জয়মতী। তোমাৰ মিঠা সুৰৰ আগত মোৰ সুৰে লাজতে মূৰ দোৱায়।

সেউতী। মই কওঁ—তোমাৰ মিঠা। তুমি কোৱা, মোৰ মিঠা। এতিয়া আমাৰ ভিতৰত লগা এই খৰিয়ালখন ভাঙে কোনে?

জয়মতী। দিলিহীয়াল ফুকনে।

সেউতী (লাজৰ ভাব দেখুৱাই)। কিয়, আমাৰ গদাপাণি কোঁৱৰনো কলৈ গ'ল? হাতৰ বস্তু এৰি দূৰলৈ যাব লাগিছে কিয়? সখী! তুমি বৰ দুষ্ট। তোমাক আৰু মই বলে নোৱাৰিলোঁ। শুনা বাৰু গাওঁ। কিন্তু চাবা, মোৰ সুৰ মিঠা বুলি শলাগিছা হয়, পিছে কেহা লাগিলে তেতিয়া মোক নুদুষিবা।

জয়মতী। নোদোষোঁ। কেহা লাগে যদি লাগক, কাৰণ সি আমলখীৰ কেহাহে। পিছত তোমাৰ কথাৰ পানী এঢোকা খাই দিলেই সোৱাদ লাগি পৰিব।

সেউতী। (গীত)

সখী হে! কি কম দুখৰ কথা,

অমৃত মাথোঁতে বিষ উপজিল,

মিঠা মৌ হ'ল তিতা।

মালতীৰ চাকি খোপাত পিন্ধিলো,

তাৰো গল পাহি সৰি,

সোণৰ সঁজাতে পখীটি ৰাখিলোঁ,

সিও গুচি গ'ল উৰি।

সঁজাতে ফুলিল তগৰ ফুলপাহি

সন্ধিয়াৰে বা পাই,

কোনেও নেদেখোঁতে কোনেও নুশুঙোতে

সিয়ো যে লেৰেলি যায়।

জয়মতী। ৰূপহ! ৰূপহ!

সেউতী। কি ৰূপহ?

জয়মতী। তোমাৰ গীতটি।

সেউতী। মই ভাবিছিলোঁ মোৰ সখীৰ মুখখনি। মোৰ ভুল হৈ গল, যাওক। (জয়মতীৰ হাতত ধৰি) সখী! বহাঁচোন বহাঁ। ধেমালি হৈ গ'ল। এতিয়া তোমাক আচল কথা কওঁ। সখী! আমাৰ সুখৰ সমাজিক ভাগি আহিব ধৰিছে। বিপদ গা পালেহি। সখী! কোঁৱৰ আৰু ইয়াত থকাটো নিৰাপদ নহয়।

জয়মতী। সেইটো মই বুজিছোঁ। কালি ৰাতি দুয়ো সেই বিষয়ে খোলাখুলিকৈ কথা হৈছিলোঁ। মই ৰৰকৈ ধৰাত তেওঁ আজি যি হয় এটা খাটাংকৈ কৰিব বুলিছে।

সেউতী। সখী! সঁচাকৈয়ে আৰু খেৰোগেৰো কৰি থাকিবৰ কাল নাই। মই এতিয়াই শুনি আহিছোঁ—বুঢ়াগোহাঁইৰ চোৰাংচোৰা চাওদাঙে আজিকালিৰ ভিতৰতে মৰ্‌সাহ দি কোঁৱৰক ধৰিবই ধৰিব বুলি তেওঁ মোক কলে।

জয়মতী। তেওঁ কোন?

সেউতী। (লাজৰ ভাব দেখুৱাই)। যোৱা তুমি। তেওঁ কোন তুমি নাজানা?— গুৰুতৰ কথাৰ মাজতো তোমাৰ ধেমালি! তেওঁ আজি মোক ৰৰকৈ কৈ পঠিয়াইছে, কোঁৱৰক যেন আজিয়েই পলুৱাই পঠিৱা হয়। সখী! তেওঁৰো কি হয় চিন নাই। তেওঁৰ

পাছতো চোৰাংচোৱা জাক জাক। সখী। সখী! আমাৰ দুইৰো কপালত গোসাঁয়ে কি লেখিছে গোসাঁয়েহে জানে।

জয়মতী। আমি দয়ো দুখন ফুটা নাৱত। মোৰখনৰ ফুটাটো ডাঙৰ, এই মাথোন বিভিন। মোৰখন আগেয়ে বুৰিবৰ সম্ভৱ।

সেউতী। বকুলৰ মালাধাৰি মোক দিয়া এতিয়া। যাৰ মালা তাক দিওঁগে।

জয়মতী। বাঃ এই মালা তোমাৰহে! মই আনক দিবলৈ গোথা নাই।

সেউতী। আনক দিবলৈ ময়ো নিব খোজা নাই। মই মোকেইহে দিম। (জয়মতীয়ে সেউতীৰ ডিঙিত মালা পিন্ধায় দি গায়)—

জয়া। (গীত)

চেনেহ-ডোলেৰে গোথা মালাধাৰি
প্ৰীতিৰ সৌৰভ সনা,
পিন্ধালোঁ সখীৰ লাহৰী গলত,
জয়াৰ শেষ অৰ্পণা।
সঁপিলো স্বামীক প্ৰভুৰ পাৱত,
লাই-লেচাই দুটি মোৰ,
হিয়াত বল মাগে দুখুনী জয়াই,
সকলো পৰিল ওৰ।

(গদাপাণিৰ প্ৰবেশ। গদাপাণিক দেখি সেউতীৰ প্ৰস্থান।)

গদাপাণি। জয়া! মোৰ মন স্থিৰ কৰিলোঁ। তোমাৰ ইচ্ছামতেই কাম হব। আজি ৰাতিয়েই যাম। তোমাক আৰু লাই-লেচাইক ঈশ্বৰৰ হাতত সমৰ্পণ কৰিলোঁ। লাই-লেচাই কত আছে জয়া?

জয়মতী। সিহঁতে উমলি আছে, তৰ্বৰীৰ লগত।

গদাপাণি। সিহঁতক বুঢ়ীমাকৰ ঘৰলৈ পঠিয়াই দিবা। তুমিও তাত থাকিবাগৈ। ইয়াত অকলৈ নেথাকিবা। বলা, মই লাই-লেচাইক এবাৰ চাই লওঁ। আৰু কিজানি ইহ জন্মত মোৰ পোনা দুটিক দেখিবলৈ নাপাওঁহঁক। উস, হে ঈশ্বৰ!

(জয়মতীয়ে ৰিহাৰ আচলেৰে চকুৰ পানী টোকে)

(গদাপাণিৰ প্ৰস্থান।)

দ্বিতীয় অঙ্ক

প্ৰথম দৰ্শন

স্থান—ৰজাৰ কাৰেং
কাল—সন্ধ্যা লাগি ভগাৰ পিছত
(ল'ৰা ৰজা, বৰগোহাঁই, বুঢ়াগোহাঁই।)

ল'ৰা ৰজা। ডাঙৰীয়াসকল! ঈশ্বৰৰ ইচ্ছাত প্ৰায় সকলোখিনি শত্ৰু নিপাত হৈছে। কিন্তু সাপ মাৰি নেগুৰত বিষ ৰৈ গ'ল।

বুঢ়াগোহাঁই। হয় স্বৰ্গদেও! এই বিষ কিন্তু বৰ বিষ! কি কয় বৰগোহাঁই ডাঙৰীয়াই?

বৰগোহাঁই। এৰা।

ৰজা তুংখুঙীয়া ফৈদৰ গদাপাণি যেতিয়া এতিয়াও জীয়াই আছে, মোৰ বিপদ গুচিল কত? আন আন ফৈদৰ তিনি চাৰি শ কোঁৱৰক অঙ্গক্ষত কৰি আৰু মাৰিওতো একো লাভ নহ'ল। যদি গোবৰ ৰজাৰ পুতেক লাঙি গদাপাণি জীয়াই থাকিব লাগিল, তেন্তে সকলো ভ্ৰষ্ট। ডাঙৰীয়াসকল। ইমান কৰিও আমি এতিয়াও ঘোৰ বিপদৰ মাজতে আছোঁ।

বুঢ়াগোহাঁই। সৰ্গদেও! গদাপাণি বৰ বাহুবলী। গদাৰ গাত অসীম বল। দুটা-চাইটা ৰণুৱা চাওদাঙলৈ গদাপাণিয়ে কেৰেপকে নকৰে। দুটা-চাইটাতো দূৰৈৰ কথা, সিদিনা যি বাৰটা মানুহক অস্ত্ৰ-শস্ত্ৰ দি গদাপাণিক ধৰিবলৈ পঠিয়াইছিলোঁ, গদাৰ প্ৰতাপত সিহঁতেও ওচৰকে চাপিব নোৱাৰিলে।

ৰজা। সৰহকৈ পঠিয়াওক। দুকুৰি তিনি কুৰি।

বৰগোহাঁই। সৰ্গদেৱৰ কাৰেঙলৈ অহাৰ আগতে শুনিলো, গদাপাণি পলাই গ'ল।

ৰজা (চঁক খাই)। কি! গদাপাণি পলাল! কোনে কলে? কি সৰ্ব্বনাশ! মই এতিয়া কলৈ যাওঁ? কৰোঁ কি?

বুঢ়াগোহাঁই। ডাঙৰীয়া! আপোনাক কোনে কলে? মই কালিলৈকে বাতৰি পাই আছিলোঁ, গদাপাণি ঘৰতে আছিল।

বৰগোহাঁই। গল ৰাতি পলাল বুলি মোক চোৰাংচোৱাই কলে।

ৰজা। ক'লৈ পলাই গ'ল?

বৰগোহাঁই। ক'লৈ পলাই গ'ল সিহঁতে কব নোৱাৰিলে।

ৰজা (খংকৈ)। সিহঁতক ধৰি এটাইকেউটাৰে এতিয়াই চকু কঢ়াব লাগে। আঁঠুৰ ঘিলা কঢ়াব লাগে। নাইত কুমটি মেলাব লাগে। পটাগুটিৰে খুন্দাই মাৰিব লাগে। তুৰন্তে-তুৰন্তে। মোৰ বিষয়াসকলৰ কামত বৰ গাফিলি। মোৰ পাত্ৰমন্ত্ৰীসকল চতুৰ হোৱা হলে এনেকুৱা কেতিয়াও নহয়। উস্। ইমানবোৰ মানুহৰ চকুত ধূলি মাৰি গদাপাণি পলায়! নিশ্চয় কাৰো টেপ আছে।

বুঢ়াগোহাঁই। সৰ্গদেউ! এতিয়া আৰু খং কৰি একো লাভ নাই। যি হবৰ হ'ল, তাক আৰু নোহোৱা কৰিব নোৱাৰি। যিমান দূৰ সম্ভৱ সতৰ্ক হৈ থকা গৈছিল। কিন্তু সৰ্গদেও! লাঙি গদাপাণি অদ্ভুত লোক। গদাপাণিৰ কোনো কোনো কাৰ্য্য দেখিলে, দৈৱিক শক্তিৰে হোৱা যেনহে লাগে। তথাপি সৰ্গদেও! কোনো চিন্তা নকৰিব। গদাপাণি এখন জাল ফালি গলেও আন এখনত ঘপহ্ কৰে পৰিব, বহুত জালেৰে বেৰা আছে।

বৰগোহাঁই। সৰ্গদেও! যদিও গদাপাণিৰ ভাৰ্য্যা জয়মতী আমাৰে ফৈদৰ জীয়ৰী, যদিও জয়মতীৰে সৈতে মোৰ ওচৰ সম্বন্ধ, তথাপি সৰ্গদেও! এই সহস্ৰ গাঠিৰ ভিতৰত থাকি মই হলে কওঁ—এই কাৰ্য্যত মোৰ পৰা কোনো অঘটন ঘটা নাই। মোৰ মানত ৰজাহে আগ, বঙহ-পৰিয়াল তাৰ পিছতহে। সৰহ কোৱা নিষ্প্ৰয়োজন।

বুঢ়াগোহাঁই। সৰ্গদেও! মোৰ নিবেদন শুনক—হে যোৱা কথাকে পাগি ফুৰি থাকি কালক্ষেপ কৰাৰ সকাম নেদেখোঁ। উপস্থিত ক্ষেত্ৰত কি কৰা উচিত তাৰেহে এতিয়া বুধি আলচা যুগুত। গদাপাণি পলাই ক'ত সাৰিব? চাৰিওফালে মানুহ পঠিয়াই পিয়াপি দিয়াই বিচৰাই ধৰাই আনিম। সৰ্গদেৱে কোনো চিন্তা নকৰিব।

ৰজা। এতিয়াই তাৰ দিহা কৰাওক ডাঙৰীয়া! বিলম্বত কাৰ্য্য নাশ।

বুঢ়াগোহাঁই। নিশ্চয় কৰা হব, নিশ্চয় কৰা হব, সৰ্গদেও! গদাপাণিক ধৰি আনিবলৈ মানুহতো পঠিৱা যাবই, তাৰ উপৰি গদাপাণিৰ ঘৈণীয়েক জয়মতীকো ধৰাই আনি সোধা যাওক। তাইৰ গিৰিয়েক ক'লৈ গ'ল, তাই কওক।

ৰজা। ডাঙৰীয়া! এতিয়াই মানুহ পঠিয়াই দিয়ক, দিয়ক। জয়মতীক মোৰ বৰচ'ৰাত হাজিৰ কৰিব লাগে।

বৰগোহাঁই। সৰ্গদেও! মোৰ এটি নিবেদন আছে,—সৰ্গদেৱে অৱশ্যে ইচ্ছা কৰিলেই জয়মতীক ধৰাই আনিব পাৰে। কিন্তু সৰ্গদেৱে, তুংখুঙীয়া ফৈদৰ বোৱাৰী-ছোৱালীজনীক সেইদৰে ধৰি আনি ৰাইজৰ আগত অপমান কৰাটো কত ভাল হব হবলা!

ৰজা। বৰগোহাঁই ডাঙৰীয়া! মোৰ প্ৰাণৰ বৈৰীৰ প্ৰতি সন্মান দেখুৱাবৰ আৱশ্যক

মই বুজিব নোৱাৰোঁ। আৰু এইটো তেনে সময় বুলিও মই নেভাবোঁ। মোৰ ইচ্ছা— এতিয়াই জয়মতীক ধৰিবলৈ মানুহ পঠিবা হওক। বুঢ়াগোহাঁই ডাঙৰীয়াই কি বোলে?

বুঢ়াগোহাঁই। সৰ্গদেৱৰ কথাত আঁৰ নাই। মানুহে দেশ-কাল-পাত্ৰ বুজি চলিব লাগে। সকলো সময়তে একেটা নীতি, ধৰম নাইবা ন্যায়ৰ একেটা বাটেদি চলিবলৈ গলে কাম নচলে। ৰাজান্তিকৰ কাৰ্য্য গুৰুতৰ কাৰ্য্য। দৈনিক জীৱনৰ ঘৰুৱা নীতি ৰাজান্তিকত সকলো সময়তে নচলে। ৰজাৰ প্ৰাণৰ সঙ্কটৰ সময়ত, ৰাজ্যৰ ভাল-মন্দৰ বিচাৰৰ হিচাপত, অমুক-তমুকৰ ঘৰৰ জীয়ৰী, অমুক-তমুকৰ ঘৰৰ বোৱাৰী—এইবোৰ ভাবনাৰ স্থান নাই। বৰগোহাঁই ডাঙৰীয়াৰ যুক্তিৰ মৰ্ম্ম এনে সময়ত এই বুঢ়াগোহাঁইৰ পক্ষে বুজা কঠিন। আৰু আমাৰ আগলৈ আহি তাই তাইৰ গিৰিয়েক ক'ত লুকাই আছে, অথবা তায়েই বা তাক ক'ত লুকাই থৈছে, কৈ দিলেই লেঠা গুচিব। তেতিয়া তাইক কোনেনো কি কৰিবলৈ যাব? তেনেহলে দেখোন কথা দুপতীয়াতেই ছিগিব, সৰহ কথাৰ সকাম নেথাকিব।

বৰগোহাঁই। ঘৰতে জয়মতীক জানো সেই কথা সোধাব নোৱাৰি?

বুঢ়াগোহাঁই। দুখৰ বিষয় বৰগোহাঁই ডাঙৰীয়াৰ পৰামৰ্শমতে এই কাৰ্য্য কৰিবলৈ গলে আমাৰ আকৌ "পুনৰেব পাপী পুনৰেব দৰিদ্ৰ" অৱস্থাই লগ ধৰিবহি। মানুহে দিন পালে ক্ষণ পায়, ক্ষণ পালে অজৰ অমৰ হয়। আমাৰ কাৰ্য্য ব্যৰ্থ কৰিবৰ ইচ্ছা কৰিলে বৰগোহাঁই ডাঙৰীয়াৰ এই পৰামৰ্শমতে চলিলেই হব।

ৰজা। ডাঙৰীয়াসকল! আমাৰ কৰ্ত্তব্য থিৰাং হল। আৰু হোহোকা-পিচলা কৰি থাকিবৰ সকাম নাই। এতিয়া যাওক। কাইলৈ জয়মতীক বৰচ'ৰাত।

(সকলোৰে প্ৰস্থান।)

দ্বিতীয় দৰ্শন

স্থান—ৰজাঘৰৰ আন এটি খোঁটালি

কাল—ৰাতি দুপৰ

(ল'ৰা ৰজা আৰু বৰপাত্ৰ গোহাঁই।)

ৰজা। বৰপাত্ৰ গোহাঁই ডাঙৰীয়া! আপোনাক মতাই আনিছো, এটা বৰ গুৰুতৰ কথাৰ বিষয়ে পৰামৰ্শ কৰিবলৈ।

বৰপাত্ৰ গোহাঁই। সৰ্গদেও! সৰ্গদেও!! (বাৰে বাৰে মূৰ দোঁৱায়)

ৰজা। অলপ আগতে শুনিলো বোলে গদাপাণি পলাই গল।

বৰপাত্ৰ। সঁচা নে সৰ্গদেও! সঁচা নে? বন্দীয়েনো কত নমৰোঁগে! কি মস্কিল! কি মস্কিল!

ৰজা। সঁচা। মোক বৰগোহাঁয়ে কলে।

বৰপাত্ৰ। কবতো, তেৱেঁই কবতো। সৰ্গদেও। বন্দীয়ে মোৰ এই ফটা মুখেৰেই সৰ্গদেৱৰ চৰণত কেবাবাৰো জনাইছিলোঁ, সৰ্গদেৱৰ মনত আছে নে নাই কব নোৱাৰোঁ। কিন্তু সৰ্গদেৱে তালৈ কাণ নকৰিলে। সৰ্গদেৱৰ মন যে বৰ সৰল; লোকৰ দুষ্টালিত, চক্ৰান্তত, সৰ্গদেৱৰ চকু সহজতে নপৰে। যাওক সেই কথা। আজি আকৌ কওঁ,— ভিতৰি টেপ আছিল সৰ্গদেও! টেপ আছিল। নহলে এক গদাকোঁৱৰহে নেলাগে, গদাৰ বাপেক গোবৰ ৰজাকে প্ৰমুখ্য কৰি চৈধপুৰুষ নামি আহিলেও আমাৰ হাতৰ পৰা সৰাটো টান। কবলৈ কি, সৰ্গদেৱে যাক বিশ্বাস কৰি অন্তৰঙ্গ বন্ধু বুলি মনৰ কথা সোপাকে উবুৰিয়াই দি গোপনীয় কথাৰ পৰামৰ্শ কৰে, সেইবোৰেই সৰ্গদেৱৰ চুকতে থাকি বুকতে কামোৰে। সৰ্গদেও! বন্দী সৰহ কথাৰ মানুহ নহওঁ, মাথোন কৈ থলোঁ যে গাৰ নোমেই শত্ৰু বুলি জানিব।

ৰজা। মোৰো ঠিক তেনে যেনেই মনত খেলাইছে। মই কাকনো বিশ্বাস কৰিম, কাকনো অবিশ্বাস কৰিম, কবই নোৱাৰাত পৰিলোঁ।

বৰপাত্ৰ। বন্দীয়ে কব পাৰোঁ; বন্দীয়ে জানো; বন্দীৰ গাত আন গুণ নেথাকিলেও এই ফেৰা গুণ আছে যে বন্দীয়ে ততালিকে মানুহ চিনি পেলাব পাৰে। সৰ্গদেও! বন্দীৰ বিয়াদপি মাফ কৰিব। বন্দীয়ে কবলৈ বাধ্য হৈছোঁ যে বন্দীৰ কথা বাহী হলেহে গ্ৰাহ্য হয়। বন্দীৰ দুৰদৃষ্ট সৰ্গদেও! দুৰদৃষ্ট।

ৰজা। কওক, কওক ডাঙৰীয়া! কওক মইনো আপোনাৰ কথা কেতিয়া নাই পতিবা? আপোনাক মই অবিশ্বাস কৰাহেঁতেন এই ৰাতি দুপৰত মতাই নানিলোহেঁতেন।

বৰপাত্ৰ। তেনেহলে সৰ্গদেও! বন্দীয়ে কওঁ মৰোঁ-জীওঁ-সো-আধিকৈ। সৰ্গদেৱে যাক পৰম বিশ্বাস কৰি সকলো কথাৰ পৰামৰ্শ সোধে, সেই লোকেই সৰ্গদেৱৰ পৰম শত্ৰু। সৰ্গদেও! বন্দীয়ে কওঁ শুনক। সৰ্গদেৱৰ বৰ বিশ্বাসী বৰগোহাঁইক বন্দীয়ে চিনে। বন্দীয়ে হলে, সেইজন তলে-পুতল ডাঙৰীয়াক এধানমানকে বিশ্বাস নকৰে। খোলাখুলিকৈ কবলৈ গলে তেৱেঁই ভিতৰি টেপ দি গদাপাণিক পলুৱাইছে। মুঠতে কথা এইসোপা সৰ্গদেও। আৰু সৰ্গদেও! মৰোঁ-জীওঁ-সোঁ-আধিকৈ আকৌ একাবাৰ এই

মুখৰ পৰাই ওলাব খুজিছে, সৰ্গদেৱে নিৰ্ভয় দিলে ওলায়।

ৰজা। কওক, কওক।

বৰপাত্ৰ। বোলোঁ সেই অতলস্পৰ্শীজনৰ কথা। —সেই মহামন্ত্ৰী বুঢ়াগোহাঁই ডাঙৰীয়াৰ বিষয়ে হে কব খুজিছোঁ সৰ্গদেও! তেখেতৰ মনৰ ভাবৰ আদি কত, অন্ত কত, সৰল মনৰ সৰ্গদেৱৰতো কথা নকওঁৱেই, অনেক সময়ত এই খলুৱা বন্দীয়েই তাৰ তলানলা ধৰিব নোৱাৰোঁ। সেইজনে সকলোকে কুমাৰৰ চাকত ঘূৰাব লাগিছে আৰু নিজৰ মতলব অনুসাৰে সেইবোৰেৰে জুনুকা, বানমলা, চক, কলহ সাজি লব লাগিছে। তেখেত দবাৰ ঘৰৰ মাহীয়েক, কইনাৰ ঘৰৰ পেহীয়েক সৰ্গদেও! অথচ নিজৰ বাহিৰে কাৰো নহয়। নিজৰ অভীষ্ট সিদ্ধিৰ নিমিত্তে তেখেতৰ তই হে তই, মই হে মই। কিন্তু যেই মতলব সিদ্ধি হ'ল, যিটো জখলাইদি বগাই তেখেতে ঘৰৰ মূধচ পাইছিলগৈ তাক গুৰিয়াই পেলাই দিব। যাওক এইবোৰ কথা। মুঠতে সৰ্গদেৱক কওঁ,—গদাপাণি পলোৱাত যে এইজনৰ কিবা টেপ আছে, সেইটো নহয়; কাৰণ গদাপাণি সৰ্গদেৱৰ যেনে শত্ৰু এইজনৰো তেনে শত্ৰুৱেই। অবশ্যে সিজন ডাঙৰীয়াৰ টেপ আছে বুলি মোৰ হলে সম্পূৰ্ণ বিশ্বাস।

ৰজা। মোৰ মনতো ঠিক সেইটোৱেই খেলাইছে। নহলে ইমানকৈ চকুৰ ওপৰত ৰখা স্বত্তেও গদাপাণি পলাই যায় কেনেকৈ?

বৰপাত্ৰ। গদাকোঁৱৰৰ ঘৈণীয়েক জয়মতী বৰগোহাঁইৰ ফৈদৰ জীয়ৰী। বোলে বওহে মওহ চিনে। বুঢ়ালোকৰ কথাষাৰ মিছা হব কিয় সৰ্গদেও? আমাৰ বুঢ়ালোকে আৰু এষাৰ কথা কৈ গৈছে বোলে তেজ ধুলে গুচে, মওহ ধুলে নুটে। কথাষাৰ বৰ ঠিক, সৰ্গদেও!

ৰজা। বৰগোহাঁইক বন্দী কৰাওঁ। কি বোলে ডাঙৰীয়াই?

বৰপাত্ৰ। সাৱধান সৰ্গদেও! সাৱধান! এনে কাম এতিয়া কেতিয়াও নকৰিব। তালৈ সময় আছে। এনে কাম এতিয়া কৰিলে অতো নষ্ট ততো ভ্ৰষ্ট হব। সৰ্গদেৱৰ ৰাজ্যত বৰগোহাঁইৰ ফলীয়া লোক অনেক। অনেক বৰ বৰ বিষয়া, বৰ বৰ ৰণুৱা পেটে পেটে তেওঁৰ ফলীয়া; সৰ্গদেৱে এই কথা ভালকৈ নেজানে। আমাৰ অগাধ জলসঞ্চাৰী ৰোহিত বুঢ়াগোহাঁই ডাঙৰীয়াই কিন্তু এই কথা জানে, নতুবা তেওঁৰ চকুৰ কুটা দাঁতৰ শাল বৰগোহাঁই ডাঙৰীয়াক কেতিয়াবাই তেওঁ মুচৰিসামৰি খালৈত থলেহেঁতেন। এই বাবেই তেখেতে এতিয়ালৈকে বৰগোহাঁইক জোকাবলৈ সাহ কৰা নাই। কিন্তু কণামুচৰীয়ে চকু মুদি মাছলৈ জোপ মাৰি থকাদি তেওঁ জোপ মাৰি আছে। ছলপালেই সুবিধা বুজি ধৰিব। বৰগোহাঁই ডাঙৰীয়াক খপ কৰে সৰ্গদেৱে বন্দী কৰিবলৈ গলে ৰাজ্যত মহাহুলস্থূল

লাগি পৰিব; সৈন্যবোৰ বিদ্ৰোহী হৈ উঠিব; সৰহ ভাগ প্ৰজা সৰ্গদেৱৰ বিপক্ষে থিয় হব। শনৈঃ পন্থা শনৈঃ কন্থা শনৈঃ পৰ্ব্বত লঙ্ঘনং সৰ্গদেও।

(ৰাজমাওৰ প্ৰবেশ)

ৰজা (আচৰিত হৈ)। আইদেউতা! হঠাৎ এই ৰাতি তুমি ইয়ালৈ আহিলা কিয়?

বৰপাত্ৰ (সসম্ভ্ৰমে উঠি)। কি ৰাজমাওদেউতা! বন্দীৰ সেৱা! ইমান ব্যস্তভাৱে নিশাখন হঠাৎ? বন্দীৰ প্ৰতি আজ্ঞা কৰক।

ৰাজমাও। বোপা চুলিকফা! মই বিনা কাৰণত এই ৰাতি ইয়াত ওলোৱাহি নাই। কাৰণ আছে। বোপা! তুমি ৰাজপাটত উঠিবৰে পৰা যিবোৰ ঘটনা ঘটিব লাগিছে সকলোবোৰ মই মোৰ এই চকুৰেই দেখি আছোঁ, কাণেৰেই শুনি আছোঁ। সকলোৰে এটা সীমা আছে। অন্যায় অধৰম আৰু পাপৰো সীমা নোহোৱা নহয়। ৰাজকাৰ্য্যৰ নিমিত্তে অৱশ্যে অনেক সময়ত অনেক অকাৰ্য্য কৰিবলগীয়া হয়, যদিও পাৰিলে নকৰাটোৱেই ভাল। তথাপি যিবোৰ নকৰিলেও চলে, সেইবোৰ কৰাটো কেতিয়াও উচিত নহয়। কৰিলে ঈশ্বৰে নসহে। বুঢ়াগোহাঁইৰ কুবুধি শুনি তুমি শই শই ৰাজবংশী কোঁৱৰক খোৰা, কণা, কোঙা কৰিছা, কাকো একেবাৰেই মৰাই পেলাইছা। তোমাৰ এনে কাৰ্য্য দেখি মোৰ অন্তৰ দহিব লাগিছে; মই শুব নোৱাৰোঁ, খাব নোৱাৰোঁ। মাইকীৰ পেট, তোমাৰ ভৱিষ্যত অমঙ্গল আশঙ্কা কৰি পুৰি থাকে। তথাপি ঈশ্বৰে মাকৰ হৃদয় কি এনে অদ্ভুত বস্তুৰে গঢ়ি দিছে যে পুতেকৰ সকলো দোষৰ সকলো পাপৰ ক্ষমাই তেওঁৰ অন্তৰ জুৰি আছে। কিন্তু বোপা! ঈশ্বৰেতো আৰু সেইদৰে ক্ষমা নকৰে। ঈশ্বৰে দোষীক দন্দ দিবলৈ তেওঁৰ গদা হাতত লৈ আছে। তুমি ঈশ্বৰৰ দণ্ডৰ পৰা সাৰিবা কেনেকৈ? বোপা! এই চিন্তাই মোক খাই মাৰিছে। আনবোৰ যি কৰিছা, তাৰ সম্পৰ্কে এটা নহয় এটা কব পাৰি; কিন্তু ঘৰৰ বোৱাৰী ছোৱালীজনী ঘৰৰৰ ভিতৰৰ পৰা টানি আনি ৰাইজৰ আগত উলিয়াই অপমান কৰিবলৈ তুমি কোনটো সতেৰে গৈছা? তাইৰ অপমানত তোমাৰ মোৰ অপমান নহব নে? বিশেষকৈ, অবলা তিৰুতাৰ ওপৰত ৱল প্ৰকাশ কৰাটো সাহিয়াল পুৰুষৰ কাম নে? প্ৰজাক পালোঁতা ৰাখোঁতা ৰজাৰ কাম নে? এতেকে বোপা চুলিকফা! তুমি যি কাৰ্য্য কৰিবলৈ গৈছা, সেই কাৰ্য্যৰ পৰা ক্ষান্ত হোৱা, ক্ষান্ত হোৱা।

ৰজা। আইদেউতা, তোমাক এইবোৰ খবৰ কোনে দিলে? জাতে-পাতে মিছা কথা।

ৰাজমাও। মিছা নহয়, চুলি এডালৰ সমানো মিছা নহয়। মই সকলোবোৰ জানি আছোঁ। কাইলৈ ৰাতিপুৱা তুমি জয়মতীকুঁৱৰীক ধৰাই আনি ৰাইজৰ আগত লঘু কৰিবলৈ থিৰ কৰিছা। এনে কাম আগেয়ে হৈ যোৱা নাই। মাথোন মহাভাৰতৰ দুৰ্য্যোধনে দ্ৰৌপদীক ধৰাই আনি ভায়েক দুঃশাসনৰ হতুৱাই এইদৰে লঘু কৰাইছিল। দুঃশাসনৰ

বুকু ছিৰি তেজ পি ভীমে সেই অপমানৰ শোধ লৈছিল। এতেকে চুলিকফা। এনে কাম নকৰিবা, নকৰিবা। মই তোমাক দহমাহ ভাৰ বৈ গৰ্ভত ধৰিছিলোঁ। তোমাৰ সেই গৰ্ভধাৰিণী মাৰা, মই হাতযোৰ কৰি তোমাক কাকুতিকৈ মাতিছোঁ এনে কাম নকৰিবা, নকৰিবা। গদাপাণি কোঁৱৰক ধৰিব লাগে ধৰোৱা, কিন্তু তুংখুঙীয়া ফৈদৰ বোৱাৰী ছোৱালীজনীক, গোবৰ ৰজাৰ পো-বোৱাৰীক ৰাজসভাৰ মাজলৈ আনি ৰাইজৰ আগত অপমান নকৰিবা।

ৰজা। আইদেউতা! তোমাক এইবোৰ ডাল পাত জোৰোৱা মিছা কথা লগাই কোনে আমনি কৰিছে কব নোৱাৰোঁ। মই তেনে কাম কৰিবলৈ যোৱা নাই। আইদেউতা! তুমি এতিয়া ভিতৰলৈ যোৱাঁ।

বৰপাত্ৰ। নহয়নো কি ৰাজমাওদেউতা! আপুনি ভিতৰলৈ যাওক, বন্দীয়ে কাবৌকৈ মাতিছোঁ। কৰবাৰ কিবা কথাখন আপোনাৰ কাণত কোনোবাই পেলাইছে।

ৰাজমাও। বৰপাত্ৰ ডাঙৰীয়া! আপুনি মনে মনে থাকক, আপোনাক মই জানো। মাকে থাকিব নোৱাৰি দুৱাৰ অন্তৰৰ বেজাৰৰ কথা পেটৰ পোৱালিক কবলৈ আহিছে। ল'ৰাৰজাৰ মন্ত্ৰী বৰপাত্ৰ গোহাঁই ডাঙৰীয়াৰ আগত গোচৰ দিবলৈ অহা নাই। মোৰ অজলা ল'ৰাটোৰ কাণত দিনে-ৰাতিয়ে বিহ ঢালি আপোনালোকে তাৰ হতুৱাই যি পাৰে কৰাইছে, কৰাই থাওক। মই গোসাঁইক সাক্ষী কৰিছোঁ। মই শুনা কথা কেতিয়াও মিছা নহয়। তাৰ প্ৰমাণ কাইলৈ পুৱাই ওলাব। কিন্তু গোহাঁই ডাঙৰীয়া! মই নিশ্চয় কৈ কৈছোঁ, —মোৰ ল'ৰাক হাতত লৈ পুতলা যেন কৰি তাৰ হতুৱাই কৰোৱা পাপৰ ফল অকল যে মোৰ ল'ৰাই ভুঞ্জিব এনে নহয়, পুতলা নচুৱাসকলো নাসাৰে। ঈশ্বৰৰ বিচাৰ সূক্ষ্ম বিচাৰ। মই ভিতৰলৈ যাম, এতিয়াই যাম। ব্যস্ত নহব। মোৰ চকুৰ আঁৰত কৰা কাৰ্য্য মই নেদেখোঁ ঠিক কিন্তু সেই নেদেখাজনৰ চকুৰ আঁৰকৈ কোনেও একো কৰিব নোৱাৰে। হে ঈশ্বৰ! মোক এইবোৰ নেদেখুৱাই ইয়াৰ আগেয়ে মাৰি নিনিলা কিয়? হে প্ৰভু! মোৰ ল'ৰাটোৰ কি গতি কৰিলা? তাক সুমতি নিদিয়া নে? তাৰ ওপৰত তুমি ইমান বাম কিয়? তাক কুবুধি দি মাৰিবলৈ যোৱাবোৰৰ মূৰত পৰিবলৈ তোমাৰবজ্ৰ কত?

(ৰাজমাওৰ বেগেৰে প্ৰস্থান।)

ৰজা। তিৰুতা মানুহ, তাতে বুঢ়ী হৈছে। মগজু দুৰ্ব্বল হৈ পৰিছে। তাতে কোনোবাই লৰালৰিকৈ এতিয়াই এইবোৰ লগাই উতলাই পঠিয়াইছে।

বৰপাত্ৰ। হয় সৰ্গদেও! হয়। সেইদেখি শাস্ত্ৰত কৈছে, বুঢ়াই ল'ৰাই সমান বুলি। কোনেনো ততালিকে তপতে তপতে তেখেতক এই বাতৰিটো দিলে কব নোৱাৰি।

ৰজা। চাৰিউফালে চৰীয়া। এটাইবোৰ অবিশ্বাসী। মোৰ ঘৰৰ বেৰৰ জলঙাইও কাণ পাতি কথা শুনে।

বৰপাত্ৰ। হয় সৰ্গদেও! হয়। সম্প্ৰতি সৰ্গদেৱে চকু মুদি থাকক। গদাপাণিৰ কণ-কঠীয়া মাৰি লৈ তাৰ পিছত এটাইবোৰ এফালৰ পৰা দগবি নিয়া যাব।

ৰজা। নিশ্চয়, নিশ্চয়। ঈশ্বৰে যেন শীঘ্ৰে তেনে কৰাওক। তেওঁৰ ওচৰত মোৰ প্ৰাৰ্থনা। বাৰু এতিয়া ডাঙৰীয়া যাওক। পাৰোঁ যদি অলপ শুৱলৈ চেষ্টা কৰোঁগে।

(প্ৰস্থান)

তৃতীয় দৰ্শন

(বাটৰ কাষৰ বৰগছ এজোপাৰ তলত মনাই কাঁড়ীয়ে হাতত ধনু-কাঁড় লৈ বহি সুৰ ধৰি গায়।)

সিংহনাদ কৰি হৰি ধনুক টঙ্কাৰি।
বৰষিলা দিব্য অস্ত্ৰ অসংখ্য মুৰাৰি।।
কালান্তক সম দেখি কৃষ্ণক প্ৰত্যেক।
থক বক কৰে সবে নৃপতি যতেক।।
নাহি স্মৃতি বুদ্ধি চাৱে উলটিপালটি।
মাধৱৰ শৰে আসি ফুটে চট্‌চটি।

(জলহ চেৰাবলিয়া বাটেদি লৰি যায়।)

মনাই। হেৰৌ জলহ! লৰি গৈছনো কলৈ? ৰচোন ৰ!

(জলহৱে মনাইৰ কথালৈ কাণ নিদি আৰু বেগেৰে লৰে।)

বোলোঁ, ৰচোন ৰ! কথা আছে। আৰু বেগাইহে লৰ দিলি দেখোন। হল কি? (মনায়ে হাতৰ কাঁড় পাত জলহৰ ফালে টোবাই মাৰি পঠিয়ায় আৰু কাঁড় পাত জলহৰ কাণৰ কাষেদি সোঁসোঁৱাই যায়। "মৰিলোঁ ঔ" বুলি জলহ বহে।)

মনাই (হাঁহি, উঠি গৈ)। ৰ বুলিলে নৰৰ। এতিয়া ৰলি নে নৰলি কচোন?

জলহ। মোক বধিলে ঐ বধিলে! হেৰ ৰজাৰ টেকেলাহঁত! কোন কত আছ ওলাই আহহঁক ঔ! মোক মনাই কাঁড়ীয়ে বধিলে।

মনাই (জলহৰ মুখত সোপা মাৰি ধৰি)। অহৌবলিয়া! মনে মনে নেথাক নে? নহলে সঁচাকৈয়ে কৈছোঁ। তোক এইখিনিতে বধি থম। তোক ৰবলৈ কৈছিলো, নৰৈ লৰ দিছিলি কিয়? এতিয়া ৰলি নে নৰলি? গৰু! তোক মই বধিব খোজাহঁতেন তোৰ কাণৰ কাষেদি মোৰ কাঁড়পাত নগৈ বুকুৰেদি নগলহেতেঁন জানো?

জলহ (কঁপি কঁপি)। মানুহবধী মনাই! মোকনো তই বধিবলৈ কি বাকী থলি? মইতো মৰিলোঁৱেই।

মনাই। মৰিলি যদি মৰিলি। তোৰ নিচিনা বাংকেলেপ এটা জীয়াই থাকি এই ভূ-ভাৰতনো কি ৰাজখন খাবি? বলিয়া! তই যদি মৰিলিয়েই তেন্তেনো মোৰ সৈতে কথা কৈছ কেনেকৈ? কথা কৈছে কোনে? জলহৰে নে জলহৰ ভূতে? (হাতত ধৰি তুলি) শুন, শুন বলিয়ালি নকৰিবি। আহ, আহ, সৌ গছৰ তলতে বহি তামোলছালি এখনকে দুয়ো খাওঁহক আহ।

(মনায়ে জলহক হাতত ধৰি টানি আনি গছৰ তলত বহুৱায়।)

সঁচাকৈয়ে সুধিছোঁ কচোন, বোলোঁ দুপৰীয়াখন এইদৰে লৰি গৈছিলি কিয়?

জলহ। পলাইছিলো।

মনাই। কিয়?

জলহ। ল'ৰা ৰজায় ভয়ত।

মনাই। তইনো ৰজাৰ আকৌ কি জগৰ লগালি যে পলাবলগীয়া হলি?

জলহ। উপজি। নোপজাহেঁতেন মোক কোনে পায়?

মনাই। কি কয় অ' এই বলিয়াটোৱে? উপজি কি জগৰ লগালি? তোৰ নিচিনা কুকুৰধুলি একোটা দিনৌ উপজিছে, দিনৌ মৰিছে।

জলহ। বোলোঁ, কি আঁকৰীৰে সৈতে মোৰ গৃহবাসখন হ'ল একা? আঁকৰাকনো কেতিয়াবা কোনোবাই কথা বুজাব পাৰে নে? ইমানটো ডাঙৰ কথা তোৰ মগজুত নোসোমাল? তোৰ কাঁড়পাত দেখোন মোৰ কাণৰ কাষেদি উৰি যাওঁতেই মোৰ কাণৰ বিন্ধাত সোমাই গৈছিল। আকৌ হেনো মইহে বলিয়া। সকলো চৰায়ে মাছ খায় অথচ মাছৰোকাৰ হে বদ্‌নাম। বোলোঁ বলিয়াৰ বৰ বাপেক মনাই! তোক বুজাই কওঁ শুন। টুংখুঙীয়া ফৈদৰ গদাপাণি কোঁৱৰক ল'ৰা ৰজাই ধৰাই মাৰিব খুজিছিল। কাৰণটো হৈছে গদাপাণি জীয়াই থাকিলে কেনেবাকৈ ৰজাক খেদি দি গদাপাণি ৰজা হব পাৰে, এই ভয়ত। গদাপাণি পলাই সাৰিল সেইদেখি মইও সেই মহাজনৰ বাটকে ধৰিছোঁ। পলাই যি সাৰে সি।

মনাই। হেৰ জলহ! তোৰ ভয়টো কিহত হল? তই জানো ৰজাৰ বংশৰ? তোক মাৰিবলৈ যাব কিয়?

জলহ। ৰজাৰ নহয় যদি মইনো কাৰ বংশৰ?

মনাই। খৰিভাৰীৰ।

জলহ। তোৰে সৈতে মোৰ মত নিমিলিল মনাই কাই! মই ৰজাৰ বংশৰহে।

মনাই। আকৌ বলিয়ালি কৰিছ? তই নহৱ ৰজাৰ বংশ।

জলহ। তই মোৰ গা ছুই শপত খাই কব পাৰ নে নহওঁ বুলি?

মনাই (জলহৰ গা ছোৱে)। কব পাৰোঁ। নহৱ।

জলহ। সঁচা নে ককাই! সঁচা নে? সচা যদি ভয় খাবৰ একো কাৰণ নাই দেখিছোঁ। মিছাতে লৰিধাপৰি মৰিছিলো। তোক সঁচাকৈ কৈছোঁ, মনাই কাই! মই এই সহস্ৰ পাতৰ বৰগছৰ তলত থাকি কৈছো, মই মোক ৰজাৰ বংশৰ কোনো এটা ফৈদৰ কোঁৱৰ বুলিহে আজিলৈকে ভাবি মৰিছিলোঁ।

মনাই। পাৰোঁতে জানো তোক লোকে চেৰাবলিয়া বোলে। তই আকৌ কব মইহে বলিয়া। বাৰু তই যে কৈছিলি গদাপাণি কোঁৱৰ পলাই গল। সঁচা নে? তই কত শুনিলি?

জলহ। সঁচাতো। নগৰৰ গোটেইখনৰ মানুহে জানে। মই আকৌ ক'ত শুনিব লাগিল ঐ?

মনাই। দেহি, যেহ হ'ল পলাল। দিনচেৰেক এতিয়া মনৰ সুখেৰে বসুন্ধ জী থাকিব। দেশখনত কি অন্যায় অধৰমবোৰ হবলৈ ধৰিছে, বাৰু চাচোন। যাওক, আৰু সৰহ একো নকওঁ। আজিকালি আকাশে-পাতালে চেৰাংচোৰাৰ কাণ। ক'ত কোনোবাই কি শুনিব আৰু টুটকীয়া লগাই দিবগৈ। লাভত মনাই কাড়ী আওমৰণে মৰিব লাগিব।

জলহ। তোৰ সম্প্ৰতি মৰিবৰ মন নাই নে মনাই কাই?

মনাই। এতিয়া যে নায়েই, পিছলৈকো হোবাৰ আগন্তুক নাই।

জলহ। ভাল তেন্তে, তই যিমান পাৰ ইয়াতে জীয়াই থাক। মই আপোন খুটীতে কত পাৰোঁ মৰোঁগৈ।

(জলহৰে উঠি ভো ভো কৰি লৰ ধৰে)

চতুৰ্থ দৰ্শন

স্থান—ৰজাঘৰৰ এটি ভিতৰুৱা খোঁটালি

কাল-ৰাতি দুপৰৰ পিছত

(ল'ৰা ৰজা আৰু বুঢ়াগোহাঁই)

বুঢ়াগোহাঁই। সৰ্গদেও! ইমান ৰাতি আকৌ মোক মতালে বা কিয়?

ৰজা। বহক ডাঙৰীয়া! বহক, কওঁ।

(বুঢ়াগোহাঁইৰ আসন গ্ৰহণ)

ডাঙৰীয়া! মইতো ভাবনাত অস্থিৰ হৈছোঁ। গাত তৎ নেপাই হে মই আপোনাক মতাই আনিছো। মই যেন চকুৰ আগতে দেখিছোঁ ডাঙৰীয়া। ইমানবোৰ নকৰিবলগীয়া কাম কৰিলোঁ, কিন্তু সোপাই-গালোঁ বালোঁ, খোলাকটিৰ তাল হ'ল।

বুঢ়াগোহাঁই। গদাপাণি পলাই যোৱা কাৰ্য্যটো অৱশ্যে আমাৰ পক্ষে বিষম হ'ল। হাতৰ পাঁচ এৰি দি খেদি ধৰিবলগীয়া হ'ল। কিন্তু সেই বুলি সৰ্গদেও! বিশেষ চিন্তাৰ কাৰণ নাই। মই থাকোঁতে গদাপাণিয়ে সৰ্গদেৱৰ গাৰ নোম এডালকে ছুব নোৱাৰে। প্ৰথমতে এই বুঢ়াৰ ডিঙিটো আগ, তাৰ পিছতহে সৰ্গদেৱে ভয় কৰিবলগীয়া। আৰু সৰ্গদেৱ! ভয় কৰিছেই বা কিয়? গদাপাণিয়েই বা পলাই সাৰিব ক'ত? সৰ্গদেও! নিশ্চয় জানিব, গদাপাণিক আন নেলাগে কেকোঁৱাৰ গাতৰ পৰাও এই বুঢ়াই উলিয়াই আনিব। মোৰ মানুহ চাৰিওফালে বিয়াদান দি ফুৰিছে। সৰ্গদেও! যাওক, শোৱকগৈ। সকলো ভাৰ এই বুঢ়াৰ গাত। চিন্তা নকৰিব।

ৰজা (বুঢ়াগোহাঁইৰ হাতত ধৰি)। ডাঙৰীয়া! মোক ৰক্ষা কৰক। আপোনাতেহে মোৰ সৰ্ব্ব ভঁৰসা। আপুনি মোক ৰাখিলে ৰাখিব পাৰে, মাৰিলে মাৰিব পাৰে। আৰুনো সৰহ মই কি কম? গদাপাণি পলাই যোৱা বাতৰি শুনাৰে পৰা মোৰ গাত তৎ নাই ডাঙৰীয়া! মই নিশ্চয়কৈ বুজিছোঁ, বৰগোহাঁই এই কাৰ্য্যত লিপ্ত আছে।

বুঢ়াগোহাঁই। নিশ্চয় আছে। মই সদায় সেইটো বুজি আহিছোঁ। আৰু যাৰ যাৰ টেপ আছে, সকলোবোৰৰ নাম মোৰ আঙুলিৰ মূৰত। ঈশ্বৰে কৰিলে বৰগোহাঁয়ে আৰু সৰহ দিন এইদৰে টিঘিলঘিলাবলৈ নেপায় দেখোন। মোৰ হিচাপত ভুল নহলে সেই কুটশালটো শীঘ্ৰে উঘাল খাব। গদাপাণিৰ বুকুৰ বান্ধ সেই দিলিহীয়াল ফুকনৰ আয়ুসো আৰু এদিন বা দুদিনহে।

ৰজা। মোক এই বিপদত ৰাখক ডাঙৰীয়া! উস্ কি চিন্তা! এয়েই ৰজাৰ সুখ নে? মোৰ বৰকৈ মূৰ কামুৰিছে। মূৰটো ফাটি যায় ফাটি যায় কৰিছে।

বুঢ়াগোহাঁই। যাওক সৰ্গদেও! শোৱক গৈ শুলেই মূৰ কামোৰণি গুচিব। ৰাতি বহুত হল। একো চিন্তা নকৰিব। সকলো মোৰ ওপৰত ভাৰ।

(ৰজাৰ প্ৰস্থান)

বুঢ়াগোহাঁই (ৰজাৰ ফালে আঙুলিয়াই)। এই পুতলাটি সম্প্ৰতি মোক লাগে। ইয়াৰ নাচেৰে মোৰ অনেক মতলব সিদ্ধি হব। (নিজৰ বুকুলৈ আঙুলিয়াই) অমুকাই! তই নিৰাশ নহবি। এদিন তোৰ আশা ফলিয়াবই। তই এই কাৰেং, এই ৰাজপাটৰ গৰাকী!

কোনে জানে? অসম্ভৱেই বা কি? (নিজৰ মূৰত হাত দি) মূৰাই! তই মাথোন পৰিষ্কাৰ হৈ থাক, হিচাপত যেন ভুল নকৰ।

(প্ৰস্থান)

তৃতীয় অঙ্ক

প্ৰথম দৰ্শন

স্থান—ল'ৰা ৰজাৰ শোৱাখোটালি
কাল—তিনিপৰীয়া ৰাতি

পাটমাদৈ (টোপনি ভাগি, শয্যাতে বহি, চকু মোহাৰি, আপোনা আপুনি)। সৰ্গদেও কলৈ গল? একেলগেতো শুই আছিলোঁ। খোটালিটোৰ দুৱাৰখনো মৰাই আছে। ৰাতি এদিনো তেখেতৰ ভালকৈ টোপনি নাহে। অলপ চিলমিলকৈ আহিলেও চঁক খাই উঠে। আজি আন দিনাতকৈও টান। এই জাৰকালিও কপালখন ইমানকৈ ঘামি থাকে। কলৈ গল? চাৰিওফালে শত্ৰুৰে ভৰা। কোনে জানে, কেতিয়া মোৰ কপালত কি ঘটে। (শয্যাৰ পৰা নামি আহি, চাৰিও ফালে চাই, হঠাৎ চালপীৰাৰ তলত চকু পৰি) —চালপীৰাৰ তলত জুপুকা মাৰি বহি সৰ্গদেও! আপুনি কি কৰিছে? ওলাই আহক। নেমাতে দেখোন? হেৰ বন্দুলী! অ' বন্দুলী! বেগেতে আহচোন!

বন্দুলী (ওচৰৰ আন এটা খোটালিৰ পৰা)। আইদেউতা! কি হ'ল? গৈছোঁ।

পাটমাদৈ। তই ইয়ালৈ সোমাই আহচোন বেগতে।

(খোটালিৰ দুৱাৰ মেলি দিয়ে বন্দুলী লিগিৰীৰ প্ৰবেশ),

চাচোন বন্দুলী! সৰ্গদেৱৰ কি হ'ল? কেতিয়াবা পাটীৰ পৰা মনে মনে উঠি গৈ সৌ চালপীৰাৰ তলত সোমাই আছেগৈ। মাতবোল নাই!

বন্দুলী (চালপীৰাৰ তলত মূৰ সুমাই ৰজাৰ হাতত ধৰি টানি)। সৰ্গদেও ঈশ্বৰ! ওলাই আহক। (ৰজাই সাৰ পাই, চঁক খাই চালপীৰাৰ তলৰ পৰা ওলাই আহি শয্যাত বহে। পাটমাদৈয়ে বিচনীৰে ৰজাৰ মূৰত বা দিয়ে)।

ৰজা। মোৰ কি হৈছিল? মই চালপীৰাৰ তললৈ গৈছিলোঁ কেনেকৈ?

পাটমাদে। জানো, মইতো একো কব নোৱাৰোঁ। সৰ্গদেও! হঠাৎ মোৰ টোপনি ভাগিলত দেখিলোঁ, আপুনি শোৱাপাটীত নাই। মই উঠি ইফালে সিফালে চাই কতো দেখা নেপাই, ভয় লাগি বন্দুলীক মাতিলোঁ। বন্দুলীয়ে আপোনাক চালপীৰাৰ তলত দেখি উলিয়াই আনিছে।

ৰজা। বাৰু বন্দুলী! তই এতিয়া যা।

(বন্দুলীৰ প্ৰস্থান)

ৰাণী। খোঁটালিটোৰ চাৰিউ চুকত চাইছিলা নে? কোনো নাই নে?

পাটমাদে। কতা? কোনো নাই। মই ভালকৈ চাইছোঁ। সৰ্গদেও! আপোনাৰতো এদিনো ৰাতি ভালকৈ টোপনি নাহে। অলপ চিল্‌মিলকৈ আহিলেও চঁক খাই উঠে। আজি ৰাতি আন দিনাখনতকৈয়ো টান। আপোনাৰ বায়ুৰ নৰিয়া বাঢ়িছে। কাইলৈ বেজবৰুৱাক টানকৈ হুকুম দিয়ক, ভাল দৰব দি নৰিয়াটো গুচাই দিবলৈ।

ৰজা। ৰাণী! এতিয়া মোৰ মনত পৰিছে, মই সমাজিক দেখিছিলো। গদাপাণি কোঁৱৰে যেন মোক যাঠী এপাতেৰে খুচি মাৰিবলৈ খেদি আহিছিল। ভয়ত মই লৰি চালপীৰাৰ তলত লুকালোঁ। ৰাণী! বেজবৰুৱাই দিয়া মধ্যমনাৰায়ণ তেল সেই দৰবৰ পেৰাতে আছে নহয়, তাৰে এচলু আনি মোৰ মূৰত থপিয়াই দিয়াচোন। বন্দুলীক মাতা! মোৰ ভৰিৰ তলুৱা দুখন বৰকৈ পুৰিছে। তাই তাত তেল-টেঙা ঘঁহি দিয়ক।

(ৰজাই শয্যাত শোৱে। ৰাণীয়ে মূৰত তেল ঘঁহি দিয়ে। বন্দুলীয়ে আহি ভৰিত তেল-টেঙা ঘঁহে।)

(হঠাৎ ৰজা উঠি) ৰাণী! তোমাৰ হাতটো জুই যেন। বন্দুলী! তোৰ হাতটো জুইত সেকি আনিছ নেকি? মোক তহঁতে পুৰি মাৰিব খুজিছ নেকি? নেজান নে মই চুলিকফা ৰজা বুলি? সঁচাই বুলিছ নে? তহঁতৰ পেটৰ পোৱালি ছিৰি ছিৰি মাৰিম বুলি বুজি পোৱা নাই নে? উস্! ৰাণী! মোৰ মূৰটো বৰকৈ ভম্‌ভমাইছে। মূৰত বলেৰে বিচাঁ। বন্দুলী ! তই এটা নাম গাচোন। ধাই-নাম। বুজিছ নে? তোৰ মাতটো সুৰীয়া। নাম গোৱা শুনি থাকোঁতে মোৰ টোপনি আহিব পাৰে।

বন্দুলী। (গীত)

(১)

বৰচ'ৰাৰ মুখতে বকুল ফুল ফুলিছে,
নিতৌ তিনিপাহি সৰে।
সৰ্গদেওৰ চকুলৈ চাবকে নোৱাৰি,

হীৰা কি মুকুতা জ্বলে!

(২)

চৰাইৰে চিকুণ এ তেলীয়া সাৰেং এ,
মাছৰে চিকুণ এ মালি,
সৰ্গদেওৰ চিকুণ এ কেকোৰা দোলাখন,
শুৱায় গজপুৰৰে আলি।

(৩)

হাতলৈ কি চাবা হাতীশুঁড়ে যেন
ভৰিৰে কি চাবা গোট,
মুখলৈ কি চাবা, পূৰ্ণিমাৰ জোন এ
হৰিণাৰে চকুগোট।
হাতৰে আঙুলি লোহোৰালুহুৰি
ভৰিৰে আঙুলি ঘন;
কোন দৈবকীয়ে সুপুত্ৰ তুলিলে
চাই থাকিবৰে মন।

(৪)

তেলত বন্দী হল এ তেলিনীপৰুৱা
শালত বন্দী হল এ হাতী,
মকৰা জালতে কৃষ্ণাই বন্দী হ'ল এ,
নুপুৱায় কালিন্দী ৰাতি।
তেল কাটি আনাগৈ তেলিনী পৰুৱা
শাল কাটি আনাগৈ হাতী,
মকৰাজাল কাটি আনাগৈ কষ্ণাইক
পুৱাই যাওক কালিন্দী ৰাতি।

দ্বিতীয় দৰ্শন

স্থান—নগা পৰ্ব্বত। টাবলুং

কাল—পুৱা

(এজোপা গছৰ তলত গদাপাণি বহি আছে। ডালিমীয়ে বদত পখিলাৰ পাছে পাছে লৰি ফুৰিছে; কিন্তু চকু গদাপাণিৰ ফালেও ৰাখিছে।)

গদাপাণি (স্বগত)। আহা! প্ৰকৃতিৰ কি সুন্দৰ শোভা! ওপৰত নিৰ্ম্মল আকাশ। চাৰিওফালে নিৰ্ম্মল বায়ু। বনৰ ফুল, ফল, গছ-লতাই গোটেইখন জকমকাব লাগিছে। দূৰৈত সৌ ওখ পৰ্ব্বত শাৰী কেনেকৈ আকাশৰ ফালে মূৰ তুলি আছে! যেন স্বৰ্গৰ বিদ্যাধৰীসকলৰ নৃত্য-গীত শুনি থাকিহে সিহঁত তন্ময় তগ্‌দত। চৰাইবোৰে মিঠা গীত গাই কেনেকৈ আনন্দত নাচি নাচি উৰি ফুৰিছে! সিহঁতৰ কি মুকলি ভাব! চৰাই-চিৰিকতি পহুপতং সকলোৰে ইয়াত কেনে মুক্ত ভাব, উদাস প্ৰাণ! ইয়াত ভৈয়ামৰ পচা শোক নাই, দুখ নাই, হিংসা নাই, খিয়াল নাই। সকলোৰে মন উধাও। প্ৰকৃতিৰ সন্তান নগা-নাগিনীবোৰৰ সৰল মন আৰু সৰল ব্যৱহাৰ দেখিলে প্ৰাণ জুৰাই যায়। মোৰ গৃহস্থ বুঢ়া গাম-গামনীৰ মোৰ প্ৰতি কেনে সৰল ব্যৱহাৰ! আৰু সেই ছোৱালীটী ডালিমী। এইটী স্বৰ্গৰ নে পৃথিৱীৰ? কৰ? মই দেখোন একোকে তৎ ধৰিব নোৱাৰোঁ। ডালিমী! কচোন, তই আকাশত উৰি ফুৰা মইনা চৰাই নে পৰ্ব্বতৰ গাত ফুলা বনৰীয়া ফুল? তই পৰ্ব্বতৰ জীয়াৰী গৌৰী নে লুইতৰ জীয়াৰী কোনোবা জলকুঁৱৰী? নাইবা এই পৰ্ব্বতত যতবোৰ প্ৰাকৃতিক শোভা সৌন্দৰ্য্য আছে সোপাই একে লগ হৈ ৰূপ ধৰি এইদৰে ফুৰিছ? তই পখিলাৰ পাছে পাছে লৰি ফুৰি পখিলাৰে উমলি ফুৰিছ, পখিলাইও তোৰ সৈতে উমলিছে। পখিলাইও তোৰ সৈতে তাৰ মনৰ ভাব সলনাসলনি কৰিছে। তই চৰাইৰে সৈতে শাৰী পাতি উৰি ফুৰিছ। চৰায়েও তোক তাৰ লগৰীয়া বুলি ভাবিছে। দুবৰি বনৰ ওপৰত পৰি শুই আছ, দুবৰি বনেও বুকু পাতি তোক লৈ আনন্দ পাইছে। লতাডালিক তই মেৰাই ধৰিছ। লতাডালিয়েও তোক মেৰাই ধৰি বুকুত সামৰি লৈ সুখ পাইছে। ফুলা ফুলপাহিৰে সৈতে তই হাঁহি কি কথা পাতিছ, ফুলে বুজিছে, হাঁহিছে আৰু তোৰ কথাৰ সমিধান দিছে। সেই বৈ যোৱা জুৰিটীয়ে কি কথা কৈ যাব লাগিছে, তই বুজিছ, বুজি তোৰ হিয়া উবুৰিয়াই দি তাৰে কথা পাতিছ। ডালিমী! তোৰ পক্ষে গছলতা, পৰ্ব্বত, নৈ, বন, ঘাঁহ সকলো জীয়া, সকলো তোৰ বুকুৰ বান্ধ, সকলো তোৰ লগৰীয়া। আহা! ছোৱালীটীৰ মুখত কি সুমধুৰ ভাব! তাইৰ হাতভৰি গা-মুখ কি গঢ়িত! ইচ্ছা হয়, চিৰকাল ময়ো এই

পৰ্ব্বততে থাকি এনে লগৰীয়াৰে সৈতে জীৱন কটাওঁ। পাপেৰে, হিংসাৰে ভৰা ভৈয়ামলৈ আৰু নামি নেযাওঁ। ছাই-মাকতি ৰাজপাট, ৰাজসন্মান অতি তুচ্ছ, অতি তুচ্ছ। মোক নেলাগে। চুলিকফা। তই মোৰ বেয়া কৰিবলৈ অযাচিতভাৱে উপকাৰহে কৰিলি। কিন্তু, মই কি স্বাৰ্থপৰ? জয়া! মোৰ দুখুনী জয়া! মোৰ একপ্ৰকাৰ মাউৰা লাই-লেচাই-হালি কত পৰি আছে? কি দুখত সিহঁতে জীৱন কটাইছে, কি ডাক জুইত জাহ গৈছে, তালৈ মোৰ চিন্তা নাই! তালৈ মন নকৰি, এই অকলশৰীয়া সুখত বিভোৰ হৈ আছোঁ। গদাপাণি! তোক ধিক! শত ধিক! সহস্ৰ ধিক!

(হঠাৎ গদাপাণিৰ মূৰৰ ওপৰেদি এপাট কাঁড় যায়। অলপ দূৰত এটা অস্ত্ৰ-শস্ত্ৰৰে সাজু মানুহৰ বুকুত কাড়পাট লাগি মানুহটো বাগৰি পৰে। ততালিকে আন এটা তেনেকৈ সাজু মানুহও বিজুলীৰ বেগেৰে লৰি হাবিত সোমাই নেদেখা হয়।)

গদাপাণি (চমক্ খাই) ই কি?

ডালিমী (পাছৰ পৰা)। কৈঁচাসোণ! তুমি ভয় নেখাবা। মই সিহঁতক ঠিক কৰি দিলো।

গদাপাণি। কাক ঠিক কৰিলি ডালিমী? কথাটো কি? সেই দুটা কোন? মোৰ মূৰৰ ওপৰেদি কাঁড়পাট কোনে মাৰিলে?

ডালিমী। কওঁ শুনা—তুমি এইখিনিতে বহি কিবা ভাবি ভোঁহে থাকোঁতেই, মই দূৰৰ পৰা দেখিবলৈ পালোঁ, সিফালৰ পৰা দুটা মানুহে সৌ শিলটোৰ আঁৰ লৈ চোপা দি থাকি এখোজ দোখোজকৈ তোমাৰ ফালে আগবাঢ়ি আহি, তোমাৰ গালৈ কাঁড় মাৰিব খুজিছিল। কিন্তু সিহঁতে মোৰ চকু এৰাব কেনেকৈ? মই আগৰে পৰা দেখি আছোঁ। সিহঁতে তোমাৰ ফালে কাঁড় মৰাৰ আগতেই মই ততালিকে এপাট কাঁড় মাৰি পঠিয়াই, একেপাট কাঁড়েৰেই এটাক শালিলোঁ। কাঁড় খাই সি বাগৰি পৰ্ব্বতৰ তললৈ পৰিল। সিটো পলাই গল। তুমি দেখিলাই দেখোন। এইটোৱেই মস্ত কথা। এতিয়া উঠি আহাঁ, ঘৰলৈ যাওঁহঁক। কিন্তু মোৰ কৈঁচাসোণ! বোপাইক আৰু আইক এই কথা নকবা; ময়ো নকওঁ। কলে আৰু এইদৰে তোমাক মোৰ লগত ফুৰিবলৈ আহিব নিদিব। ঠিক কৈছোঁ, তুমি তেওঁলোকক এই কথা যদি কোৱাঁ, তেন্তে তোমাৰ সৈতে আৰু নেখেলোঁ। বাৰু কৈঁচাসোণ! কোঁৱাচোন, তোমাক মাৰিবলৈ এইবোৰ কৰ মানুহ ফুৰিছে? তুমিনো কাৰ কত শত্ৰু হলা?

গদাপাণি। মই কব নোৱাৰোঁ।

ডালিমী। পুতৌ! মানুহেও মানুহক মাৰিবলৈ বিচাৰে—আৰু মোৰ কৈঁচাসোণৰ নিচিনা মানুহক!

গদাপাণি (স্বগত)। নিশ্চয় ল'ৰাৰজাৰ মানুহ। মোক বিচাৰি সিহঁত এইখিনি পাইছেহি। ডালিমী মোৰ দেৱদূত। এই দেৱতাৰ দূতীয়ে মোক ৰাখি ফুৰিছে। হে ঈশ্বৰ! তোমাৰ আশ্চৰ্য্য কৰুণা!

(দুয়োৰে প্ৰস্থান)

তৃতীয় দৰ্শন

স্থান—ৰাজআলিৰ কাষৰ বৰগছ

কাল—দুপৰীয়া

(তিনিটা বাটৰুৱাই হাচটি মেলি তামোলকাটে)

১ম বাটৰুৱা। এৰা বোপাই! দেশ-কাল গোটেইখন অইনাই হল। ইয়াত কেনেকৈ থাকিবি বোপাই। মই হলে তিৰুতাজনীৰে সৈতে পো-পোৱালি কেইটা লৈ গুৱাহাটীৰ ফালে ভাগি হে যাব খুজিছোঁ।

২য় বাটৰুৱা। মোৰ হলে ককাই! কলৈকো যাবৰ ঠাই নাই। মাটি-বাৰী, ঘৰ-দুৱাৰ, গৰু-গাই কেইটা এৰিনো কেনেকৈ কলৈ যাম? যি আছে কপালত সেয়ে হব। ঈশ্বৰে মাৰেও মাৰক, তাৰেও তাৰক।

৩য় বাটৰুৱা। উস্ চোৱাইকচোন বাৰু। চকৰধধজ ৰজা ঢুকুবাৰে পৰা আজি দহ বছৰ দেশখন তল ওপৰ লাগিব লাগিছে। এই দহ বছৰৰ ভিতৰত সাত জন ৰজা হল। তাৰে ছজন আওমৰণে মৰিল! তাৰ ওপৰত বৰবৰুৱা, বুঢ়াগোহাঁই কেইজন সৰকিল। কেইজন গল বাৰু চোঁৱা। কত মানুহ অনাথিতি হল। কত অনাদোষত মৰি ভছম উঠিল চোঁৱা। এইজন ৰজা লৰামতীয়া দেখি সকলোৱে ভাবিছিল, এওঁৰ হাতত দেশখন অলপ শাঁত হব, মানুহে অলপ উশাহ-নিশাহ পাব; কিন্তু এইজনৰ কোবহে আকৌ আগতকৈয়ো চৰিল। .

২য় বাটৰুৱা। ককাই! মনে মনে থাকা, মনে মনে থাকা। তুমি তোমাৰ মুখৰ লগতে কেতিয়াবা কটা যাবা, এইদৰে হলে। আৰু তোমাৰ লগত বহি এইখন শুনি থাকিলে আমাৰো সেই গতিয়েই হব। বোঁলো তুমিও মৰিবা, আমাকো মাৰিবা দেখিছোঁ। চাৰিওফালে চোৰাংচোৱা, চাৰিউফালে টুটকীয়া নাৰদীয়া লগনীয়া জাকে জাকে শিয়াল ফুৰাদি ফুৰিব লাগিছে। যিহে কাল পৰিছে, মানুহৰ কথাহে নকওঁ, গছ-গছনিৰো কাণ গজিছে, কুকুৰ-মেকুৰীয়েও কাণ থিয় কৰি কোনে কি কত কথিছে-মথিছে শুনে। তুমি

জানো শুনা নাই, জয়মতী কুঁৱৰীৰ শাস্তি দেখি, থাকিব নোৱাৰি, পৰশুই কিছুমান মানুহে জ্বলি উঠি বিদ্ৰোহী হৈ, ৰজাৰ কটোৱাল, ৰণুৱা, পালী-পহৰীয়াৰে সৈতে মৰামৰি কৰি সিহঁতৰ কি হ'ল? তুমিনো আছিলা কত? প্ৰজাৰ ভিতৰৰ কেইটাৰ প্ৰাণ গল, কত মানুহক হালে হালে সাঙুৰি কোবাই-ঢৰিয়াই নি পোতাশালত সুমালেগৈ। তুমি দেখা নাছিলা নে?

৩য় বাটৰুৱা। দেখিছিলো দেওহে, দেখিছিলো; তুমি নাহৰতকৈ সুকাঠি নোলাবা। তুমি ভয় খাইছা যদি উঠি যোৱাঁ দেওহে। মোৰ কথা শুনিবলৈ তোমাক মোৰে শপতোৱা নাই। মই হলে নকৈ নোৱাৰোঁ, মোৰ যি হয় হওক। সকলো কথাৰ এটা ঢাপ আছে। ঢাপৰ বাজ হলে, মানুহৰ অসহনীয় তেতিয়া আৰু মানুহৰ থৰযুকুতি নাথাকে। চোৱাচোন, শই শই ৰজাৰ কোঁৱৰবোৰক ধৰি খোৰা কোঙা কৰি খান্তাং কৰিব লাগিছে। ধৰমলৈ ভয় নাই, পাপলৈ ভয় নাই, সিপুৰিৰ ৰজালৈ ভয় নাই। তাৰ উপৰি গদাপাণি কোঁৱৰ পলাল দেখি, কোঁৱৰক বিচাৰি নেপাই কোঁৱৰৰ ঘৈণীয়েক সেই অবলা তিৰুতাজনীক ধৰাই আনি লঘু লাঞ্চনা যি পাৰে কৰি বৰপথাৰৰ মাজত খুটাত বান্ধি নগুৰশাস্তি কৰিব লাগিছে। ৰাইজে এনে অত্যাচাৰ দেখি হৰি হৰি কৰিব লাগিছে, ভূমি ছুই কৰ্ণত হাত দি, চকুলো টুকি তৰণি পোৱা নাই। জয়মতীকুঁৱৰীৰ শাস্তি দেখি, কোৱা-চিলা হাটৰুৱা-বাটৰুৱা সকলোৱে কান্দিছে! - মোক ককাই, ৰজাই যি দড়ি কৰে কৰক, বুঢ়াগোহাঁই, বৰপাত্ৰ গোহাঁই আৰু তেওঁলোকৰ কুকুৰ-মেকুৰীয়েও যি পাৰে কৰক। জয়মতীকুঁৱৰীক দিয়া শাস্তি দেখি আৰু মোৰ দেহাত জীৱ থাকিব নোখোজে। ভাৰুতলৈ আহিছোঁ যেতিয়া এবাৰ নহয় এবাৰ মৰিব লাগিবই, আজি নহলে কাইলৈ; তালৈকেনো ইমান ভয় কৰি কি হবহেঁ?

১ম বাটৰুৱা (উঠি)। মই হলে ককাইহঁত! উঠিলো। এই সমাজত থাকিবৰ মোৰ সাহ নাই। ঈশ্বৰে মোক ভালে-কুশলে নি গুৱাহাটী পোৱালে, তাত যদি এনে কথা শুনিব লাগে শুনিম।

(১ম বাটৰুৱাৰ প্ৰস্থান)

২য় বাটৰুৱা। মইও উঠিলোঁ। তুমি বৰ বঢ়াবঢ়ি লগাই দিলা ককাই! সৌ তেওঁৰ নিচিনাকৈ মোৰ আকৌ কলৈকো যাবলৈকো ঠাই নাই। পো-পোৱালি গৰু-গাইৰে এবোজা।

(২য় বাটৰুৱাৰ প্ৰস্থান)

৩য় বাটৰুৱা। ৰজাই হওক, বুঢ়াগোহাঁয়েই হওক, নাইবা ইন্দ্ৰ-চন্দ্ৰ, বায়ু-বৰুণেই হওক, যিয়েই অবলা তিৰুতাক এনেকৈ শাস্তি কৰে তাৰে মূৰত বজ্ৰ পৰক। জয়মতীকুঁৱৰীৰ

এনে শাস্তি দেখি জীয়াই থাকিবলৈ আমুকাইৰ সকলো যায় যদি যাওক, আমুকাই ভয় নকৰে।

(প্ৰস্থান)

চতুৰ্থ দৰ্শন

স্থান—ৰাজমাওৰ অন্তেষপুৰ
কাল—ৰাতি

ৰাজমাও। বোপা চুলিকফা! মাকে নিজৰ পেটৰ পোৱালিক মতাই আনিছে, বুকুৰ অগনি নুমুৱাবলৈ। মোৰ অন্তৰ দহি ছাই হল বোপা! অসহ্য! অসহ্য! আৰু ক্ষান্ত দিয়া বোপা! ক্ষান্ত দিয়া। জয়মতীক এৰি দিয়া, আৰু শাস্তি নিদিয়াবা। তাই গিৰিয়েকৰ ভূ নিদিয়ে নেলাগে দিব। নেজানেও কিজানি। যি হওক তাইক এৰি দিয়া। মই তোমাৰ গৰ্ভধাৰিণী মাতা। মই হাত যুৰি তোমাক এইটো দান মাগিছোঁ। মই জীয়াই থকা কেইদিনলৈ তোমাৰ পৰা একো নিবিচাৰোঁ।

ল'ৰাৰজা। আইদেউতা! তুমি আকৌ সেই পুৰণি কথাকে মোৰ আগত চোবাবলৈ মোক মাতি আনিছা। জনাহেঁতেন মই নাহিলোঁহেঁতেন। ৰাজকাৰ্য্যত অবলা তিৰুতাই হাত দিয়া উচিত নহয় বুলি দেখোন মই তোমাক বাৰে বাৰে কৈছোঁ। তোমালোকে একো নেজানা। মই যাওঁ, মোক ক্ষমা কৰিবা।

(ল'ৰা ৰজাৰ প্ৰস্থান) (বৰগোহাঁইৰ প্ৰবেশ)

বৰগোহাঁই। ৰাজমাওদেউতা! মই মোৰ যিমান দূৰ সাধ্য এই অন্যায় কাৰ্য্য যাতে নঘটে তাৰ চেষ্টা কৰিছিলোঁ কিন্তু মোৰ সকলো চেষ্টা বিফল হ'ল। উলটি সেই বাবে বুঢ়াগোহাঁই ডাঙৰীয়াই আৰু তেখেতৰ বুজনি শুনি সৰ্গদেৱেও মোক অবিশ্বাসহে কৰিবলৈ ধৰিলে। এতিয়া মোকে তেওঁলোকে চোভা কৰিছে যে মইহে হেনো ভিতৰি টেপ দি গদাপাণিকোঁৱৰক পলুৱালোঁ। অবশ্যে নেদেখা জনে দেখিছে, মই কি কৰিছোঁ। তুংখুঙীয়া ফৈদৰ বোৱাৰী ছোৱালীজনী ধৰি আনি এইদৰে ৰাইজৰ আগত লাজ অপমান দি যমৰ যন্ত্ৰণা দিব লাগিছে। লাজত মই মূৰ তুলিব পৰা নাই। আহোমৰ নামত এই কাৰ্য্যই যি কলঙ্ক পেলাইছে সেই কলঙ্ক চন্দ্ৰ দিবাকৰ থাকে মানে নুগুচে। সকলো ধীৰ থিৰ ধৰ্ম্মিষ্ঠ আহোমৰ মৰ লাজত দোঁ খাইছে। ৰাজমাও দেউতা! বিশ্বাস কৰক—

পৰমেশ্বৰ সাক্ষী, এনে কাৰ্য্যৰ পৰা বিৰত হ'বলৈ মই সৰ্গদেৱক কত কলোঁ, কত বুজালোঁ সকলো বিফল হ'ল। মোৰ সকলো ছাইত ঘিউ ঢলা যেন হ'ল। যত্‌কূটৰ ঘাই বুঢ়াগোহাঁই। বৰপাত্ৰ গোহাঁয়ো কম নহয়। তেওঁ পাছে পাছে যায়; আৰু যেনি জোল যায় তেনিয়েই তেওঁ ভেটা দিয়ে। তেওঁলোকৰ দল মহাপ্ৰবল। তেওঁলোকে ৰজাৰ কাণ অধিকাৰ কৰি লৈছে, আন কাৰো কথা ৰজাৰ কাণত নোসোমায়। ৰজাক তেওঁলোকে হাতত লৈ পুতলা নচুৱাদি নচুৱাব লাগিছে। মোকতো তেওঁলোকে পাৰিলে আজিয়েই সাং কৰে। যি হৈছে হৈছে, এতিয়াও তেওঁলোকে ক্ষান্ত দিলে মঙ্গল। নতুবা ফল বিষময়। পাপৰ পৰাচিত হবই লাগিব।

ৰাজমাও। ডাঙৰীয়া! মই মোৰ ল'ৰাক ইমান কাকুতি কৰি, ইমান বুজাই কলোঁ, কিন্তু সকলো মিছা হ'ল। বুঢ়াগোহাঁই ডাঙৰীয়াক অৱশ্যে কোৱা নাই, কৰৰ ইচ্ছাও নকৰোঁ; কাৰণ সেই নাৰকীক কৈ কোনো উপকাৰো নহয়। বৌ-বৌ নৰকহে তেওঁৰ বিচাৰৰ উপযুক্ত ঠাই। ডাঙৰীয়া! মোৰ অবুজ অজলা ল'ৰাটোৰ তেওঁ বধৰ ভাগী হৈছে হওক ঈশ্বৰে তাৰ শাস্তি তেওঁক দিব। কিন্তু সতী জয়মতীৰ শাস্তিৰ কথা শুনি যে মই আৰু থিৰেৰে থাকিব নোৱাৰা হৈছোঁ ডাঙৰীয়া! মই কলৈ যাওঁ, কি কৰোঁ? ডাঙৰীয়া! আপুনি দহোকুৰি, পাৰে যদি, এই অন্যায় অত্যাচাৰটো বন্ধ কৰাওক। হে ঈশ্বৰ! এইবোৰ দেখুৱাবলৈকো মোক জীয়াই ৰাখিছিলা?

বৰগোহাঁই। ৰাজমাওদেউতা! মইও আপোনাৰ নিচিনা নিৰুপায়। যি হওক, মই আপোনাক মোৰ কথা দি গলোঁ, আকৌ চেষ্টা কৰি চাম—তেহেলৈ মোৰ ভাগ্যত যি থাকক।

ৰাজমাও। ঈশ্বৰে আপোনাৰ মঙ্গল কৰক ডাঙৰীয়া! উস্ মোৰ ল'ৰাটোৰ কি গতি কৰিলা হে পৰমেশ্বৰ! বাৰু যাওক এতিয়া ডাঙৰীয়া।

(প্ৰস্থান)

পঞ্চম দৰ্শন

স্থান-নগা পৰ্ব্বত, টাব্‌লুং। মানামা বুঢ়াগামৰ ঘৰ

কাল—পুৱা, দহমান বজা

(মানামা গামে খৰাহি সাজিছে। ঘৈণীয়েক গামনীয়ে মণ্ডহ, আলু, কচু জুইত পুৰিছে। গদাপাণি আৰু ডালিমীৰ প্ৰবেশ। ডালিমীৰ হোৰাত ফুল, মূৰত ফুল, ডিঙিত

ফুল, হাতত ফুল আৰু ধেনু-কাঁড়।)

গামনী। ডালিমী! তোৰ এইকন কি কথানো আৰু? ৰাতিপুৱাই ওলাই গলি তই বেলি দুপৰকন হব লগা হল, এতিয়া ওলাইছহি! গৰত আলহীক কুৱাবলৈ কাৰবাৰ কৰিব লাগে, তাঁলৈ চিতা নাই। কিবা বলিয়াৰ দৰে গুৰি পুৰিছ।

ডালিমী। তোৰ আলহি দেখোন মোৰ লগতে আছিল। আমি কত কামে কৰিলোঁ, কত হাবিয়ে-বননিয়ে ফুৰিলোঁ। মোৰ হোৰাঁলৈ নেচাব কিয়?

মানামা বুঢ়াগাম। তোৰ ওৰাতনো কি হোপা আছে অ'? দেকৰ মানে কৰবাৰ পুলকন বৰাই আনিছ। বোলোঁ পুল কাই পেট বৰাবি নেকি বান্দৰী?

ডালিমী। ফুল খাই মোৰ হলে পেট ভৰেই বোপাই! তহতৰ নভৰিব পাৰে। মোৰ পেট সৰু, তইঁতৰ ডাঙৰ। পখিলাই ফুলৰে মৌ অকণ খাই থাকে, ময়ো সেইদৰে থাকিব পাৰোঁ। সঁচাকৈয়ে আজি ময়ো পখিলা এটাৰ পাছে পাছে গৈ, সি যি ফুলতে পৰি মৌ খাইছিল, ময়ো সেই ফুলকে হুপি মৌ খাইছিলোঁ। কেচাসোণে দেখিছে নহয়। আই! আজি বৰ ধেমালি হৈছিল। এজোপা ওখ গছ ফুলেৰে ভৰি আছিল। মই চুটি, ঢুকি নেপাওঁ দেখি কেচাসোণে কান পাতি দি মোক তেওঁৰ কানত উঠি ফুল পাৰিবলৈ কলে। মই পঁহু পোৱালিটিয়ে জপিৰাদি জপিয়াই তেওঁৰ কানত উঠি থিয় হৈ, ডালৰ ফুল সোপাসোপে পাৰিলোঁ। চা, সেইবোৰ হোৰাতে এহোৰাকৈ আনিছো।

গামনী। ডালিমী! তই ইমানজনী ছোৱালী, তোৰ কেচাহোণৰ কান্ধতনো উঠিব পাব নে? অ' মোৰ গোখাই! অ মোৰ দেও! এই অহৌবলিয়া ছোৱালীজনীকনো মই কৰোঁ কি?

ডালিমী। কোনে কলে মই ইমানজনী ছোৱালী বুলি? মই এতেকণিমান পখিলাটি যেন নহওঁ নে বাৰু কেচাসোণ? মোৰ কেচাসোণ কিমান ডাঙৰ চা। মই মোৰ কেচাসোণৰ কাষত থিয় হলে অকণমান হৈ পৰিম।

(গদাপাণিৰ কাষত ডালিমী থিয় হয়।)

মানামা গাম (হাঁহি)। হেৰ ডালিমীৰ মাক! এইজনীৰ কেই বছৰ বয়হ অল অ কব পাৰ নে? মোৰ দেকোন লেকত কিবা বুলখন ঐ যায়। (গদাপাণিলৈ চাই) মই লেক্ পেক্কন কৰিব নোৱাৰোঁ। হেইবোৰ তোৰ মিতিনীয়েৰেহে পাৰে।

গামনী। আৰুতেওজ বেলি এনে দিনত ডালিমীৰ বয়হ ন বছৰ হৈ আৰু এবছৰ হৈছিল। এতিয়া কিমান হল, ডালিমীৰ কেচাহোণে লেখ কৰি কওক।

গদাপাণি (হাঁহি)। এঘাৰ বছৰ হল।

গাম। আগেৰ কেনেকৈ হ'ল? দহ আৰু এবছৰহে হয়?

ডালিমী। কেচাসোণ! মোক কোৱাঁচোন, আমাৰ ঘৰৰ কাষেদি বৈ যোৱা সৌ জুৰিটিৰ বয়স কিমান হল?

গদাপাণি। কেনেকৈ কম?

ডালিমী। বাৰু এইটো কোঁৱা, —এঘাৰ বছৰতকৈ কম নে বেছি?

গদাপাণি। এঘাৰ বছৰ কি, —কত এঘাৰ বছৰ, কত শ বছৰ হৈ গৈছে তাৰ ঠিক কি?

ডালিমী। তেনেহলে জুৰিটি মোতকৈ বয়সত বহুৎ ডাঙৰ।

গদাপাণি। নিশ্চয়।

ডালিমী। জুৰিটিয়েও দেখোন দিনৌ দেও পাৰি ডাঙৰ ডাঙৰ শিলৰ কান্ধত উঠি নাচি যাব লাগিছে; মইহে নেপায়?

গামিনী। যা যা বান্দৰী? তোক কথাৰে কোনেও বলে নোৱাৰে।

ডালিমী। কেচাসোণকে মোকে আজি সোনকালে খাবলৈ দিবি। আমি দুয়ো খাই-বৈ উঠি চিকাৰ কৰিবলৈ যাম।

গাম। তইঁতে কি চিকাৰ কৰিবি?

ডালিমী। কেচাসোণে বৰা; মই পখিলা।

গাম। তোৰ চিকাৰটো এটাইতকৈ ডাঙৰ। বৰা আমি কাম; পকিলা তই কাবি। বাৰু কচোন, তই পকিলা কি কৰিবি? অনাহকতে জীয়টো মাৰিবি কিয়?

ডালিমী। কোনে কৈছে মাৰিম বুলি? আল্‌ফুলকৈ ধৰিম। ধৰি অলপ চাই থাকি আকৌ উৰাই দিম।

গামনী। ডালিমীৰ বাপেক! তুমি হেই চেৰা বলিয়াজনীৰে কথা কৈ কি তৰ পাবা?

ডালিমী। আই! পখিলা কোনে চৰ্জিলে?

গামনী। গোখাঁয়ে।

ডালিমী। মোক?

গামনী। তোকো গোখাঁয়ে।

ডালিমী। কেচাসোণক?

গামনী। কেচাহোণকো গোখাঁয়ে চৰ্জিলে।

ডালিমী। তেন্তে পখিলা দেখোন ৰঙত উৰি ফুৰে। ময়ো তেনেকৈ পখিলাৰ পাছে পাছে ৰঙত উৰি ফুৰোঁ। কিন্তু মোৰ কেচাসোণে কেতিয়াবা ৰং কৰিলেও, আকৌ থিতাতে মুখখন ওলোমাই বেজাৰ কৰে কিয়?

গদাপাণি। কোনে কলে তোক মই বেজাৰ কৰি ফুৰো বুলি?

ডালিমী। কিয়, মই জানো দেখা নাই? তুমি লুকাই বেজাৰ কৰিলেও মোৰ চকু এৰাব নোৱাৰা।

গাম। ডাঙৰ অলে মানুহৰ দুক বেজাৰ মনলৈ আহে। তই হৰু, হেইদেখি হাঁহি পুৰ, তোৰ বেজাৰ নাই।

ডালিমী। ডাঙৰ হলে যদি মনলৈ দুখ বেজাৰ আহে, তেন্তে মই কেতিয়াও ডাঙৰ নহওঁ।

গামনী। আহ, আহ, ৰন্ধা-বঢ়া হল। তোৰ কেচাহোণকো মাতি আন। পিতায়েৰো আহক। খাহিইঁক। মেঘে ওন্দোলাই আনিছে। ৰবঁকে ৰৰখুণ আহিব এতিয়া।

ডালিমী। বোপাই! ৰৰখুণ কৰ পৰা আহে?

গাম। ডাবৰৰ পৰা।

ডালিমী। বিজুলী কত থাকে?

গাম। ডাবৰত থাকে।

ডালিমী। ডাবৰৰ ওপৰত উঠি ফুৰিব পাৰিলে বিজুলী ধৰিব পাৰি নে? মোৰ মন আছে, এদিন ডাবৰৰ ওপৰত উঠি বিজুলী ধৰিবৰ।

(সকলোৰে হাঁহে)

ডালিমীয়ে গায়ঃ (গীত)

মই খোপাত পিন্ধিম বিজুলীৰ ফুল,
কাণত পদুমৰ কেৰু,
ডিঙিত আঁৰিম ফুলৰ সাতেশৰী
হাতত মৃণালৰ খাৰু।

গামনী। আহ, আহ, হেইবোৰ পিছতো কৰি থাকিবি। এতিয়া খাহি।

চতুৰ্থ অঙ্ক

প্ৰথম দৰ্শন

স্থান-লাই-লেচাইৰ বুঢ়ীমাকৰ ঘৰ
কাল-গধূলি।
(লাই বুঢ়ীমাকৰ পিঠিত ওলমি। লেচাই কোলাত বহি)

লাই। আইতা! আই গধূলিকৈ আহিব বুলি কৈছিলা, কতা নাহিল দেখোন?

বুঢ়ীমাক। আহিব, তইঁতে ভাত খাই শোগে যা।

লেচাই। আই নাহিলে মই মাম নেকাওঁ, জিজ্জি নেকাওঁ, নোখোওঁ।

বুঢ়ীমাক (লেচাইৰ মুখত চুমা খাই)। যা মোৰ মইনা! যা, ভাত চেচা হ্‌ব, খাগে। মাৰ এতিয়াই আহিব।

লাই। আইতা! দেউতাও নাহিল দেখোন? তুমি কৈছিলা, দেউতা গুৱাহাটীলৈ গৈছে। দেউতা কেতিয়া আহিব ঠিককৈ কোৱাঁ আইতা! মোক মোৰ দেউতাক লাগে, আনি দিয়া।

বুঢ়ীমাক। দেউতাৰ পৰহিলৈ আহিব। দেউতাৰে তইঁতলৈ পুতলা আনিব, মিঠৈ আনিব, আখৈলাডু আনিব আৰু কত কি আনিব।

লাই। আৰু কত কিৰ নামবোৰ কোৱাঁ অইতা!

বুঢ়ীমাক। আনিলে দেখিবি। এতিয়া মোৰ নাম মনত নাই।

লেচাই। মোক বাঘল পোৱালি আলু নেলাগে। বাঘল পোৱালি মোল আছে। এইবেলি ঘোলা এটাহে লাগে। মোক দেউতাই দিয়া সেই বাঘল পোৱালিটো আনোগৈ লবি। আইতা! সি তোক নাকামোলে, তই ভয় নকলিবি, মই ওচলতে থাকিম।

(লেচায়ে লৰি গৈ কাঠৰ বাঘ-পোৱালিটো আনেগৈ।)

লাই। ৰবি, মোক দেউতাই দিয়া সেই ধেনু কাঁড় আৰু তৰোৱালখন আনোগৈ। তাৰে তোৰ বাঘটো মাৰি পেলাম।

(লায়ে লৰি গৈ তাৰ ধেনু-কাঁড় আৰু তৰোৱাল আনে।)

লেচাই। (কান্দি) আইতা! মোল বাঘটো লায়ে মালিব কুজিছে, মালিব নিদিবি।

বুঢ়ীমাক। নোৱাৰে মাৰিব; মই মাৰিব নিদিওঁ। তই নেকান্দিবি। যা লাই! সেইবোৰ লৈ যা, থৈ আহগৈ। থৈ আহি ভাত খাবলৈ যা। তৰ্‌ববী! অ' তৰ্‌ ববী! মোৰ পোণা দুটাক লৈ যা, ভাত খুৱাগৈ।

(তৰ্‌ববী লিগিৰীৰ প্ৰবেশ)

তৰ্‌ববী। আহাঁ মোৰ সোণাইহঁত! আহাঁ। ভাত হৈছে, ভাত খোৱাহি। লেচাই। আই আহিলে মই আইল লগত কাম, এতিয়া নেকাওঁ। তই গুথি দা।

লাই। ময়ো এতিয়া নাখাওঁ। আইৰে সৈতে খাম।

তৰ্‌ববী। আহাঁ, আহাঁ মোৰ ! মইনাইঁত। আহাঁ আইচুদেউতাৰ আহিবলৈ পলম আছে। তোমালোক সিমান ৰাতিলৈ থাকিব নোৱাৰা, টোপনি আহিব।

লাই। মই পাৰিম। তই যা।

লেচাই। মইও পালিম। তলবলী তই দা।

বুঢ়ীমাক। যা যা, মইনাইঁত যা। তইঁতক তৰ্‌ববীয়ে ভাত খুৱাই নাম গাই শুৱাওক।

লেচাই। মই নেখাওঁ, নোখোওঁ।

(লেচায়ে কান্দিবলৈ ধৰে। তৰ্‌বৰীয়ে লেচাইক কোলাত লৈ নাম গায়।)

(১)

গা হেলিমেলি কৰিছে বোপাদেওৰ,
হলে শয়নৰে বেলি।
চকু তিৰেবিৰে কৰিছে বোপাদেওৰ,
লোৰাহি পাটীতে লেটি।।

(২)

আমাৰে মইনা শুব এ,
বাৰীতে বগৰী ৰুব এ।
বাৰীতে বগৰি পকি সৰিব,
মইনাই বুটলি খাব।।

(৩)

লাই হালেজালে আবেলি বতাহে,
লফা হালেজালে পাতে।
আমাৰে মইনা হালিছে-জালিছে,
কালি দুপৰৰ ভাতে।

(লেচাইক লৈ তৰ্‌বৰীৰ প্ৰস্থান লায়ো পাছতে যায়।)

বুঢ়ীমাক। হে গোসাঁই! মোৰনো কি কপাল কৰিলা! এই কেঁচুৱা ল'ৰাহালকনো মই কেনেকৈ বুজাই ৰাখোঁ? হে গোসাঁই! হে পৰমেশ্বৰ! মানুহবধী, তিৰীবধী ৰজাক আৰু তাৰ পাত্ৰ-মন্ত্ৰীবোৰক তুমিনো দেখা নাই নে?

দ্বিতীয় দৰ্শন

স্থান—জয়মতীক থোৱা বন্দীশাল
কাল—ৰাতি
(বুঢ়াগোহাঁইৰ প্ৰবেশ)

জয়মতী। আপুনি কোন? এই ৰাতি ইয়ালৈ আহিছে কিয়?

বুঢ়াগোহাঁই। মই প্ৰধানমন্ত্ৰী বুঢ়গোহাঁই। তোমাৰে সৈতে দেখা কৰি তোমাক একাষাৰ কথা কবলৈ আহিছোঁ।

জয়মতী। আহোমৰ কুলকলঙ্ক ! নৰাধম! দূৰ হ! খৰ্বদাৰ, আৰু এখোজো আগবাঢ়ি নাহিবি।

বুঢ়াগোহাঁই। শুন জয়মতী। শুন। মিছাতে আৰু মূৰ্খালি কৰি লাভ কি? ইমান শাস্তিয়ে জোৰা নাই নে? মোৰ পৰামৰ্শ শুন—আৰু গো ধৰি নেথাকিবি। গিৰিয়েৰৰ কথা কৈ দে। এতিয়াই এই মুহূৰ্ত্ততে তোক এৰি দিম।

জয়মতী। ফুঃ! কোনে মোৰ হতুৱাই মোৰ গিৰিহঁতৰ কথা কোৱায়? কোনে? আকৌ সুধিছোঁ কোনে? আঁতৰ হ পাপিষ্ঠ! মোৰ আগৰ পৰা! সেই নিলাজ মুখখন ঢাক!

বুঢ়াগোহাঁই। বাৰু মোক গালি পাৰিছ পাৰ, তাত মই নেলাগোঁ। তিৰুতা বুলিলেই অবুজন। কিন্তু তোৰ ভালৰ নিমিত্তেহে এই ইমান ৰাতি মই তোক এইষাৰ কথা কবলৈ আহিছিলো। বুঢ়াগোহাঁই এইদৰে যলৈকে-তলৈকে নাহে জানিবি। আকৌ কওঁ—আৰু অহঙ্কাৰ কৰি নেথাকিবি, কৰি কোনো লাভ নাই। গিৰিয়েৰৰ কথা কৈ দে, দি এতিয়াই এই বন্দীশালৰ পৰা ওলাই যা।

জয়মতী। এই জিভা মোৰ । ইয়াৰ ওপৰত ৰজা, বুঢ়াগোহাঁই কাৰো অধিকাৰ নাই। পাপিষ্ঠ! মোৰ আগৰ পৰা যা। তোৰে সৈতে আৰু একাষাৰ কথাকে কৈ মোৰ জিভা অশুচি নকৰোঁ। (ওপৰলৈ চাই হাতযোৰ কৈ) হে ঈশ্বৰ! দাসীৰ হৃদয়ত বল দিয়াঁ। তোমাৰ অভয় চৰণত এই দাসীয়ে শৰণ মাগিছে। (বুঢ়াগোহাঁইৰ ফালে পিঠি দিয়ে)

(বুঢ়াগোহাঁইৰ প্ৰস্থান)

তৃতীয় দৰ্শন

স্থান—নগাপৰ্ব্বত, টাব্‌লুং। এটা জুৰিৰ পাৰত
(গদাপাণি আৰু ডালিমী)

ডালিমী। কেচাসোণ! তোমাক এই শিলৰ ওপৰত মূৰঘূমাই বহি থাকিবলৈকে মই লৈ আহিছিলোঁ নে? শিলৰ খোৰোঙৰ পানীৰ আৰ্চিত তোমাৰ মুখখন চোৱাচোন।

গদাপাণি (উঠি চাই)। চালোঁ। বেছ আছে।

ডালিমী। বেছ নাই, বেয়া আছে। সেইখন মুখত ৰং নাই, বেজাৰহে আছে। মোৰখন মুখ চোৱাঁ। ইয়াত বেজাৰ নাই, ৰংহে আছে। বাৰু কেচাসোণ! তুমি এনেকৈ থাকা কিয়? ঠিক বুজিছোঁ, কিবা এটা বেজাৰে তোমাক খুলি খাব লাগিছে। মই এটা গীত গাওঁ শুনা,—

(গীত)

পৰ্ব্বতৰ ঢেকীয়া লিহিৰীপতীয়া,
বতাহতে হালেজালে।
ক'লা আকাশত বগে জাক পাতি
উৰা মাৰে কৰবালে।।
পখিলী উৰিলে উৰিব ডালিমী
লগৰে লগৰী পাই।
মনৰে ঘোঁৰাটি ছুটি মেলি যাব,
কলৈনো উবাদিহ নাই।।

গদাপাণি। বেছ গীত, বেছ গীত!

ডালিমী। বেজাৰ গুচিছে নে?

গদাপাণি। ডালিমী লগত থাকিলে বেজাৰ থাকিবৰ ঠাই ক'ত?

ডালিমী। তেনেহলে ডালিমী সদায় তোমাৰ লগত থাকিব। কেচাসোণ! কোৱাঁচোন, এই জুৰিটি বৈ কলৈ গৈছে?

গদাপাণি। লুইতলৈ।

ডালিমী। তাত কি কৰিবলৈ?

গদাপাণি। লুইতৰে সৈতে মিলি যাবলৈ।

ডালিমী। কেনে মজা। (ডাঙৰকৈ হাঁহে) হিঃ হিঃ হিঃ! কেচাসোণ! সেয়া কোনে সেই পৰ্ব্বতৰ মাজৰ পৰা মই হঁহা দৰে হাঁহিলে?

গদাপাণি। প্ৰতিধ্বনিয়ে।

ডালিমী। প্ৰতিধ্বনি কি?

গদাপাণি। তোমাৰ হাঁহিটোৱেই পৰ্ব্বতৰ বুকুত ঠেকা খাই উভতি আহিছে।

ডালিমী। কেচাসোণ! তোমাৰ বুকুতো সেইদৰে মোৰ হাঁহি লাগি ঠেকা খায় নে?

গদাপাণি। খায়।

ডালিমী। তেন্তে আমি নুশুনো কিয়?

গদাপাণি। সিমানকৈ শব্দটো নুঠে দেখি।

ডালিমী। হায়!! কেচাসোণ! তুমি আৰু আমাক এৰি কলৈকো নেযাবা দেই। ভৈয়ামত তোমাৰ কোনোবা আছে হবলা, সেইদেখি তালৈকে তুমি বেজাৰ কৰি থাকা। তোমাৰ কোন আছে কেচাসোণ? চোৱাঁচোন—এই পৰ্ব্বতটো কেনে শুৱনি! ইমানবিলাক ফুল, ইমানবোৰ চৰাই, ইমানবোৰ জন্তু, এনে সুন্দৰ জুৰি, তোমাৰ ভৈয়ামত নাই। ইয়াৰ সকলোৱে দুখ পতিয়ায়। চোৱাঁ, মই হাঁহিলে পৰ্ব্বতেও হাঁহে। ফুল, পখিলা, চৰাই, গছ, সকলোবোৰে মোৰ সৈতে সুখ-দুখৰ কথা পাতে। সকলোবোৰৰে জীৱ আছে, মৰম-চেনেহ আছে, নহয় নে বাৰু? তুমি ইয়াত আৰু দিনচেৰেক থাকিলে তোমাৰে সৈতেও সিহঁতে মোৰ দৰে কথাবাৰ্ত্তা কব। এতিয়া তুমি অচিনাকি হৈ আছা দেখি তোমাৰ মাত সিহঁতে ভালকৈ নুবুজে। সিহঁতৰ মাতও তুমি ভালকৈ নুবুজা। মোৰে সৈতে আৰু দিনচেৰেক ঘূৰিপকি সিহঁতেৰে সৈতে ভালকৈ চিনাকি হলে দেখিবা, সিহঁতে তোমাক সিহঁতৰ বুকুৰ পৰা এৰিকে নিদিয়ে, তুমিও সিহঁতক এৰিব নোৱাৰা। (গদাপাণিৰ হাতত ধৰি) কেচাসোণ! তুমি মোক কোৱাঁ যে আৰু তুমি আমাক এৰি নোযোৱা বুলি। মোৰ কেতিয়াবা কেতিয়াবা বৰ ভয় লাগে, কেনেবাকৈ তুমি আমাক এৰি গুচি যোৱা বুলি। কিন্তু কেচাসোণ! নিশ্চয় জানিবা—তুমি গুচি গলে ডালিমী আৰু ইয়াত নেথাকে। এই জুৰিৰ পানীৰে সৈতে ডালিমী কৰবালৈ গুচি যাব।

গদাপাণি (ডালিমীৰ গালত হাত ফুৰাই)। তইনো এইবোৰ কি কব লাগিছ ডালিমী? মইনো কেতিয়া তইঁতক এৰি যাব খুজিলোঁ? বল ঘৰলৈ যাওঁ, তোৰ পিতায়েৰে আমাক বিচাৰি ফুৰিছে চাগৈ! মই গলেই তেওঁ মোক ক'ব,—"ল'ৰাৰ লগত পৰি তুমিও ল'ৰা হ'লা?"

ডালিমী। বঁলা, কেচাসোণ! বঁলা যাওঁহক।

ডালিমী। (গীত)

ল'ৰা বুঢ়া কাক কয়
ডালিমী নুবুজে তাক।
পৰ্ব্বতে হাঁহে, নৈয়ে নাচে,
উৰিছে পখিলাজাক।।
পুৰণি আকাশ ফুলাম তৰাৰে
ল'ৰাতকৈও ল'ৰা।
পুৰণি পৃথিৱী ফুটকী ফুলেৰে

তাতকৈও যে চৰা।।

অনেককলীয়া নাহৰজোপাই
পেলায় কোমল কলি।
কৌটিকলীয়া মেঘৰ লগত
বিজুলী থাকে উমলি।।

(প্ৰস্থান)

চতুৰ্থ দৰ্শন

স্থান—বুঢ়াগোহাঁইৰ শোৱনি-ঘৰ
কাল—ৰাতি তিনিপৰীয়া
(বুঢ়াগোহাঁই শোৱাপাটীত)

বুঢ়াগোহাঁই। (স্বগত)। (পাটীত ইকাতি-সিকাতি কৰি) উস্! মানুহজনীৰ কি মনৰ বল, কি দৃঢ় প্ৰতিজ্ঞা! ইমান মাৰ কিল-সহিছে, ইমান শাস্তি খাইছে, তথাপি মুখ নেমেলে, তথাপি একাষাৰ কথা নকয়। এই জীৱনত কত তিৰুতা দেখিলোঁ, কিন্তু মই এনে তিৰুতা দেখা নাই। সৰ্ব্বসাধাৰণ তিৰুতাক এটা চৰ বা এটা ঢকা নাইবা এটা সৌকাৰ কোব, নাইবা চমতাৰে এবাৰ সাৰৌপ্ কৰে এচাট মাৰিলেই বান্দৰ নচুৱাদি নচুৱাব পাৰি। আনৰ কথা তাইৰ হতুৱাইতো কোওৱা দূৰৰ কথা—উস্ এইৰ কি গা! কি তেজ! তাইৰ তেজ দেখিলে মোৰেই একো-একোবাৰ বুকু কঁপি যায়।এৰি দিম নে? কি হব আৰু এজনী তিৰুতাক শাস্তি দিয়াই? এৰি দিওঁ, তাই যতে মৰে মৰক গৈ। উহু অনেক আগবঢ়া গল। এতিয়া তাইক এৰি দিবলৈ হলে এটায়ে মোক হাঁহিব—ঘাইকৈ সেই বৰগোহাঁয়ে। বৰগোহাঁয়ে মোলৈ চাই চাই গোঁফৰ তলতে সন্তোষৰ যি মিচিকীয়া হাঁহি মাৰিব, দেখি মই সহিম কেনেকৈ? মোক দেখুৱাই লগৰীয়াৰে সৈতে ফিচিকাফিচিকি কৰিব,—সেইটো যে মোৰ বুকুত শাল সোমোৱাদি সোমাব। যি থাকে কপালত, তাইক আৰু এৰি দিয়া নহয়। তাইৰ গো ভাঙিবই লাগিব। চাম, শেহলৈকে—শেহলৈকে। এজনী তিৰুতাৰ ওচৰত মই হেন বুঢ়াগোহাঁইজন হাৰিলে লাজ থবলৈ ঠাই নোহোৱা হব। তাৰ উপৰি মোৰ ওপৰত ৰজাৰ বিশ্বাসো যে নকমিব সেইটোৰেই বা ঠিক কি? মোৰ ওপৰত নিৰ্ভৰ কৰিয়েই বপুৰা আছে। নিৰ্ভৰৰ খুটিটোৱেই হেলেক্‌লেক্ হলে আৰু থাকিল কি? আৰু এনেজন ৰজা—আমুকাইৰ হাতৰ পুতলা ৰজা! আমুকায়ে মন

কৰিলে আজি এজনক ভাঙিব পাৰে। —ৰজা হ'ব পৰা ফৈদবোৰৰ কোঁৱৰবোৰ যেনেকৈ এফালৰ পৰা নিপাত হৈ যাব লাগিছে, তাৰ ঘৰতো যে শীঘ্ৰে শূণ্য নপৰিব এনে নহয়। চুকে-কোণে দুটা এটা মেমেৰা-চেৰেলা লাগি থাকিলেও তাক আমুকাই লেখত নলয়। মাথোন এক—গদাপাণি। বৰ ডাঙৰ প্ৰতিবন্ধক—বৰ ডাঙৰ। এই প্ৰতিবন্ধকৰ শিপা উঘালিব পাৰিলে আৰু ভয় নাই। অসম্ভৱেই বা কি? জীয়ৰীৰ ফালৰ পৰাতো মোৰ গাতো ৰাজ ফৈদৰ তেজ নোহোৱা নহয়। প্ৰজাই যদি নেমানে? যদি প্ৰজা উজাৰ খাই উঠে? যদি আগৰ বৰুৱাৰ দশাই মোৰ লগ ধৰে? অসম্ভৱ নহয়। উঁহু, নোৱাৰে। বৰবৰুৱাই কেচা কাম কৰিছিল, হিচাপত ভুল কৰিছিল, সেই দেখি তেওঁ কৃতকাৰ্য্য হ'ব নোৱাৰিলে, সেই দেখি তেওঁ আওমৰণে মৰিল। এনেকৈ সকলো কাৰ্য্য গঢ়ি আনিব লাগিব। এনেকৈ গুটি বুলাই যাব লাগিব, যেন শেহত সেই অৱস্থা আপুনি ওলাই পৰে, গত্যন্তৰ নাথাকে। ভালকৈ হিচাপ কৰিবলৈ গলে মূৰটো মুকলি হ'ব লাগে, তেহে হিচাপ ঠিক হয়। (নিজৰ মূৰত আঙুলি দি) এই মূৰ মুকলি আছে। মাথোন এঠাইত অলপ ভুল হৈ গ'ল— গদাপাণি পলাবলৈ পাব নেলাগিছিল। গল গল, আকৌ ধৰিম। সেই বৰগোহাঁই। এই কাঁইটকো উঘালিব পাৰিম। অৱশ্যে সময় লাগিব। আকৰা বনৰীয়া মহ। বুধিৰ মেৰ-পাকত সোমাবৰ বপুৰাৰ ক্ষমতা নাই।

পঞ্চম দৰ্শন

স্থান—বন্দীশাল

কাল—ৰাতি দুপৰ

(জয়মতী নিস্তদ্ধভাবে বহি আছে)

বন্দীশালৰ বৰুৱা। আইচুদেউতা। আপোনাৰে সৈতে সাক্ষাৎ কৰিবলৈ বৰগোহাঁই ডাঙৰীয়া আহিছে।

জয়মতী (আশ্চৰ্য্য হৈ)। মোৰে সৈতে দেখা কৰিবলৈ? কতা ? আহক। (বন্দীশালৰ বৰুৱাৰ প্ৰস্থান।) (মূৰলৈ ওৰণি টানি লয়)

(বৰগোহাঁইৰ প্ৰবেশ)

বৰগোহাঁই। আই জয়মতী। তোক এবাৰ চাই যাবলৈ আহিলোঁ —এই ৰজাৰ মন্ত্ৰীৰ পদত থাকি কলুষিত কৰা মোৰ এই ঘৃণনীয় জীৱনটো, তোক এবাৰ দেখি পবিত্ৰ

কৰিবৰ আশাত। আই জয়মতী! তই আমাৰ বংশৰ পদ্মফুল। তোৰ পুণ্য জীৱনে তোৰ পিতৃকুল আৰু শহুৰৰ কুল এই দুই কুলকে পবিত্ৰ কৰিলে! মহাপুৰুষে কীৰ্ত্তনত কৈছে—

যৈত থাকে মোৰ ভক্ত উদাৰ চৰিত্ৰ।

কীট-পতঙ্গকো তথা কৰয় পবিত্ৰ।

আই! মই তোক তোৰ মুখৰ (জয়মতী অলপ লজ্জিত হোৱা যেন দেখি) আগতে প্ৰশংসা কৰি এচুলিৰমানো অসুবিধাত পেলাবৰ কাৰণ হবলৈ এই ৰাতি ইয়ালৈ আহিছোঁ বুলি নেভাবিবি। মই জানো, তই নিন্দা আৰু প্ৰশংসাৰ অতীত ঠাইত। মই মাত্ৰ তোক এবাৰ চাই লবলৈ আহিলোঁ। ইয়ালৈ অহাটোও নিৰাপদ নহয়, বিশেষকৈ মোৰ পক্ষে। বিপক্ষদলৰ হেজাৰ চকু। চোৰাংচোৱা পিয়াপি দি ফুৰিছে। মোৰ ইয়ালৈ অহা খবৰো যে কাইলৈ বিপক্ষ দলৰ কাণত নপৰিব, মই এনে আশা নকৰোঁ। কিন্তু মই তালৈ ভয় কৰি অহা নাই। কৰ্ত্তব্যৰ আগত অকিঞ্চিৎকৰ মনুষ্য শৰীৰ যে তুচ্ছ, সেইটো মোৰ আই তই আমাক শিকালি। বন্দীশালৰ বৰুৱাজন ভিতৰি মোৰ পক্ষৰ মানুহ দেখি এই সাক্ষাৎ সম্ভৱপৰ হৈছে। যাওক সেই কথা। মই বুঢ়া মানুহ যদিও আৰু সমন্ধতো তই মোতকৈ সৰু যদিও, তোক আশীৰ্ব্বাদ কৰিবৰ আস্পৰ্দ্ধা মই নেৰাখোঁ। এই বুঢ়া তোৰহে আশীৰ্ব্বাদ প্ৰাৰ্থী। তথাপি কওঁ—ঈশ্বৰে তোৰ মঙল কৰক আই! মই যাওঁ এতিয়া।

(জয়মতীয়ে বৰগোহাঁইক সেৱা কৰি মৌন হৈ থাকে।)

(বৰগোহাঁইৰ প্ৰস্থান)

(বন্দীশালৰ বৰুৱাৰ পুনৰ প্ৰবেশ)

ব, শ, বৰুৱা। এটা মতা মানুহ আৰু এজনী তিৰুতা মানুহে মোক বৰকৈ কাকূতি কৰি ধৰিছে—আপোনাৰে সৈতে সিহঁতে দেখা কৰিব খোজে। সিহঁতৰ নাম সুধিলত মতাটোৱে কলে তাৰ নাম পিথু চাংমাই আৰু মাইকীজনীয়ে কলে, তাইৰ নাম তৰ্বৰী লিগিৰী। সিহঁতক আহিবলৈ দিম নে আইচুদেউতা?

জয়মতী। দিয়ক, সিহঁত আমাৰ ঘৰৰ চাংমাই আৰু লিগিৰী।

(ব, শা, বৰুৱাৰ প্ৰস্থান। পিথু চাংমাই আৰু তৰ্বৰীৰ প্ৰবেশ)

(দুয়ো জয়মতীৰ আগত আঠুকাঢ়ি চকুৰ পানী টোকে। আৰু কথা কবলৈ চেষ্টা কৰি কব নোৱাৰি উচুপি উচুপি কান্দে।)

জয়মতী। চাংমাই ককাই! তৰ্বৰী ভনীটী, তহঁত ভালে আছ নে? কান্দিছ কেলৈ? নেকান্দিবি। মোৰ লাই-লেচাই কেনে আছে?

তৰ্বৰী (থোকাথুকিকৈ)। আইচুদেউতা! ভালে আছে। আইচুদেউতা! বেটীক আপোনাৰ চৰণৰ ধূলি দিয়ক।

(ভৰিৰ ধূলি আনি মূৰত লয়।)

পিথু। আইচুদেউতা! এই বুঢ়া বন্দীকো দুটিমান চৰণৰ ধূলি দিয়ক। (ধূলি লয়।)

জয়মতী। চাংমাই ককাই! মোৰ ভনী তৰ্বৰী! তহঁতে বেজাৰ নকৰিবি। মই বেছ আছোঁ। মোৰ কোনো দুখ নাই । মোক এইজন ৰজাহে নেলাগে এই পৃথিবীৰ এটাইবোৰ ৰজামন্ত্ৰী লগ লাগিও এডাল চুলিৰ সমানো দুখ-কষ্ট দিব নোৱাৰে। এয়া চা, সকলোৰে ওপৰত যিজন ৰজা সেইজনৰ কোলাত মই বহি আছোঁ। মোৰ দুখ কি? তহঁতে দুখ নকৰিবি, চিন্তা নকৰিবি। ইয়াৰ পৰা যা, আৰু ইয়াত নেথাকিবি। কেনেবাকৈ ৰজাৰ মানুহে তহঁতক ধৰি মিছাতে দুখ দিব।

পিথু। আইচুদেউতা। পিথু চাংমাইৰ সাত পুৰুষ আপোনৰ ঘৰতে খাই ডাঙৰ হৈ মৰি গ'ল। আইচুদেউতাৰ চুবাপাতৰ পৰ্যাদত পিথুৱে মৰিবলৈ ভয় নকৰে। কিন্তু বন্দীয়ে এটি কথা আইচুদেউতাৰ চৰণত জনাব খুজিছোঁ, বন্দীৰ দায়-দোহ হলে বুঢ়াবন্দী বুলি বন্দীক খেমা কৰিব। বন্দীয়ে একুৰি হকত বলী মানুহ গোটাই আনি ওচৰতে লুকাই থৈ আহিছো। বন্দীহালৰ বৰুৱাইও যে হেইটো কথা নেজানে এনে নহয়। তেখেত পেটে আমাৰ ফলীয়া। তেখেতে কৈছে, "চাংমাই! তই যি কৰিব খুজিছ কৰ, মোৰ গাত যি দায় জগৰ লাগে লাগক, পিছত পাৰোঁ যদি হাৰিম, নোৱাৰো নাই।" এই মানুহেৰে এই বুঢ়া বন্দীয়ে আজি ৰাতিয়েই বন্দীহাল ভাঙি আইচুদেউতাক উলিয়াই লৈ যাম বুলি আহিছোঁ। লৈ গৈ এই বুঢ়া বন্দীয়ে আইচুদেউতাক এনেকুৱা ঠাইপোৱাম গৈ যে ৰজাৰ কোৱা-চিলাইও তাৰ হুন্তেদ নাপায়। এতিয়া আইচুদেউতাই বন্দীক হুকুম দিব লাগে।

জয়মতী। চাংমাই ককাই! এনে কাম নকৰিবি। মই কেতিয়াও এইদৰে পলাই নেযাওঁ আৰু যাবৰ সকামো নাই। মই ল'ৰা ৰজাৰ বন্দীশালত এতিয়া নাই। ঘাইজন ৰজাৰ মায়াৰ শালতহে বন্দী হৈ আছোঁ। সেই বন্দীশাল ভাঙি ওলাই যাবলৈহে এতিয়া মোৰ যতন। যোৱাঁ চাংমাই ককাই! যোৱাঁ, যোৱাঁ ভনী তৰ্বৰী যোৱাঁ। মই তোমালোকক অনেক দুখ কষ্ট দিছিলোঁ, অনেক সময়ত অনেক কেটেৰাজেঙেৰা কৰিছিলোঁ। সেইবিলাকৰ বাবে মোক ক্ষমা কৰিবাহঁক। যা তৰ্বৰী যা, মোৰ লাই-লেচাই দুটিয়ে তোক নেদেখিলে কান্দিব। অ' তৰ্বৰী। মোৰ সখীৰ বাতৰি কি কচোন। তেওঁ কেনে আছে? কত আছে? তেওঁক এবাৰ দেখিবলৈ পোৱাহেঁতেন ভাল আছিল।

তৰ্বৰী (চকুৰ পানী টুকি)। আইচুদেউতা। তেওঁক আৰু কত দেখিবলৈ পাব। দিলিহীয়াল ফুকনক বুঢ়াগোহাঁইৰ মানুহে মাৰিলে। সেইদিনাখনৰে পৰা তেওঁ কলৈ গ'ল কোনেও কব নোৱাৰে। শুনিবলৈ পাইছোঁ, তেওঁ হেনো সন্ন্যাসিনী হৈ ঘূৰি ফুৰিছে। বুঢ়াগোহাঁই-বাঘে আমাৰ কাকো নেৰে।

জয়মতী। হঁ! বুজিলোঁ! বাৰু যা এতিয়া।

(সেৱা কৰি, চকুলো টুকি, তৰ্বৰী আৰু চাংমাইৰ প্ৰস্থান)

পঞ্চম অঙ্ক

প্ৰথম দৰ্শন

স্থান—বুঢ়াগোহাঁইৰ পদূলিৰ নঙলাৰ মুখ

কাল—খুব পুৱা

(সন্ন্যাসিনী বেশেৰে সেউতীয়ে বঙলা গীত গাই ভিক্ষা মাগে)

সেউতী। (গীত)

হম্‌নে চাকৰ ৰাখোঁ জী।
চাকৰ ৰহসূঁ ৰাগ লগাসূঁ
নিত উঠি দৰসন পাসূঁ।
বৃন্দাবন্‌কী কুংজ গলিনমেঁ
তেৰী লীলা গাসূঁ।।
ইৰে ইৰে সব বন নবাউঁ
বিচ্ বিচ্ ৰাখূঁ বাৰী।
সাৰ্ৱ্‌লিয়াকে দৰশন পাউঁ
পহিৰ কুসুম্মী সাৰী।।
জোগী আয়া জোগ কৰনকূঁ
তপ কৰনে সন্ন্যাসী।
হৰি ভজনকূঁ সাধূ আয়ে
বৃন্দাবন্‌কে বাসী।।
মীৰা কে প্ৰভু গহিৰ গভী ৰা
ৰদয়ে ৰহোজী ধীৰা।
আধীৰাত প্ৰভু দৰ্সন দৈহেঁ
প্ৰেমনদীকে তীৰা।।
জয় হওক মা, ভিক্ষা দিয়া!

বুঢ়াগোহাঁই (ভিতৰৰ পৰা)। হেৰ কোমল! কোমল অ'! ইমান পুৱাই মগনিয়াৰ ওলাইছেহি। দেশখন বঙাল মগনিয়াৰেৰেই ভৰিল!

কোমল। দেউতা! এইজনী সেই ফকিৰনীজনী, কালি যে বাটত দেউতাই দেখি সুধিছিল " সেইজনী কৰ ফকিৰনী" বুলি। ভাটী ফালৰ পৰা এইবোৰ ফকৰা-ফকিৰ আজিকালি ইয়াত জাকে জাকে ওলাবলৈ ধৰিছেহি। ইহঁতে ৰাতি হলে চুৰ কৰে, দিনত হলে ফোঁট ৰেঘা পিন্ধি মাগিবলৈ যায়। আৰু মাগি ফুৰোঁতে ফুৰোঁতে চাই ফুৰে, কাৰ ঘৰত ৰাতি চুৰ কৰিবলৈ চল। ৰাতিপুৱাই মানুহৰ আৰু আন কাম-কাজ একো নাই, ইহঁতক কঠাকঠে চাউলৰ যোগান ধৰিব লাগে। খেদি দিওঁ দেউতা?

বুঢ়াগোহাঁইৰ ভাৰ্য্যা। হেৰ কোমল! নেখেদিবি, নেখেদিবি। মগনিয়াৰক ভিক্ষা নিদিয়াকৈ খেদিব নেপায়। যা, যা, চাউল একঠা লৈ যা, দি আহঁগে। মই জানো, এই ফকিৰণীজনী বৰ ভাল। কালিও তাই আমাৰ ঘৰলৈ আহিছিল। তাই মাগি চাউল লৈ গৈ আন দুখীয়া মগনিয়াৰকহে খুৱায়! তাইৰে সৈতে কালি মই অনেক কথা পাতিছিলো। তাই দুখীয়া-দৰিদ্ৰক সেৱা-শুশ্ৰূষা কৰে, বৰকৈ পতি কৰে।

কোমল (এমুঠি চাউল দিবলৈ লৈ গৈ, নিজে নিজে কৈ যায়)। আমাৰ আইদেউতাক ফাঁকি দিবলৈ কিমান ফেৰা লাগিছে? যেয়ে সেয়ে পাৰে। তাতে ভাটীফালৰ ফকিৰনী। (চাউল দিয়ে) হো ল। কিন্তু তই দিনৌ এইদৰে আহিলে, ধৰি ককালৰ জোৰাত মাৰ শোধাম। আইদেউতা কৰবাতে থাকিব। আইদেউতাক ফাঁকি দি চল পাইছ হবলা?

(খুহুটীয়া শৰ্ম্মা পণ্ডিতৰ প্ৰবেশ)

খুহুটীয়া। হেৰ এতিয়াই শোধা। আগলৈ সাঁচি থব লাগিছে কেলৈ? বাহী হ'ব। চাউল-মগনিয়াৰৰ কুকুৰ শত্ৰু থকাটো সকলো ঠাইতে নিয়ম। আমাৰ ঘৰতো নিয়মৰ লৰচৰ হ'ব নিদিওহঁক। যেইস্যা ৰাজা ৰামসিং, তেইস্যা আমিও মন্ত্ৰী ধিটিংটিং। ধৰ ফকিৰনীক ধৰ। তাই পোনপ্ৰথমতে আমাক ককালৰ জোৰাটো দেখুৱাই দিয়ক। মাৰটো যেন ঠিক জোৰাতে পৰে, অথলে যোৱাটো ঠিক নহয়। অথলে গলেই, তোৰ মোৰ অব্যৰ্থসন্ধান বুলি যি এটা যহ আছে, তাত খিয়াতি আহিব।

বুঢ়াগোহাঁই। (ভিতৰৰ পৰা) খুহুটীয়া! তই পালিগৈ নে সেইখিনি বহুবালি কৰিবলৈ? কি পুৱা, কি গধূলি, কি ৰাতি দুপৰ, তোৰ আৰু খতিখুন নাই!

খুহুটীয়া। দেউতা। বন্দীয়ে ফকিৰনীজনীক গান নকৰিবলৈ হাক দিবলৈহে আহিছিলো। বোলোঁ পুৱাই তাই দেউতাৰ পদূলিমূৰত এইদৰে ৰাগ দিলে দেউতাৰ টোপনি ভাগিব, পেট গোমাব, মূৰ ফুৰাব। মুখ সিৰিকাব।

বুঢ়াগোহাঁইৰ ভাৰ্য্যা (বাহিৰলৈ ওলাই আহি)। মা! নমঃকাৰ। তুমি আকৌ এটি

গীত গোৱাচোন মা! তোমাৰ মুখৰ গীতটি শুনি মোৰ বৰ মিঠা লাগে, শুনি থাকিবৰ মন যায়।

খুহুটীয়া (লাহেকৈ)। গোৱাঁ মাই! গোঁৱা, দেউতাৰ আজি মূৰ ঘুৰাবৰ সম্ভৱ নাই।

সন্ন্যাসিনী। (গীত)

হম্‌ৰে জনম মৰণকে সাথী।
থাঁনে নহিঁ বিসৰুঁ দিনৰাতী।।
তুম দেখ্যাঁ বিন কল ন পড়ত হৈ।
জানত মেৰী ছাতী।।
উঁচী চঢ় চঢ় পংথ নিহাৰুঁ।
ৰোয় ৰোয় আখিয়াঁ ৰাতী।।
মীৰাকে প্ৰভু পৰম মনোহৰ।
হৰি চৰণাঁ চিতৰাতী।।
পল পল তেৰা ৰূপ নিহাৰুঁ।
নিৰখ নিৰখ সুখপাতী।।

(বুঢ়াগোঁহাইৰ ভাৰ্য্যাই আগবাঢ়ি গৈ সন্ন্যাসিনীৰ হাতত ধন দি প্ৰণাম কৰে। কোমলে চকু পকাই সন্ন্যাসিনীৰ ফালে চায়।)

(প্ৰস্থান)

দ্বিতীয় দৰ্শন

স্থান - নগা পৰ্ব্বত, টাৱলুং
কাল - দুপৰীয়া

(গদাপানিয়ে এজোপা গছৰ তলত এটা শিলৰ ওপৰত বহি মূৰ-ঘুমাই থাকে।)

গদাপানি (স্বগত)। মইতো ইয়াত বেছ ফন্তি জুৰি খাইছোঁ, হাঁহিছো মাতিছোঁ, সুখ কৰি আছোঁহি; কিন্তু মোৰ জয়মতী আৰু লাই-লেচাইৰ তাত দি দশা হৈছে কোনে জানে? যি অত্যাচাৰী ল'ৰা ৰজা, যি চক্ৰান্তী বুঢ়াগোঁহাই, যি নীচ খোচামুদীয়া বৰপাত্ৰ গোহাঁই, সিহঁতৰ অসাধ্য একো নাই। কোনে জানে, মোক বিচাৰি নেপাই যদি ৰজাই মোৰ জয়াৰ ওপৰতে মোৰ লৰাহালিৰ ওপৰতে অত্যাচাৰ কৰিছে? কিয় কৰিব? মোৰ কণ কণ লৰাদুটিয়েই বা কি কৰিছে যে সিহঁতক দুখ দিব? মানুহ যিমানকে নীচ নহওক, নিৰ্দ্দোষী ল'ৰা তিৰুতাৰ ওপৰত অত্যাচাৰ কৰাটো সম্ভৱ নহয়। অসম্ভৱেই বা কি?

কাপুৰুষ নৰপশুৰ অসাধ্যই বা কি? আহোমৰ ৰাজ্যত আগেয়ে জানো এনে কাৰ্য্য হৈ যোৱা নাই? আগেয়ে জানো গিৰিয়েকৰ জগৰত ঘৈণীয়েকৰ পেটৰ পোৱালি ছিৰি মৰা হোৱা নাই? দেবেৰা বৰুবৰুৱাৰ দোষত তেওঁৰ ল'ৰা-তিৰুতাৰ জানো নগুৰ্ শাস্তি হোৱা নাছিল? লালুক বৰফুকনৰ উচটনিত আৰু চক্ৰান্তত চেংৰাই বুঢ়াগোহাঁইৰ সপৰিবাৰে জানো বিনাশ ঘটা নাছিল? তাৰ পিছত লালুকৰে বা কি দুৰ্গতি হ'বলৈ বাকী বল? আৰু লালুকৰ জগৰৰ বাবে তেওঁৰ তিনটা পুতেক, দুটা ভায়েক জানো অনাহকতে কটা নগল? এতেকে সকলো সম্ভৱ। কিন্তু মোৰ জয়াই যে এই জীৱনত কাৰো এডাল চুলিৰ সমানো অপকাৰ কৰা নাই। তেওঁৰ অনিষ্ট ঘটিব কিয়? ঈশ্বৰৰ চৰণত মোৰ জয়াৰ সদায় নিৰ্ভৰ। শত্ৰুতা কৰিব কোনে? তথাপি মনত শান্তি নেপাওঁ। মনটো বৰকৈ চঞ্চল হৈ বৰকৈ খুধুৰাই থাকে কিয়? মোৰ নিজৰ অমঙ্গলৰ আশঙ্কালৈ মইতো কেৰেপকে নকৰোঁ। মোক ধৰিবলৈ ল'ৰা ৰজাইতো মানুহ পঠিয়াইছেই। পঠিয়াই থাওক। মইতো পলাই নাহিলোঁহেঁতেন, মাথোন জয়াৰ নিমিত্তে এই পলোৱা। মই যে অকলশৰীয়া। সিহঁত যে সৈন্য-সামন্ত, ধনবিতেৰে চহকী। নিশ্চয় জয়াৰ কথা ঠিক—মই মৰিলে সকলো যায়। তেনেহলে অসম দেশৰ আৰু সহজে উদ্ধাৰ নহ'ল। দুখুনী অসম আইৰ আৰু চকুলো মচ নেখালে। নৰপশু ৰজা আৰু মন্ত্ৰীদলক পাপৰ সমুচিত দণ্ড দিয়া আৰু নহ'ল! এই নিমিত্তেই মই মৰিব নোৱাৰোঁ। মই কাপুৰুষ নে? নিশ্চয় নহওঁ। গদাপাণি কাপুৰুষ হোৱাহেঁতেন, কাপুৰুষতাৰ এতিলমানো চেকা গদাপাণিৰ গাত থকাহেঁতেন, জয়মতীয়ে গদাপাণিক নিজৰ হৃদয়ৰ সকলো শ্ৰদ্ধা-ভক্তি দিব নোৱাৰিলেহেঁতেন। আৰু ময়েই বা ভীৰু কাপুৰুষৰ মুখখন লৈ তেওঁৰ কাষত থিয় হ'লোহেঁতেন কেনেকৈ? জয়া! ঈশ্বৰে যদি তোমাৰ গদাপাণিক সময় দিয়ে, শক্তি-সামৰ্থ্য দিয়ে, তেনেহ'লে নিশ্চয় এদিন তেওঁ তোমাৰে সৈতে ইন্দ্ৰবংশী চুকাফা ৰজাৰ ৰাজপাটত বহি, তোমাক তোমাৰ প্ৰাপ্য সম্মান দিব পাৰিব। আৰু তোমাৰ নিচিনা ভাৰ্য্যাৰ স্বামী হ'বৰ সম্পূৰ্ণ অধিকাৰ লভিব পাৰিব! হ'ব নে এনে দিন? গদাপাণি যে নিঃসহায়?

(মানামা বুঢ়া গামৰ প্ৰৱেশ)

মানামা (পাছ ফালৰ পৰা)। আলহি ভাইটি! তই মুৰ গুমাই বহিনো কিকণ কৰিব লাগিছ একা? নামচাঙৰ মানু বুলিলেই বৈয়ামৰ মানুৰ দৰে অয়। হৃদায় বহি কিবাকিবিখন বাবি থাকে। বৈয়ামৰ মানুৰ পৰা হিহঁতে হেইটো হিকে। আমাৰ টাবলুঙত হ'লে আমি হাঁহি-মাতি ৰং-ধেমালি কৰি তাকোঁ, পৌ মাৰোঁ, চৰাই মাৰোঁ, কচু ৰোওঁ, জৱকীয়া ৰোওঁ, ধান কেতি কৰোঁ, মাহ কেতি কৰোঁ আৰু লাওপানী কাই নাচ-গান কৰোঁ।

গদাপাণি। গাম ককাই! মই এনেহে, কিবা বোলে নে বহি অলপ জিৰাইছিলোঁ।

মানামা। তোৰনো আকৌ কিহৰ জিৰণিকণ লগা হল? মই দেকোন বুঢ়া মানুটোৱে ওৰে দিনটো টক্‌টকাই পুৰিব লাগিছোঁ। বাগৰো নাই, জিৰণিও নাই। আহ ভাইটি! গৰলৈ আহ। দুটামান কিবাকিবি কাহি। তোক বিচাৰি লৈ যাবলৈ ডালিমীৰ মাকে মোক পঠিয়াই দিলে। তাই আজি তোলৈ আমাৰ হেই তেলাল গাহৰিটো মাৰিছে। তোৰ লগতে এই বুঢ়াইও ডোকৰচেৰেক কাবলৈ পাব আহ। বৈয়ামত কয় নহয় বোলে আলহিলৈ বুলি হাঁহ মাৰি গিৰিহঁতে কায়। অ' মই তোক কবলৈ পাহৰিছোঁৱেই; মই অলপৰ আগতে হৌ পৰ্ব্বতৰ মাজৰ হাবিডৰাত কৰি লুৰিবলৈ গৈছিলো। হাবিত গছৰ দুকান পাতে কৰ্‌কৰোৱা শুনি, হেইটো বাগ নে বৰা নে কি আহিছে বুলি জুপি চালোঁ। হেইবোৰ একো নহয়। দেকিলোঁ দহোটা কি আগেৰেটা বৈয়ামৰ মানু। হিহঁতৰ হাতত একোডাল টোকোন আৰু জৰী। কোনোটোৰ হাতত দা আৰু দেনু-কাড়। মোক দেকিয়েই এটাইকেউটা কেনিবা পাঁট মাৰিলে। হিহঁত কিয় আমাৰ গাঁৱৰ পালে আহিছে কব নোৱাৰোঁ।

গদাপাণি। (স্বগত—মই কব পাৰোঁ) ল'ৰা ৰজাৰ মানুহ, মোক ধৰিবলৈ আহিছে। গাম ককাই! বাঘ-পহু মাৰিবলৈ কোনোবা আহিছে হবলা?

(হঠাৎ দহোটা মানুহ লৰি হাবিৰ পৰা ওলাই গদাপাণিক বেঢ়ি ধৰে। বুঢ়া গাম অলপ দূৰত-স্তবধ হৈ ৰয়।)

বৰমূৰীয়াটো (লগৰীয়াবোৰক)। কাঁড় নামাৰিবি-হঁক ঔ, কাঁড় নামাৰিবি! জীয়াই জীয়াই ধৰি ৰজাৰ আগত দিব লাগিব, তেহে বক্‌চিচ—

(গদাপাণিয়ে খপ্ কৰে উঠি এটাৰ হাতৰ পৰা ততালিকে টোকোন এডাল কাঢ়ি লৈ চাৰিওফালে ঘূৰাই এটা এটাকৈ সিহঁতক কোবাই যাবলৈ ধৰিলে। চাৰিটা মানুহ মাৰত বাগৰি পৰ্ব্বতৰ তললৈ পৰিল। এটাই পাছফালৰ পৰা গদাপাণিক গবা মাৰি ধৰিব খোজোঁতেই, গদাপাণিয়ে তাক ভৰিৰে লাথি মাৰি পেলাই দিলে। বাকী কেইটাই গতি বিষম দেখি লৰি পলাই যাওঁতে, হঠাৎ ডালিমীয়ে কৰবাৰ পৰা ওলাই তিনিপাত কাঁড় মাৰি তিনটাক পেলালে। দুটা পলাই হাবিত সোমাই সাৰিল।)

তৃতীয় দৰ্শন

স্থান—ৰজাৰ কাৰেং, বুলনিচ'ৰা

কাল—গধূলি

(দক্ষিণপটীয়া গোসাইৰ মুক্তিয়াৰ আৰু ভকত দুজনৰ প্ৰৱেশ। তেওঁলোকে ৰজাৰ আগত আঁঠু লয়।)

ৰজা। মুক্তিয়াৰ! মেধি বাপু কেনে আছে?

মুক্তিয়াৰ। স্বৰ্গদেৱ ঈশ্বৰ! গোসাঁই ঈশ্বৰ থানৰ সমূহ বৈষ্ণৱ-ভকতসকলেৰে সৈতে হৰিগুণ গাই যাদবৰায়ৰ চৰণ চিন্তি কুশলেহে আছে।

(ঠগিত ফুল-নিৰ্ম্মালি, প্ৰসাদ আৰু বস্ত্ৰ ৰজাৰ ফালে আগবঢ়াই দিয়ে।)

ৰজা (নিৰ্ম্মালি লৈ)। পিছে মুক্তিয়াৰ! তোমালোককনো মেধি বাপুৱে কিয় পঠিয়ালে?

মুক্তিয়াৰ। প্ৰভুঈশ্বৰে আমাৰ হাতত স্বৰ্গদেৱলৈ প্ৰসাদ পঠিয়াই আশীৰ্ব্বাদ কৰিছে। দিনৌ কীৰ্ত্তনঘৰত নাম আৰু পূজাৰ অন্তত গোসাঁই ঈশ্বৰকে প্ৰমুখ্য কৰি ভক্ত বৈষ্ণৱসকলে স্বৰ্গদেৱক আশীৰ্ব্বাদ কৰি আছে যে যাদবৰায়ে স্বৰ্গদেৱৰ অপায় অমঙ্গল দূৰ কৰি, সকলো শত্ৰু ধ্বংস কৰি স্বৰ্গদেৱক দীৰ্ঘায়ু কৰি ৰাজকাৰ্য্যত জয়যুক্ত কৰি ৰাখক।

ৰজা। মেধি বাপুক মোৰ সন্তোষ জনাবা।

মুক্তিয়াৰ। গোসাঁইঈশ্বৰে স্বৰ্গদেৱলৈ অতি বিশ্বাসে একাষাৰ কথা কৈ পঠিয়াইছে, স্বৰ্গদেৱৰ আজ্ঞা পালে জনাব পৰা হয়।

ৰজা। কোৱাঁ।

মুক্তিয়াৰ। গোসাঁইঈশ্বৰে শুনিছে হেনো গদাপাণি কোঁৱৰৰ ভাৰ্য্যাক বৰকৈ শাস্তি দিয়া হৈছে। তেৰাই জনাইছে যে সেই কাৰ্য্য সজ হোৱা নাই। অবলা তিৰুতা জাতি। সেই কাৰ্য্য ক্ষান্ত দিয়াই যেন অবলাক মুক্তি দিয়া হয়।

ৰজা। মুক্তিয়াৰ, মেধি বাপুক কবা! যে এই তিৰুতা যেনে তেনে তিৰুতা নহয়। এই তিৰুতা অবলা নহয়, মহা প্ৰবলা। আমাক সকলোকে এই তিৰুতাই বলেৰে হৰুৱাইছে। তথাপি মেধি বাপুক কবা, আমি তাইৰ মুখৰ পৰা একাষাৰ কথা উলিয়াই লৈ তাইক এৰি দিম। তাই অহঙ্কাৰ কৰি আমাৰ হুকুম অমান্য কৰিছে দেখি অলপ কষ্ট পাইছে। যি হওক, শীঘ্ৰে তাই মুক্তি পাব, কবা। তোমালোক এতিয়া যোৱাঁ। জিৰাই-শঁতাই খোৱা-বোৱা কৰাইকগৈ।

চতুৰ্থ দৰ্শন

স্থান—বুঢ়াগোহাঁইৰ চ'ৰাৰ বুলনি
কাল—সন্ধ্যা লাগি ভগা
(বুঢ়াগোহাঁই আৰু চাওদাং বৰুৱা)

বুঢ়াহোহাঁই। চাওদাংবৰুৱা! খবৰ ভাল নে?

চাওদাংবৰুৱা। খবৰ ভাল দেউতা। গদা কোঁৱৰৰ বন্ধু দিলিহীয়াল ফুকনক শেষ কৰাৰ পিছ দিনাই এদলক নগাপৰ্ব্বতৰ ফালে পঠিয়াইছিলো সেই ফালেই গদাপাণি পলাই গৈছে বুলি শুনি । সিহঁত আজিকালিতে বোধকাৰো কাৰ্য্য সিদ্ধি কৰি উলটিব। সিহঁতৰ চৰ্দাৰ নেনাই চমুৱাক কৈ দিছোঁ, উভতি আহিয়েই যেন দেউতাক পোনেপোনেই খবৰ দিয়ে।

বুঢ়াগোহাঁই। বেছ কথা, বেছ কথা। কাৰ্য্য সিদ্ধি হলেই তোমাৰ কেৰামতি। বাৰু যোৱা এতিয়া।

(চাওদাংবৰুৱাৰ প্ৰস্থান। কোমল লগুৱাৰ প্ৰবেশ)

কোমল। দেউতা! দুটা মানুহ আহিছে, দেউতাৰ সৈতে দেখা কৰিব খোজে। এটাৰ নাম নেনাই চমুৱা।

বুঢ়াগোহাঁই। আহিবলৈ ক।

(কোমলৰ প্ৰস্থান। নেনাই চমুৱা আৰু তাৰ লগৰীয়া লিটিক চিপাদাৰৰ প্ৰবেশ। সিহঁতৰ পাছে পাছে খুহটীয়া শৰ্ম্মা পণ্ডিতৰো প্ৰবেশ। মানুহ দুটাই বুঢ়াগোহাঁইক দীঘল দি পৰি সেৱা কৰে।)

বুঢ়াগোহাঁই। হেৰ নেনাই! আহিছ? কচোন ক, কি খবৰ, কি বাতৰি?

নেনাই। ডাঙৰীয়া দেউতা! কিনো কম, কিনো শুনিব? বৰ সাৰি গল, বৰ সাৰি গল। ধৰিছিলোহঁকেই, কানে কান মাৰিহে সাৰিল। দেউতা! গদাপাণি কোঁৱৰ মানুহ নহয় জানিবা গোটেইটো বোকাৰ পৰা উলিবা পিচল চেঙেলি মাছটোহে। গদাপাণিক পাইছিলো দেউতা! পাইছিলো। ধৰিছিলোৱেই দেউতা! ধৰিছিলোৱেই। বৰ সাৰিল দেউতা! বৰ সাৰিল। মই দেউতা! পাছৰ পৰা তাক গৰা মাৰি ধৰিছিলোঁ। কিন্তু কি কম দেউতা! পুটকৰে কেনি সৰকি পৰিল ততকে ধৰিব নোৱাৰিলো। আৰু পৰিয়েই দলিটো যোৱাদি গল। লৰো লৰ, এনে লৰ কন্দীয়ে দেখা-শুনা নাই দেউতা! জানিবা পাখি লগা গোঁৰাটোহে। ধিতাতে মানুহটো কলৈ গল, কত ফাট মেলি সোমাল, দেউতা কন্দীহঁতে ততকে ধৰিব নোৱাৰিলোঁহক। মায়া হোৱাদি হ'ল। তাহানি সীতা আইক পিথবীয়ে ফাট মেলি সামৰি থোৱাদি পৰ্ব্বতে ফাট মেলি সামৰি থোৱা যেন লাগিল দেউতা! (লগৰীয়াটোলৈ চাই) হেৰ কি কৰ, লিটিক চিপাদাৰ?

লিটিক চিপাদাৰ। নহয়নো কি একা? দেউতা ঈশ্বৰ! নেনাই চমুৱাই যি কৈছে তাত চুলি এডালৰ মানো আঁৰ নাই, গোটেইখন সঁচা। দেউতা ঈশ্বৰ! আমি এটাইবোৰে তাইজ্জপ্ মানিলো।

খুহটীয়া শৰ্ম্মা। হয় ডাঙৰীয়া! গোটেইখন ফৰকাল, যেন মুকলি

বৰপথাৰখনহে। হেৰা চমুৱা নে মছুৱা কাই! গদাপাণিক চেঙেলি নুবুলি বীজল ঔবীজটো নুবুলিলানো কিয়? হাতৰ পৰা সৰকি পৰিল নুবুলি পুলকি পৰিল আৰু লৰ মাৰিল নুবুলি বাগৰি গল নুবুলিলানো কিয়হে? আৰু কিন্তু ৰূপে সৈতে, দলিটো যোৱাদি গল নুবুলি চিলনীটো যোৱাদি উৰি গল আৰু পৃথিবীয়ে ফাট মেলি সীতাক সামৰা নুবুলি কালৌপ্ কৰে গিলি থলেনো নুবুলিলা কিয়? কথাত উভহা থাকি গলে মই বৰ বেয়া পাওঁ মছুৱা ক কাই! এই উভহাকেইটা সমান হোৱাহেঁতেন খুহুটীয়া শৰ্ম্মাইও তোমাৰ ইতিহাস নে পাতিহাঁসটো গিলিব পাৰিলেহেঁতেন।

নেনাই। পণ্ডিতদেউ! লোকৰ কথাত পেংলাই কৰাটো আপোনাৰ স্বভাৱ আছে আমি জানো কিন্তু এনেবোৰ গহীন কথা পেংলাই কৰি পাতলাই দিয়াটো যুগুত নহয়। কি কব লিটিক চিপাদাৰ?

চিপাদাৰ। নহয়নো কি একা?

খুহুটীয়া। ঠিক কৈছা, ঠিক কৈছা মছুৱা কাই! বোলোঁ মোৰ কথাত আমনি নেপাই বৰং আৰু এষাৰ তোমাৰ গধূৰ কথাৰ শিল এটা তোমাৰ পাতিহাঁসটোৰ ডিঙিত বান্ধি দিয়া, সি গধূৰ হৈ এতিয়াই দিখৌ নৈৰ তলি পাবগৈ। আৰু একাষাৰ তোমাক কওঁ মছুৱা ককাই! খং নকৰিবা, বোলোঁ তোমাৰ কথাৰ পালাপাঞ্চাখনৰ ফেৰ মাৰি দুই ফাল সমান কৰিনো নোলোৱা কিয়? কি বোলা, চিপ্ চিপ্ চিপ্ লিটিক চিপাদাৰ?

বুঢ়াগোহাঁই। পণ্ডিত! তই মনে মনে থাক। তোৰ বহুবালি কথা পিছত শুনা যাব। নেনাই ক?

নেনাই। গদাপাণি পলাল বুলি কিন্তু দেউতা! আমি তাৰ পাছ নেৰিলোঁহঁক। খেদি নিলোঁ, খেদোঁতে খেদোঁতে আমাৰ লগৰ দুটা পৰ্ব্বতৰ পৰা পিচলি বাগৰি তললৈ পৰিল। কলৈ গল আৰু সিহঁতৰ উৱাদিহকে নেপালোঁ। লৰৰ বেগত চাইটা শিলত উজুটি খাই পৰি তাতে ৰল। সিহঁত মৰিলেই নে হাজিলেই আমি পাছলৈ চাবলৈ নহলেই। দেউতা! বাকীকেইটাৰ এটাক বনৰীয়া ম'হে খুচি মাৰিলে। এটাক বনৰীয়া বাঘে খালে। আমি দুটাই কোনোমতে হেলাইহেপাই দেউতাক এই বাতৰি দিবলৈ বুলি এইখিনি পাইছোঁহি। কি কব লিটিক চিপাদাৰ?

চিপাদাৰ। নহয়নো কি একা?

খুহুটীয়া। ৰবা চমুৱা! ৰবা মছুৱা! ৰবা চিপাদাৰ! ৰবা হিলৈদাৰ! তোমালোকৰ হিলৈটোত আৰু খাৰ নেখাজিবা, ফাটি যাব। বোলোঁ গদাপাণি দেখোন তোমাৰ গুৰিডোখৰৰ ইতিহাস মতে চেঙেলি পিচলাদি পিচলি পৰি দলিটো যোৱাদি লৰি যাওঁতে, আই বসুমতীয়ে তেওঁক বাটতে ধৰি ফাট মেলি সামৰি থলেই। তাৰ পিছত গদাপাণিৰ

পাছ নেৰিবলৈ তেওঁক তোমালোকে পালাইক ক'ত? পাতাললৈকে গৈ বাসুকিৰ মুলুকত ওলাইছিলাগৈ নেকি? তাত নাগপত্নীসকলে তুতি কৰি স্বামীদান মাগিহে গদাপাণিক তোমালোক দুয়োবো হাতৰ পৰা ৰাখিলে নে কি? দ্বিতীয়তে, তোমালোকৰ লগৰ দুটা নাগৰি পৰিমৰি, নহয় ধূলি হৈ উৰি গল। কিন্তু উজুটি খাই পৰা চাইটাৰ শবকেটা খৰি দি বা নুপুৰি, কাউৰী-শগুনক দি আহিলা কিয়? এটাক বনৰীয়া ম'হেতো খুচি মাৰিলেই মাৰক। আনটোক বনৰীয়া বাঘে খালেই খাওক আমি বেয়া নেপাওঁ। কিন্তু এটা খবৰ তুমি আমাক দিযাচোন-তাত ঘৰচীয়া বাঘ কেইটা দেখিলা?

নেনাই। দেউতা! এই বহুবা পণ্ডিতে যদি আমাৰ কথাত এইদৰে আসোঁৱাহ ধৰি থাকে, তেন্তে আমাৰ কথা কোৱাই মস্কিল হল দেখিছোঁ। এইবোৰ মৰণ-জীৱনৰ কথা। এনে কথাত বক্সবালি কৰিলে বৰ টান হয় দেউতা!

বুঢ়াগোহাঁই। সঁচাকৈয়ে পণ্ডিত! তই মনে মনে নেথাকনো কিয়? থাকিব নোৱাৰ যদি ইয়াৰ পৰা উঠি গুচি যা।

খুহটীয়া। উঠাতকৈ ডাঙৰীয়া দেউতা! বন্দীয়ে মনে মনেই থকোঁ। মোৰ যিহে ককালত বিষ, উঠিবলৈ গলেই ককালতে দোছোৰা হৈ দুডোখৰ হৈ পৰিম দেউতা! এতেকে হে মছুৱা ককাই! হে ৰিচ্‌পিচ্‌পি চিপাদাৰ ভাই! তোমালোকে তোমালোকৰ মনৰ সন্তোষেৰে যিমান পাৰা সিমান কোৱাঁ। যিমান পাৰা সিমান ইতিহাস, গুণহাস, পৰিহাস, ৰাজহাঁহ, পাতিহাঁহ, আৰু ৰাম বুলিয়া ঘিলাহাঁহ আদি এই ভূভাৰতত যত ৰকম হাঁহ আছে এইবোৰৰ ধৰি নমোৱাঁ, উৰুৱাঁ, মেলা সামৰাঁ। মই একো নকওঁ, একো নেমাতোঁ; কাৰণ ইতিহাস সকলো হাঁহতকৈ ডাঙৰ। তাক ছুলেই লেঠা, সি খুটি দিয়ে। খুহটীয়া বামুণৰ মৰচেৰেলো শিয়াল সেই হাঁহৰ ওচৰকে চাপিব নোৱাৰে।

বুঢ়াগোহাঁই (হাঁহি)। হল, হল। তই এতিয়া মুখ জপাঁ।

খুহটীয়া। জপালোঁ ডাঙৰীয়া! বোলে "দুৰ্দ্দুৰা যত্ৰ বক্তাৰঃ তত্ৰ মৌনং হি শোভনং।"

বুঢ়াগোহাঁই। চমুৱা! যি হল হৈ গল। এতিয়া সৰহকৈ মানুহ লৈ তই আকৌ যা। গদাপাণিক ধৰিবই লাগিব।

নেনাই। ধৰিম দেউতা! চিন্তা নকৰিব। মই একুৰি ভাল কণুৱা লৈ আকৌ কাইলৈ পৰ্ব্বতৰ ফালে যাম। এইবাৰ মৰোঁ-জীওঁ-সোঁ-আধি দেউতা ঈশ্বৰ!

চিপাদাৰ। নিশ্চয়, নিশ্চয়, বন্দীবো সেই কথাই দেউতা ঈশ্বৰ!

খুহটীয়া। এই খুহটীয়া শৰ্ম্মাৰো সেইসোপাকথাই। বেলেগৰ ভিতৰত মাথোন—

বুঢ়াগোহাঁই (খং কৰি)। তই আকৌ কেপকেপাইছ? (খুহটীয়াই নিজৰ মুখতে হাত দি ধৰে) নেনাই! এতিয়া যাইক।

(নেনাই আৰু লিটিকৰ প্ৰস্থান। বুঢ়াগোহাঁইৰ ভাৰ্য্যাৰ প্ৰবেশ)

বুঢ়াগোহাঁই। কি! তুমি ইয়াত কিয়?

ভাৰ্য্যা। সকাম আছে।

বুঢ়াগোহাঁই। কি সকাম?

ভাৰ্য্যা। নহলেনো আহো নে?

বুঢ়াগোহাঁই। কোৱাঁ।

ভাৰ্য্যা। ডাঙৰীয়া। আমাৰ তিনিকাল গল, একাল আছে। ল'ৰা-ছোৱালী কেইটাও গোসাঁয়ে আমাক দিছে। ধন-সম্পত্তিও তেওঁৰে অনুগ্ৰহতে আমি অনেক পাইছোঁহক। আমাৰ অভাব অনাটন একো নাই। তেনেহলে কিহৰ নিমিত্তেনো আপুনি সেই ধৰ্ম্মিনী তিৰুতাজনীক যমৰ যাতনা দিয়াইছে? ডাঙৰীয়া! (হাত যোৰ কৰি আঁঠু কাঢ়ি) মোৰ মুখলৈ চাই, ল'ৰা-ছোৱালীকেইটাৰ মুখলৈ চাই, ধৰমলৈ চাই, তাইক আৰু এৰি দিয়ক। ইয়াকে কবলৈ বুলি মই ইয়ালৈ আহিলোঁ।

বুঢ়াগোহাঁই। ল'ৰাৰ মাক! তুমি ভুল বুজিছা। এই কাৰ্য্যত মোৰ কি হাত আছে? ৰজাৰ আজ্ঞাত জয়মতীৰ দণ্ড হৈছে। ৰজাই দাঁড়ি কৰে যাক, আন কোনে ৰাখিব তাক?

ভাৰ্য্যা। আপুনি পাৰে ৰাখিব। আপোনাৰ ক্ষমতা আছে। আনৰ নিচিনা আপুনি নহয়। ৰজাক কৈ এতিয়াই আপুনি এই অত্যাচাৰ বন্ধ কৰাব পাৰে।

বুঢ়াগোহাঁই। নোৱাৰোঁ। মোৰ ক্ষমতা নাই। ৰজাই মোৰ কথা কেলৈ শুনিব?

ভাৰ্য্যা। পাৰে। ৰজাই যদি কাৰবাৰ কথা শুনে, তেন্তে আপোনাৰহে। ডাঙৰীয়া! আপুনি এইদৰে আনক ভুৰা দিব পাৰে, মোক নোৱাৰে। মই সকলোকে জানো। ডাঙৰীয়া! কাবৌকে মাতিছোঁ—মোৰ মখলৈ চাই. তিৰুতাৰ সম্ভ্ৰমলৈ চাই, মোৰ খাটনি ৰাখক।

বুঢ়াগোহাঁই। তুমি যে তাইৰ হৈ ওকালতি কৰিবলৈ আহিছা, বাৰু তুমিয়েই কোৱাঁচোন, তাইনো গিৰিয়েকৰ কথা কৈ নিদিয়ে কিয়? কৈ দিলেই দেখোন লেঠা ছিগে। তাইৰনো ইমানটো গেলা গপ কিহৰ?

ভাৰ্য্যা। ডাঙৰীয়া! আপুনি মহামন্ত্ৰী হলেও ৰাজ্যকাৰ্য্যতহে, ঘৰুৱা কাৰ্য্যত নহয়। স্বামী আৰু ভাৰ্য্যাৰ কৰ্ত্তব্য বিচাৰত আপুনি অপাকা। আপুনি সতী তিৰুতাৰ অন্তৰ বুজিব নোৱাৰিলে। স্বামীৰ হকে সতীয়ে যে নিজৰ প্ৰাণ হাঁহি হাঁহি দিব পাৰে, এই কথাটোৰ ভিতৰত আপুনি সোমাব নোৱাৰিলে। নিশ্চয় আপুনি সামান্য তিৰুতাক দেখি তিৰুতা জাতিৰ বিষয়ে মনত ধাৰণা কৰি থৈছে। এই পৃথিবীত আৰু তিৰুতা আছে। সতী ধৰ্ম্মিষ্ঠী তিৰুতা আৰু আন তিৰুতাৰ মাজত আকাশ-পাতাল প্ৰভেদ। সতীৰ সতীত্ব

আৰু পতি এফালে আৰু পৃথিৱী গোটেইখন এফালে। ডাঙৰীয়া! মই বুঢ়ী হৈ আহিছোঁ। লৌবালপা কথা কোৱা মোৰ স্বভাব নহয়, আপুনি ভালকৈ জানে। মই আপোনাৰ চৰণত কাকূতি কৰি মাতিছোঁ, জয়মতীক শাস্তি নিদিয়াব। ঈশ্বৰে আপোনাক ক্ষমা কৰক।

বুঢ়াগোহাঁই। ল'ৰাৰ মাক! তুমি কৈছা যেতিয়া, কাইলৈ মই ৰজাক এবাৰ কৈ চাম! এৰি দিয়া নিদিয়াটো ৰজাৰ ইচ্ছাৰ ওপৰত। এতিয়া তুমি যোৱাঁ। মোৰ আন অনেক ডাঙৰ কাম আছে।

ভাৰ্য্যা (উঠি ওপৰলৈ চাই হাতযুৰি)। হে ঈশ্বৰ! তুমি আমালৈ কি সাঁচি থৈছা? আমি ঘৰে-ঘৰোৱাহ গলোঁ।

(বুঢ়াগোহাঁইৰ ভাৰ্য্যাৰ প্ৰস্থান)

বুঢ়াগোহাঁই। কি বিপদ। তিৰুতা মানুহে এইবোৰ কথা লৈ ঘোটাঘুটি কৰে কিয়?

খুহটীয়া। বিপদ বুলি বিপদ দেউতা! বৰ বিপদ, ডাঙৰ বিপদ, ভয়ঙ্কৰ বিপদ! তিৰুতা মানুহে ঘোটা উচিত মাটিমাহৰ আঞ্জা। আৰু তাৰো ওপৰলৈ যায় যদি লাই শাকৰ খৰলি। তাৰ ওপৰে তেওঁলোক যায় কি বুলি?

বুঢ়াগোহাঁই। ঠিক কৈছ পণ্ডিত! তই ঠিক কৈছ। মোৰে সৈতে তোৰ মত মিলি গৈছে।"

খুহটীয়া। ঠিক যেন শলে-মূলে ডঁৰিকে-বেঙেনাই, কাবৈয়ে-বাবৰিয়ে, এদাই-কেচাকলাই।

বুঢ়াগোহাঁই। ঠিক কৈ আহি, শেষত লগালি গোলমাল। এদাই কেচাকলে কেতিয়াও নিমিলে।

খুহটীয়া। ..সেইটো তেন্তে ভুল হৈছিল, বাদ দিয়ক। আৰু দেউতাৰ কথাৰে সৈতে খুহটীয়াৰ কথা কেতিয়াও নেৰেঙায়েই। দেউতাই সেইটো আজি মন কৰি চাইছে বাবেহে দেখিছে। ডাঙৰীয়া দেউতা! আজি কেইবাদিনৰে পৰা মোৰ মনত এটা কথাৰ বৰ খুকুৰি লাগি আছে। দেউতাক সুধি কথাটোৰ খুকুৰিটো ভাঙি লওঁ বুলি ভাবোঁ, কিন্তু পাহৰোঁ। তিৰুতাক কোনে চৰ্জ্জিলে দেউতা?

বুঢ়াগোহাঁই। কিয়? ব্ৰহ্মাই।

খুহটীয়া। মতাক একা?

বুঢ়াগোহাঁই। মতাকো ব্ৰহ্মাই। তই ইয়াকে নেজান নে?

খুহটীয়া। নেজানিছিলো দেউতা! বাপেকটো তেন্তে দুইৰো একেটা হল?

বুঢ়াগোহাঁই। হল।

খুহটীয়া। তেন্তে মতা আৰু তিৰুতাৰ সমন্ধটো ভাই-ভনীৰ সমন্ধ হল নে

নহল? যদি সেইটো হল, তেন্তে আমি সেই সমন্ধটো ওলোটাই দুইকো গিৰিয়েক-ঘৈণীয়েক পাতোঁ কেনেকৈ?

বুঢ়াগোহাঁই। যা খুহটীয়া! তই এইখন কি বলিয়ালি বকিছ?

খুহটীয়া। মোৰ অলপ চাট আছে হয় দেউতা। কিবা ভাবোঁতে ভাবোঁতে কথাবোৰৰ আউল লাগি যায়। কিন্তু সেই বুলি মই খুঁত ধৰা এই কথাটো ঠিক হয় নে নহয়, ভাবি চাওকচোন দেউতা! ভাবি চালেই দেখিব গদাকোঁৱৰেৰে সৈতে জয়মতীৰ সমন্ধটো কি? আইদেউতাই এতিয়াই কৈ গ'ল বোলে জয়মতী সতী, জয়মতী ভাৰ্য্যা, গদাপাণি স্বামী। কিন্তু ভাবি চালে ওলায়—জয়মতীয়ে গদাপাণিৰে সেতে যি সমন্ধটো পতাইছে, সেইটো ব্ৰহ্মাৰ বিধানৰ বাহিৰা। সতী হলে ব্ৰহ্মাৰ বিধান উলঙ্ঘা কৰিব পায় নেকি? মোৰ মনেৰে জয়মতীৰ এতিয়া যি শাস্তি চলিছে, সেইটো ব্ৰহ্মাৰ বিধি উলঙ্ঘা কৰাৰ ফলত। তাই সতী হল বুলি হবলা ব্ৰহ্মাৰ ওপৰতো চৰ্দাৰি কৰিব পায়? মোৰ হলে মত—জয়মতীৰ শাস্তিৰ কোব আৰু বঢ়োৱা উচিত।

বুঢ়াগোহাঁই। খুহটীয়া! তই ইঙ্কৰালি। যা, যা, এতিয়া শুই থাকগৈ। মোৰো টোপোনি আহিছে, ময়ো শোওঁগৈ।

(প্ৰস্থান)

খুহটীয়া। হৰি হৰি! খুহটীয়া শৰ্ম্মাৰ হেনো মূৰত গোলমাল! এই সংসাৰৰ কথাই দেখিছোঁ সকলোবোৰ ওলোটা। হে কংস! হে মন্ত্ৰী! তোমালোকৰ কৃষ্ণ গোকুলত বাঢ়িব লাগিছে। পাপত প্ৰবৃত্ত হওঁতাৰ মুখৰ বাঘজৰীডাল মোৰ প্ৰভুৱে পোনতে ঢিলাই দি থাকে, দি থাকে, কিমান যাব পাৰ যা বুলি। তাৰ পিছত সিকৰ্ম্ম।

(গীত)

তলে গলে নৌকাখনি নিবিন্ধিলে ঘুণে।
 ওপঙিলে নৌকাখনি এই তিন দিনে।।
আগত নাই, গুৰিত নাই, মাজত নাই পিৰি।
 কাণ্ডাৰী নাই নৌকাখনি ফুৰে ঘূৰি ঘূৰি।।
আগত নাই, গুৰিত নাই মাজত নাই পাত।।
 কাণ্ডাৰী নাই নাওখনি ফুৰে ঘাট ঘাট।।
আগত নাই, গুৰিত নাই, মাজত নাই চৈ।
 কাণ্ডাৰী নাই নাওখনি ফুৰে বৈ বৈ।।

ওপৰৰ শগুনিয়ে দীঘে দিলে বাও।
তিনি চাৰি শগুনিয়ে ললে ভৰা নাও।।
সুৱৰ্ণৰ কাঠীকামি মাণিকৰে কৰা।
তাতে বহি ভোজন কৰে শগুনি বপুৰা।।
কাউৰী কাণ্ডাৰী হল, শগুন মহাদানী।
শিয়াল বপুৰাই খায় মঙহ টানি টানি।।
পৰুৱা-পিঁপৰাবোৰে তুলি আছে মাটি।
যোৰে যোৰে সুলকিল শৰীৰৰে গাঁ।।

(কোমল লগুৱাৰ প্ৰৱেশ)

কোমল। খুল্টীয়া বাপু! ৰাতি দুপৰখনত তুমি কি ৰাগ-পদ দিব লাগিছাহে? ডাঙৰীয়াই খং কৰিছে। তোমাক শুই থাকিবলৈ কৈছে।

খুৰ্হটীয়া। যাওঁ বোপাই! যাওঁ বোপাই! খং নেখাবি। আৰু দুশাৰী আছে গাই লওঁ, তেনেহলে ডাঙৰীয়া একেবাৰেই দীঘলকৈ শুব পাৰিব।

ভৱনদী পাৰ হৈ জীৱ আছে চাই।
চোৰাঁ চোৰাঁ বাপুসব ভেলৰে বিলাই।।

(খুহটীয়াৰ প্ৰস্থান)

কোমল। এই বহুৰা বামুণটো পেটে পেটে বৰ টেঙৰ—যাক কয় নোমটেঙৰ। মুখেৰে বহুবালি কৰে, পেটে পেটে থাউনি নোপোৱা।

(প্ৰস্থান)

পঞ্চম দৰ্শন

স্থান—নগাপৰ্ব্বত—টাবলুং, মানামা গামৰ ঘৰ

কাল—ৰাতি দুপৰ

(গদাপাণি শোৱাপাটীত।)

গদাপাণি (স্বগত)। নিশ্চয় মোৰ জয়াক পাৰগুইতে শাস্তি কৰিছে। নহলেনো কোন "পলাই যোৱা কোঁৱৰৰ ঘৈণীয়েক" হব? ভৈয়ামৰ পৰা উভতি অহা নগাটোৰে মোক ভালকৈ কব নোৱাৰিলে। সি আন কাৰবাৰ পৰা শুনি আহিছে। —উস্ মোৰ

জয়াকে এইদৰে শাস্তি দিছে নে? দিব পাৰে। পশুইতে কৰিব নোৱাৰা কাম নাই। উস্! মই যাওঁ। দেখা দি, ধৰা দি, মোৰ জয়াক শাস্তিৰ পৰা সৰুবাওঁগৈ। এই ৰাতিয়েই যাওঁ। দিনততো মই যাব নোৱাৰিম। ডালিমীয়েতো মোক এৰি নিদিয়ে। সেই এজনী ছোৱালী —ছোৱালী নহয় সুখৰ সমাজিক। মই সমাজিকত পৰি ভোল হৈ আছোঁ। মোৰ জয়মতীয়ে মোৰ নিমিত্তে গাৰ তেজ টোপাটোপে দিব লাগিছে আৰু মই সুখৰ সমাজিকত মগন! ছঁয়া-পুতলাৰ ধেমালি চাই গোটেইখন পাহৰি বহি আছোঁ! ছিঃ গদাপাণি! তোৰ ইমান অধঃপতন! এই মুহূৰ্ত্ততে যাওঁ। ডালিমী! তোক হাতযোৰকৈ মাতিছোঁ, মোক ক্ষমা কৰিবি। কৰ্ত্তব্য অতি কঠোৰ হলেও কৰ্ত্তব্য।

(গদাপাণিয়ে শোৱাপাটীৰ পৰা উঠি গৃহস্থৰ ঘৰৰ কাকো নোকোৱাকৈ সম্পূৰ্ণ নগাবেশেৰে প্ৰস্থান কৰে)

ষষ্ঠ দৰ্শন

স্থান—ৰজাৰ বৰচ'ৰা

কাল-আবেলি

(ৰজা, বুঢ়াগোহাঁই, বৰগোহাঁই, বৰপাত্ৰগোহাঁই আৰু চাওদাংবৰুৱা)

ৰজা। চাউদাং বৰুৱা! গদাপাণিৰ ঘৈণীয়েকৰ মুখৰ পৰা গদাপাণিৰ বিষয়ে কিবা ভু উলিয়াব পাৰিলা নে?

চাউদাং বৰুৱা। সৰ্গদেউ! বন্দীয়েনো কি কম, কি শুনিব? আজি ন দিন হল, দিনৌ মানুহজনীক ইমানকৈ শাস্তি কৰা হৈছে, তথাপি একেষাৰ কথাই তাইৰ মুখৰ পৰা নোলাল। বন্দী বিবুধি।

বুঢ়াগোহাঁই। বৰ মগ্ৰামী তিৰুতা, সৰ্গদেউ! মই বেছকৈ জানো। যেনে গদাপাণি কোঁৱৰ, তেনে জয়মতী। বৰ অহঙ্কাৰী, বৰ জেদী, একৌলৈকে কেৰেপকে নকৰে।

বৰপাত্ৰগোহাঁই। চাউদাং বৰুৱা! তাইৰ গাত ডোমচোৰাত মেলি পানী ঢালি চাইছিলা নে?

চাওদাং বৰুৱা। এ কত মেলা হৈছে, একোৱে একো কৰিব নোৱাৰে। মই হলে হুৰিলোঁ সৰ্গদেও!

বৰপাত্ৰগোহাঁই। এইবাৰ বান্দৰকেকোৱা মেলি চোৱাচোন। যেনে নৰিয়া, দৰবো তেনে ডাইল নহলে গুণ নিদিয়ে।

বুঢ়াগোহাঁই। বৰ মগ্ৰামী তিকতা, সৰ্গদেও। বৰ মগ্ৰামী তিকতা। এতিয়া মই হলে কওঁ, গদাপাণিৰ খবৰ তাইৰ পৰা পাওঁ নেপাওঁ, সেইটো আমাক নেলাগে। কিন্তু এজনী তিকতাৰ হাতত যে আমি এইদৰে হাৰিবলগীয়া হলোঁ, সেইটোৱেইহে বৰ লাজৰ কথা হ'ল।

বৰগোহাঁই। আৰু কিয়? সৰ্গদেও! ক্ষান্ত দিয়ক। এজনী অবলা তিকতাৰে সৈতে ইমানকৈ জেদাজেদি কৰাটো যুগুত নহয়। তাই নকয়, নেলাগে কব। তাইক এৰি দিয়ক। তাই যতে মৰে মৰককৈ। এজনী তিকতাক এইদৰে আজি ইমান দিন ধৰি শাস্তি দিয়াটোত অগৌৰবৰ কথাহে হৈছে। আৰু এটা কথাই মোৰ মনত খেলাইছে, গিৰিয়েকৰ খবৰ সম্ভবতঃ তাই নেজানেই। জানিলেহে কব। গদাপাণিকোঁৱৰ বৰ অহঙ্কাৰী, বৰ অভিমানী। গদাপাণিয়ে কলৈ যাব ঘৈণীয়েকক কৈ পলোৱা নাই বুলি মোৰ বিশ্বাস।

বুঢ়াগোহাঁই। বৰগোহাঁই ডাঙৰীয়াৰ কথাষাৰৰ মৰ্ম্ম মই হলে অৱগাহ কৰিব নোৱাৰিলোঁ। আহোমৰ গৌৰৱ অগৌৰৱৰ মান অপমানৰ জোখৰ গোটেইটো ভাৰ অকল আমাৰ বৰগোহাঁই ডাঙৰীয়াৰ গাতে আছে বুলি মোৰ ধাৰণা নাই। আৰু তেখেতৰ শেহষাৰ কথাৰু মৰ্ম্মটোও মই বুজিব পাৰিলোঁহেতেন যদি অবলাই যৎকিঞ্চিৎ বল প্ৰকাশ কৰি একাষাৰ ভালকৈ মুখ ফুটাই কলেহেঁতেন। যিমানকে মাৰকিল কৰা হৈছে তাই দেখোন নামাতেই। অবলাৰ এইটো কোন জাতৰ বল মই হলে বুজিব পৰা নাই।

বৰপাত্ৰগোহাঁই। তাই চামোন, চামোন সৰ্গদেও! চামোন। তাই মাতিব নেজানেই হবলা, সেইদেখি নেমাতে।

চাউদাং বৰুৱা। নহয় ডাঙৰীয়া! তাই মাতিব নজনাতো দূৰৈৰ কথা, বৰং মাৰৰ জাউৰিৰ ওপৰতে ঘোষাপদ গাব লাগিছে। আৰু তাইৰ লিগিৰী নে বান্দী নে কি এজনী কোনো কোনো দিনা আহে, সেইজনীৰে সৈতে তাই কথা পাতি থাকে।

বুঢ়াগোহাঁই। কি কথা পাতে?

চাওদাং বৰুৱা। জয়মতীৰ দুটা লৰা আছে, সিহঁতৰে কথা সোধে।

বুঢ়াগোহাঁই। সেই ল'ৰা দুটাকো ধৰি আনি মাকেৰে সৈতে একেলগে কুন্দাত দিয়াটোহে উচিত। কি বোলে সৰ্গদেও?

ৰজা। দিলে হয়। চকুৰ আগতে তাই সিহঁতৰ শাস্তি দেখিলে তাইৰ মগ্ৰামি ভাগিব পাৰে।

বৰগোহাঁই (হাতযোৰকৈ)। সৰ্গদেউ। মই কাতুৰ্ব্বাদ কৰি জনাও, তেনে কাম নকৰিব। কটা ঘাত চেঙা তেলৰ ব্যৱস্থা নিদিব। তেনে কৰা দেখিলে ৰাইজে নসহে। সকলো প্ৰজা বিদ্ৰোহী হৈ উঠিব। জয়মতীৰ শাস্তি দেখি এতিয়াই সৰ্গদেউ অনেক প্ৰজা উতলি উঠিছে।

বুঢ়াগোহাঁই। আমাৰ কোনোৱে সেই চকৰ তলত জুল দিছে দেখি।

বৰগোহাঁই (খণ্ডত ৰঙা পৰি আৰু কেৰাহিকৈ বুঢ়াগোহাঁইৰ ফালে চাই)। আমাৰ ভিতৰৰে কোনেনো চকৰ তলত জ্বাল দিলে, কওকচোন? ডাঙৰীয়াইনো এইদৰে বাৰে বাৰে কাণে আঙুলিয়ায়? কাণে ঠেলিয়ায়? এইবোৰ বৰ গুৰুতৰ কথা।

ৰজা। সেইবোৰ বাজে কথাৰ খৰিয়াল এতিয়া এৰক ডাঙৰীয়াসকল! মইও ভাবি চাইছোঁ, ল'ৰা দুটাক ধৰি আনি মাকৰ আগতে শাস্তি কৰাটো এতিয়া বুধিয়কৰ কাম নহব। সেইটো কৰিব লাগে যদি, পিছলৈ থাওক। কিন্তু চাওদাংবৰুৱা! তুমি যোৱাঁ। যেতিয়ালৈকে জয়মতীয়ে গিৰিয়েকৰ কথা নকয়, তেতিয়ালৈকে তাইক নেৰিবা। মৰে-হাজে যি হয় হওক, তাত আমাৰ দোষ নাই। এজনী মদগৰ্ব্বী তিকতাই তিনিজনা ডাঙৰীয়াৰে সৈতে অসমৰ ৰজাক এইদৰে এটা কথাতে হৰুৱাব লাগিলে অপমান ৰাখিবলৈ ঠাই নোহোৱা হব।

বৰপাত্ৰগোহাঁই। হয় সৰ্গদেউ! তেতিয়া হলে আমি সকলোৱে চুৰিয়া এৰি মেখেলা পিন্ধিব লাগিব।

বৰগোহাঁই (স্বগত)। এতিয়াই পিন্ধা উচিত।

বুঢ়াগোহাঁই। কথাটো মিছা নহয়।

ৰজা। চাওদাং বৰুৱা! যোৱা, মোৰ আদেশ মতে কাম কৰাগৈ।

(চাওদাং বৰুৱাৰ প্ৰস্থান)

আজিলৈ আমাৰ সভা ভঙ্গ কৰা যাওক। (হঠাৎ খুহুটীয়া শৰ্ম্মাক বৰচ'ৰাৰ এচুকত দেখি) সেইটো কোন?

(খুহুটীয়াই আঁঠু লৈ ৰজাক সেৱা কৰে।)

বৰপাত্ৰগোহাঁই। অ' সেইটো আমাৰ বুঢ়াগোহাঁই ডাঙৰীয়াৰ বহুৱা বামুণ। সি বৰ খুহুটীয়া কথা কব পাৰে সৰ্গদেউ! তাৰ কথা শুনিলে নেহাহি নোৱাৰি।

বুঢ়াগোহাঁই। সৰ্গগেদউ! সি বাস্তবিকতে বহুৱা নহয়, পণ্ডিত বামুণৰ ল'ৰা। মোৰ আশ্ৰয়তে খাইমেলি থাকে। তাৰ মূৰটোত অলপ গোলমাল আছে; যৎকিঞ্চিত চণ্ডৰ ভাব। মোৰ মনটো বেয়া লাগিলে তাক কাষলৈ মাতি আনো। সি আবলতাবল কিবাকিবি বকে। কেতিয়াবা গীত-মাতকে একেবাৰ গায়। শুনিলে মোৰ মনটো অলপ ভাল লাগে —এই মাত্ৰ। সি আহি আজি ইয়াত ওলালহি কেনেকৈ কব নোৱাৰোঁ।

খুহুটীয়া। সৰ্গদেও ঈশ্বৰ। বন্দীক মাৰেও মাৰক, কাটেও কাটক। বন্দী আমাৰ বুঢ়াগোহাঁই ডাঙৰীয়া দেউতাৰ পাছে পাছে ফুৰে। আজিও পাছে পাছে আহি এইখিনি পাই ভাবিলোঁ, ৰাজদৰ্শন কৰি যাওঁ। আৰু এটি অভিপ্ৰায় আছিল, সেইটোও অৱশ্যে

সিদ্ধি হল, —যাওক। সৰ্গদেউ ঈশ্বৰ! জনাই নজনাই বন্দীয়ে অনেক পূণ্য কাৰ্য্য কৰিলোঁ, কিন্তু ৰাজদৰ্শন ফেৰা বাকী আছিল। মৰাৰ আগেয়ে সেই ফেৰাও আজি ঘটিল। সৰ্গদেৱৰ চকুত সেই চিকাপোৱালিটি পৰিব বুলি বন্দীয়ে নেভাবিছিলো।

ৰজা। তই চিকা হলি কেনেকৈ ? তই জানো গোন্ধাব?

খুহুটীয়া। সৰ্গদেও ঈশ্বৰে পাৰিজাতৰহে গোন্ধ পায়। সাপে চিকাৰ গোন্ধ পায়। বন্দীৰ গাত চিকাৰ গোন্ধ; সেইদেখি বন্দীক বোলে গোন্ধমহাজন।

বুঢ়াগোহাঁই। যা খুহুটীয়া! তই উঠি যা। আজি যি কৰিলি কৰিলি, আজিৰ পৰা তই মোক নোসোধাকৈ এইদৰে ইয়ালৈ নাহিবি।

খুহুটীয়া। যি আজ্ঞা ডাঙৰীয়া দেউতা।

ৰজা। ৰ, ৰ, তই কৈছিলি—ইয়ালৈ অহাৰ তোৰ আৰু এটা অভিপ্ৰায় আছিল বুলি, সেইটোনো কি ক?

খুহুটীয়া। সৰ্গদেৱৰ হুকুম বন্দীয়ে কেনেকৈ পেলাম? কবই লাগিব কওঁ, —গল ৰাতি বন্দীয়ে এটি সমাজিক দেখিছিলো। মই যেন কোনোবা এখন দেশ পাই সেই দেশৰ ৰাজসভাত ওলালোঁগৈ। ৰাজসভাত ৰজা, পাত্ৰ-মন্ত্ৰী সকলো মহাব্যস্ত। এখন বৰ শোধ হৈছে। শোধখন হৈছে এই যে—ৰজাৰ বৰকুঁৱৰীয়ে দুপৰীয়া ভাত-পানী খাই উঠি চোতালৰ বদকাচলিত ৰদ লৈ বহি আছিল, এনেতে ওপৰেদি এজাক মইনা চৰাই উৰি গল। মইনাজাকৰ মইনা এটাই ৰাণীৰ মুখত পুৰীষোৎসৰ্গ কৰি গল। ৰাণীয়ে "মই এই দেশৰ ৰজাৰ পাটমাদৈ। মোৰ গিৰিহঁত সকলোৰে ওপৰত ৰজা। এনে ৰজাৰ ৰাজ্যত থাকি মইনাই মোৰ মূৰত এনে কাৰ্য্য কৰে, অথচ ৰজাই তাক শাসন নকৰে!" ইয়াকে ভাবি ৰাণী ৰোহঘৰত সোমালগৈ। ৰজাই ৰাণীক নেদেখি ৰোহঘৰত বিচাৰি পায়। সকলো বৃত্তান্ত শুনি মন্ত্ৰীৰে সেতে পৰামৰ্শ কৰি, মন্ত্ৰীৰ বুধিমতে তেতিয়াই ৰজাৰ ঘৰুৱা পোহণীয়া মইনাক মইনা চৰাইবোৰ মাতি আনিবলৈ পঠিয়াই দিলে। এই মইনা গৈ সেই মইনাজাকক ৰজাৰ আজ্ঞা শুনাই আহিবলৈ কলত সিহঁতে "গৈছোঁ যা" বুলি ৰজাৰ মইনাক কৈ পঠিয়াই দিলে। সিহঁতে সিহঁতৰ জগৰৰ কথা শুনি, ভাবি-চিন্তি, সেইদিনা নাহি, পিছদিনা ৰাজসভাত ওলালহি। ৰজাতো খঙত উগ্ৰমূৰ্ত্তি। আগদিনা সিহঁতে নাহি ৰজাৰ হুকুম অমান্য কৰাৰ কাৰণ সিহঁতক সুধিলত, সিহঁতৰ ভিতৰৰে মুখিয়াল মইনা এটাই আঁঠু লৈ ৰজাক কলে— "সৰ্গদেও। কালি আমি ইয়ালৈ আহিবলৈ ওলাওঁতেই সিফালৰ পৰা ঈশ্বৰৰ টেকেলাই আহি আমাক কলে— "আজি ঈশ্বৰৰ বৰচ'ৰাত বৰসভা বহিছে। সকলো দেৱতাসকল গোট খাইছে, তহঁতকো মাতিছে।" আমি সেই দেখি এইফালে আহিব নোৱাৰি ঈশ্বৰৰ সভালৈ গলোঁহক।" ৰজাই ঈশ্বৰৰ সভাতনো কি বিষয়ৰ মেল হৈছিল বুলি মইনাটোক সুধিলত, মইনাই কলে "কালি তাত লেখ কৰা হৈছিল, পৃথিবীত

মতা মানুহ কিমান, আৰু তিৰুতা মানুহ কিমান? ৰজাই সুধিলে— "লেখত কি ওলাল?', সি কলে —"মতা এগুণ, তিৰুতা দুগুণ পালে।', ৰজাই সুধিলে—"এনে কেনেকৈ হল? ঈশ্বৰে মতা আৰু তিৰুতা লেখত সমান কৰি চৰ্জিছিল নহয়?', মইনাই কলে — "সৰ্গদেও! লোকৰ কথা শুনি যি আকাশত উৰি ফুৰা চৰাইকো শাস্তি দিব খোজে, তেনেকুৱাবোৰকো ঈশ্বৰৰ সভাত তিৰুতাৰ লেখত ধৰা হৈছিল; সেইদেখিহে তিৰুতাৰ লেখ বেছি হল।" সৰ্গদেও ঈশ্বৰ! এনেতে বন্দীয়ে সাৰ পালোঁ। কিন্তু বন্দীয়ে দিঠকত কেতিয়াও ৰাজসভা দেখা নাছিলোঁ। সেইদেখি সৰ্গদেৱৰ ৰাজসভাখননো কেনে, আমি চাই লব খুজিছিলো। বন্দীক সৰ্গদেৱে মাৰেও মাৰক, কাটেও কাটক।

ৰজা। বেছ বেছ। ভাল কৰিলি। তোৰ আমি একো দায় ধৰা নাই। বুঢ়াগোহাঁই ডাঙৰীয়া! আপোনাৰ এই বহুৱা বামুণটো বৰ মজাৰ। ই বেছ সাধুকথা কব পাৰে। মূৰত অলপ বলিয়াৰ চাটও আছে সঁচা।

বৰপাত্ৰগোহাঁই। সৰ্গদেও! সি বঢ়িয়াকৈ গীতপদও গাব পাৰে। মই শুনিছো।

ৰজা। হেৰ গাচোন, গা গীত এটা।

খুহটীয়া (মূৰে কঁপালে হাত দি)। এতিয়াহে বন্দী বিপাঙে মৰিলোঁ।

(গীত)

হুকি মাৰি সুধিলে সৰ্গদেৱ ৰজাই,
ভেকুৰি এথোপে থোপ,
এই পাঁজি-পুথিত কিনো কৈছে
ভাঙি কথা কোৱা মোক।
সোণৰ শলমাছ টুবুঙাই সাৰিলে,
বগলী অতি শিয়ান,
হাতত পাঁজি লৈ ঢেকীয়াপতীয়াক
হাঁহচোৰে বিহে বিধান।
হাতত চাঁচ লৈ বাঢ়ৈ লৰ মাৰে,
চলিয়ে লৈ যায় খেদি,
হাতত হেতা লৈ ৰান্ধনী লৰ মাৰে
চৰুৱে লৈ যায় খেদি।

সপ্তম দৰ্শন

স্থান—গড়গাওঁ ৰাজধানী, এখন পোহাৰ
কাল—দুপৰীয়া

(নগাৰ বেশেৰে গদাপাণি। হেৰাত কচু, জলকীয়া ইত্যাদি। পোহাৰত পোহাৰী এজনী।)

গদাপাণি (পোহাৰীজনীক)। ঐ মিতিনী! কচু-জলকীয়া লবি?

পোহাৰী। কি কচু-জলকীয়া লব আজি? —মন ভাল নাই। চাচোন, দোকান-পোহাৰ সকলোৰে সামৰি গুচি গৈছে।

গদাপাণি। কিয়? কি ঐছেনো মিতিনী?

পোহাৰী। এ কি কমনো বোপাই? ৰজাৰ চাওদাঙে লাঙি গদাপাণিকোঁৱৰৰ জয়মতীকুৱৰীক ধৰি আনি যি যমৰ শাস্তি দি মাৰিছে, দেখি-শুনি, কাৰো মুখত পানী নাই বোপাই!

গদাপাণি (থমকি, শেঁতা পৰি)। কত মিতিনী! কত দিছে?

পোহাৰী। সেই বৰপথাৰত। চাব খুজিছ যদি যা। দূৰৰ পৰা চাই আহগৈ। সকলোৰে একো একোবাৰ চাই চকুপানী টুকি গুচি আহিছে। একো কৰৰ সাধ্য নাই। ৰজাৰ চোৰাংচোৱা পিট্‌পিটাই ফুৰিছে। কোনোবাই কিবা কলেই তাক টেপা মাৰি ধৰি লৈ যায়।

গদাপাণি। যাওঁচোন, ময়ো এবাৰ চাই আহোঁগৈ মিতিনী!

পোহাৰী। যা, তই পৰ্ব্বতীয়া নগা। তোৰো দেখিলে চকুৰ পানী নোলোৱাকৈ নেথাকে।

(গদাপাণিৰ প্ৰস্থান)

অষ্টম দৰ্শন

স্থান—টাব্‌লুং। বুঢ়া গামৰ ঘৰ
কাল—ৰাতি
(বুঢ়া গাম আৰু গামনী)

গামনী। বোলোঁ আজি তিনি দিন হল, ডালিমীৰ কোনো উৱাদিহ নেপালোঁহক। ইমানকৈ বিচাৰিলোঁহক, তথাপি ছোৱালীজনী কলৈ গল, কি হল, একো ভু উলিয়াব নোৱাৰিলোঁ। জানা ডালিমীৰ বাপেক! মোৰ বুকুখন এনেকৈ দহিব লাগিছে, মই আৰু

কি কম? এইদৰে হলে মই আৰু নিজীওঁ।

বুঢ়াগাম। মোৰ হৃদায় মনত খেলাইছিল, হেইজনী মোৰ ছোৱালী নহয়, কিবা আকাহী দেও কি পানীৰ দেও মোৰ ছোৱালী হৈ আহিছে। তাই হৃদায় আমাৰ লগত নেথাকে। আমাক দুইকো এৰি কেতিয়াবা আকৌ আকাহলৈ কি পানীলৈ গুচি যাব।

গামনী। জানা ডালিমীৰ বাপেক! বৈয়ামৰ হেই দেও-মানুটোৱেই মোৰ ছোৱালীজনী হৰি নিলে। মই ঠিক কথা কৈছোঁ।

বুঢ়া গাম। নহয় ডালিমীৰ মাক! নহয়। বোলোঁ তই কিবা বুল কতাকণ কৈছ। সেই মানুহটো গুচি যোবাৰ পিছতো দেকোন তাই দুদিন আছিল? হি কেনেকৈ তাইক নিব? তাৰ বাহিৰে, হুনিছা নে ডালিমীৰ মাক! তোক মই ঠিক কথা কৈছোঁ, মই বুৰা অলোঁ, মানু কুব চিনি পাওঁ। হেই মানুটো বৰ বাল আছিল। হি ৰজাৰ নিচিনা মানু। হি আমাৰ লোকচান কেতিয়াও নকৰে, মই তাক বালকৈ জানো। হি বৈয়ামত কিবাকিবি জগৰ কৰি আহিছিল, হেইদেখি তাক দৰি নিবলৈ মানু তাৰ পাছে পাছে গুৰি পুৰিছিল। সেইটো মই হুন্দৰকৈ বুজিছিলোঁ। বপুৰাক হিহঁতে দৰিয়েই নিলে নে কৰবাত তাক বাঘেই কালে কোনে জানে? নহলে হি হেইদৰে যোৱা মানু নঅয়। আমাৰ ডালিমীয়ে তাক বৰ বাল পাইছিল। হিও ডালিমীক বৰ চেনেহ কৰিছিল। হেইটোও মই মন কৰিছিলোঁ। সেই বুলি হি আমাক অন্ধলা কৰি কেতিয়াও ডালিমীক লৈ যোৱা নাই, তই নিশ্চয় জানিবি। তোৰ ছোৱালী এনেই কিবা চেৰাবলিয়াৰ নিচিনা। হেই মানুটো গুচি গলতে, তাইৰ মনত কিবা বেজাই এটা লাগি তাইও কৰবালৈ গুচি গলগৈ নাইবা কৰবাত পৰি মৰিলগৈ। মৰিলেই বা বোলোঁ কেনেকৈ? আমি আজি তিন দিন গুৰিপকি বিচাৰি গোটেটো পৰ্ব্বত চলথ কৰিলোঁ, তাইৰ হটোকেতো দেকিবলৈ পাব লাগিছিল? নাইবা জানিছ ডালিমীৰ মাক! তাই ঠিক দেও আছিল, এই হৰীৰেৰেই উৰি আকাহলৈ গুচি গল।

(এটা নগাৰ প্ৰবেশ)

নগা। বুঢ়াগাম কাই! তইঁতৰ হেৰোৱা ছোৱালীজনী পাইছিলোঁ।

গাম আৰু গামনী (দুয়ো একেলগে)। কত পাইছিল? কত পাইছিল?

নগা। হুন ককাই! হুন। হেই যে ৰিণিকি ৰিণিকি ওখ পৰ্ব্বতটো দেকিছ, হেই ফালে আজি আবেলি মই কৰি লুৰিবলৈ গৈছিলোঁ। পৰ্ব্বতৰ টিঙৰ পৰা কোনোবাই ৰিঙিয়াই গীত গোৱা হুনিলো। হুনি হেইটোনো কি বুলি মই হেই ফালে লাহে লাহে গলোঁ। গৈ দেখিলোঁ, তইঁতৰ ছোৱালীজনী! তাই পৰ্ব্বতটোৰ এটাতইকৈ ওখ টিংটোৰ ওপৰত উঠি হেইদৰে গীত গাই আছে। মই তলৰ পৰা উকিয়াই মাতিলোঁ— "ডালিমী! নামি আহ। তই তাত অকলৈ কিকন কৰিছনো বাৰু? তোৰ বুঢ়া বাপেৰ-মাৰে তোক

বিচাৰি নেপাই গোটেটো পৰ্ব্বত পাত পাত কৰি পুৰিছে।" মোৰ কথা শুনি তাই এনেকৈ এটা হাঁহি মাৰিলে, কিনো কবি গাম কাই! কিনো কবি আৰু? হেই গোটেইটো পৰ্ব্বত জন্‌জনাই গ'ল, আৰু তাৰ পৰাও তেনে এটা হাঁহি ওলাল। মোৰ গাটো বয়ত চম্‌চমাই গল দেই। মই আকৌ ৰিঙিয়াই মাতিলোঁ। তাই কত আহে? পৰ্ব্বতটোৰ হেই টিঙৰ পৰা তাই এনে এটা জাঁপ মাৰি দিলে, দেকি বয়ত মোৰ হাত-বৰি ঠক্ ঠক্ কৰে কঁপিবলৈ দৰিলে। তথাপি মই তেতিয়াই লৰি গৈ হেই ঠাইডোকৰৰ তলত বিচাৰিবলৈ দৰিলোঁ। কত বিচাৰিলোঁ, কত বিচাৰলোঁ, কি কম? একোকে নেপালোঁ। কলৈনো ছোৱালীজনী ময়া হৈ গল মই কবই নোৱাৰোঁ। মই টিক কৈছোঁ তইঁতে মান নে নেমান কৰ নোৱাৰোঁ। তইঁতৰ ছোৱালীজনী মানু নহয়, কিবা দেওহে আহিছিল

বুঢ়া গাম। ডালিমীৰ মাক! হুনিলি এতিয়া? তোৰ ডালিমী দেও নে মানু, মই কি কৈছিলোঁ? আৰু বেজাৰ কৰিবি নে? বোলোঁ দেওক তই দৰি ৰাখিব পাৰিবি নেঐ?

গামনী (উঠি)। মোৰ ডালিমী দেৱেই হওক বা মানুৱেই হওক, তুমি উঠা, বলা। আমি তাইক বিচাৰি যাওঁ। নহলে মই হলে জীয়াই তাকিব নোৱাৰো, টিক কতা কৈছোঁ। পেটৰ পোৰণিত মইনো কেনেকৈ তাকিবি ঐ? মাইকীৰ পেট নহয় জানো?

বুঢ়া গ্ৰাম। এইনো ৰাতিকন তই কলৈ যাবলৈ ওলাইছ ঐ? তইও কিবা ছোৱালীৰ লগতে বলিয়া অলি নেকি? যাব লাগে, ৰাতিপুৱাওক, কাইলৈ পুৱাও যাব পাৰিমইঁক। এতিয়া হুই তাকগৈ। (নগাটোক)—ভাইটি! তই যা।

(সকলোৰে প্ৰস্থান)

নৱম দৰ্শন

স্থান—বৰপথাৰৰ মাজ

কাল—আবেলি

(জয়মতী বৰপথাৰৰ মাজৰ এটা খুটাত বন্ধা। জয়মতীক শাস্তি কৰি, তিনটা চাওদাঙে ভাগৰি অলপ দূৰতে বহি জিৰাইছে। দূৰৰ পৰা দুই চাৰিজন বাটৰুৱাই বৈ বৈ চকুলো টুকি গুচি গৈছে। নগাৰ বেশেৰে গদাপাণিৰ প্ৰবেশ।)

গদাপাণি (জয়মতীৰ ওচৰ চাপি, মুখলৈ চাই)। হেৰ মানুজনী! তই এইদৰে হাস্তি কাই মৰিছ কেলৈ? গিৰিয়েৰৰ কথা কৈ নিদিয় কিয়?

(জয়মতীয়ে মূৰ দাঙি চাই, গদাপাণিক নিচিনি সাধাৰণ নগা বুলি ভাবি, একো নেমাতি আকৌ মূৰ দোঁৱায়।)

অলপ পিছতে কাতৰ কণ্ঠেৰে গীত গায়—

(গীত)

"কাহা গয়ো মাতা পিতা কাহা গয়ো ভাই।
ধন জন কাহা গয়ো সুহৃদ মনাই।।
কমনে নাপেখোঁ মন আপনা মৰণা।
নিশ্চিয় চলিতে লাগে যমৰ কৰুণা।।
নাম সুমৰিতে ছুটে অন্ত কেৰি দায়।
উত্তম অমৰ পদ ঠামহি মিলায়।।
কহয় মাধৱ দাস দীনমতি হীনা।
এভৱ তৰণী নাহি ৰাম নাম বিনা।।

গদাপাণি (আকৌ আগবাঢ়ি জয়মতীৰ মুখলৈ চাই)। হেৰ মানুজনী! শুনিছ নে নাই? তই এইদৰে হাস্তি কাই মৰিছ কেলৈ? গিৰিয়েৰৰ কথা কৈ নিদিয় কেলৈ?

(জয়মতীয়ে গদাপাণিক এইবাৰো চিনিব নোৱাৰি তুচ্ছ ভাবে চাই, একো নেমাতি মূৰ দোঁৱাই আকৌ গীত গায়)—

(গীত)

"কত তপসাই নৰতনু পাই
গোৱাঁইলোঁ বিষয় ভোলে।
যেন চিন্তামণি অমূল্য ৰতন,
বিকাইলোঁ কাঞ্চৰ মোলে।।
আয়ু আলেজালে গৈল পালে কালে,
প্ৰাণ কোন দিনা পৰে।
যমৰ যাতনা শুনিয়া হৃদয়
কম্পিত হে গৈল ৰৰে।।
তোমাৰ অভয় চৰণে শৰণ
বিনে নাহি আন গতি।
তুমি দয়াময় জানিয়া কহয়
মাধৱ মূৰুখ মতি।।"

(গদাপাণিৰ প্ৰস্থান)

———

দশম দৰ্শন

স্থান—ৰাজআলিৰ কাষৰ বৰগছৰ তল
কাল—ৰাতি
(গদাপাণি গছৰ তলত বহি)

গদাপাণি (স্বগত)। দুবাৰ ওলাই দেখা দিলোঁ, কথা কলোঁ, তথাপি মোৰ জয়াই মোক চিনিব নোৱাৰিলে। হৰি হৰি! কি শাস্তিকেই দিছে। মানুহে মানুহক এনে শাস্তিও কৰিব পাৰে বুলি আগেয়ে নেজানিছিলো। চমতাৰ কোবত সেৰ সেৰে গাত সাঁচ বান্ধিছে, ছাল ফাটি গৈছে, টোপ্ টোপ্‌কৈ তেজ ওলাই পৰিছে। এদিন নহয়, দুদিন নহয়, আজি হেনো তেৰ্দিন হল, এই যমৰ যাতনা চলিছে। কেনেকৈনো জয়াই সহিছে মই কব নোৱাৰোঁ। যি জয়া একেষাৰ টান মাততে জঁয় পৰিছিল, সেই জয়াৰ এনে যাতনা সহা, এনে সাহ, এনে বীৰত্ব এই চকুৰে নেদেখিলোঁহেতেন যদি, কোনো কালে কদাপিও পতিয়াব নোৱাৰিলোঁহেতেন। আৰু কাৰ নিমিত্তে এই জীয়াতু, এই ভয়ঙ্কৰ শাস্তি জয়াই সহিছে? কাৰ নিমিত্তে? সেয়া শুন গদাপাণি! শুন—জীৱ-জন্তু তৰু-তৃণ, আনকি মই বহি থকা এই শুকান কাঠডোখৰ পৰ্য্যন্ত সকলোৰে কৈছে গদাপাণিৰ নিমিত্তে। কি স্বামীভক্তি! কি প্ৰেমৰ গভীৰতা! হায়! এই নগন্য গদাপাণি, তুচ্ছাতিতুচ্ছ গদাপাণি, সেই সতীৰ যোগ্য স্বামী নে? হেৰ পলৰীয়া গদাপাণি! হেৰ স্বাৰ্থপৰ গদাপাণি! তই এই সতীৰ কাষত থিয় হবৰ উপযুক্ত নে? তই ভয়াতুৰ, স্বাৰ্থপৰ! তই এই সতীৰ দুখ-যন্ত্ৰণা আগতে আপোন চকুৰে চাই থাকি; কাপুৰুষৰ দৰে পলাই, শিয়ালৰ দৰে নেজ মোকোটা দি গুচি আহিলি! কিয়? তোৰ গাত কেনেবাঁকৈ আঁচোৰ এটা লাগিব বুলি? ছিঃ! তোৰ জীৱন ধিক! শতধিক! সহস্ৰধিক তোৰ গদাপাণি নাম! ধিক তোৰ বাহুবল! তুংখুতীয়া ফৈদৰ কুল কলঙ্ক! সঁচাকৈয়ে গদাপাণি এনে ভয়াতুৰ, এনে কাপুৰুষ নে? সঁচাকৈয়ে নে? গদাপাণিৰ অন্তৰত থকাজনে কৈছে নহয়। সেই বাণী, আৰু স্পষ্ট হৈ উঠিছে, শুন, শুন, শুন— "গদাপাণি কাপুৰুষ নহয়। "গদাপাণি স্বাৰ্থপৰ নহয়।" — "গদাপাণি ভয়াতুৰ নহয়।" —আৰু স্পষ্ট —"গদাপাণি! তই জীয়াই থাকিব লাগিব।" —"তোক মোৰ আৱশ্যক আছে।" "ৰসাতললৈ যোৱা ইন্দ্ৰবংশী আহোমৰ নাম আকৌ তোৰ দ্বাৰাই উদ্ধাৰ হব।" "তোৰ দ্বাৰাই অসমত আকৌ শান্তি আৰু সুশাসন স্থাপিত হব। তোৰ বাহিৰে আনৰ দ্বাৰাই এই কাৰ্য্য নহয়। সৌমাৰ পীঠত যি পাপ, অত্যাচাৰ আৰু নৰহত্যাৰ বীভৎস নাচ হৈছে, সেই নাচৰ অন্ত তোৰ দ্বাৰাই হব।" "পুণ্যৱতী

জয়মতীৰ পবিত্ৰ তেজেৰে অসমক ধুই পবিত্ৰ কৰিব লাগিব।" "জয়মতীৰ পবিত্ৰ তেজৰ চিটা অসমৰ গাত দিবলগীয়া হৈছে।" "ন্যায়ৰ পুনৰ প্ৰতিষ্ঠাৰ নিমিত্তে যি মহাযজ্ঞৰ আৰম্ভণ, সেই যজ্ঞত সতী জয়মতী বলি আৱশ্যক।"

কি বাণী! —ডাঙৰ যজ্ঞত ডাঙৰ বলি, ডাঙৰ আহুতি। মোৰ জয়াই এই কথা জানে। মোক কত দিন জয়াই এই কথা উনুকিয়াইছিল, মই তেতিয়া তাৰ মানে ভালকৈ বুজিব পৰা নাছিলোঁ। এই বাবেই জয়া, মোক ৰক্ষাৰ নিমিত্তে ইমান চিন্তিত। --মই এতিয়া ধৰা দিলে, মোৰ জয়াই ইমানকৈ শাস্তি ভুঞ্জি যিহৰ নিমিত্তে আত্মবিসৰ্জ্জন কৰিছে, সেইটো ব্যৰ্থ হব। সেইদেখি মোৰ শত্ৰুৰ হাতত ধৰা দিবৰ অধিকাৰ নাই। তথাপি দেখোন মনলৈ আকৌ সন্দেহ আহিছে! মই ঠিক কাম কৰিছোঁ নে? জয়মতীৰ অনাহকতে ইমান জীয়াতুৰ কাৰণ ময়েই নহওঁ নে? হে ঈশ্বৰ! হে অন্তৰ্য্যামী! হে পৰমাত্মা! আকৌ এবাৰ ভালকৈ কৈ দিয়া—মোৰ কাৰ্য্য ঠিক হৈছে নে নাই? আকৌ দেখোন মই ভাবি-চিন্তি উৰাদিহ নেপাই খপিয়াই ফুৰিবলগীয়া হলোঁ। হে প্ৰভু! এই অন্ধক বাট দেখুৱা মোৰ প্ৰভু! মোৰ জয়াই এনে বিপদত এনে সন্দেহত পৰিলে তাহানি গোৱা শুনিছিলো--

"তোমাৰ মায়াই মন মোহি আছে, হৰি এ,
অজ্ঞান আন্ধাৰে পৰিয়া পাৰ নাপাওঁ।
অভয় চৰণে শৰণ পশিলোঁ, হৰি এ,
তুৱা গুণ নাম ভকতি-প্ৰদীপ চাওঁ।।"

—আকৌ কাইলৈ এবাৰ যাম। আকৌ জয়াক দেখা দি মোৰ কথা কৈ দিবলৈ কম। চাওঁ, এইবাৰো জয়াই কি কৰে।

(প্ৰস্থান)

একাদশ দৰ্শন

স্থান—বৰপথাৰৰ মাজ
কাল---আবেলি

(জয়মতী পথাৰৰ মাজৰ খুটা এটাত বন্ধা। চাওদাংহঁত অলপ দূৰত। তৰ্বৰীৰ প্ৰবেশ।)

জয়মতী। সেইজনী তৰ্বৰী নে? মই ভালকৈ চকুৰে নেদেখা হৈছোঁ।

তৰ্বৰী (চকুলো টুকি, ঠোকাঠুকি মাতেৰে)। হয় আইচুদেউতা! মই তৰ্বৰী।

জয়মতী। তই আকৌ মোৰ লাই-লেচাইক এৰি আহিলি কিয় তৰ্‌বৰী? সিহঁতে চাগে মোক দেখিবলৈ নেপাই কান্দিছে। তয়ো আহিলি। তোকো নেপালে সিহঁতে কাৰ ওচৰত মুখ জুৰাব তৰ্‌বৰী? কিয় এৰি আহিলি তৰ্‌বৰী? যা, সিহঁতৰ ওচৰলৈ যা। মইতো যাবলৈ ওলালোঁ। ঈশ্বৰৰ শান্তিময় কোলালৈ যাবলৈ ওলালোঁ। দুখৰ ওৰ পৰিল আৰু। সৌৱা চাচোন, মোলৈ বিমান আহিছে। তই দেখিছ নে তৰ্‌বৰী? মোৰ ভনী তৰ্‌বৰী! মই তইঁতক অনেক দুখ দিছিলোঁ, সময়ে সময়ে অনেক টান কথা কৈ কষ্ট দিছিলোঁ। মোৰ দোষ ক্ষমা কৰিবিহঁক তৰ্‌বৰী! চাওদাংহঁত ওচৰতে আছে। তই গুচি যা, নহলে তোক সিহঁতে কেনেবাকৈ দুখ দিব। তোৰো কিবা হব লাগিলে, তেনেহলে মোৰ লাই-লেচাইৰ মুখ জুৰাবলৈ ঠাই নোহোৱা হব। সিহঁত একেবাৰেই অনাথ হব। যা তৰ্‌বৰী ! যা । ঈশ্বৰে তোৰ মঙ্গল কৰক।

(চকুলো টুকি তৰ্‌বৰীৰ প্ৰস্থান)

জয়মতী। (গীত)

কি কৰিলোঁ, কি কৰিলোঁ, ভকতি নকৰি।
অন্তকে পাইলেক মোক ৰক্ষা কৰা হৰি।।
পতিত পৰিয়া ৰৈলোঁ এ ভৱ কূপত।
ভকতি প্ৰসাদ মাগো তযু চৰণত।।
হা হৰি মোৰ প্ৰাণ বন্ধৱ মুৰাৰি।
অনাথৰ নাথ ভকতৰ ভয়াহাৰী।।
ৰাখা ৰঙা পদৰ তলে মই বৰ দুঃখিত।
পতিত পাৱন নাম জগতে বিদিত।।

(নগাৰ বেশেৰে গদাপাণিৰ প্ৰবেশ)

গদাপাণি (জয়মতীৰ ওচৰলৈ গৈ)। হেৰ মানুহজনী! তই কেলৈ ইমান যন্ত্ৰণা সৈছ; গিৰিয়েৰৰ কথা কৈ দি ৰক্ষা নপৰ কিয়?

জয়মতী (এইবাৰ গদাপাণিক চিনিব পাৰি, কেনেবাকৈ ৰজাৰ চাওদাঙেও চিনিব পাৰে বুলি, কৃত্ৰিম ক্ৰোধ প্ৰকাশ কৰি তাৰ পৰা গুচি যাবলৈ কয়)। মোৰ গৃহস্থৰ কথা মই নকওঁ, ইবিলাকৰ বা হৈছে কি? ইবিলাকক কোনে বা ইয়ালৈ মাতিছে? গুচি বা নেযায় কেলৈ?

গদাপাণি (দীঘল হুমুনিয়াহ কাঢ়ি, আকাশলৈ চাই—স্বগত)। চন্দ্ৰ-সূৰ্য্য সাক্ষী হবাহঁক। মই লুকুৱাৰ পৰা ওলাই আহি, তিনিবাৰ দেখা দি, মোৰ কথা কৈ দি জয়মতীক ৰক্ষা পৰিবলৈ কলোহি; তথাপি জয়মতীয়ে নুশুনিলে। এতিয়া আৰু মোৰ গাত একো

প্ৰত্যবায় নাই।

(গদাপাণিৰ প্ৰস্থান)

জয়মতী (গদাপাণি যোৱা দেখি, তেওঁৰ ফাললৈ অলপ ৰ লাগি চাই, তাৰ পিছত দুই হাত যুৰি ওপৰলৈ চাই)। হে ঈশ্বৰ! মোৰ স্বামীৰ মঙ্গল কৰা! মোৰ ল'ৰা দুটিক কুশলে ৰাখাঁ। এই দাসীক তোমাৰ অভয় চৰণত স্থান দিয়া।

(জয়মতীৰ প্ৰাণ পৰিত্যাগ। তেওঁৰ দেহ ভূমিত লুটি খাই পৰে আৰু দৰ্শকসকলৰ কান্দোনত কোঢ়াল লাগে।)

(অলপ দূৰত ৰজাৰ চাওদাং এটাৰে সৈতে পিথু চাংমাইৰ জোটাপুটি লাগে।)

পিথু চাংমাই (ৰজাৰ চাওদাঙৰ বুকুত কটাৰী বহুৱাই, তাক চিটকৈ পেলাই, তাৰ বুকুত বহি)। নীহ পহু! এনে পূণ্যৱতী দেৱী গেখানীৰ গাত হাত লগাইছিলি? তাৰ প্ৰতিফল তোক দিলোঁ। এতিয়া মোক তোৰ ৰজাই পিণ্ডত দিয়ে, শূলত দিয়ে, যি কৰে কৰি থাকক।

(চাওদাংটোৰ মৃত্যু। আন চাওদাংকেইটাই বেঢ়ি ধৰি পিথুক টোকোনেৰে কোবাই মাৰে। চাৰিউফালে মানুহৰ হুলস্থুল লাগি পৰে। হঠাৎ লৰি তৰ্বৰীৰ প্ৰবেশ।)

তৰ্বৰী (চাংমাইৰ শৰটোৰ কাষত বহি)। চাংমাই! তোৰ মোল আজিহে ভালকৈ বুজিলোঁ। ফটা কঠাত সোণ আছিল। মোক বিয়া কৰিবলৈ তোৰ হেঁপাহ আছিল। তোৰ আশা সিদ্ধি নহল। সিপুৰিত দুয়োৰো বিয়া হব নিশ্চয়।

(ৰজাৰ চাওদাঙে তৰ্বৰীক ধৰি লৈ যায়)

সমাপতি

স্থান—বৰপথাৰৰ মাজ,

ঠিক জয়মতীক যি ঠাইত শাস্তি কৰি মৰা হৈছিল সেই ঠাই

কাল—ৰাতি দুপৰ

(গদাপাণিৰ নগাৰ বেশেৰে প্ৰবেশ।)

গদাপাণি (আঁঠু কাঢ়ি)। এইডোখৰ মোৰ তীৰ্থস্থান। এইডোখৰ ঠাইতে মোৰ পূণ্যৱতী জয়াই প্ৰাণ পৰিত্যাগ কৰিলে। তেওঁৰ সকলো ক্লেশ—যন্ত্ৰণাৰ এইখিনিতে ওৰ পৰিল। জয়া! জয়া! পূণ্যৱতী জয়া! উস্ কি যন্ত্ৰণাকে তুমি সহ্য নকৰিলা! পাষণ্ডনৰাধমহঁতে তোমাক কি যন্ত্ৰণাকে দি মাৰিলে। তোমাৰ গাৰ তেজ টোপাটোপে

পৰি এইখিনিৰ মাটি তিতিছিল। (মাটিত হাত দি) উস্! এতিয়াও মাটিডোখৰ তোমাৰ তপত তেজেৰে তপত হৈ আছে! তোমাৰ স্বামীয়ে সেই নৰপশুহঁতৰ হাতৰ পৰা তোমাক ৰক্ষা কৰিব নোৱাৰিলে। কাপুৰুষ তোমাৰ স্বামী। হেৰ গদাপাণি! তোৰ মুখ ঢাক। এই সতীৰ আগত তোৰ নিলাজ মুখ নুলিয়াবি। নৰাধম চুলিকফা! নৰাধম বুঢ়াগোহাঁই! ভতুৱা কুকুৰ বৰপাত্ৰগোহাঁই। তহঁত এনেই সাৰিবি নে? মোৰ পুণ্যৱতী সতী জয়াক এইদৰে বধ কৰি তহঁত সুখেৰে থাকিবি নে? দেখিবি, মহাসতী জয়াৰ তেজে তিৰোৱা প্ৰত্যেকটো ধূলিকণাই কালান্তক মূৰ্ত্তি ধৰি তহঁতক নগুৰশান্তি কৰি মাৰিব!

(হঠাৎ জ্যোতিৰ্ম্ময়ী জয়াৰ মূৰ্ত্তিৰ আবিৰ্ভাৱ আৰু ক্ষন্তেকতে অন্তৰ্দ্ধান)

ই কি! মোৰ জয়া যে! মোৰ জয়াৰ মূৰ্ত্তি! কলৈ গল? হঠাৎ কত লুকাল? (হাতযোৰকৈ) কলৈ গলা হে দেৱী? তোমাৰ গদাপাণি স্বামীক আকৌ এবাৰ দেখা দিয়া।

(অন্তৰীক্ষৰ পৰা বাণী গদাপাণিৰ কাণত পৰে)

প্ৰিয়তম স্বামী! আপুনি আৰু মিছাতে মোলৈ শোক নকৰিব। মই বিমল আনন্দত আছোঁ। শোকসন্তাপ এই ৰাজ্যত নাই। আপুনি আৰু ইয়াত নেথাকিব। গুৱাহাটীলৈ গুচি যাওক। আপোনাৰ ভিনিহিয়েক বন্দৰ বৰফুকনৰ আশ্ৰয়ত থাকি শক্তি সঞ্চয় কৰকগৈ। তেওঁৰ সহায়ত আপুনি ল'ৰাৰজাৰ ওপৰত জয়লাভ কৰিব। আপোনাৰ দ্বাৰাই অসমত পুনৰ শান্তি আৰু সুশাসন স্থাপিত হব। লাই-লেচাইৰ মঙ্গল হব। লাইৰ সুযশস্যাৰ কীৰ্ত্তিয়ে গোটেই অসম ব্যাপিব। আপোনাৰ কাৰ্য্যৰ অন্তত আপোনাৰ সৈতে মোৰ আকৌ এই লোকত মিলন হব। এই মিলনত পৰমানন্দ।

আঁৰ কাপোৰ

ওপৰঞ্চি

জ্যোতিপ্ৰসাদৰ দৃষ্টিত লক্ষ্মীনাথ

বেজবৰুৱা প্ৰতিভা

(সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ মহাপ্ৰয়াণত মৰ্মাহিত জ্যোতিপ্ৰসাদে লক্ষ্মীনাথৰ প্ৰতিভাৰ মূল্যায়ন কৰি প্ৰবন্ধ এটি লিখিছিল 'বেজবৰুৱা প্ৰতিভা' নামেৰে। আমাৰ গ্ৰন্থৰ প্ৰতিপাদ্য বিষয় যিহেতু 'জয়মতী' সম্পৰ্কীয় সেয়েহে প্ৰবন্ধটিত আলোচিত 'জয়মতী'-কেন্দ্ৰিক বেজবৰুৱাৰ নাট্যপ্ৰতিভাৰ ওপৰত আলোকপাত কৰা অংশখিনি প্ৰাসংগিক বিবেচনা কৰি কেৱল সেইখিনি অংশহে পুনৰ প্ৰকাশ কৰা হ'ল।)

বেজবৰুৱা আমাৰ জাতীয় নাট্যকাৰ। তেওঁৰ নাটক পঢ়োঁতাৰ কাৰণে এইটো ফট্‌ফটীয়া হৈ ওলাই আছে। কাৰণ তেওঁৰ নাটকত কল্পনা আৰু ভাবৰ কুঁৱৰীবোৰক নচুৱাবলৈ যিখিনি বাজনা মাৰিছে সেইখিনি বাজনাই বোলে জাতীয়তাৰ বাণীহে ফুটাইছে আৰু যি ৰাগৰে বিধে বিধে সুৰ ৰচি সিহঁতক গোৱাইছে সেই ৰাগৰ basic notes খিনিয়ে জাতীয় ভাবৰ atmosphere সৃষ্টি কৰিছে আৰু তাৰে dominant টো অনুভৱ কৰিব পৰাকৈয়ে জাতীয়তাৰ স্বৰত বন্ধা। তেওঁ নাটকৰ মাজেদি জাতীয়তাৰ প্ৰচাৰ কৰিছে বুলিলেও বৰ ভুল কোৱা নহব। কেতিয়াবা পোনপটীয়াভাৱে, কেতিয়াবা আওপকীয়াকৈ, কেতিয়াবা লুকুৱাই, কেতিয়াবা দেখুৱাই, কেতিয়াবা কাণে কাণে ফুচফুচাই, কেতিয়াবা ওখ মাচিয়াৰপৰা চিঞৰি বক্তৃতা দি তেওঁ নাটকৰ মাজেদি জাতীয়তাৰ বাণীয়েই প্ৰচাৰ কৰি গৈছে। বেজবৰুৱা আমাৰ জাতীয় নাট্যকাৰ কাৰণ তেওঁৰ হাততেই আমাৰ অসমীয়া জাতীয় চৰিত্ৰ ফুটি উঠিছে। বিশ্ব-সাহিত্যৰ পুথিৰ পাতত লয়লাসে নাচিব পৰা ডালিমী মানসীকন্যাৰ সৃষ্টি হৈছে। যিজনৰ নাটকত অসমীয়া জাতিৰ জাতীয় জীৱনৰ আগবাৰীৰপৰা অন্তেষপুৰীয়া বৰঘৰৰ ভিতৰৰ চোৰচাঙৰ ছায়াছবিত প্ৰতিফলিত হৈছে, যাৰ নাটকৰ চৰিত্ৰৰ মাজেদি আমি অসমীয়া মানুহৰ আচল authentic (বিশ্বাসযোগ্য) আৰু বেজীৰ জলাকো মনিব পৰা মনস্তাত্ত্বিক বিশ্লেষণ পাই অসমীয়াৰ স্বৰূপ চিনিব পাৰি, অসমীয়াই নিজে নিজক ফটফটীয়াকৈ বেজবৰুৱাক প্ৰথম শ্ৰেণীৰ পাঠকৰূপী ডাঠ দাপোণত দেখিবলৈ সমৰ্থ হৈ নিজকে জানিব বুজিবলৈ সমৰ্থ হৈছোঁ, যিজনাৰ নাটকত গোটেই অসমীয়াৰ জাতীয় জীৱনৰ ছবিৰ দুয়ো পিঠি প্ৰতিফলিত হৈ দৰ্শনে-শ্ৰৱণেদি অসমীয়াৰ প্ৰাণৰ প্ৰাণত সম্যকভাৱে জাতীয় ভাবৰ উন্মেষ কৰিব পাৰিছে

সেইজন অবশ্যেই আমাৰ জাতীয় নাট্যকাৰ। তেওঁৰ নাটক অসমীয়া নাট-লিখোঁতাৰ চানেকিৰ থল।

নাটকৰ সোৱাদলগা সাধু বাছি উলিয়াত, নাটকীয় অভিনৱ চৰিত্ৰ-সৃষ্টি কৰাত আৰু চৰিত্ৰ অঁকাত, নাটকীয় বচনৰ ৰচনা-চাতুৰ্য্যত, নাটকীয় ঘটনাৱলী সজোৱাত, নাটকীয় চৰিত্ৰ আঁকি মৌলিকতা দেখুৱাত আৰু এনেবোৰ চৰিত্ৰ বিচিত্ৰকৈ সুচিত্ৰিত কৰিব পৰাত, যাৱতীয় নাটকীয় কাৰিকৰি মৌলিকতাৰে বিচক্ষণতাৰে খটুৱাই নাটকৰ শাৰীৰ নামে গাঁৱে অসমীয়া নাটক গীতে-মাতে মিঠাকৈ দিব পৰাত সুদক্ষ প্ৰথম শ্ৰেণীৰ নাট-লিখোঁতা বেজবৰুৱাক অসম দেশৰ জাতীয় নাট্যকাৰৰ মুকুট আমি পিন্ধাব পাৰোঁ।

এইখিনিতে নাটকীয় কাৰিকৰি বুলিলে আমি কি বুজোঁ তাৰ বিষয়ে অলপ মোখনি মাৰিলে আমাৰ পিছলৈ সুবিধা হব। নাটকীয় কাৰিকৰি (dramatic technique) হৈছে নাট্যকাৰৰ হাতৰ উপায় (means) যিহৰ দ্বাৰাই নাট্যকাৰে নাটকৰ মাজেদি নিজৰ কবলগীয়াখিনি তাৰ যোগেদি দৰ্শকক, পঢ়োঁতাক কয়। নাটকৰ বিষয়বস্তু, সাধু, নাটকীয় সৃষ্টি, নাটকীয় চৰিত্ৰাঙ্কণ, নাটকীয় বচন (dramatic dialogue), ঘটনা সজোৱা (plot making), পৰিস্থিতি (situation), সংঘৰ্ষ (conflict), পাৰিপাৰ্শ্বিকতাৰ সৃষ্টি (atmosphere), action আৰু ঘটনা সজাওঁতে unity, suspense, climax, tempo, movement, interest, নাটকীয় বচনৰ লক্ষণালক্ষণ interesting brilliant witty condensed informative প্ৰাঞ্জল ইত্যাদি কৈ আৰু নাট্যকাৰে এইবোৰ সুচাৰুকৈ কৰিব পৰা ক্ষমতা আৰু নাটক লিখোঁতাৰ নাটক লিখাৰ কাৰণে কিছুমান মানসিক শক্তি, যেনে ঘটনা বাছনি কৰিব পৰা সূক্ষ্ম বিশ্লেষণ আৰু পৰ্য্যবেক্ষণ কৰিব পৰা শক্তি (power of observation) ইত্যাদি কথাবোৰ আমি নাটকীয় কাৰিকৰিৰ অন্তৰ্গত নাট্যকাৰৰ অভিলষিত গুণাগুণ দৰ্শকৰ মনত সৃষ্টি কৰি দৰ্শকৰ পৰা maximum response উলিয়াই ৰস সৃষ্টি কৰি উদ্দেশ্য সফল কৰাৰ উপায় বা অবলম্বন বুলিব পাৰোঁ। নাট্যকাৰে এইবোৰ যিমান পাৰদৰ্শিতাৰে কৰিব পাৰে বা প্ৰয়োগ কৰিব পাৰে নাট্যকাৰে সেই অনুপাতে কৃতকাৰ্য্য হবলৈ সক্ষম আৰু নাট্যকাৰৰ নাটে মঞ্চত সেই অনুপাতে সফলতা লাভ কৰি দৰ্শকৰ মনোৰঞ্জন কৰিব পাৰে। অৱশ্যে নাটকীয় কাৰিকৰিৰ সূক্ষ্ম প্ৰয়োগৰ উপৰিও নাট্যকাৰৰ বিষয়-বস্তু, নাট্যকাৰৰ ভাবৰ গভীৰত্ব সৃষ্টি, দৃষ্টি আৰু মেধাৰ তীক্ষ্ণতাৰ ওপৰতেইহে আচলতে নাটকৰ মহত্ত্ব (greatness) আৰু সাহিত্যিক মূল্য নিৰ্ভৰ কৰে। এখন নাটকত নাটকীয় ভাগ ভালকৈ প্ৰয়োগ হলেও যদি তাৰ নাট্যকাৰজন technique of entertainments ত অপাৰগ বা দুৰ্ব্বল হয় আৰু নাটকখন dramatic গুণত চহকী হয় কিন্তু তাৰ theatric অভিনয়ৰ ফালটো দুৰ্ব্বল হৈ থাকে তেন্তে সেই নাটকে

পঢ়োঁতাৰ মনোৰঞ্জন কৰি সাঁচ বহুৱাব পাৰিলেও অভিনয়ত ভালকৈ কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰে। এখন নাটকীয় কাৰিকৰিত নিখুঁত নাটকে দৰ্শকক appeal নকৰিবও পাৰে, কিন্তু আনফালে নাটকীয় কাৰিকৰিৰ বহুত দোষত দুষ্ট এখন নাটকে তাৰ উচ্চ মূল্যৰ বিষয়-বস্তুৰ বাবে আৰু সাধুভাগৰ শক্তিশালী appeal আৰু নাটকীয় বচন-চাতুৰ্য্যৰ বাবেই হয়তো দৰ্শকৰ মনত চাব বহুৱাই দিব পাৰে আৰু তাৰ সাহিত্যিক মূল্য সোণসেৰীয়া হব পাৰে। Entertainment technique ৰ ফালৰপৰা এখন নিখুঁত নাটক অতি সৰবৰহী হৈ অতিকে জনপ্ৰিয় হোৱা সত্বেও হয়তো সাহিত্যত ঠাই নাপাই দুদিনলৈ মানুহক ৰং লগাই season flower ৰ দৰে চিনচাব নোহোৱা হৈ যাব পাৰে। নাটকীয় কাৰিকৰিৰ এইবোৰ বিবিধ বিভাগ আৰু খুতি-নাতিৰ উল্লেখ আৱশ্যকমতে কৰি গৈ থাকিম আৰু এইবোৰ বেজবৰুৱাই ক'ত কেনেকৈ প্ৰয়োগ কৰিছে নকৰিছে, তাৰো বাতৰি দি থাকিম। বৰ্ত্তমানে আমি জয়জয়তে বেজবৰুৱাৰ নাটত কিবা চৰিত্ৰ-সৃষ্টি আছে নে নাই চাওঁ আৰু তাৰ গুণাগুণৰ বিষয়ে আলোচনা কৰিবলৈ আগবাঢ়োঁহক। এইখিনিতে আকৌ পাতনি পাতিবৰ আৱশ্যক হ'ল। নাটকীয় চৰিত্ৰ-সৃষ্টি বুলিলে আমি কি বুজিম তাক আগেভাগেই বুজি ললে বেয়া নহব।

নাট্যকাৰে যেতিয়া কোনো এটা idea ক বা কেবাটাও idea মিহলাই তাকে ৰূপ দি অভিনৱ নাটকীয় চৰিত্ৰ হিচাপে নাটকৰ মাজেদি দাঙি ধৰে তাকে আমি নাটকীয় চৰিত্ৰ-সৃষ্টি একৰকম বুলিব পাৰোঁ। অভিনৱত্বই হৈছে এই নাটকীয় চৰিত্ৰ-সৃষ্টিৰ প্ৰধান ভেটি। এই সৃষ্টি নাট্যকাৰে কেতিয়াবা কোনো এটা abstract idea ক ৰূপ দি, কেতিয়াবা কোনোবা নাট্যকৰে নতুন ভাবৰাজ্যৰ বাতৰিৰ (message) তেজমঙহেৰে গঢ়া জীৱ হিচাপে নাটকত সন্নিবেশিত কৰে। এই জীৱ সময়ত কল্পনাৰ (imagination) খোঁটালিৰ আৰু সময়ত intellectualism ৰ খোঁটালিত জন্ম লয়। আৰু ই আগেয়ে নোহোৱা নোপজা জীৱ দেখিয়েই ইয়াক সৃষ্টি বোলা হয়। এই সৃষ্টি ভাল বা বেয়া, সম্পূৰ্ণ বা অসম্পূৰ্ণ হ'ব পাৰে। বহুত সময়ত পুৰণি চৰিত্ৰ এটাৰ আলম লৈয়ো নাট্যকাৰে চৰিত্ৰ-সৃষ্টি কৰিবলৈ প্ৰয়াস পায়। ইয়াক বহুতে সম্পূৰ্ণ সৃষ্টি নুবুলিবও পাৰে। ই হৈছে পুৰণি চৰিত্ৰ এটাৰ নতুন interpretation দিয়া। এনেকুৱাত সেই পুৰণি চৰিত্ৰৰ বাহিৰা আৱৰণ যদিও একে থাকে, নাট্যকাৰে কিন্তু সেই চৰিত্ৰৰ inner being ক নিজেই সৃষ্টি কৰি পুৰণি ফটিকাৰ বাটিত নতুন সুৰা দাঙি ধৰে। সেই চৰিত্ৰ নাট্যকাৰৰ মনৰ খোঁটালিত সোমাই তাতে পমি নাইকিয়া হৈ যায় আৰু নাট্যকাৰে সেই পমি যোৱা পদাৰ্থখিনিৰপৰাই নকৈ মূৰ্ত্তি গঢ়ি তাৰ ভিতৰত এখন নতুন অভ্যন্তৰ গঢ়ি দৰ্শকক দান কৰে। লিখকৰ শোণিত-কুঁৱৰীৰ চিত্ৰলেখাৰ চৰিত্ৰটো এনে ধৰণৰ চৰিত্ৰ-সৃষ্টিৰ প্ৰয়াস। সি কৃতকাৰ্য্য

হৈছে নে নাই সেই কথাৰ অৱশ্যে বিচাৰৰ ভাৰ আনৰ ওপৰত। নাটকীয় চৰিত্ৰ-সৃষ্টি আৰু চৰিত্ৰাঙ্কণ দুটা বেলেগ বস্তু। বৰ্ত্তমানে আমি প্ৰধান চৰিত্ৰ-সৃষ্টি হাতত লওঁ।

বেজবৰুৱাৰ এই চৰিত্ৰৰ সৃষ্টি হৈছে জয়মতীকুৱঁৰী নাটকত। ই যে এটা সম্পূৰ্ণ চৰিত্ৰ-সৃষ্টি আৰু প্ৰথম শ্ৰেণীৰ চৰিত্ৰ-সৃষ্টিৰ গুণ সমন্বিত তাক আমি বহলাই আলোচনা কৰিম। এই ডালিমী চৰিত্ৰৰ বিষয়ে যিটো conception নাট্যকাৰে কৰিছে আৰু সূত্ৰপাতৰ সময়তে যি বুলি দৰ্শকক জানিবলৈ দিছে, সেইবোৰ নাটকৰ অঙ্ক-দৰ্শনৰ মাজেদি ঘটনাৱলীৰ মাজেদি কেনেভাৱে develop কৰিছে আৰু তাৰ প্ৰথম স্ফুৰণৰপৰা শেষ পৰিণতিলৈকে নিখুঁতভাৱে সম্পূৰ্ণৰূপে বিকাশ হৈ দৰ্শকৰ মনত অভিলষিত ৰসসৃষ্টি কৰি দৰ্শকক অভিভূত কৰি সেই চৰিত্ৰৰ নাটকীয় স্থিতিৰ বিষয়ে আৰু সেই চৰিত্ৰৰ মুখত দিয়া সত্যৰ বিষয়ে convinced কৰাব পাৰিছে নে নাই ইত্যাদি সকলো চাই যোৱা যাওক।

ডালিমীয়ে যদিও নগা-সাজেৰে নগা-পৰ্ব্বতত অনাই-বনাই ফুৰি নাট্যকাৰৰ গদাপাণিৰ আত্মনিৰ্ব্বাসনত সহায় হৈ ফুৰিছেগৈ, তাই নিশ্চয়কৈয়ে অসমীয়া লক্ষ্মীনাথৰ অশৰীৰী জীয়েক, লক্ষ্মীনাথৰ বহল হিয়াৰ কথাখিনি সংক্ষেপকৈ ভৈয়ামৰ প্ৰতিনিধি গদাধৰৰ আগত বিনাই কৈ ফুৰিছে। লক্ষ্মীনাথৰ মৰমিয়াল, বিশ্বপ্ৰেমেৰে ভৰপূৰ অন্তৰখন কুমলীয়া, আলসুৱা ডালিমীজনীয়ে যেন নাটকৰ পাতে পাতে নাচি-বাগি অসমীয়াৰ লগে লগে মানুহৰ মনৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰি হোৱাত মৰমৰ ফল-ফুল লৈ বিলাই ফুৰিছেহি। জয়মতী নাটকৰ চৰিত্ৰৰ মুখৰ বচনৰপৰা ডালিমীনো কেনে সেইটো জনাৰ লগে লগে ডালিমীজনীনো কি, নাট্যকাৰে তাইক উকা নাগিনীকৈয়ে উলিয়াইছে নে আন হিচাপে উলিয়াইছে তাক ভালকৈয়ে গম পাওঁ। নাটকীয় বচনবোৰে ডালিমীজনীৰ বিষয়ে এইদৰে আমাক inform কৰে বা খবৰ দিয়ে যে পৰ্ব্বতত যতবোৰ প্ৰাকৃতিক শোভা-সৌন্দৰ্য্য আছে সোপাই একেলগ হৈ ৰূপ ধৰা জীৱ। যাৰ নৈ-বন, গছ-লতা আপোন, যি চৰাই-চিৰিকতি, পছ-পতঙ্গৰ সৈতে ভাবৰ সলনাসলনি কৰে আৰু যি সকলোলৈকে মৰমতে মৰে। যি পখিলাৰ লগৰে লগৰীয়া আৰু সিহঁতে যেনেকৈ উৰি-ফুৰি ফুলৰ মৌ চুহি খাই ফুৰে আৰু পখিলা ধৰিলেও তাক আলফুলকৈ ধৰি উৰাই দিয়ে। মানুহে মানুহক মাৰিবলৈ বিচাৰোঁতে (হিংসা কৰোঁতে) আচৰিত হয়। গদাপাণিক ৰাখি ফুৰা দেবদূত—যি খোপাত বিজুলীৰ ফুল, কাণত পদুমৰ কেৰু আৰু হাতত মৃণালৰ খাৰু আৰু গলত সোণৰ সাতশৰী আঁৰিব খোজে, যি ডাৱৰ ধৰিব খোজে আৰু ডাৱৰৰ ওপৰে ওপৰে চৰি বিজুলী ধৰি বিজুলীৰ লগত ধেমালি কৰিবলৈ বিচাৰে, যাৰ মন চিৰনবীন, যি ল'ৰা-বুঢ়া কাক কয় তাক নুবুজে, যি পুৰণি পৃথিৱীখন ফুটুকী ফুলেৰে

সদায় ল'ৰাতকৈও ল'ৰা হৈ থকা দেখে, যি পুৰণি আকাশ ফুলাম তৰাবে ল'ৰাতকৈয়ো ল'ৰা যেনে দেখে আৰু যি কৌটিকলীয়া মেঘৰ বুকুত নাচি উমলি থকা বিজুলীৰ দৰে সদায় নৃত্যময়ী নবীনা হৈ থাকিবলৈ বিচাৰে, যিজনীয়ে পখিলা খেদি খেদি ধেমালি কৰি ফুৰোঁতেও গদাপাণিক বিপদৰপৰা ৰাখি-মেলি ফুৰি তীক্ষ্ণ দৃষ্টিৰে গদাপাণিক চাই থাকে আৰু পিছত সেই কাম নোহোৱা হ'লত প্ৰকৃতিৰ সৌন্দৰ্য্য আৰু শোভাৰ মাজত কৰবাত নাইকিয়া হৈ যায়—এইজনী ডালিমীকে বেজবৰুৱাই জয়মতী-কুঁৱৰী নাটকৰ মাজেদি আমাৰ আগত দাণ্ডি ধৰিছে। ডালিমী এটা স্বৰ্গীয় মঙ্গলময়ী শক্তি। তাই মৰতৰ বাঞ্ছকৰনীয়া সৌন্দৰ্য্যৰ ৰূপত থানিকা লৈছেহি। মঙ্গলময়ী শক্তিৰ দৰে বিৰাজ কৰি evil কো counteract কৰিছে। আমাৰ মঙ্গলময়ী দেৱী গোসাঁনী যেতিয়া মানুহৰ মাজলৈ আহে তেতিয়া evil অক ধ্বংস কৰিবলৈ তেওঁ আবিৰ্ভাব হোৱাৰ দৰে প্ৰথমেই ডালিমীয়ে দূৰে দূৰে মায়াপী ছায়াময়া শক্তিৰ দৰে গদাপাণিৰ ওপৰত চকু ৰাখি প্ৰথমেই গদাপাণিৰ ওচৰলৈ আহি কৈছেহি যে তাই গদাপাণিক আক্ৰমণ কৰিবলৈ অহা চাওডাংবোৰক কড়িয়াই মাৰি আহিছে। এটা কবিতাময়ী সৌন্দৰ্য্য-সৃষ্টিৰ কুমলীয়া আলসুৱা ডালিমীক বেজবৰুৱাই ৰণচণ্ডী ৰূপেৰে নিয়োজিত কৰিছে। ই হয়তো বৰ অদ্ভুত যেন লাগিব পাৰে, কিন্তু দকৈ চাবলৈ গ'লে দেখা যায় যে সকলো মঙ্গলময় বস্তুৱেই মঙ্গল দানি থকাৰ লগে লগে evil অকো ধ্বংস কৰে আৰু evil ধ্বংস কৰাটোও মঙ্গলদানৰ ভিতৰতে পৰে। সেই কাৰণে শিৱই যি জগতক মঙ্গল দানিলে তেওঁ আনফালে ধ্বংসৰ খেলাও খেলিছে। সত্যৰ সত্য প্ৰতিভাত হোৱাটোৱেই যদি কাম হয় তেন্তে সত্যৰ অসত্য নাশটোও লগতে লগা। মঙ্গলৰ মঙ্গল দান মানে অমঙ্গল নাশ। সৌন্দৰ্য্যৰ যদি সুন্দৰ কৰাই কাম হয় তেন্তে অসুন্দৰ গুচোৱাটোও জানো আপোনা আপুনি হৈ নপৰে? মুঠতে আমি এক কথাত কবলৈ গলে ডালিমী হৈছে কল্যাণ (good)। কল্যাণ সুন্দৰ হবই লাগিব, মঙ্গলময় হবই লাগিব আৰু evil counteract কৰিবই লাগিব আৰু এই good হৈছে সত্য। এই যে চিৰকল্যাণ (eternal good) ইয়েই ডালিমীৰ আত্মা বুলি মই কব খোজোঁ। আৰু এই চিৰকল্যাণক তেজ-মঙহেৰে ডালিমী কৰি বেজবৰুৱাই জয়মতী কুঁৱৰী নাটত আমাক দিছে। সেই কাৰণেই ডালিমী চৰিত্ৰ-সৃষ্টি এটা মহৎ সৃষ্টি (a great creation)। আন আন সাহিত্যত এই চৰিত্ৰৰ parallel আছে নে নাই তাক আমি নাট্য-সাহিত্যৰ বিষয়ে comparative study কৰা অসমীয়া মনীষী কেজনৰ ওপৰত ভাৰ দি এতিয়া এই great সৃষ্টিটো বেজবৰুৱাই নাট্যশিল্পী হিচাপে কেনেকৈ বিকাশ কৰি দৰ্শকৰ আগলৈ কেনেকৈ উলিয়াইছে তাক আমি ইয়াৰ পিছত আলোচনা কৰিম।

এই ডালিমী চৰিত্ৰ সৃষ্টিৰপৰাই বেজবৰুৱাক আমি Born Dramatist বুলি কব

পাৰোঁ। জাৰ্মান ভাষাত এটা পটন্তৰ আছে— "Kein meister hat vom Hliemmel gefallen." অৰ্থাৎ কোনো ওজা আকাশৰপৰা সৰি পৰা নাই। কিন্তু আমি ডালিমী চৰিত্ৰ-সৃষ্টি দেখি কবৰ মন যায় যে বেজবৰুৱা অসমীয়া সাহিত্য জগতত এজন ওজা নাট্যকাৰ হৈ আকাশৰপৰা সৰিহে পৰা।

বেজবৰুৱাই কল্পনাৰ কি ভাবৰ সমষ্টিক ভেটি কৰি ডালিমী চৰিত্ৰটো গঢ়িব খুজিছে তাক ওপৰত কৈ অহা হৈছে আৰু সেই তেজ-মঙহৰ পুতলাৰ স্বৰূপে গঢ়ি কেনেকৈ বেজবৰুৱাই নাট্যকাৰ হিচাপে তাক বিকাশ কৰি নাটকৰ মাজেদি দৰ্শকৰ আগলৈ সঞ্জাত যোৱাকৈ উলিয়াইছে তাকে আমি এতিয়া আঁহ ফালি বিচাৰ কৰিবলৈ প্ৰয়াস কৰিম।

প্ৰথমতে নাট্যকাৰৰ আগত মহা সমস্যা। যি 'চিৰকল্যাণ'ক নাট্যকাৰে দৰ্শকৰ আগলৈ উলিয়াব খুজিছে তাক উলিয়াব লগা হৈছে এজনী নাগিনীৰ মূৰ্ত্তিত। এতিয়া যদি দৰ্শকে প্ৰথম দৰ্শনতে ডালিমীক এজনী সাধাৰণ নাগিনী হিচাপেহে লয় তেন্তে নাট্যকাৰৰ আচল উদ্দেশ্যটো ব্যৰ্থ হৈ যাব আৰু নাট্যকাৰে ডালিমীক যি বুলি দৰ্শকক কব খুজিছে তাক দৰ্শকে নুবুজিব। আৰু যদি নাগিনীৰ ৰূপ ৰাখি ডালিমীজনীক কিবা এটা mystic figure হিচাপে নাইবা কিবা spirit অৰ দৰে দেখুওৱা যায় তেতিয়া হ'লে দৰ্শকে ডালিমীক সেই ৰূপধৰা চিৰকল্যাণ বুলি বুজিলেও জয়মতী নাটকখন যেনেকৈ ideorealistic কৈ লিখিছে আৰু বিশেষকৈ বুৰঞ্জীমূলক কৰিছে তাত ডালিমীজনী কিবা এটা mystical figure অৰ দৰে হৈ থাকিলে অস্বাভাবিক হোৱাৰ ভয় আছে। সেই কাৰণে নাট্যকাৰে ডালিমীক প্ৰথমতে এনেভাৱে উলিয়াব লাগিব যাতে তাই নাটকখনৰ আন স্বাভাবিক চৰিত্ৰবোৰৰ সৈতে নিৰহ-নিপানীকৈ মিলি যায় আৰু লগে লগে তাইৰ অন্তৰখন বা অভ্যন্তৰখন যে এটা অপাৰ্থিব বস্তুৰে গঢ়া আৰু তাই যে আন আন নাটকীয় চৰিত্ৰবোৰৰ দৰে একেবাৰেই মৰ্ত্ত্যলোকৰ নহয় তাকো দৰ্শকে একো অসুখ নোপোৱাকৈ আৰু মানসিকতাত ভেজা নোলোৱাকৈ সঞ্জাত যাব লাগিব। কৰবাত অলপ ব্যতিক্ৰম হলেই ডালিমী চৰিত্ৰত ঘৃণ লগাৰ ভয়।

এই সমস্যা কিন্তু নাট্যকাৰ বেজবৰুৱাই এনে সুন্দৰকৈ আৰু বাহাদুৰিৰে সমাধান কৰিছে যে সেইটো বেজবৰুৱাৰ দৰে genius ৰ হে সম্ভৱ। কেৱল দায় এৰোৱাকৈয়ে নহয়, কিন্তু তাকে masterly ভাবে সমাধান কৰিছে।

কোনো এটা চৰিত্ৰক দৰ্শকৰ আগলৈ অনাৰ আগতে দৰ্শকে সেই চৰিত্ৰ ওলোৱা মাত্ৰকে সেইদৰে গ্ৰহণ কৰাবলৈ হলে আগৰেপৰা দৰ্শকক তাৰ কাৰণে সাজু কৰিব লাগিব আৰু আগৰ পৰা এনেকুৱা পাৰিপাৰ্শ্বিকতাৰ সৃষ্টি কৰিব লাগিব যাতে দৰ্শকৰ মন

লক্ষ্মীনাথ বেজবৰুৱা

জ্যোতি প্ৰসাদ আগৰৱালা ডেকা বয়সত



"জয়মতী" কথাছবিৰ সম্পাদনাত জ্যোতিপ্ৰসাদ আগৰৱালা

'জয়মতী' কথাছবিৰ এখন পোষ্টাৰ

'জয়মতী' কথাছবিত নগাৰূপী গদাপাণিৰ ভাৱত ফনু বৰুৱা

জয়মতীৰ ভূমিকাত আইদেউ সন্দিকৈ

'জয়মতী' কথাছবিত ডালিমীৰ ভাৰত স্বৰ্গজ্যোতি বৰুৱা

'জয়মতী' কথাছবিত সোৱণশিৰীৰ ভাৰত উপা কটকী

'জয়মতী'ৰ গদাপাণিৰ ভাৰত ফুনু বৰুৱা আৰু জয়মতীৰ ভাৰত আইদেউ সন্দিকৈ

গদাপাণি আৰু ডালিমীৰ ভাৰত ফুনু বৰুৱা আৰু স্বৰ্গজ্যোতি বৰুৱা

সেই চৰিত্ৰ গ্ৰহণ কৰিবলৈ উপযোগী হৈ থাকে। জয়মতী কুঁৱৰী নাটৰ তৃতীয় অঙ্ক দ্বিতীয় দৰ্শনত প্ৰথমেই নাট্যকাৰে ডালিমীক উলিয়াইছে নগাপৰ্ব্বতৰ মনোমোহা প্ৰাকৃতিক দৃশ্যাবলীৰ কোলাত। মঞ্চৰ সমুখ ভাগত দৰ্শকৰ ওচৰত গদাপাণিক বহুৱাই ডালিমীক প্ৰথমতে ৰাখিছে দূৰৈত এটা ছঁয়ামন্না কায়াৰ দৰে পখিলীৰ পাছে পাছে লৰুৱাই। প্ৰথমতে দৰ্শকে দূৰত চিনোনিচিনোকৈ নানা পৰ্ব্বতীয়া ফুল-পাতৰ মাজত পখিলা খেদি ফুৰা দেখিলে। তাইক নাগিনী যেন দেখিলেও, তাইৰ কাৰ্য্যই আৰু তাই ফুৰা প্ৰাকৃতিক মনোৰম দৃশ্যাবলীৰ পাৰিপাৰ্শ্বিকতাই আৰু বিশেষকৈ দূৰৈত ছাঁৰ দৰে থকাত দৰ্শকৰ কল্পনা কিছু সজাগ হৈ পৰিব লাগিব আৰু দূৰৈত থকাৰ বাবে তাইনো কি জানিবলৈ এটা উৎসুকতা দৰ্শকৰ মনত হ'বই লাগিব। এই যে দৰ্শকৰ মনত প্ৰথমতে ডালিমীনো কি—দূৰৈত কিবা ছায়াই নে মায়াই নে কায়াই জানিবৰ কাৰণে দৰ্শকৰ ইচ্ছা হ'ব, ইয়েই গৈ পিছত ডালিমীজনীৰ আধ্যাত্মিক ফালটো বুজাবলৈ দৰ্শককে সহায় কৰিব। কাৰণ প্ৰথমেই দৰ্শকক নাট্যকাৰে ডালিমীৰ বিষয়ে কৌতূহলী হ'বলৈ আৰম্ভ কৰালে আৰু প্ৰথম দৰ্শনতে তাই যি সাজপাৰ পিন্ধি ওলাইছে সেই সাজপাৰ পিন্ধা এজনী সাধাৰণ মানুহ বুলি দৰ্শকৰ চকুৱে যদিও দেখিলে কিন্তু মনৰ ভিতৰত এটা প্ৰশ্নই থিত ল'লে। পিছত ডালিমীৰ কাৰ্য্যাবলী, তাইৰ মুখৰ বচন—বিশেষকৈ তাইৰ ভাষাৰ বাহন (ভাঁজ নোহোৱা অসমীয়া হোৱাত) আৰু তাইৰ বিষয়ে গদাপাণিৰ বচনত বৰ্ণনাই দৰ্শকক তাইক উকা নাগিনী স্বৰূপে নোলোৱাকৈ ৰাখিব। ডালিমীক উলিওৱাওঁতেই এইদৰে নাট্যকাৰে তাইক দেখুৱাই তাইৰ বিষয়ে দৰ্শকক কবিতাময় ধাৰণা কৰিবলৈ দিছে—বিশেষকৈ প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজত আবিৰ্ভূতা কৰি আকৌ গদাপাণিৰ মুখত সেই পাৰিপাৰ্শ্বিকতা জীৱন্ত কৰি তুলিবলৈ নাটকীয় বচন দিছে। দৰ্শকৰ মনৰ মাজত আৱশ্যকীয় অৱস্থাৰ সৃষ্টি কৰিবলৈ গদাপাণিয়ে বচনত কৈছে, "আহা! প্ৰকৃতিৰ কি সুন্দৰ শোভা! ঈশ্বৰৰ কি বিচিত্ৰ লীলা! ওপৰত নিৰ্ম্মল আকাশ! চাৰিও ফালে নিৰ্ম্মল বায়ু! বনৰ ফুল, ফল, গছলতাই গোটেইখন জকমকাব লাগিছে! দূৰৈত সৌ ওখ পৰ্ব্বত শাৰী কেনেকৈ আকাশৰ ফালে মূৰ তুলি আছে! যেন স্বৰ্গৰ বিদ্যাধৰীসকলৰ নৃত্যগীত চাই থাকিহে সিহঁত তন্ময়, তদগত। চৰাইবোৰে মিঠা গীত গাই কেনেকৈ আনন্দত নাচি নাচি উৰি ফুৰিছে! সিহঁতৰ কি মুকলি ভাব! চৰাইচিৰিকতি, পছ-পতং সকলোৰে ইয়াত কেনে মুক্ত ভাব, উদাস প্ৰাণ! ইয়াত ভৈয়ামৰ শোক নাই, দুখ নাই, হিংসা নাই, খিয়াল নাই আৰু আনক তললৈ টনা, নিজেও তললৈ যোৱা পৰ্কিতি নাই, সকলোৰে মন উধাও। প্ৰকৃতিৰ সন্তান নগানাগিনীবোৰৰ সৰল মন আৰু সৰল ব্যৱহাৰ দেখিলে প্ৰাণ জুৰাই যায়। উদাৰ প্ৰকৃতিৰে সৈতে সিহঁত কেনে মিলি যোৱা! ...." গদাপাণিৰ এইখিনি বচনত নাট্যকাৰে

দৰ্শকক প্ৰকৃতিৰ সৌন্দৰ্য্যত একেবাৰে নিমজ্জিত কৰিছে আৰু লগে লগে ঘোৰ সংসাৰৰ পৰা দৰ্শকৰ মনটো সুন্দৰৰ ৰাজ্যলৈ নি ডালিমীৰ অভ্যন্তৰৰ কথা দৰ্শকৰ আগত গদাপাণিৰ হতুৱাই এইদৰে কোৱাইছে—"আৰু সেই ছোৱালীটো ডালিমী! এইটো স্বৰ্গৰ নে পৃথিবীৰ? ক'ৰ? মই দেখোন একোকে তৎ ধৰিব নোৱাৰোঁ। ডালিমী! ক'চোন, তই আকাশত উৰি ফুৰা মইনা চৰাই নে পৰ্ব্বতৰ গাত ফুলা বনৰীয়া ফুল? তই পৰ্ব্বতৰ জীয়াৰী গৌৰী নে লুইতৰ জীয়াৰী কোনোবা জলকুঁৱৰী? নাইবা এই পৰ্ব্বতত যতবোৰ প্ৰাকৃতিক শোভা-সৌন্দৰ্য্য আছে সোপাই একেলগ হৈ ৰূপ ধৰি এইদৰে ফুৰিছ? তই পখিলাৰ পাছে পাছে লৰি ফুৰি পখিলাৰে উমলি ফুৰিছ। পখিলায়ো তোৰে উমলিছে। পখিলায়ো তোৰে সৈতে তাৰ মনৰ ভাব সলনাসলনি কৰিছে। তই চৰাইৰে সৈতে শাৰী পাতি উৰি ফুৰিছ। চৰায়েও তোক তাৰ লগৰীয়া বুলি ভাবিছে। ভীমৰাজ চৰাইক তই সিঞাৰিছ। ভীমৰাজেৰে সৈতে হাঁহিছ! ভীমৰাজেও তোক সিঞাৰিছে আৰু তোৰে সৈতে হাঁহিছে। তই দুবৰি বনৰ ওপৰত পৰি শুই আছ। দুবৰি বনেও তোক বুকু পাতি লৈ আনন্দ পাইছে। লতাডালিক তই মেৰাই ধৰিছ। লতাডালিয়েও তোক মেৰাই ধৰি বুকুত সামৰি লৈ সুখ পাইছে। ফুলা ফুলপাহিৰে সৈতে তই হাঁহি হাঁহি কি কথা পাতিছ, ফুলে বুজিছে, হাঁহিছে আৰু সম্ভৱতঃ তোৰ কথাৰ সমিধান দিছে। সেই বৈ যোৱা জুৰিটোয়ে কি কথা কৈ কৈ যাব লাগিছে তই বুজিছ, বুজি তোৰ হিয়া উবুৰিয়াই দি তাৰে কথা পাতিছ। ডালিমী! তোৰ পক্ষে গছ, লতা, নৈ, পৰ্ব্বত, বন, বাঁহ সকলো জীয়া, সকলো তোৰ বুকুৰ বান্ধ, সকলো তোৰ লগৰীয়া। আহা! ছোৱালীটোৰ মুখত কি সুমধুৰ ভাব! তাইৰ হাত-ভৰি, গা-মুখ কি গঢ়িত সুঠাম!"

ডালিমীক ফলে-ফুলে, নৈয়ে বনে জকমকীয়া প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজত পখিলা খেদি দৈহিক সৌন্দৰ্য্যৰে ৰূপৱতী হৈ থকা দেখি আৰু গদাপাণিৰ বচনত ডালিমীৰ বিষয়ে শুনি দৰ্শকে ডালিমীক এতিয়া এটা কবিতাময়ী প্ৰাণী হিচাপে সহজেই ল'ব পাৰিলে আৰু তাই সাজে-পাৰে নাকে-মুখে যদিও নাগিনী তথাপি যে নাট্যকাৰৰ এটা কবিতাময়ী সৃষ্টি হৈ দৰ্শকৰ আগলৈ আহিছে এইটো দৰ্শকৰ ভালকৈয়ে উপলব্ধি হোৱাৰ লগে লগেই দৰ্শকৰ ডালিমীৰ প্ৰতি এটা আলসুৱা ভাব আৰু সহানুভূতি উপজিল। নাট্যকাৰে ডালিমীক যি বুলি বুজাব খুজিছে তাক সুন্দৰভাৱে বুজাবলৈ সমৰ্থ হ'ল।

ইয়াৰ উপৰিও ডালিমীক যে উকা নাগিনীকৈ নাট্যকাৰে নাই উলিওৱা তাকো শেহত পঞ্চম অঙ্ক অষ্টম দৰ্শনত বুঢ়া গামৰ মুখেদি আৰু এটা নগাৰ মুখেদি খাটাংকৈ কৈ দিছে। গদাপাণি পলাই যোৱাৰ লগে লগে ডালিমীকো অন্তৰ্দ্ধান কৰোৱা হৈছে। আৰু বুঢ়া গামৰ মুখেদি নাট্যকাৰে কোৱাইছে এই বুলি—"মোৰ হৃদায় মনত খেলাইছিল

হেইজনী মোৰ ছোৱালী নহয়, কিবা আকাহী দেও কি পানীৰ দেও মোৰ ছোৱালী হৈ আহিছে। তাই হুদায় আমাৰ লগত নাথাকে । আমাক দুয়োকো এৰি কেতিয়াবা আকৌ আকাহলৈ কি পানীলৈ গুচি যাব। .... নাইবা জানিছু ডালিমীৰ মাক। তাই ঠিক দেও আছিল। এই হুবীৰেৰেই উৰি আকাহলৈ গুচি গ'ল।" তাৰ উপৰি গদাপাণি যোৱাৰ পিছত তাইক দেখি অহা নগা এটাই এইদৰে বৰ্ণনা দিছে, "হুন ককাই, হুন। হেই যে বিশিকি বিশিকি ওখ পৰ্ব্বতটো দেকিছু হেইফালে আজি আবেলি মই কৰি লুৰিবলৈ গৈছিলোঁ। পৰ্ব্বতৰ টিঙৰপৰা মই কোনোবাই গীত গোৱা হুনিলো। হুনি হেইটোনো কি বুলি হেইফালে লাহে লাহে গলোঁ। গৈ দেখিলোঁ তহঁতৰ ছোৱালীজনী! তাই পৰ্ব্বতটোৰ এটাইতকৈ ওখ টিংটোৰ ওপৰত উঠি হেইদৰে গীত গাই আছে। মই তলৰপৰা উকিয়াই মাতিলো—'ডালিমী! নামি আহ। তই তাত অকলৈ কিকন কৰিছুনো বাৰু? তোৰ বুৰা বাপেৰ-মাৰে তোক বিচাৰি নেপাই গোটেইটো পৰ্ব্বত পাত পাত কৰি পুৰিচে।' মোৰ কথা হুনি তাই এনেকৈ হাঁহি মাৰিলে কিনো কৰি গাম কাই! কিনো কৰি আৰু, হেই গোটেইটো পৰ্ব্বত জনজনাই গ'ল আৰু তাৰপৰাও তেনে হাঁহি ওলাল। মোৰ গাটো বয়ত চমচমাই গ'ল দেই। মই আকৌ বিঙিয়াই মাতিলোঁ, তাই কত আহে? পৰ্ব্বতটোৰ হেই টিঙৰপৰা তাই এনে এটা জাপ মাৰি দিলে, দেকি বয়ত মোৰ হাত-বৰি ঠক্‌ঠক্ কৰে কঁপিবলৈ ধৰিলে। তথাপি মই তেতিয়াই লৰি গৈ হেই ঠাইডোখৰৰ তলত বিচাৰিবলৈ দৰিলোঁ। কত বিচাৰিলোঁ, কত বিচাৰলোঁ কি কম? একোকে নাপালোঁ। কলৈনো ছোৱালীজনী মায়া হৈ গ'ল মই কবই নোৱাৰোঁ। মই টিক কৈছোঁ, তহঁতে মান নে নেমান কব নোৱাৰোঁ—তহঁতৰ ছোৱালীজনী মানু নহয়, কিবা দেওহে আহিছিল।"

এতিয়া আমি ভালকৈ বুজিব পাৰিলোঁ যে নাট্যকাৰে ডালিমীক উকা নাগিনীকৈ উলিবা নাই আৰু তাইক এটা abstract idea ৰ ৰূপধৰা মণ্ডহৰ পুতলা হিচাপেহে সৃষ্টি কৰি উলিয়াইছে। এই বিষয়ে আৰু আমাৰ এতিয়া সন্দেহ কৰিবলৈ নাই। এই চৰিত্ৰ-সৃষ্টিৰ সূত্ৰপাত কেনে বিচক্ষণভাৱে কৰিছে তাকো আগেয়ে আমি কৈ আহিছোঁ।

এতিয়া বেজবৰুৱাই এজন সুনিপুণ নাটকীয় কাৰিকৰি প্ৰয়োগকাৰ হিচাপে ডালিমী-চৰিত্ৰ নাটকত কেনেকৈ উলিয়াইছে তাৰ আলোচনা কৰিবলৈ চেষ্টা কৰা যাওক। প্ৰথমতেই ডালিমীজনীক উলিয়াবৰ কাৰণে নাট্যকাৰে উপযুক্ত পৰিবেশ সৃষ্টি কৰিব লাগিব। ডালিমী যেন তাই প্ৰথমে তেনে পাৰিপাৰ্শ্বিকতাৰ মাজেদি দৰ্শকৰ আগলৈ আহিলেহে দৰ্শক থিতাতে সেই মনৰ হবলৈ পাৰিব। সেইকাৰণেই তৃতীয় অঙ্ক দ্বিতীয় দৰ্শনত এক মনোৰম প্ৰাকৃতিক দৃশ্য দিয়া হৈছে। মঞ্চৰ দৃশ্যপটত এইবোৰ আঁকি দৰ্শকৰ মনত সেই পাৰিপাৰ্শ্বিকতাৰ সৃষ্টি কৰাৰ উপৰিও বুধিয়ক নাট্যকাৰে সেই মুহূৰ্ত্তত মঞ্চৰ ওপৰত

এটাইতকৈ দৰ্শকক আকৰ্ষণ কৰোঁতা গদাপাণিৰ দ্বাৰাই সেই প্ৰাকৃতিক সৌন্দৰ্য্যৰ কথা দোহৰাইছে। প্ৰথমে দৰ্শকে যেতিয়া দৃশ্যপটত মনোৰম প্ৰাকৃতিক দৃশ্যাৱলী দেখিব তেতিয়া দৰ্শনেন্দ্ৰিয়ৰ দ্বাৰাই নাট্যকাৰৰ 'বক্তব্য' দেখিব আৰু তাৰ লগে লগে যেতিয়া শ্ৰৱণেন্দ্ৰিয়ৰে সেই দৃশ্যাৱলীৰ বিষয়ে শুনিবও, তেতিয়া দৰ্শকৰ মনত illusion টো দুগুণে সৃষ্টি হব। মনোৰম দৃশ্যাৱলী দেখি যেতিয়া শুনিব গদপাণিৰ মুখেদি—"আহা, প্ৰকৃতিৰ কি সুন্দৰ শোভা। ঈশ্বৰৰ বিচিত্ৰ লীলা! ওপৰত নিৰ্ম্মল আকাশ! চাৰিওফালে নিৰ্ম্মল বায়ু! বনৰ ফুল, ফল, গছ, লতাই গোটেইখন জকমকাব লাগিছে। দূৰৈত সৌ ওখ পৰ্ব্বতশাৰী কেনেকৈ আকাশৰ ফালে মূৰ তুলি আছে। যেন স্বৰ্গৰ বিদ্যাধাৰীসকলৰ নৃত্য-গীত শুনি থাকিহে সিহঁত তন্ময় তদগত। চৰাইবোৰে মিঠা গীত গাই কেনেকৈ আনন্দত নাচি নাচি উৰি ফুৰিছে। সিহঁতৰ কি মুকলি ভাব! চৰাই-চিৰিকতি, পহু-পতং সকলোৰে ইয়াত কেনে মুক্তভাব, উদাস প্ৰাণ! ইয়াত ভৈয়ামৰ পচা শোক নাই, দুখ নাই, হিংসা নাই, খিয়াল নাই আৰু আনক তললৈ টনা নিজেও তললৈ যোৱা পৰ্কিতি নাই; সকলোৰে মন উধাও। প্ৰকৃতিৰ সন্তান নগা-নাগিনীবোৰৰ সৰল মন আৰু সৰল ব্যবহাৰ দেখিলে প্ৰাণ জুৰাই যায়।"—তেতিয়া দৰ্শনে শ্ৰৱণে, দেখি-শুনি দৰ্শকৰ মনত নাট্যকাৰে সৃষ্টি কৰিব খোজা পৰিবেশ সৃষ্টি নোহোৱাকৈ কমেইহে থাকিব। পৰিবেশ সৃষ্টি কৰাৰ পিছত দূৰতে ডালিমীক পখিলাৰ নিচিনা এটা সুন্দৰ নিমাখিত, সকলো হিংসা-দ্বেষ বিবৰ্জ্জিত, সংসাৰৰ সকলো পঙ্কিলতাৰ পৰা দূৰত থকা জীৱ এটাৰ মাজত ডালিমীকো যে সেই পখিলাৰ দৰেই এটা জীৱ তাক বুজাবলৈ বিচক্ষণ বেজবৰুৱাই কেনেকৈ এই দৃশ্য ৰচনা কৰিছে চাওক। প্ৰথমেই দূৰতে পখিলাৰ লগৰ পখিলা কৰি ডালিমীক থোৱাৰ মানে হৈছে যে ডালিমীক যাতে সহজে দৰ্শকে কেঁচা নাগিনী ছোৱালী বুলি ভুল নকৰে, যাতে ডালিমী এটা বেজবৰুৱাৰ কল্পনাৰ ৰূপ লোৱা নাগিনী ৰূপী প্ৰাণী আৰু ডালিমীয়ে এটা অশৰীৰী কথাৰ শৰীৰী ৰূপ তাক দৰ্শকে ভুল নকৰি প্ৰথম দৰ্শনতেই ডালিমীক আনভাৱে লবলৈ পখিলাৰ মাজত ডালিমীক দূৰৈতে ছয়ামযাকৈ ৰাখি গদাপাণিৰ মুখেদি দৰ্শকক ডালিমীৰ অভ্যন্তৰৰ বিষয়ে কৈছে।

ডালিমীক সৃষ্টি কৰা পৰিবেশত থকা দেখি আৰু তাইক দূৰত তাৰ কাৰ্য্য আৰু ছবি ছঁয়ামযাকৈ দেখি আৰু কাণেৰে দৰ্শকে ডালিমীৰ বিষয়ে ওপৰত গদাপাণিয়ে কোৱামতে শুনিলে নিশ্চয় দৰ্শকে ডালিমীক কেতিয়াও উকা নাগিনী বুলি লব নোৱাৰে। সাধাৰণ নাগিনীক চোৱাদি ডালিমীক চাব নোৱাৰে আৰু সাধাৰণ দেখিবলৈ ধুনীয়া নাগিনী হিচাপেও দৰ্শকে নিশ্চয় নলয়। দৰ্শকে লব এতিয়া ডালিমীক নাট্যকাৰে তাইক যি বুলি উপস্থাপন কৰিব খুজিছে সেই বুলিহে । নাট্যকাৰে তাইৰ প্ৰথম সূত্ৰপাত এনে

বিচক্ষণতাৰে আৰু বুদ্ধিৰে কৰিছে যে দৰ্শকে তাইক নাট্যকাৰে বুজাব খোজা দৰে নলৈ সবাৰ উপায় নাই। এই ডালিমীকনো নাট্যকাৰে কি বুলি ভাবিছে তাকো গদাপাণিৰ মুখেদি কোৱাই দিয়াত দৰ্শকে ডালিমীক conception for introduction অৰ লগতে থোৰতে পোৱাৰ নিচিনা হৈছে।

ইয়াৰ পিছতেই ডালিমীক যেতিয়া দূৰৰ back ground ৰূপৰা দৰ্শকৰ বেছি ওচৰলৈ আনিছে তেতিয়া প্ৰথমেই কবিতাময়ী ডালিমীক আনিছে ৰক্ষাকৰ্ত্ৰী হিচাপে। ইয়াতে আমি আগেয়ে কৈ অহা 'চিৰকল্যাণ'ৰ মঙ্গলদান আৰু অমঙ্গলনাশৰ কথাটো নাট্যকাৰে প্ৰথমতে আগতে কৰোৱাই দেখুৱাই ডালিমী conception টো হাতে-কামে দৰ্শকক দেখুৱাই বুজাই দিছে। এই ডালিমীক প্ৰথমে উলিৱা দৃশ্যটোতেই ডালিমীৰ মুখেদি ডালিমীৰ ভিতৰখন প্ৰতিফলিত হ'ব পৰা "পুতৌ! মানুহক মাৰিবলৈ বিচাৰে" —এই বচনফাঁকি দি ডালিমীৰ মুখেদিয়েই তাইৰ অন্তৰৰ কথা কোৱাই তাইৰ বিষয়ে ইমান পৰ দৰ্শকৰ মাজত নাট্যকাৰে যি ধাৰণা জন্মাইছিল তাৰ প্ৰমাণ দিয়াইছে।

ইয়াৰ পিছতে নাট্যকাৰৰ কাম যে যি চৰিত্ৰটো তালৈ আনিছে তাৰ নাটকত থকাৰ প্ৰয়োজনীয়তা দেখুওৱা। সেইক্ষেত্ৰত সেই অৱস্থাত সেই চৰিত্ৰটো যে এটা খাপ নোখোৱা বা বলেৰে সুমুওৱা নহয় তাকো সেই চৰিত্ৰটো নাটকৰ ঘটনাৰ মাজেদি অপৰিহাৰ্য্য বুলি প্ৰমাণ কৰিব লাগিব। তাকো সুনিপুণ নাট্যকাৰে কৰিছে এই দৃশ্যটোতে সেই অৱস্থাৰ সৃষ্টি কৰি, তেনে এটা স্বাভাৱিক উপযোগী আৰু নাটকত সম্ভৱপৰ ঘটনা ঘটুৱাই। চাওডাঙে গদাপাণিক আক্ৰমণ কৰাটো স্বাভাৱিক হৈছে আৰু ডালিমীক চোৰাংকৈ চাই থাকি গদাপাণিক ৰক্ষা কৰাটোও 'জোৰ জবৰদস্তি' কৰা নিশ্চয় হোৱা নাই। এই ঘটনাৰ মাজেদি ডালিমীক নাটকখনত চৰিত্ৰ হিচাপে থকাটোও স্বাভাৱিক কৰি দিছে। নগা পৰ্ব্বতত আত্মনিৰ্ব্বাসনত থকা গদাপাণিয়ে মৰমিয়াল ডালিমীজনীৰ সৈতে অনাই-বনাই ঘূৰি ফুৰাটোও স্বাভাৱিক আৰু ডালিমীয়ে-সময়ত গদাপাণিৰ প্ৰাণ ৰাখি নাটকত প্ৰধান চৰিত্ৰ আৰু নাটকৰ ভৱিষ্যত ঘটনাৱলীৰ নায়কজনক জীয়াই ৰাখি বা বিপৰ পৰা সৰুৱাই নাটকৰ আগলৈ ঘটনাৱলী ঘটিবলৈ দিয়া কাৰণ এটা হিচাপে ডালিমী চৰিত্ৰ নাটকত শাৰীৰিকে ওতঃপ্ৰোতভাৱে গ্ৰথিত।

ইয়াৰ পিছত নাট্যকাৰে দেখুৱাব লাগিব সেই দৃশ্যত ওলোৱা দুটা চৰিত্ৰৰ সম্বন্ধ। সেই ঘটনাচক্ৰৰ সম্বন্ধটো ওপৰত কোৱাৰ দৰে দেখুৱাই ইটোৰ প্ৰতি সিটোৰ আন্তৰিক কি ভাব তাক দেখুৱাব লাগিব নাট্যকাৰে। বেজবৰুৱাই গদাপাণি আৰু ডালিমীৰ যি কথাৰে এই আপুৰুগীয়া সম্বন্ধটো ব্যক্ত কৰিছে তাক ভাবিলে কল্পনাও ভাগৰি পৰাৰ দৰে হয়! বেজবৰুৱাৰ 'জেনিয়াছ'ৰ গভীৰত্ব জুখিবলৈ গৈ এইখিনিতে আৰু ঠাউনি

নোপোৱা যেন হোৱা যায়। মাত্ৰ এটা শব্দৰ প্ৰয়োগেই বেজবৰুৱাৰ বিৰাট প্ৰতিভা আমাৰ আগত দাঙি ধৰিছেহি। যি ফালৰপৰাই চোৱা যায় সেইফালৰ পৰাই এই শব্দ প্ৰযোজনৰ বিচক্ষণতাত, সৌন্দৰ্য্যত, বাহাদুৰিত আমি চিৰমুগ্ধ হ'ব লাগিব। এই শব্দটো হৈছে ডালিমীয়ে গদাপাণিক মতা নামটো— কেঁচাসোণ। ডালিমীৰ মতে গদাপাণিৰ যিটো আন্তৰিক সম্বন্ধ নাট্যকাৰে দেখুৱাব খুজিছে সেই সম্বন্ধটো যদিও নাটকৰ দৃশ্যই ডালিমী আৰু গদাপাণিৰ মুখৰ বচনৰ দ্বাৰাই প্ৰকাশ কৰোৱা হৈছে তথাপি এই ডালিমী ওলোৱা প্ৰথম দৰ্শনতে ডালিমীৰ মুখৰ এটা শব্দৰেই এটা শক্তিশালী ইঙ্গিত দিয়া হৈছে। কৃষ্টিসম্পন্ন দৰ্শকৰ কাৰণে এই শব্দই গদাপাণি-ডালিমীৰ সম্বন্ধৰ পৰিচায়ক হিচাপে যথেষ্ট। কেঁচাসোণ শব্দই তৎক্ষণাৎ আমাক কৈ দিয়ে ডালিমীৰ অভ্যন্তৰৰ কথা —তাই কেনে সৰল, পবিত্ৰ, ভাঁজ নথকা মনৰ আৰু তাই যেনেকুৱা গদাপাণিকো তাই তেনেকুৱা দেখিছে সেই কাৰণেই গদাপাণিক কেঁচাসোণ বুলি মাতিছে। এই মতাৰ ভিতৰতে উপমা সোমাই আছে। গদাপাণিক কেঁচাসোণৰ লগত তাইৰ subconscious মনটোৱে তুলনা কৰিছে আৰু সেই কাৰণে তাইৰ conscious মনটোৱে মাতিছে কেঁচাসোণ বুলি। সোণ শব্দ পবিত্ৰ, উজ্জ্বল, সদায় অম্লান হৈ থকা—যাক পুৰিলেও একো নহয়, ডালিমীৰ কাৰণে গদাপাণি তেনে বস্তু। যি গদাপাণিক তাই মনত সুমুৱাই মৰম কৰিছে সেই গদাপাণি অবিমিশ্ৰিত সোণ—কেঁচাসোণৰ দৰে তাইৰ মনত সদায় উজ্জ্বল হৈ চিৰঅম্লান হৈ থাকিব। মানুহৰ কাৰণে পাৰ্থিৱ ধন-সোণৰ ভিতৰত সোণেই অতি মূল্যবান—সেই কাৰণে গদাপাণি ডালিমীৰ কেঁচাসোণ। ডালিমীৰ যে গদাপাণিলৈ কি এটা প্ৰগাঢ় মৰম আৰু গদাপাণিক ডালিমীয়ে কি চকুৰে চাইছে তাক ডালিমীয়ে কেচাঁসোণ বুলি মতাত আনপাকে ওলাই পৰিছে। মুঠতে প্ৰথমৰ আৰম্ভণিতে বেজবৰুৱাই এনে এটা শব্দ ডালিমীৰ মুখত দিছে যিটোৱে গদাপাণি-ডালিমীৰ আন্তৰিক সম্বন্ধটো একে উশাহে কৈ দিছে। তাৰ উপৰি নাটকীয় বচনৰ শব্দ-বাছনি হিচাপে ইয়াৰ বাহাদুৰি চাওক। মইনা, বুকুৰ ধন, মনতৰা, মোৰ জীউ, মোৰ চকুৰ মণি ইত্যাদি নানা শব্দ অসমীয়া অভিধানৰপৰা ডালিমীৰ মুখৰ কেঁচাসোণ শব্দৰ পৰিবৰ্ত্তে দিবলৈ চাওক, কিন্তু কেঁচাসোণ গুচাই আন এটা শব্দ সতকাই দিওঁতা ওলোৱা টান। এই যে বেজবৰুৱাৰ কাপৰ আগত অসমীয়া অভিধানৰ অতবোৰ শব্দ থাকোঁতেও বাছনিত উঠিলগৈ কেঁচাসোণ, ইয়াৰ বাবে বেজবৰুৱাৰ প্ৰতিভাৰ বাহিৰে আৰু কি দায়ী হব পাৰে? Dramatic dialogue অৰ যিটো ডাঙৰ কাম (function) ঘটনাৰ বিষয়ে বা চৰিত্ৰৰ আন্তৰিক ভাবৰ বিষয়ে inform কৰা বা দৰ্শকক জানিবলৈ দিয়া, সেই কামটো এই এটা 'কেচাঁসোণ' শব্দই এই ক্ষেত্ৰত কিমান সম্পূৰ্ণ সমাধা কৰিছে— তাক ভাবিলেই আচৰিত হ্‌ব লাগে। কেঁচাসোণ মাতষাৰিৰে ডালিমীৰ গদাপাণিৰ

প্ৰতি ভালপোৱাৰ ধৰণটোনো কি তাকো ব্যক্ত নকৰাকৈ থকা নাই। 'কেঁচাসোণ' বোলোঁতে তাইৰ মনৰ পবিত্ৰতা, সৰলতা, নিৰ্ম্মলতা সকলো ওলাই আহিছে। নাই তাত কামনা-বাসনাৰ ছাঁ, নাই তাত কোনো শাৰীৰিক মিলনৰ হেঁপাহ—কেঁচাসোণৰ দৰেই তাইৰ গদাপাণিৰ প্ৰতি ভালেপোৱা খনিত থকা কেঁচাসোণৰ দৰেই; কামনা-বাসনাৰ সুৱগাৰে যে মিশ্ৰিত নহয়—তাক কেঁচাসোণেই কৈ দিয়ে। এই শব্দ 'কেঁচাসোণ' বিচক্ষণ মেধাবী নাট্যকাৰে এনেভাবে এনে ঠাইত, এনে সময়ত, এনেকুৱা চৰিত্ৰৰ মুখত দিছে যে সি তাৰ আপোন অৰ্থৰ গৌৰৱত দৰ্শকক অভিভূত কৰাৰ উপৰিও এক নাটকীয় মুহূৰ্ত্তৰ কাৰণে সূত্ৰধাৰৰ সতে বচন গাই দৰ্শকক ভূত-ভৱিষ্যত আৰু বৰ্ত্তমানৰ কথা কব লাগিছে। 'কেঁচাসোণ' শব্দৰ ইয়াত ব্যৱহাৰ বিচক্ষণতো বিচক্ষণ। এজন যুগনায়ক সাহিত্যিকৰ প্ৰতিভাৰ প্ৰভাৱতেহে শব্দৰ এনে আচৰিত সুপ্ৰয়োগ সম্ভৱ।

অসমৰ ফিল্ম শিল্প গঢ়াত অসমীয়া দৰ্শকৰ দায়িত্ব

অসমত প্ৰথম কথাছবি 'জয়মতী' প্ৰযোজিত হোৱাৰ পিছত আজি যোল্ল বছৰেও অসমত এটা 'ষ্টুডিঅ' স্থাপন কৰি অসমীয়া ফিল্ম-শিল্পক স্থায়ী গঢ় দিব নোৱৰাটো অসমীয়া ফিল্ম প্ৰযোজককেজনৰ বাবে যে লাজৰ কথা হৈছে এনে নহয়, ই অসমীয়া দৰ্শক তথা অসমীয়া জাতিৰেই এটা অক্ষমতাৰ পৰিচায়ক কথা হৈ পৰিছে। অসমীয়া জাতীয় জীৱনৰ এই অত্ৰাহি অৱস্থাত অসমীয়া ভাষা-সংস্কৃতিৰ এটা সন্ধিক্ষণত ভাষা-সংস্কৃতি প্ৰচাৰ আৰু ৰক্ষাৰ আধুনিক এক শক্তিশালী আৰু প্ৰভাৱশালী অস্ত্ৰ অসমীয়া ফিল্মৰ এটা স্থায়ী প্ৰতিষ্ঠান গঢ়ি নুঠাটো আমাৰ কাৰণে শুভলক্ষণ নহয়। আৰু এই প্ৰতিষ্ঠান গঢ়াত অসমীয়া ফিল্মৰ দৰ্শকসকলৰো যে প্ৰযোজক আৰু শিল্পীসকলৰ সমানেই গধুৰ দায়িত্ব আছে আৰু এই বিষয়ে অসমীয়া প্ৰযোজক আৰু শিল্পীসকলৰ কঁকালত কেনেকৈ অসমীয়া দৰ্শকে বল দিব পাৰে তাৰ বিষয়ে দুআষাৰ কবলৈ আগবাঢ়িলোঁ।

অসমত অসমীয়া ফিল্ম শিল্পৰ বুৰঞ্জী এক বেজাৰৰ কাহিনী। ১৯৩৩ চনত মই চিত্ৰবন প্ৰতিষ্ঠা কৰি প্ৰথম অসমীয়া কথাছবি 'জয়মতী'ৰ প্ৰযোজনা কৰোঁ। এখন অসমীয়া কথাছবি উলিওৱা সেই সময়ত এটা অসম্ভৱ কথায়েই আছিল। প্ৰথমতে এখন কথাছবিত যি টকা ব্যয় কৰিব লাগে তাক উলিওৱাটোৱেই আছিল প্ৰধান অন্তৰায়। তাৰ পাছত অসমীয়া অভিনেত্ৰী ওলোৱাত সামাজিক বাধা। তৃতীয়তে, এখন কথাছবি ৰাইজৰ মনোৰঞ্জককৈ কৰিবলৈ যিখিনি ব্যয় কৰিব লাগে অসমৰ মাত্ৰ অসমীয়া প্ৰধান ছখন জিলাৰপৰা নুঠে। যদিও মৰসাহ দি মই 'জয়মতী'ৰ বাবে ধন উলিয়ালোঁ আৰু নানা পুৰুষাৰ্থ কৰি—যুঁজ-বাগৰ কৰি অসমীয়া ছোৱালীক ফিল্ম-শিল্পত লগালোঁ তথাপিও ষ্টুডিঅ' স্থায়ী কৰিবলৈ যি 'জয়মতী'ৰ পৰা আৰ্থিক বল পাব লাগিছিল সেয়ে নহ'ল। ছবিখন শব্দ যোজনাৰ ত্ৰুটি হ'ল—ফটোগ্ৰাফীতো মাজে মাজে খুঁত থাকিল। অসমীয়া দৰ্শকৰপৰা যদিও ছবিখনে যথেষ্ট সমাদৰ পালে কিন্তু সেই সময়ত চিনেমা চোৱা ৰাইজ (Cinema-going public) ৰৰ তাকৰ থকাত 'জয়মতী'ত চিত্ৰলেখা মুভিট'নৰ প্ৰায় ত্ৰিশ হাজাৰ টকা লোকচান হ'ল। চিত্ৰবনত চিত্ৰলেখা মুভিট'নৰ এটা সম্পূৰ্ণ চাউণ্ড ষ্টুডিঅ' আছিলেই। কেমেৰা, চাউণ্ড ৰেকডিং যন্ত্ৰ আৰু লেবৰেটৰী। যদি এই টকাখিনি

চিত্ৰলেখাই লোকচান ভৰিবলগীয়া নহলহেঁতেন তেন্তে চিত্ৰবনৰ ষ্টুডিঅ' স্থায়ী হৈ এই যোল্ল বছৰে সি অসমৰ এটা বৃহৎ প্ৰতিষ্ঠান হৈ অসমীয়াৰ হাতৰ এটা শক্তিশালী অস্ত্ৰ হৈ পৰিলহেঁতেন। 'জয়মতী' প্ৰযোজনাৰ সমস্ত ত্ৰুটিৰ দায়িত্ব মই কেতিয়াও অস্বীকাৰ নকৰো। কিন্তু তাৰ লগে লগে অসমীয়া দৰ্শক আৰু সমালোচকসকলে যি সহনশীলতা দেখুৱাব লাগিছিল আৰু অসমীয়া চালুকীয়া ফিল্ম-শিল্পক যি চকুৰে চাব লাগিছিল সেইদৰে নোচোৱাৰ বাবেও আমাৰ দুখ। 'জয়মতী' কথাছবিত টেকনিকেল ত্ৰুটি যদিও আছিল তথাপিও অসমীয়া কথাছবি হিচাবে তাত মন কৰিবলগীয়া কথাও কম নহয়। কিন্তু দুখৰ বিষয়, সেই সময়ত সাহিত্যিক আৰু কিছুমান অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য বুজোতাই যদিও 'জয়মতী'ৰ অসমীয়া সংস্কৃতিৰ ফালৰপৰা তাৰ মূল্য উপলব্ধি কৰি প্ৰশংসাৰে আমাক উৎসাহিত কৰিছিল তথাপিও প্ৰায় সমালোচক আৰু দৰ্শকেই 'জয়মতী' ছবিক হকে বিহকে থকা-সৰকাকৈ সমালোচনা কৰি আৰু বঙালী আৰু হিন্দুস্থানী ছবিৰ দৰে থিয়েটৰী ভাবপ্ৰৱণ আৰু কৃত্ৰিম অভিনয় আৰু সেই ধৰণৰ পৰিচালনা নাপাই 'জয়মতী'ৰ বৈশিষ্ট্য বুজিব নোৱাৰি বৰ কঠোৰ ভাবেৰেই সমালোচনা আৰু যিহকে তিহকে মন্তব্য কৰিছিল। সমালোচকসকলৰ এনে কঠোৰতাই কেঁচুৱা ফিল্ম-শিল্পক যে আঘাত নকৰাকৈ আছিল এনে নহয়।

সাধাৰণতে বঙালী আৰু হিন্দুস্থানী কথাছবিবোৰ বৰ অস্বাভাবিক। মঞ্চাভিনয় আৰু চিত্ৰাভিনয়ৰ পাৰ্থক্য আনকি বিখ্যাত বঙালী ফিল্ম আৰু হিন্দুস্থানী ফিল্ম ডিৰেক্টৰসকলেও কৰিব নোৱৰা যেন দেখা যায়। যিসকলে ইংৰাজী আৰু হিন্দী ফিল্ম ৰিজাই চাইছে তেওঁলোকে নিশ্চয় এই কথা বুজে। মঞ্চাভিনয় হৈছে কৃত্ৰিম (artificial) আৰু চিত্ৰাভিনয় হৈছে স্বাভাৱিক (natural)। সেইদৰেই ফিল্মৰ পৰিবেশো হব লাগিব স্বাভাবিক। কিন্তু আনকি আজিলৈকে বঙালী আৰু হিন্দুস্থানী ফিল্ম আচল ফিল্ম অভিনয়ৰ শাৰীলৈ আহিব পৰা নাই। এই বঙালী আৰু হিন্দুস্থানী ফিল্মবোৰে আমাৰ অসমীয়া দৰ্শককো সেই সাঁচতেই গঢ়ি তেনে ৰুচিসম্পন্ন কৰি পেলাইছে। ইংৰাজী আৰু আমেৰিকান প্ৰথম শ্ৰেণীৰ ছবি চাই তৃপ্তি পোৱা অসমীয়া দৰ্শকে এই কথাটো ভালকৈ উপলব্ধি কৰিব পাৰে। কিন্তু ভাৰতীয় সাধাৰণ চিনেমা দৰ্শকৰ এনে ৰুচি হোৱাৰ ফলত ঠিক যি ধৰণে পৰিচালনা আৰু অভিনয় কৰিলে উপযোগী ফিল্ম পৰিচালনা আৰু অভিনয় হব —তাক কৰিলেই প্ৰযোজকৰ বিপদ। কাৰণ ইফালে আকৌ অভ্যস্ত ৰুচিমতে নকৰিলে ফিল্মখন সৰবৰহী (box office success) হৈ নুঠে। ভি.এছ. শান্তাৰাম এজন প্ৰথম শ্ৰেণীৰ ভাৰতীয় পৰিচালক। কিন্তু তেৰোঁ box office ৰ খাতিৰত 'শকুন্তলা' চিত্ৰত নিজকে কিমানখিনি তললৈ নমাই আনিছিল তাক এই বিষয়ে বুজোতাসকলে

জানে। 'জয়মতী' ফিল্মতো এই সমস্যাই হৈছে। 'জয়মতী' ফিল্মখন ইংৰাজী আৰু ৰুছীয় ফিল্মৰ আচল ফিল্মীয় পৰিচালনা আৰু অভিনয়ৰে কৰিবলৈ চেষ্টা কৰা হৈছে। 'জয়মতী'ত অভিনয়ৰ ভঙ্গী স্বাভাৱিক আৰু তাৰ উপৰিও অসমীয়া কথা কোৱাৰ বিশিষ্ট ভঙ্গী, অসমীয়া মাত-কথাৰ বিশেষ প্ৰশ্বন ইত্যাদিলৈ ইয়াত অতি সূক্ষ্মভাৱে মন দিয়া হৈছে। অসমীয়া বচন, প্ৰকাশ ভঙ্গী, ঠাঁচ ইত্যাদি যে আমাৰ সাধাৰণতে চলিত ষ্টেজবোৰতকৈ বহুত বেলেগ হোৱা উচিত তাকো এই ছবিত দেখুৱাব খোজা হৈছে। তৰুণ ফুকন, নবীন বৰদলৈ এইসকল আৰু আমাৰ সেই সময়ৰ জীৱিত সাহিত্যিক আৰু নেতাসকলৰ প্ৰায় ভাগেই অসমীয়া কওঁতে অসমীয়াৰ সৌন্দৰ্য্য আৰু তাৰ নিজা বৈশিষ্ট্য প্ৰত্যেক শাৰীতেই ফুটাই কৈছিল। তেওঁলোকৰ নিভাঁজ বচনভঙ্গী, তাৰ উপৰিও কেবাবছৰো গাৱঁৰ বহুতো সম্ভ্ৰান্ত পৰিয়ালৰ মুনিহ-তিৰোতাৰ বচনভঙ্গী বিশেষভাৱে অধ্যয়ন কৰি মই 'জয়মতী' ফিল্মৰ বচনভঙ্গী সেইদৰে গঢ় দিওঁ যাতে আমাৰ উঠি অহা ল'ৰা-ছোৱালীয়ে অসমীয়া ভাষাৰ সৌন্দৰ্য্য উলিয়াই তাৰ নিজা বৈশিষ্ট্য ৰাখি কথা কব পাৰে, অভিনয়ত আবৃত্তি ইত্যাদি কৰিব পাৰে; আৰু আজি ৩০/৪০ বছৰে বঙালী নাটক অনুবাদ কৰি, কলিকতীয়া অভিনেতাসকলৰ বঙালী বচনভঙ্গীৰ অনুকৰণ কৰি আমাৰ অসমীয়া অভিনেতাসকলেও যেন অভিনয় বচনভঙ্গীৰ এটা নিজত্ব উলিয়াবলৈ ইঙ্গিত পায়। কিন্তু দুখৰ বিষয় যে যদিও উচ্চশিক্ষিত আৰু এই বিষয়ে অনুভব কৰোতা অতি কম সংখ্যক অসমীয়া লোকে এই প্ৰচেষ্টাত আৰু তাৰ কৃতকাৰ্য্যতাত সন্তোষ পালে। কিন্তু প্ৰায় ভাগেই এই কথাটো উপলব্ধি কৰিব নোৱাৰিলে—আৰু বহুতে পৰিচালকৰ অভিনয়, বচনভঙ্গী কেনে হব লাগে সেই বিষয়ে অজ্ঞ বুলিও নোকোৱাকৈ নাথাকিল। এতিয়া উলিওৱা নতুন সংস্কৰণ 'জয়মতী'ত মই সেই অসমীয়া বচনভঙ্গী আকৌ সুস্পষ্টভাৱে, আগতকৈ আৰু সূক্ষ্মভাৱে চাই দিছোঁ। অৱশ্যে এতিয়াও বঙালী আৰু হিন্দী ফিল্মৰ বচনভঙ্গীত প্ৰভাৱিত হৈ সৰহভাগ দৰ্শকে এই বচনভঙ্গী সতকাই ভাল নাপাবও পাৰে। মোৰ কিন্তু উদ্দেশ্য নকৈ উঠি অহা অসমীয়া ল'ৰা ছোৱালী আৰু ডেকা-গাভৰুৰ আগত অসমীয়া বচনভঙ্গীৰ নিদৰ্শন দাঙি ধৰাহে। এইবাৰ এই কথাটো নতুনকৈ উঠি অহা ল'ৰা-ছোৱালীৰ এক-তৃতীয়াংশইয়ো ললেও মোৰ চেষ্টা সাৰ্থক হৈছে বুলি ধৰিম। আৰু এটা কথা যে মই 'জয়মতী' ছবিখন আৰু তাৰ অভিনেতাক একেবাৰেই বাস্তৱিক (realistic) দৃষ্টিৰে পৰিচালনা কৰিছোঁ যিটো সকলো ইংলিছ, আমেৰিকান আৰু ৰুছীয় প্ৰথম শ্ৰেণী ফিল্মৰ লক্ষণ। সেইকাৰণে মোৰ 'জয়মতী'য়ে ৰাজসভাত বক্তৃতা দি— আন ঠাইত নানা ভাবপ্ৰৱণ বক্তৃতাৰে গোৰোহণি মৰা নাই। ধৈৰ্য্যশীলা, অল্পভাষিণী অসমীয়া সম্ভ্ৰান্ত বোৱাৰীয়ে নিজৰ কাৰ্য্যৰে, মৌনভাৱে, য'ত

কথা কব লাগে মাত্ৰ তাতহে মাতি আৰু ঘটনাৰ মাজেদি নিজৰ কৰ্ম্মৰ দ্বাৰাই চৰিত্ৰবল দেখুৱাই যায়, সেইদৰেই 'জয়মতী'কো অঁকা হৈছে। অসমীয়া তিৰোতাৰ চৰিত্ৰ মই যিদৰে উপলব্ধি কৰিছোঁ সেই মতে 'জয়মতী'ক ৰাইজৰ আগত দাঙি ধৰিছো। নীৰবতা অসমীয়া চৰিত্ৰৰ প্ৰধান লক্ষণ। সেই লক্ষণ জয়মতী চৰিত্ৰত মই পৰিস্ফুট কৰিবলৈ চেষ্টা কৰিছোঁ।

ইয়াৰ পিছতে 'জয়মতী' কথাছবিত আৰু এটা অসমীয়া ৰাইজে মনযোগ দিবলগীয়া কথা হৈছে জয়মতী কথাছবিৰ দৃশ্যসজ্জা। মন কৰোতাই অলপ ভাবিলেই পাব যে আজিলৈকে অসমীয়া ৰজাদিনীয়া (বাঁহ-কাঠ স্থাপত্যৰ) ঘৰবাৰী আৰু তাৰ ভিতৰৰ সাজসজ্জা কেনেকুৱা আছিল তাৰ সঠিক ছবি কোনেও দিব নোৱাৰে। গড়গাৱঁৰ কাৰেং, তলাতল ঘৰ ইত্যাদি যি ইটা আৰু পকীঘৰ আছে আৰু মঠমন্দিৰ আছে এইবোৰ বঙ্গদেশৰ পৰা অনা ঘনশ্যাম খনিকৰে গঢ়া আৰু পশ্চিমৰ ফালৰপৰা অনা খনিকৰে গঢ়া। অসম দেশ কাঠ-বাঁহৰ স্থাপত্যৰ বাবেই ভাৰত বিখ্যাত আছিল। পুৰণি কামৰূপী সভ্যতাৰ সময়ত শিলৰ মঠ-মন্দিৰ আৰু ৰাজপ্ৰাসাদ আছিল। কিন্তু আহোম ৰাজত্বৰ প্ৰথম ভাগৰেপৰা মাজভাগলৈ কাঠ-বাঁহৰ স্থাপত্যৰেই ঘৰ-বাৰীৰ স্থাপত্য আছিল। জয়মতী কথাছবিত 'মেটেকা' থকা ৰজাৰ ঘৰবাৰী ইটা-পকীৰ নাছিল। তাৰোপৰি গদাপাণি সেই সময়ত তুখং গাঁৱত কিছু বেয়া অৱস্থাত আছিল বুলি বুৰঞ্জীয়ে কয়।

আগৰ দিনৰ কাঠ-বাঁহৰ বিতোপন ঘৰ-বাৰীৰ নিদৰ্শন আজি ক'তো একো নাই। আজিলৈকে কোনো অসমীয়া প্ৰত্নতাত্ত্বিকে বা চিত্ৰশিল্পীয়ে কোনো নিদৰ্শনকেই আঁকি আমাক দিয়া নাই। অসমীয়া বাঁহ-কাঠৰ ঘৰ-বাৰীৰ নিদৰ্শন আজিকালিৰ সত্ৰৰ ঘৰবাৰী, গাৱঁলীয়া সম্ভ্ৰান্ত মানুহৰ ঘৰ-বাৰীত আগৰ সেই বাঁহ-কাঠ স্থাপত্যৰ পিতলৰ, ৰূপৰ কামি খুওবা বেৰ, হেঙুল হাইতাল বোলোৱা ৰুৱা-মাৰলী ইত্যাদিৰ একো নিদৰ্শন পাবলৈ নাই, কিছু আভাষহে পোৱা যায়। এই বাঁহ-কাঠ স্থাপত্যৰ একো নিদৰ্শন নোপোৱাত বিপদত পৰি মই বুৰঞ্জীবিদ্ ডঃ সূৰ্য্যকুমাৰ ভূঞা, প্ৰত্নতাত্ত্বিক সৰ্বেশ্বৰ কটকী, পুৰাতত্ত্ববিদ্ আনন্দ আগৰৱালা, ৰজনীকুমাৰ পদ্মপতি, সাহিত্যগুৰু পদ্মনাথ আৰু সাহিত্যৰথী বেজবৰুৱাকে আদি কৰি সাহিত্যিক, প্ৰত্নতাত্ত্বিক শিল্পীসকলৰ সৈতেও নানা পুথি-পাজি চাই আলোচনা কৰি, শেষত সত্ৰৰ ঘৰ-বাৰী, অসমীয়া পুথিত থকা ছবি, অসমীয়া কাঁহীবাটি, কাপোৰ-কানি, ঘৰ-বাৰীৰ বিষয়ে কিম্বদন্তি, আৰু বিদেশী ভ্ৰমণকাৰীয়ে লিখাৰপৰা সমল গোটাই সেই বাটেদিয়েই কল্পনাক চলাই 'জয়মতী'ৰ দৃশ্য সজ্জা ৰচনা কৰিলোঁ। কামৰূপৰ ভাল বাঁহ-কাঠৰ কাম জনা মানুহৰ দ্বাৰাই সেইবোৰ নিৰ্ম্মাণ কৰোৱা হৈছিল। পিছত দৃশ্য-সজ্জাই অসমৰ বাঁহ-কাঠ স্থাপত্যক জীৱন্ত কৰি তুলিলে বুলি

সকলোৱে সন্তোষ প্ৰকাশ কৰিছিল। বেজবৰুৱা ডাঙৰীয়াই দৃশ্য-সজ্জা দেখি "দুই ঘণ্টা আহোম ৰাজ্যত সোমাই থকা যেন লাগিছিল" বুলি কৈছিল। ডঃ ভূঞা আদি সকলোৱেই দৃশ্য-সজ্জা সম্পূৰ্ণ অসমীয়া বাঁহ-কাঠৰ স্থাপত্যৰ হৈছে বুলি মন্তব্য কৰিছিল।

অৱশ্যে এইবোৰ আৰু সমৃদ্ধকৈ নিশ্চয় দেখুৱাব পাৰি। আমি অসমীয়া মানুহ আন প্ৰদেশৰ দৰে ধনী হোৱা হ'লে আৰু 'ছিকন্দৰ'ৰ দৰে দহ লাখ টকা খৰচ কৰি 'জয়মতী' কৰিবলৈ পোৱা হ'লে অৱশ্যেই পৃথিৱী তভক্ খুৱাব পৰা বাঁহ-কাঠৰ কাৰেং দেখুৱাব পাৰিলোঁহেঁতেন। পিছে মনটো থাকিলে কি হ'ব—সিফালে যে ধন নাই! অসমীয়া দৰ্শকসকলে যেতিয়া অসমীয়া কথাছবি চাই লাখ লাখ টকা খৰচ কৰি কৰা বঙালী, হিন্দুস্থানী কথাছবিৰ সৈতে ৰিজাই অসমীয়া ছবি কিয় তেনে সাজ-সজ্জাৰে নোলায় বুলি ভাবে আৰু ক্ষুণ্ণ হয় তেতিয়া সদায় অসমীয়া জাতিৰ আৰ্থিক অৱস্থা আৰু অসমীয়া কথাছবিখন যে মাত্ৰ ছয়খন জিলাত থকা মানুহৰ আধাখিনি লোকসংখ্যা অসমীয়াৰ মাজত চলিব আৰু সেই জনসংখ্যাই দিয়া খোৰাক খাই অসমীয়া কথাছবিয়ে তিমানখিনিহে দিব পাৰিব তাকো যেন ভালকৈ মনত ৰাখে। ইয়াক মনত ৰাখিলেই অসমীয়া প্ৰযোজকক অসমীয়া দৰ্শকে কথাছবি শিল্প গঢ়াত এক প্ৰধান সহায় কৰা হ'ব।

অসমীয়া কথাছবি ভাল কৰাৰ এটা ডাঙৰ অন্তৰায় হৈছে, যিমান টকা ব্যয় কৰিলে এখন ভাল ছবি হয় তিমানখিনি টকা ছখন জিলাত প্ৰায়েই নুঠে আৰু উঠিলেও কোনোমতে কাণে কাণ মাৰিহে ৰক্ষা পৰে। অসমীয়া যি কেইখন ছবি 'জয়মতী'ৰ পিছত ওলাইছে তাৰ ভিতৰত 'ইন্দ্ৰমালতী'য়েই খৰচৰ উপৰিও কিছু লাভ দিয়ে। কিন্তু ইন্দ্ৰমালতী কটকিনাকৈ প্ৰায় বাৰ হেজাৰ টকাৰ ভিতৰত উলিওৱা হৈছিল। ইমান কম টকাৰে ছবি উলিয়াই সৰ্ব্বাঙ্গসুন্দৰ কৰিব নোৱাৰি। আজিকালিতো ষাঠি সত্তৰ হেজাৰৰ কমে ছবিকে উলিয়াব নোৱাৰি। এতিয়া ওলোৱা ছবি 'চিৰাজে' ৰাইজৰপৰা আশাতীত সমাদৰ পাইছে আৰু টকাও যথেষ্ট উঠিছে; কিন্তু তেনে ছবিৰ বাবে সেইদৰে খৰচো হ'ব। চিৰাজত প্ৰায় একলাখ টকা খৰচ হৈছে। হয়তো চিৰাজত দহহেজাৰ বা বিশহেজাৰ টকা ওপৰঞ্চি ৰব। কিন্তু চিৰাজৰ দৰে সদায় যে প্ৰত্যেকখন ছবিয়েই এক লাখ টকা খৰচ কৰি উলিয়ালে ৰাইজৰ সেই সমাদৰ পাব তাৰো একো নিশ্চয়তা নাই। সেইকাৰণে এতিয়া প্ৰধান কথা হৈছে অসমীয়াৰ এটা নিজৰ ষ্টুডিঅ'ৰ আৱশ্যক। তেতিয়া বহুত কম খৰচত ছবি উলিয়াব পাৰিব আৰু এখনত কিছু লোকচান হ'লেও আকৌ এখন উলিয়াবলৈ সমৰ্থ হৈ থাকিব।

এই কথাটো মই আজি বহুত দিনৰ পৰা উপলব্ধি কৰিছোঁ। আজি ষোল্ল বছৰেও আন যি কেইজন প্ৰযোজকে অসমীয়া ছবি উলিয়াইছিল তেখেতসকলে এই বিষয়ে আগবাঢ়িব নোৱাৰাত অসমীয়া শিল্পীসকলে আৰু নতুনকৈ উঠি অহা ডেকাসকলে অসমত

এটা ষ্টুডিঅ' স্থাপন কৰিবলৈ সদায় মোক ধৰি থকাত আকৌ এবাৰ চেষ্টা কৰি চাওঁ বুলি আগবাঢ়িব খুজিছোঁ। আৰু সেইবাবেই প্ৰথম কথাছবি 'জয়মতী'ৰ শব্দসংস্কাৰ কৰি, আকৌ কিছু টকা ব্যয় কৰিও তাকে ৰাইজৰ আগলৈ অনা হৈছে। ৰাইজৰপৰা এই নতুন উদ্যমত আৰু অসমৰ শিল্প জগতৰ প্ৰধান অভাব এটা গুচোৱাৰ চেষ্টাত ৰাইজে সকলো দোষত্ৰুটিলৈ নাচাই 'জয়মতী'ৰ যোগেদি মোৰে সৈতে সহযোগ কৰিব বুলি আশা কৰিলোঁ।

'জয়মতী'ৰ চিত্ৰনাট্যৰ একাংশ

1. Fade in on Title–

বনৰীয়া সৌন্দৰ্য্যৰ নন্দনফুলনি নেদেখা নজনা নিৰ্জ্জনত আপোনাতে আপুনি বিকশি ফুলি মৰহি যোৱা লাখো ফুলকলিৰ হাঁহিৰ নিজৰাৰে ভৰপূৰ নগা পৰ্ব্বত।

Fade out

2. Fade in on

Ext. Long shot slow panorama right and left of Distant Naga Hills.

Mix to

Ext. close view of certain part of Naga Hills with its jungles–view of several falls and vast flower fields.

Fade out

3. Fade in on Title–

নগাবেশী পলৰীয়া গদাপাণি—ল'ৰাৰজাৰ মানুহৰ বিহকাঁড়ৰ হাত সাৰি চেনেহৰ জয়াক শত্ৰুৰ বৰঘৰত এৰি থৈ, অত্যাচাৰীৰ হাতৰপৰা দেশ উদ্ধাৰৰ মহান সংকল্প বুকুত বান্ধি—পদে পদে প্ৰাণৰ আশঙ্কাত সন্ত্ৰস্ত হৈ—বহু বাট হাবি বন ভাঙি শ্ৰান্ত আৰু ক্লান্ত হৈ—বহু নিশা অনাহাৰ আৰু উজাগৰে থাকি অৱসাদত উৰলি পৰি গদাপাণি আহি প্ৰকৃতিৰ নিৰ্জ্জন শান্তিময়ী নাগ-জননী নগাপৰ্ব্বতত আশ্ৰয় বিচাৰি ওলালহি।

Fade out

4. Fade in on–

Ext. Base of Naga Hills. Long shot. Trucking forward.

Godapani in Naga dress is fast asleep under a tree, holding a spear which is lying crosswise over his body in his grip. Fatigued, worn out.

5. Ext. Base of Naga Hills. Medium long shot. Trucking Forward– till things lying about Godapani can be well recognised.

Godapani fast asleep, a long spear lying crosswise over his body, right hand gripping at it. Suddenly Godapani wakes up. Jumps to his feet and gets ready for unseen enemy. He listens with intent care and looks to his right scrutinising some distant object at the height of the adjacent hill. Listening and gazing steadfastly–he begins to advance towards right.

6. Ext Foot of Naga Hills. Close-up of Godapani's face.

Godapani's keen eyes are steadfast and enquiring.

7. Ext. Foot of Naga Hills. Close-up of Godapani's legs.

Godapani stepping carefully and silently. His bare legs are full of scars, blood trickling out in certain positions. Muddy feet.

8. Ext. Foot of Naga Hills. Medium Long shot of Godapani. Trucking backward.

Godapani moves and passes to his right. He is cut off from the camera when he passes to the other side of the trunk of a tree.

Fade in on Title.

ৰূপধৰা নাগবন সৌন্দৰ্য্য—অনাঘ্ৰাত সুৰভি সফুৰা—আপোনাতে আপুনি বিভোৰা, আপোনাতে আপোন পাহৰা—আপোনাৰ নৃত্যতেই আপুনিয়ে বিয়াকুল হোৱা—নিজৰাৰ পাৰে পাৰে, শিলনিৰ গায়ে গায়ে—দেওদি নাচি-ফুৰা—চৰগী ৰাজ্যৰ বাট চিৰ আনন্দ—চিৰ সৌন্দৰ্য্যৰ জলন্ত কণিকা—আজলী, ৰূপহী—ডালিমী।

কোনে কয় মানৱী লঁয়ে হায়
ৰনৰ সৌন্দৰ্য্যই ৰূপ ধৰি আহি
দেওদি চাপৰি বায়।

ৰূপধৰা নাগবন সৌন্দৰ্য্য অনাঘ্ৰাত সুৰভি সফুৰা আপোনাত আপুনি বিভোৰ, আপোনাতে আপোন পাহৰা, আপোনাৰ নৃত্যতেই আপুনি বিয়াকুল হোৱা—নিজৰাৰ পাৰে পাৰে—।

লক্ষ্মীনাথৰ ৰচনাৱাজি

১। কথা সাহিত্য

(ক) (সাধুকথা)

১। বুঢ়ী আইৰ সাধু, ১৯১২

২। ককা দেউতা আৰু নাতি ল'ৰা, ১৯১৩

৩। সাধুকথাৰ কুকি, ১৯০৪

৪। সুৰভি, ১৯০৯

৫। জোনবিৰি, ১৯১৩

খ (উপন্যাস)

৬। পদুম কুঁৱৰী, ১৯০৫

গ (প্রবন্ধ ৰচনা)

৭। সভাপতিৰ অভিভাষণ— অসম ছাত্র সন্মিলনৰ সভাপতিৰ ভাষণ, ১৯১৬

৮। অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণ, ১৯২৪

৯। বাখৰ, ১৯১৫

১০। কৃষ্ণ কথা, ১৯৬৩

১১। শ্রীশ্রীশঙ্কৰদেৱ, ১৯১১

১২। শ্রীশঙ্কৰদেৱ আৰু শ্রীমাধৱদেৱ, ১৯১৪

১৩। ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱন চৰিত্, ১৯০৯.

১৪। ভাৰতবৰ্ষৰ বুৰঞ্জী (ই, মাৰ্চডেনৰ বুৰঞ্জীৰ অনুবাদ), ১৯০৬

১৫। History of Vaishnavism in India and Rasa Lila Of Shri Krishna, 1934

ঘ(ব্যঙ্গ ৰচনা)

১৬। কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা, ১৯০৪

১৭। বৰবৰুৱাৰ ওভতনি, ১৯০৯

১৮। কামত কৃতিত্ব লভিবৰ সঙ্কেত, ১৯০৩

২। নাটক

১৯। জয়মতী কুঁৱৰী, ১৯১৫

২০। বেলিমাৰ, ১৯১৫

২১। চক্ৰধ্বজ সিংহ, ১৯১৫

৩। প্ৰহসন

২২। চিকাৰপতি-নিকাৰপতি, ১৯১৩

২৩। লিতিকাই, ১৯০১

২৪। নোমল, ১৯১৩

২৫। পাচনি, ১৯১৩

২৬। গদাধৰ ৰজা, ১৯১৩

৪। কবিতা

২৭। কদম কলি, ১৯১৩

৫। শিশু সাহিত্য

২৮। জুনুকা, ১৯১৩

৬। মৰণোত্তৰ প্ৰকাশ

২৯। মোৰ জীৱন সোঁৱৰণ (বাল্যকাল), সংগৃহীত, মাধৱ বেজবৰুৱা, ১৯৪৪

৩০। কৃপাবৰ বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি, সংগৃহীত, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, ১৯৫১

৩১। মোৰ জীৱন সোঁৱৰণ, সংগৃহীত, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, ১৯৬১

৩২। তত্ত্বকথা, সংগৃহীত, অতুলচন্দ্ৰ হাজৰিকা, ১৯৬৩

৩৩। বৰবৰুৱাৰ বুলনি, সংগৃহীত, অতুলচন্দ্ৰ হাজৰিকা, ১৯৬৪

জ্যোতিপ্ৰসাদৰ ৰচনা-ৰাজি

নাটক

(ক)	শোণিতকুঁৱৰী	১ম তাণ্ডৱন	১৯২৫
(খ)	কাৰেঙৰ লিগিৰী	১ম তাণ্ডৱন	১৯৩৭(?)
(গ)	ৰূপালীম	১ম তাণ্ডৱন	১৯৬০
(ঘ)	লভিতা	১ম তাণ্ডৱন	১৯৪৮
(ঙ)	নিমাতী কইনা (বা ৰূপকোঁৱৰ)	প্ৰথম প্ৰকাশ	১৯৬৪
(চ)	সোণ পখিলী (অসমাপ্ত) (অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাৰ দ্বাৰা সমাপ্ত)	প্ৰথম প্ৰকাশ (ঙ) আৰু (চ) একেখন গ্ৰন্থতে ছপোৱা হয়	১৯৬৪
(ছ)	খনিকৰ	'প্ৰকাশ' আলোচনীত প্ৰথম ধাৰাবাহিকভাৱে প্ৰকাশিত হয়	১৯৭৭ চনত

কবিতা

(ক)	লুইতৰ পাৰৰ অগ্নিসুৰ বিভিন্ন সময়ত ৰচিত কবিতাৰ সংকলন গ্ৰন্থ সম্পাদনা ঃ অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা	প্ৰথম প্ৰকাশ	১৯৭১
(খ)	জ্যোতি ৰামায়ণ (অসমাপ্ত)	প্ৰথম প্ৰকাশিত হয় জ্যোতিপ্ৰসাদ-সম্পাদিত নতুন অসমীয়া'ৰ অকমাণি চ'ৰাত	

জীৱনী-গ্ৰন্থ

চন্দ্ৰকুমাৰ আগৰৱালা	প্ৰথম প্ৰকাশ	১৯৬৭

চুটি গল্প

১। ৰূপহী

২। খুঁজাৰু

৩। সন্ধ্যা

৪। প্ৰত্নতাত্বিকৰ কলাঘুমটি

৫। সোণতৰা

৬। কণীতৰা

৭। সতীৰ সোঁৱৰণী

৮। সোণটিৰ অভিমান

৯। মুকুতা সাউদ

জ্যোতি সাতশৰী

অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাৰ দ্বাৰা সংকলিত আৰু সম্পাদিত সংকলন-গ্ৰন্থ
৯নং গল্পত বাদে ওপৰৰ প্ৰথম আঠোটা গল্প সংকলনত সন্নিবিষ্ট — প্ৰথম প্ৰকাশ ১৯৬৭

ভাষণ-পত্ৰিকা

ক।	অসমীয়া সঙ্গীতৰ ৰূপ		১৯৩৬ (?)
খ।	নতুন দিনৰ কৃষ্টি		১৯৪৭
গ।	পোহৰলৈ		১৯৪৭
ঘ।	শিল্পীৰ পৃথিৱী		১৮৭০ শক
ঙ।	আইদেউৰ জোনাকী-বাট		১৯৪৯
চ।	ডিব্ৰুগড় কলেজৰ বছৰেকীয়া সঙ্গীত সন্মিলনৰ সভাপতিৰ অভিভাষণ (৩০-৪-৪৮)	কানৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থ, ১৯৭২ত প্ৰথম প্ৰকাশিত	

প্রবন্ধ

১। অসমীয়া স্থাপত্যৰ নৱৰূপ

২। বিয়াল্লিছৰ কাহিনী (ঢেকিয়াজুলি)

৩। অসমৰ ফিল্ম-শিল্প

৪। তৰুণ-তৰ্পণ

৫। বেজবৰুৱা প্ৰতিভা (অসমাপ্ত)

জ্যোতিৰ্ধাৰা

অধ্যাপক অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত সংকলন-গ্ৰন্থ। ওপৰৰ ৫টা প্ৰবন্ধ আৰু ভাষণ শেষৰটোৰ বাহিৰে আটাইকেইটা গ্ৰন্থত সন্নিবিষ্ট	প্ৰথম প্ৰকাশ	১৯৬১